

ঘন হাজৰিকা

STATE CENTRAL LIBRARY
GAUHATI

গুৱাহাটী বুক ষ্টল • গুৱাহাটী-১

GADHULI LAGNA

A Social Novel written by Ghana Hazarika and Published by Bangshidhar Sarmah, M/s. Gauhati Book Stall, Gauhati-3. Price Rupees Eight only.

। প্ৰকাশক : শ্ৰীবংশীধৰ শৰ্মা ● গুৱাহাটী বুক ষ্টল ● শিলপুখুৰী ● গুৱাহাটী-৩ ।

। প্ৰথম প্ৰকাশ : ডিসেম্বৰ, ১৯৭৪ চন ।

। বেটুপাতৰ ছবি আৰু অঙ্গসজ্জা : ত্ৰৈলোক্য দত্ত ।

। ছপা : শ্ৰীঅজিত কুমাৰ ৰায় ● শ্ৰীসাৰদা প্ৰিণ্টিং ● ঘোষ লেন ● কলিকতা-৬ ।

। বন্ধা : শ্ৰীশিৱসাধন ঘোষ ● জবা বাইণ্ডিং ওৱাৰ্কচ্ ● কলিকতা-৬ ।

। মূল্য : আঠ টকা মাথোন ।

। পূজনীয় দেউতালৈ ।

গধূলি লগ্নৰ বিষয়ে দুষাৰ কৈ লোৱা উচিত হ'ব। ইতিমধ্যে কিতাপ আকাৰে আৰু আলোচনীৰ পাতত মোৰ দুখনমান উপন্যাস প্ৰকাশ হলেও গধূলি লগ্নহে উপন্যাস হিচাবে মোৰ প্ৰথম লিখা। তৃতীয় বাৰ্ষিকত থাকোঁতেই উপন্যাসখন আৰম্ভ কৰি বি. এ. ফাইনেল দিয়াৰ পাচৰ অৱসৰ সময়খিনিত সম্পূৰ্ণ কৰোঁ। উপন্যাসখন লিখা সময়ত মোৰ বয়স আৰু উপন্যাসখনৰ প্ৰধান নায়ক অশান্ত, মেদিনী, বিকুল, শৈলেশ আৰু বকিমৰ বয়সৰ মাজত পাৰ্থক্য নাছিল। সেইবাবেই হয়তো অশান্তহঁতৰ দৰে দুৰ্দ্ধৰ্ষ গুণ্ডাৰ মাজলৈ সোমোৱাটো মোৰ বাবে সহজ হৈছিল। অশান্তহঁত নিঃসন্দেহে জঘন্য গুণ্ডা। কিন্তু সিহঁতৰ ভিতৰলৈ সোমোৱাৰ পাচত উপলব্ধি কৰিছিলোঁ। সিহঁতৰো ব্যক্তিগত দুখ আছে। সেই দুখে হয়তো মোক আকৰ্ষণ কৰিছিল আৰু সেই আকৰ্ষণেই গধূলি লগ্নৰ জন্ম।

গধূলি লগ্ন সম্পূৰ্ণ কৰাৰ পাচত মোৰ সাহিত্য জীৱনৰ পথদৰ্শক অগ্ৰজপ্ৰতিম শ্ৰীযুত হোমেন বৰগোহাঞি দেৱক চাবলৈ দিলোঁ। তেখেতে প্ৰকাশ কৰাৰ পৰামৰ্শ দিলে। কেৱল পৰামৰ্শই নহয় নিজে প্ৰকাশকৰ হাততো দি আহিলগৈ। মোৰ দৰে সাধাৰণ অথচ নতুন লিখকৰ বাবে এইবিলাক সৌভাগ্যৰ কথা। এই সৌভাগ্যক সদায়ে গৌৰৱেৰে সোঁৱৰিম।

মোৰ সকলো কামেই আকস্মিকভাবে কৰা। আকস্মিকভাবেই সাহিত্যজগতলৈ আহিলোঁ আৰু আকস্মিকভাবেই গধূলি লগ্ন লিখি পেলালোঁ। এই ক্ষেত্ৰত মোৰ মনত সাহস যোগোৱা মোৰ শৈশৱৰ বন্ধু কেইজনমান আৰু বিশ্ববিদ্যালয়লৈ আহি জালুকবাৰীত লগ পোৱা কেইজনমান শুভাকাঙ্খীৰ ওচৰত কৃতজ্ঞ। গুৱাহাটী বুক ষ্টলৰ স্বত্বাধিকাৰ শ্ৰীযুত বংশীধৰ শৰ্মাই

কিছুমান অসুবিধাৰ বাবে উপন্যাসখন চাৰি বছৰ পেলাই থব লগা হ'ল। অথচ কিতাপখন সুন্দৰভাৱে প্ৰকাশ কৰাৰ আগ্ৰহ তেখেতৰ সদায়ে একেভাবেই আছে। নতুন লিখকৰ লিখা প্ৰকাশ কৰিবলৈ শ্ৰীশৰ্মাৰ যি আগ্ৰহ সেই আগ্ৰহে কেইবাজনো নতুন লিখকক অসমীয়া সাহিত্য জগতত প্ৰবেশ কৰাৰ সুযোগ দিছে। এইটো সঁচাকৈয়ে প্ৰশংসনীয়। শ্ৰীশৰ্মাৰ এই আগ্ৰহৰ প্ৰতি মই সদায় কৃতজ্ঞ থাকিম। তাৰ পাচত শিল্পী ত্ৰৈলোক্য দত্ত। শ্ৰীদত্তযে এজন ভাল শিল্পী সকলোৱে জানে। সকলোৱে নজনা কথা হ'ল মোৰ কিতাপৰ বেটুপাত তেখেতে বৰ মৰম আৰু আগ্ৰহে আঁকে। হয়তো ছবিৰ প্ৰতি থকা মোৰ দুৰ্বলতাৰ বাবেই। শ্ৰীদত্তৰ এই মৰম আৰু আগ্ৰহ মই সদায়ে কৃতজ্ঞতাৰে সোঁৱৰিম।

শেষত এটা ব্যক্তিগত কথালৈ আপোনাক টানি আনো। গধূলি লগ্ন চাৰিটা বছৰ প্ৰকাশকৰ ওচৰত পৰি থকা সময়খিনিৰ ভিতৰত মোৰ চিন্তাধাৰা, দৃষ্টিভঙ্গীৰ হয়তো কিছু সালসলনি হৈছে। সেই হিচাবে গধূলি লগ্নৰ ওপৰত আকৌ এবাৰ হাতফুৰা উচিত আছিল। অথচ হাত সুফুৰালো এটা মোহৰ বাবে। সেইয়া হয়তো চাৰি বছৰৰ আগৰ মোৰ সেই মনটোৰ প্ৰতি থকা মোহ। চাৰি বছৰৰ আগতে মোৰ অজ্ঞতাৰ বাবে উপন্যাসখনত হৈ যোৱা ভুলৰ বাবে আপুনি যদি তীব্ৰ সমালোচনা কৰে মই আক্ষেপ নকৰোঁ। ধৰি লম এইয়া অজ্ঞতাৰ পুৰস্কাৰ। কিন্তু যিসকলে অশান্ত, মেদিনী, বকিম, বিকুল বা শৈলেশহঁতক সমালোচনাৰ বাণেৰে ক্ষত-বিক্ষত কৰিবলৈ চেষ্টা কৰিব তেখেতসকলৰ প্ৰতি এটাই অনুৰোধ—অশান্তহঁতক যেন বুজাৰ চেষ্টা কৰে। অন্ততঃ তেওঁলোকক ভুল নুবুজে। নহলে অশান্তহঁতৰ প্ৰতি বৰ অন্যায় কৰা হ'ব।

—মন হাজৰিকা

। উপন্যাসের চরিত্র আর কাহিনী সম্পূর্ণ কাল্পনিক।

ইয়াত বহি বহিয়েই নগৰখনৰ বিষয়ে খুটি-নাটি মাৰি আপোনাক কৈ যাব পাৰিম। সুন্দৰ বৰ্ণনা দি যাম। আপুনি নিজে এবাৰ নগৰখনলৈ গৈ মোৰ বৰ্ণনাবিলাক মিলাই চাব পাৰে, দেখিব মই কোৱা কথাবিলাক সম্পূৰ্ণ সঁচা।

আচলতেতো নগৰখন নিচেই সৰু। এইখন নগৰত এসপ্তাহ থকাৰ পিচত মোৰ দৰে আপুনিও নিখুঁত বৰ্ণনা দি যাব পাৰিব। চকু মুদি কৈ যাব পাৰিব পূবমূৰে পাৰ্কখন, তাৰ কাষতে মদ বেচা মানুহকিঘৰ, তাৰ পিচত ডাকঘৰ, স্কুল বৰ্ডিং, ক'ৰ্ট-কাছাৰী ইত্যাদি। অতি সহজভাৱেই মোৰ দৰে আপুনিও কৈ যাব পাৰিব নগৰখনৰ কোনটো গলিত জীৱনক লৈ নতুন নতুন জুৱাখেল বহে, কোনখন হোটেলত মদ-মাংস-নাৰীৰ মুকলি মেলা বহে। আচল কথা নগৰখন নিচেই সৰু। অৱশ্যে কোনো মফচল চহৰ নহয়। এটা মহকুমা, ক'ৰ্ট-কাছাৰী, পাঁচ-ছখন হাইস্কুল, কলেজ, ৰাজহুৱা পুখিভঁৰাল, পাৰ্ক, চিকিৎসালয়, বিভিন্ন ধৰণৰ অফিচ, তিনিটাকৈ চিনেমা হল, অজস্ৰ সৰু-ডাঙৰ হোটেল, নানা ধৰণৰ দোকান ইত্যাদি সকলো আছে।

নগৰখনৰ একেবাৰে পূবমূৰে পাৰ্কখন। তাৰ কাষেৰে যিটো আহল-বহল পিচ্ দিয়া আলি পশ্চিমলৈ গৈছে সেইটোৱেই নগৰখনৰ প্ৰধান আলি। আলিটোৰ বাওঁকাষে পাৰ্ক, সোঁকাষে স্কুল বৰ্ডিংকিটা। স্কুল বৰ্ডিংকিটাৰ গাতে লাগি থকা এলানি পানদোকান। তাৰ পাচফালে কেইঘৰমান মানুহ।

সন্ধ্যা সময়ত পানদোকানকিখনৰ মাজেৰে পাচফালৰ যিকোনো এঘৰ মানুহৰ ঘৰলৈ নিৰ্ভয় মনেৰে সোমাই যাওক। বেঞ্চ বা নাল নথকা চকী এখনত বহক। কওক কিমান খাব। দেখিব আপোনাক অতি পৰিচিত মানুহৰ দৰে ব্যৱহাৰ কৰিছে। নিৰ্ভয়ে আপোনালৈ এগিলাচ পানীয় আগবঢ়াই দিছে। লগত একপ্লেট পিয়াজসনা মুৰি।

গিলাচৰ পানীয়ত শোহা মাৰি আপুনি লক্ষ্য কৰক। আপোনাৰ দৰে অন্য কেইবাজনেও আপোনমনে পানীয় শোহাত মগ্ন। আপুনি নতুন মানুহ বুলি কোনেও আপোনাৰ প্ৰতি কৌতূহল দেখুৱা নাই। নেদেখুৱায়। সেইবিলাক কথালৈ ব্যস্ত হোৱাৰ দৰে বেয়া স্বভাৱ এইখন নগৰৰ মানুহৰ নাই। কোঠাটোৰ অন্য মানুহৰ লগতে হাফপেণ্ট পিন্ধা স্কুলীয়া ল'ৰাবপৰা কলেজলৈ অহাযোৱা কৰা পখৰা-পখৰী কামিজ পিন্ধা ল'ৰাও পাব—নিৰ্ভয় মনেৰে গিলাচৰ পানীয় শেষ কৰি হাতৰ তলুৱাৰ ওলোটা পিঠিৰে কোবাবি মচি গহীনত ওলাই গৈছে। আচৰিত নহব। এইবিলাক অতি সাধাৰণ কথা।

এইবাৰ আপুনি মূল আলিলৈ ওলাই আহক।

পশ্চিমলৈ আগবাঢ়ক। এই ডোখৰৰপৰাই নগৰখন আৰম্ভ। সোঁকাষে সেইটো এৰাবাৰীৰ ভূত থকা ঘৰ নহয়, স্কুল। উচ্চ মাধ্যমিক বিদ্যালয়। জেওৰা-জপনা একো নেথাকিলেও, পঢ়া-শুনাৰ নামত ল'ৰাবিলাকে মাথোঁ অহাযোৱাহে কৰা হলেও সেইখন স্কুলৰপৰাই বছৰি এজাক ল'ৰা কলেজত পঢ়িবলৈ ওলাই আহে। স্কুলখনৰ কাষতে সেইটো ডাকঘৰ। ডাকঘৰৰ সোঁকাষে সেইখন কাছাৰী। তাৰ কাষেৰে এটা আলি উত্তৰলৈ গৈছে আৰু এই তিনিআলিটোৰ বাওঁকাষে যিখন প্ৰকাণ্ড হোটেল দেখিব সেইখনেই 'হোটেল ইণ্ডিয়া।' এইখন হোটেল নগৰখনৰ এখন উচ্চ ধৰণৰ আভিজাত্যৰ চাপ থকা হোটেল। মাহে শ শ গিলাচ মদ এইখন হোটেলত অতিথি সংকাৰৰ বাবে ব্যৱহাৰ হয়। হেজাৰ হেজাৰ টকাৰ নিতৌ জুৱা আৰু নাৰীৰ চমকপ্ৰদ খেলা বহে।

'হোটেল ইণ্ডিয়াত' সোমায়েই আপুনি বিচেপচনিষ্ট কাউণ্টাৰ পাব। সুন্দৰ চেহেৰাৰ অনা-অসমীয়া লোক এজনে ইংৰাজী কায়দাত আপোনাৰ আগমনৰ কথা সুধিব। কাউণ্টাৰৰ ওপৰত থকা 'পেপাৰ ওৱেট'টোত হাত বুলাই গম্ভীৰভাৱে কওক আপুনি কিছু আনন্দ বিচাৰি আহিছে। দেখিব মেনেজাৰজনে আপোনালৈ তীক্ষ্ণদৃষ্টিৰে এবাৰ চাইছে। এইবাৰ আপুনি সামান্য হাঁহি এটা মাৰি কওক, 'আই মিন ডব্লিউ স্কোৱাৰ।' দেখিব মেনেজাৰৰ মুখত হাঁহি বিৰিঙি উঠিছে। আপোনাক সমুখৰ আসনত বহিবলৈ অনুৰোধ কৰি ডব্লিউ স্কোৱাৰৰ খবৰ লব। আপুনি নিশ্চিন্তমনে চোফাত বহি সৰু টেবুলখনত পৰি থকা জাৰ্ণেল এখনৰ পাত লুটিয়াওক। মেনেজাৰে কলিং বেল টিপিব, আপুনি বিচৰা ডব্লিউ স্কোৱাৰৰ খবৰ লব।

আপুনি নিশ্চিন্ত থাকক। ডব্লিউ ষ্কোৱাৰ মানে যে আপুনি 'ওয়্যান এণ্ড ওৱাইনৰ' কথা কৈছে, ইতিমধ্যে মেনেজাৰে বুজি গৈছে।

এটা সময়ত মেনেজাৰে আপোনাক ওচৰলৈ মাতিব। আপুনি বিচৰা 'ওয়্যান এণ্ড ওৱাইন' সেই মুহূৰ্ততে সুবিধা কৰি দিব। যদি অসুবিধা হয় আপোনাক এটা নিৰ্দিষ্ট সময় দিব। তাৰবাবে অৱশ্যে লগে লগে বুক কৰিব লাগিব। এড্ভান্স দিব লাগিব। এড্ভান্স ৰচিদ লিখি থাকোঁতে মেনেজাৰক সোধক, 'ষ্টেটিষ্টিকছ্ প্লিজ্।' ৰচিদত পেন্সিল চলাই থকা অৱস্থাতে মেনেজাৰে গাই যাব—'থাৰ্টি টু, টুয়েণ্টি ফ'ৰ, থাৰ্টি টু। কলেজ গাৰ্ল। নাইণ্টিন ইয়াৰ্ছ।'

নিৰ্দিষ্ট সময়ত আপুনি আহক। কাউণ্টাৰত ভেজা দি জেপৰপৰা ৰচিদখন উলিয়াই মেনেজাৰৰ চকুৰ সমুখত দাঙি ধৰক। এটা নিৰ্দিষ্ট কোঠালৈ আপোনাক লৈ যাব। কোঠাটোত আপোনাক অকলশৰে এৰি অহাৰ ক্ষন্তেকৰ পিচতেই কোঠাটোলৈ সোমাই আহিব এজনী মৰমলগা মুখৰ কোমল বয়সীয়া গাভৰু।

আপুনি বিশ্বাস কৰা নাই? নিজে এবাৰ যাওক, দেখিব মোৰ প্ৰত্যেকটো কথা কিমান নিৰ্ভুল। ভয় নকৰিব। দেখিব ছোৱালীজনীয়ে দুৱাৰ খিল্টো লগাই দিছে। বিছনাৰ কাষতে থকা টেবুলৰ ওপৰত থকা বটলৰ কক্ খুলিছে। গিলাচত ঢালিছে হুইস্কি অন ডা ৰক্স। তাৰ পিচত আপোনাৰ গাত গা লগাই ছোৱালীজনী বহিব। পানীয়ৰ গিলাচ আপোনালৈ আগবঢ়াব। এবাৰ ছোৱালীজনীৰ মুখলৈ চাওক। হাঁহি আছে। আৰু ভালকৈ চাওক। দেখিব ছোৱালীজনীৰ হাঁহিত বিষন্নতাৰ ছাপ। আৰু ভালকৈ চাওক, দেখিব সেই হাঁহিৰ পাচফালে অজস্ৰ কান্দোন থুপ খাই আছে।

আকৌ মূল পকাআলিলৈ ওলাই আহক। এইখন যথেষ্ট সৰু নগৰ। কম সময়ৰ ভিতৰতে সকলোবিলাক দেখুৱাই দিছোঁ, মাত্ৰ চাই যাওক।

এইবাৰ দেখিব আলিৰ দুয়োকাষে দোকান-পোহাৰ আৰম্ভ হৈছে। সৰু-ডাঙৰ দোকান লাহে লাহে ঘন হৈ অহা দেখিব। অন্য যিকোনো এখন নগৰৰ দোকানবিলাকৰ লগত এইবিলাক দোকানৰ সাদৃশ্য দেখা পাব। গতিকে এইবিলাক বৰ্ণনা দিয়াৰ প্ৰয়োজন নাই। মাত্ৰ মোৰ কাহিনীৰ পটভূমিক বুজাবৰ বাবে প্ৰয়োজনীয়খিনি ক'ম। আচলতে এইখন নগৰৰ বৰ্ণনা দিয়াৰ কোনো দৰ্কাৰেই নাছিল। মাত্ৰ অশান্তৰ বাবেই দৰ্কাৰ হৈ

গ'ল। অশান্তৰ বাবেই আপোনাক এইখন নগৰলৈ আগবঢ়াই আনিছোঁ, অশান্তৰ বাবেই বিনা পাৰিশ্ৰমিক গাইড্ হিচাপে এইখন নগৰৰ বাসিন্দাকৰ লগত আপোনাক পৰিচয় কৰি দিছোঁ।

সমুখৰ সেই যে চাৰিআলিটো, সেইটো চাৰিআলিৰ মাজ-মাজতে অজস্ৰজনৰ সাক্ষাতে বটলৰপৰা গিলাচত মদ বাকি খোৱা দৃশ্য বহুত দেখিব। চাৰিআলিটোৰ সোঁফালে যোৱা আলিটোৰে অকমান গৈয়েই পাৰ্লছ স্কুলখন। ফুলবীয়া বিক্ৰেতাৰ সময়ত চাৰিআলিটোৰ আশে পাশে থকা দোকান-বিলাকত স্কুলখনৰ ছোৱালীবিলাক ভৰি পৰে। ঠিক একে সময়তে নগৰখনৰ বিভিন্ন ঠাইৰ স্কুলবিলাকৰ ল'ৰাবিলাকো আহি এইডোখৰ ঠাই ভৰি পৰিবহি। চাৰিআলিটোৰ চাৰিওফালে থকা চেলুন, হোটেল, দৰ্জিৰ দোকান আদিৰপৰা আৰম্ভ কৰি ইক্ৰামকাইৰ পানদোকানলৈকে এটা বেছ সজীৱ সজীৱ ভাব।

দক্ষিণৰপৰা অহা আলিটো মূল আলিত লগ হৈ কৰা চুকটোত থকা সেইখন পানদোকানেই ইক্ৰামকাইৰ দোকান। আপুনি অকমান আগবাঢ়ি দোকানখনৰ পাটচলাৰ তললৈ যাওক। পাটচলা বখাই খোৱা বাৰডালত হাত এখন থৈ ইক্ৰামকাইৰ মুখলৈ চাওক। আশীৰ ওচৰাওচৰি এজন বৃদ্ধ। মূৰৰ চুলি সম্পূৰ্ণ সৰি গৈছে। তপামূৰটো ঢাকি ৰখা এটা বগা গান্ধীটুপী। চকুত চানি পৰিছে। দাঁত বুলিবলৈ একো নাই। গাল-মুখ সোতোৰাসোতোৰ।

ইক্ৰামকাই পুৰণি মানুহ। সংসাৰৰ নতুন নতুন বিস্ময় এইখন পানদোকানত বহিয়েই নিতৌ চাই গৈছে। এইডোখৰ ঠাইত বহিয়েই ইক্ৰামকায়ে বিস্ময়ভৰা চকুৰে বহুত মহাপুৰুষ দেখিলে, বহু কাপুৰুষ দেখিলে। বহু অসুৰ, বহু দেৱতা এইডোখৰত বহিয়েই নীৰৱে চাই গ'ল। ইক্ৰামকাইৰ চকুৰ সমুখতে আপুনি ধৰি থকা সেই পাটচলাৰ বাৰডালতে হাত থৈ পুৱা-গধূলি আড্ডা মাৰি মাৰি বহু কিশোৰ যুবক হ'ল, বহু যুবক বৃদ্ধ হ'ল।

এইজন ইক্ৰাম দোকানীয়েই প্ৰথম মোক অশান্তইতৰ কাহিনী কৈছিল। মোৰ বিস্ময়ভৰা চকুৰ ওপৰত চকু থৈ ইক্ৰামকায়ে বহুদিনৰ আগতেই হৈ যোৱা সেই কৰুণ নাটকৰ কাহিনী আকৌ আৰম্ভ কৰিছিল।

ওহো মিছা। এটা দৃষ্টিতে আপুনি ইক্ৰামকাইক একো বুজিব নোৱাৰিব। ইক্ৰামকাইৰ দোকানৰ সমুখত বছৰৰ পিচত বছৰ আড্ডা মৰা অশান্ত-বিকুল-মেদিনী এটায়ো বুজিব নোৱাৰিলে। ময়ো নোৱাৰিলোঁ। মোৰ ধাৰণা

কোনেও বুজিব পৰা নাই। এবাৰ ভেওঁ নিজেই কৈছিল, 'তুমি কি বুজিবা বন্ধুল, মই নিজেই মোক বুজি নেপালোঁ।'

এইবাৰ চাবিআলিটোৰ উত্তৰ চুকৰ মাৰোৱাৰী হোটেলখনলৈ চাওক। হোটেলখনৰ আলিৰ ফালে থকা মিঠাইৰ আলমাৰি, আলমাৰিটোৰ ওপৰত পুৰা ছয় বজাৰপৰা বাতি দহ বজালৈ একে ৰাহে বাজি থকা প্ৰকাণ্ড মাৰ্ফি ৰেডিঅ', তাৰ কাষৰ বডা পেকিং বক্সটোৰ মাজত থকা গণেশৰ মূৰ্তি ইত্যাদি-বিলাকৰ ওপৰেদি আপোনাৰ চকুহাল বাগৰাই নি হোটেলখনৰ একেবাৰে চুকটোত ৰেতিয়া দৃষ্টি নিবদ্ধ কৰিব, দেখিব চুকটোৰ চকী, টেবুল দখল কৰি এজাক ডেকা ল'ৰাই আড্ডা জমাই আছে। দেখিব নগৰখনৰ প্ৰত্যেকখন হোটেলতে একে বয়সীয়া একোজাক ল'ৰাই প্ৰত্যেক দিনাই পুৱা দহ বজাৰপৰা ৰাতি দহ বজালৈ বিভিন্ন সময়ত কিছুমান নিৰ্দিষ্ট আসন অধিকাৰ কৰি আড্ডা মাৰিছে। এওঁলোকক আড্ডা নেমাৰিবলৈ কোৱাৰ সাহস দোকানীৰ নাই। এওঁলোক স্কুল-কলেজৰ ওস্তাদ ধৰণৰ ল'ৰা। বহুবাৰ মাৰপিট কৰা, বহুবাৰ একেটা শ্ৰেণীতে জিৰোৱা নাইবা এবাতি ডুবাভিৰ বাবে হাজোতলৈ যোৱাৰ অভিজ্ঞতা এওঁলোকৰ আছে। এওঁলোকক হাতত ৰাখিলে হোটেলৱালাৰ বহু সুবিধা হয়। সামান্য কথাতে এওঁলোকে ঘোঁচা তুলি লব প'বে। চকুলৈ চালেই 'আৰে কিয় চাবি' বুলি মুখত ঘোচা মাৰি দিয়াত অভিজ্ঞ।

আপুনি হোটেনখনলৈ সোমাই চুকত আড্ডা মাৰি থকা ল'ৰাজাকৰ কথাবিলাক শুনিব পৰা দূৰত্বত বহক। চাহৰ কাপত শোহা মাৰি ল'ৰাজাকৰ কথাবিলাকত কাণ দিয়ক। শুনিব এজনে টেবুলত ঢকিয়াই কৈছে, "আৰে মই নাইন ইন্দিডৰ সপোন দেখিলোঁ, অনিলেও নাইন ইন্দিং আহিব বুলি কলে আৰু চান্না আহিলে জিৰ' ফাইভ। সদায়ে চান্না এনেকৈ মাৰ খালে..." সেইজনৰ কথাত বাধা দি অন্য এজনে কৈ উঠিব, "বাদ দে বে তোৰ নাইন ইন্দিং, মই চান্না আনলাক্কি। ৰেগুলাৰ মাৰ খাইছোঁ, ই চান্না নগেনে তামাম পিটিছে..." নগেনে কৈ উঠিব, "মাইৰি বে, মযো ৰেগুলাৰ মাৰ খাইছোঁ, চান্না বাইদেৱে ব্লাউজৰ কাপোৰ আনিব দিয়া পইচা, মাৰ কাহৰ দৰৱ আনিবলৈ দিয়া পইচা, চান্না চব শেষ।"

"আৰে লাফাঙ্গা, তোৰ কি গৈছে বে?" অন্য এজনে চিএৰি উঠিব, "ভই কিমান নম্বৰ লব বে? কালি ভাক্তৰি পঢ়া মোৰ ককাইদেউলৈ মণিঅৰ্ডাৰ কৰিবলৈ ডেৰশ টকা দিছিলে, চান্না চল্লিশ টকা টু ইন্দিং আৰু গাৰ্ডত চলি

গ'ল। এতিয়া চাল্লা ককাইটোলৈ ক'ৰপৰা পইচা পঠাওঁ একো পাত্তাই পোৱা নাই।"

"কেলৈ সেইদিনাতো তই বহুত পালি⋯।"

"আৰে চুঁৰেৰ, সেইদিনা পোৱা টকাৰে কিয় একেলগে বিলাতী খোৱা নাছিলি? বিলাতী খাই আউট হৈ যে বেশ্যাৰ চৰ খাইছিলি মনত নাই?"

এই একে ধৰণৰ তীৰখেলাৰ আলোচনা আপুনি ইচ্ছা কৰিলে শুনি থাকিব পাৰে। অন্য একো নাই, মাত্র তীৰ। যদি আপুনি তেওঁলোকক কয়গৈ গোটেই পৃথিবীখন একালৰপৰা গলি আহিছে, শুনিবলৈ তেওঁলোকৰ সময় নাই।

হোটেলৰপৰা ওলাই পশ্চিমলৈ আগবাঢ়ক। গধূলি হৈছে। ষ্ট্ৰীট লাইট জ্বলিছে। আলিত মানুহৰ সমাগম বাঢ়িছে। সাবধানে আগবাঢ়িব। আপোনাক খুন্দিয়াই মাজ আলিত পেলাই দিব আৰু 'দেখা নাই' বুলি আপোনাৰ গাতে হাত তুলিব।

সেইটো চিনেমা হল। চিনেমা হলটোৰ সমুখৰ হোটেল, তাৰ দুয়োকোষে থকা পানদোকানকিখনৰ সমুখত কেইবাটাও ডেকা ল'ৰাৰ জুম দেখিব। আড্ডা মাৰিছে। আপুনি অকমান সময় এই জুমকেইটাৰ ওচৰত ৰব পাৰে। কোনো এটা জুমৰ কাষলৈ গৈ চিগাৰেট হুপি আলিত অহা-যোৱা কৰা মানুহ চোৱা ভাও জুৰি আড্ডা মৰা সকলৰ কথাবাৰ্ত্তাত কাণ দিব পাৰে। শুনিব কোনোবা এজনে লগৰজনক কৈছে, "আঃ তই কলে কি হব? মিনাই কাৰ কাৰ লগত প্ৰেম কৰিছে তই মোতকৈ বেছি জান?"

অন্য এজনে কব, "কিন্তু বিনয়ে যে⋯"

"গুলী মাৰ বিনয়ৰ কথা" দ্বিতীয়জনৰ কথাত বাধা দি প্ৰথমজনে কৈ উঠিব, "বিনয়তো সদায় ইয়াত নেথাকে। মিনাৰ সেইটো নিয়মেই। যাকে পাইছে তাকে জালত পেলাই লৈছে। তাৰ পিচত ৰাতাৰাতি কাৰ্বন পেপাৰত চাল্লা প্ৰেমপত্ৰ লিখিছে।"

"মই ভাবিছিলোঁ। মিনাই অন্ততঃ বিনয়ক নঠগিব।"

"কিয় নঠগিব বে? হাজাৰবাৰ ঠগিব। আলবৎ ঠগিব। তাৰ দৰে বেঙা এটাক নঠগি কি মোক ঠগিব? সি বেটাই সচ্চা প্ৰেম কৰিবলৈ যায়, চাল্লা চুমা খাই কপালত।"

তাৰ পিচত ইচ্ছা কৰিলে আপুনি বহুত প্ৰেমৰ কাহিনী, বহুতো গা-মন

চঞ্চল কৰা গল্প শুনি যাব পাৰে। এইডোখৰৰ জুমবিলাকত এনে ধৰণৰ গল্পই বেছি। এইবিলাক বেছিভাগেই কলেজৰ ল'ৰা। কোনোজনে একেবাৰতে, কোনোজনে নকলৰ জোৰত নাইবা কেইবাবাৰো যুদ্ধ কৰাৰ বলত মেট্ৰিক বা হায়াৰ ছেকেণ্ডাৰী পাছ কৰি কলেজলৈ অহা-যোৱা কৰিছে। কোনোজনে আকৌ একে শ্ৰেণীতে বহুবাৰ জিৰাই-শতাই আমনি লগাত কলেজলৈ যোৱা বাদ দিছে, কোনোজনে আকৌ বহুবাৰ মেট্ৰিক বা হায়াৰ ছেকেণ্ডাৰী মহলাৰ লগত যুঁজ বাগৰ কৰি ভাগৰি গ'ল, কিতাপ-পত্ৰ চাঙত তুলি কলেজত পঢ়াৰ স্বপ্ন পৰিত্যাগ কৰিছে।

এইবাৰ আপুনি আকৌ পশ্চিমলৈ আগবাঢ়ক। আৰু এটা চাৰিআলি পাব। এইটো চাৰিআলিৰ কাষে কাষে থকা পানদোকানবিলাকৰ সন্মুখতো একেই ধৰণৰ ডেকা ল'ৰাৰ জুম। কোনো এটা জুমৰ কাষলৈ গৈ শুনক, এজনে লগৰজনক কৈছে, "চাল্লা অজিতে অকলে হাফ পাইটৰ বটলটো খাই দিলে।"

"অন্য এটা আনি খাওঁ বৈ।"

"পইচা তোৰ আছে ?"

"কিয় তোৰ নাই ?"

"নাই বে" বিৰক্তিৰে প্ৰথমজনে কব, "আমাৰ বুঢ়াটো নমৰালৈকে সুখ নাই। চাল্লা বুঢ়া মহা কৰাইচ। ক'ত যে পইচা লুকুৱাই থয় একো পাত্তাই নাপাওঁ। আজি চাল্লা বুঢ়াক কৈ দিছোঁ সম্পত্তিৰ ভাগ লাগিব।"

"বুঢ়াই পিছে কি কলে ?" উত্তাপহীন কণ্ঠেৰে ইজনে সুধিব।

"কব আৰু কি, বলিয়া কুকুৰৰ দৰে ঘেংঘেঙাইছে আৰু'। চাল্লা জনা নাই ভিডি চেপি সম্পত্তিৰ ভাগ লম। চাল্লা জন্ম দিওঁতে দিবি, এতিয়া দৰ্কাৰত পইচা এটা দিব নোৱাৰ।" বাপেকৰ ওপৰত উঠি অহা খঙত বিৰক্তিৰে কথাকেইটা কৈ এটা চিগাৰেট জ্বলাই লব। দীঘলীয়া হোপা এটা মাৰি সুৰ সলাই কব, "পিছে এতিয়া কি কৰ, বেছ ঠাণ্ডা পৰিছে, পানী এটোপা নেখালেই নহয়।"

"বৈ বিজুলীৰ তালৈকে যাওঁ। কৈ দিম আজি পইচা নাই।"

"বাকীকৈ জানো বিজুলীয়ে দিব ?"

"নিদিলেও তাইকে চাই শুচি আহিম। তামাম মাইকী বে। চাল্লা কি চেহেৰা। ভালকৈ কলে দিব বৈ।"

"বৈ তবে।"

আপোনাৰ অসহ্য লাগিছে? অসহ্য লাগিছে যদি আৰু আগবাঢ়িব নেলাগে। ভিতৰলৈ আৰু বহুত আছে যিবিলাকৰ বাবে হয়তো আপোনাৰ বমি হ'ব পাৰে, মূৰ ঘূৰাব পাৰে। কিন্তু বিশ্বাস কৰক, ইক্ৰামকায়ে যেতিয়া প্ৰথম মোক এইবিলাক দেখুৱাইছিল সেই সময়ত ইক্ৰামকাই অকণো সঙ্কুচিত হোৱা নাছিল। বাৰে বাৰে মাথোন কৈছিল, "বকুল, তোমাৰ বিৰক্তি লাগছে নহয়? একো ভয় নকৰিবা। এই ঘিণলগা ঘাবিলাকৰ মাজতে সঁচা প্ৰেম আছে, ভালপোৱা আছে, মৰম আছে, শ্ৰদ্ধা আছে, জীৱন আছে।" ইক্ৰাম-কায়ে কৈছিল, "বকুল, মনোযোগেৰে লক্ষ্য কৰা, দেখিবা এইবিলাক ঘাৰ মাজতেই তুমি জীৱনৰ আচল সত্য বিচাৰি পাইছা।" ইক্ৰামকায়ে সত্য শব্দটোৰে কি বুজাবলৈ গৈছিল মই নাজানো। অন্ততঃ কথাটো মোৰ বাবে পৰিষ্কাৰ নাছিল। কিন্তু এইখন নগৰৰ ঘা বিলাকৰ মাজতেই লুতুৰি-পুতুৰি হৈ থকা অশান্ত-মেদিনীহঁতক পাইছিলোঁ। শকুন্তলা, মামণিক পাইছিলোঁ। ইক্ৰামকাইক পাইছিলোঁ। আৰু পাইছিলোঁ অনিৰ্বাণৰ দৰে এটা বিস্ময়।

অশান্ত, মেদিনী, বিকুল, শৈলেশ, বঙ্কিম। মামণি, শকুন্তলা, অৰুণা। দিগন্ত প্ৰফেচাৰ, নন্দ চৌধুৰী, হৰিদাস চকীদাৰ, দেবানন্দ দত্ত। ইক্ৰাম পানদোকানী। আৰু একুৰা লুমাই নোযোৱা জুই—অনিৰ্বাণ। এইবিলাক বহুতৰ গল্প এইখন নগৰৰ ঘাবিলাকৰ মাজত লুতুৰি-পুতুৰি হৈ আছে। সেই-বিলাক গল্প পিচত কম। আহক প্ৰথমে নগৰখন চাই লওঁ।

সেইটো আৰু এটা চিনেমা হল। ইয়াৰ কাষতো সেই দুখন হোটেল। হোটেলৰ ভিতৰত ডেকা ল'ৰাৰ গৰম আড্ডা। ইতিমধ্যে তেওঁলোকৰ পেটত এটোপা পৰিছে। ভিতৰলৈ যাব নেলাগে দিয়ক। হোটেলৰ দুয়োকাষৰ পানদোকানবিলাকৰ সন্মুখতো বিভিন্ন ধৰণৰ ডেকা ল'ৰাৰ জুম পাব। এইকিটা জুমৰ ডেকাসকল কিছু বয়সিয়াল। বিয়াবাৰু হওঁ হওঁ অৱস্থাৰ। কোনোটো জুমত পাব স্কুল-কলেজৰ দিনবিলাক মহাবিক্ৰমেৰে পাৰ কৰি আহি ভাগৰি পৰা ডেকা। এওঁলোকৰ মতে আজি-কালিৰ ল'ৰাবিলাক তেনেই গুচিল, 'আমাক পাত্তাই নিদিয়ে।' কোনোটো জুমত পাব দিনত অফিচ কৰি গধূলি একেলগ হৈ, কাৰ ঘৰৰ ছোৱালীজনী কাৰ লগত পলোৱাৰ মতলবত আছেৰ-পৰা আৰম্ভ কৰি জুলেৰিয়ে কাপৰ খেলাত ব্ৰাজিলৰ প্ৰেয়াৰ বিলাকক কিমান কি কি দিব তাৰ আলোচনা।

কোনোটো জুম পাব নিজকে নগৰখনৰ একমাত্ৰ বুদ্ধিজীৱী বুলি নিজে নিজে ভাবি লোৱা এচাম ডেকা। এই চাম আটাইতকৈ সাংঘাতিক। এওঁলোকৰ মাজত পাব নতুনকৈ বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লৈ অহা কলেজৰ লেক্‌চাৰাৰ, হায়াৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক, উকীল, ডাক্তৰ ইত্যাদি। এওঁলোকে সাধাৰণতে একেলগে ফুৰে। একেলগে জুম বান্ধি আড্ডা মাৰে। উঠি-অহা ডেকা ল'ৰাবিলাক যে তেনেই ধ্বংস হ'ল এইবিলাক কথাত হমুনিয়াহ কাঢ়ে। এওঁলোকৰ কোনোজনে হয়তো কলেজ-ইউনিভাৰ্চিটিৰ জীৱনত কোনোদিন ভুলতো কোনো ধৰণৰ সভা-সমিতি, তৰ্কসভা আদি দেখি পোৱা নাই। কলেজ বা স্কুলত সোমোৱাৰ পিচত তৰ্কসভাৰ বিচাৰক, সভা-সমিতিৰ নিৰ্দিষ্টবক্তা হৈছে। কলেজ ইউনিভাৰ্চিটিৰ জীৱনত কলা-সংস্কৃতিৰ লগত সম্বন্ধ বুলিবলৈ হয়তো খুউব বেছি কেতিয়াবা ষ্টেজত নাটক হৈ থাকোঁতে নাইবা কোনোবাই গান গাই থাকোঁতে একেবাৰে পাচফালৰপৰা “আৰে লাফাঙ্গা সোমাই থাক” বুলি টেটুফালি চিঞৰিছে আৰু কলেজ-স্কুলৰ চাকৰিত সোমোৱাৰ পিচত এওঁলোকেই একাংকিকা নাট প্ৰতিযোগিতা নাইবা সংগীত প্ৰতিযোগিতাৰ বিচাৰক হৈছে।

আপুনি এনে এটা জুমৰ কাষলৈ যাব পাৰে। এওঁলোকৰ কাষত বৈ ঘণ্টাৰ পাচত ঘণ্টা ধৰি এওঁলোকৰ পলায়নবাদী মনৰ চাপ থকা আলোচনা শুনিব পাৰে। এওঁলোকে সুন্দৰ কথা কব জানে, দুখ কৰিব জানে, নগৰখনৰ উঠি অহা ল'ৰাছোৱালীবিলাক দিনে দিনে ধ্বংস হৈ গৈছে বুলি আতংকিত হব জানে। মাত্ৰ সেয়াই। মাত্ৰ সেই আতংকতে শেষ। আলোচনাতে শেষ। কলেজ বা ইউনিভাৰ্চিটিত পঢ়ি থাকোঁতে এওঁলোকৰ কোনোজনে হয়তো তীৱৰ বুকিৰ লগত আত্মীয়তা গঢ়ি তুলিছিল। ৰাতি গাৰ্লছ হোষ্টেলৰ সমুখত দেৱালৰ ইটা খহি পৰা ধৰণৰ চিঞৰ মাৰিছিল। কলেজ-ইউনিভাৰ্চিটিৰ ফাংচনত, মাঘবিহুত নাইবা নিউইয়েৰ্চৰ ৰাতি মদ খাই অতি অশ্লীল শব্দ ব্যৱহাৰ কৰা মানুহতকৈও বেছি পৰিমাণে সকলো ধৰণৰ অশ্লীল শব্দ চিঞৰি চিঞৰি আকাশ কঁপাই তুলিছিল। তাৰ পিচত এওঁলোক স্কুল-কলেজৰ শিক্ষক হ'ল। উঠি অহা ল'ৰাছোৱালীৰ মতিগতি দেখি আতংকিত হব পৰা হ'ল। আতংকিত হৈ কব পৰা হ'ল, এইখন নগৰ ধ্বংস হৈ গ'ল, এইসব ল'ৰা—সব গুণ্ডা, মদপী, জুৱাৰী হ'ল। পঢ়াশুনা নাই মাত্ৰ মাৰপিট শিকিলে, মদ-জুৱা চিনি পালে, প্ৰেম কৰিব শিকিলে। এইখন নগৰৰপৰা পলাই নগলে উপায় নাই।

ইচ্ছা কৰিলে আপুনি এনে ধৰণৰ হা-হুতাশ শুনি থাকিব পাৰে। বিৰক্তি লাগি যাব। বলক সোঁ আগলৈ। সেই যে চিনেমা হলটোৰ সোঁকাষেৰে সোমাই যোৱা গলিটো—সেইফালে লক্ষ্য কৰক। তুজনমান ডেকাক সেইফালে যোৱা দেখিব। সেইটো গলিতেই আটাইতকৈ বেছি জুৱাৰ আড্ডা বহে। লক লক জুপুৰী ঘৰবিলাকত বেছ গৰম খেলা বহিছে। দহ পইচাৰ বৰ্ড, এটকা হিটৰপৰা আৰম্ভ কৰি আঠ অনা বৰ্ড পাঁচ টকা হিটলৈকে। মাত্ৰ জুৱাই নহয়, বিচাৰিলেই মদ পাব। বিচাৰিব জানিলে বেশ্যাও পাব। এইটো গলিলৈ আহ-যাহ কৰা সকলৰ মাজত দিনত হাতত কিতাপ-পত্ৰ লৈ স্কুললৈ যোৱা-সকলৰপৰা বেক্ পকেটত তুই নম্বৰী বহী একোখন লৈ কলেজলৈ যোৱা ডেকা, বহু বছৰ একেটা পৰীক্ষাকে দি দি আমনি লাগি সৰস্বতীৰ লগত সম্বন্ধ শেষ কৰা ডেকা, অফিচৰ কেৰাণী, মহৰী, আনকি তুই এজন শিক্ষককো পাব। জুপুৰীবিলাকৰ ভিতৰত চব একাকাৰ হৈ যায়। পানীয়ৰ মধুৰ আমেজ আৰু ভঙা পইচাৰ মৃত্যু ঝন্‌ঝননিৰ সুৰত ছাত্ৰ-শিক্ষক এক হৈ গৈছে।

এইবাৰ গলিটো এৰি আগলৈ অকমান আগবাঢ়িলে আলিৰ বাওঁকাষে পাব নগৰখনৰ এখন উচ্চ ধৰণৰ হোটেল—'অনুজা হোটেল এণ্ড ৰেষ্টোৰাঁ।' এইখন হোটেলত বাধাহীনভাৱে মদ, জুৱা আৰু নাৰীৰ মেলা বহে। ওপৰ মহলাৰ আহুতীয়া কোঠাত গৰম খেলা বহিছে। এটকা বৰ্ড, দহটকা হিট্। ওপৰ মহলাৰ কোনোটো কোঠাত দেখিব কোনোবা এজন ভদ্ৰলোকে অৰ্দ্ধ নগ্ন গাভৰুৰ কোলাত মূৰ থৈ জীৱনৰ চৰম শান্তি বিচাৰিছে। কোনোটো কোঠাত দেখিব পাঁচ-ছজন ভদ্ৰলোকে বিলাতী পানীয়ৰ শৰাধ কৰিছে।

নগৰখনক যদি চাব খুজিছে এইখন হোটেললৈ আহক। নগৰখনক যদি বুজিব বিচাৰিছে এইখন হোটেললৈ সোমাওক। এইখন নগৰৰ মানুহৰ জীৱন, সমাজ, ৰাজনীতি, ধৰ্ম, নৈতিকতাৰ ৰূপ, সংস্কাৰ, এই সকলোবিলাক এইখন হোটেলেই আপোনাক পৰিষ্কাৰকৈ কৈ দিব।

এইবাৰ চাওক সোঁ চাৰিআলিটোলৈ। তাৰ পিচত আৰু নগৰখনৰ দিবলগা বৰ্ণনা বিশেষ নাই। অশান্তইতৰ কাহিনী আৰম্ভ কৰিব পাৰিম। তাৰ আগতে এই চাৰিআলিটোৰ বিষয়ে অকমান জানি লওক।

এইটো চাৰিআলিৰপৰা অকমান গৈয়ে সোঁটো নগৰখনৰ তিনি নম্বৰ চিনেমা হল। এইডোখৰ ঠাই কিছু আতুকলীয়া, সাৰধানে আগবাঢ়িব। চাওক মানুহবোৰ নিচাত টং হৈ আছে। অশ্লীল শব্দ চিঞৰিছে। হৈ-

হাল্লা কৰি পৰিবেশ গৰম কৰি ৰাখিছে। গধূলি ছয় বজাৰপৰা এইঠোখৰ ঠায়ে ৰূপ সলায়। হোটেল, চেলুন, পানদোকান আদিৰ বৈচিত্ৰ্য'কিটা ফুল ভলিউমত বাজে। চিঞৰ-বাখৰ, ঘুচিয়াঘুচি, মাৰপিট, ছুৰী, মৰামৰি অতি সহজ কথা। আপুনি সাৱধান হব।

এইটোৱেই নগৰখনৰ মূল চাৰিআলি। এইটো চাৰিআলিক কেন্দ্ৰ কৰিয়েই নগৰখনৰ জন্ম। সেইবিলাক বহুত পুৰণি কথা। মহাত্মা গান্ধী প্ৰথমবাৰ অসমলৈ অহাৰ সময়ৰে কথা। মহাত্মা গান্ধীয়ে এইটো চাৰিআলিৰ ওখ ঢিপ এটাৰ ওপৰত উঠিয়েই দেশৰ স্বাধীনতাৰ বাবে আন্দোলন কৰিবলৈ এইখন নগৰৰ ৰাইজক আহ্বান কৰিছিল।

সেই যে মহাত্মাই বক্তৃতা দিছিল সেইদিন ধৰি এইটো চাৰিআলিৰ বহুত গল্প আছে। সেই মহাত্মাই বক্তৃতা দিয়াৰ পাচদিনাৰেপৰা এইটো চাৰিআলিত হয়তো স্বদেশী আন্দোলন কৰা লোকৰ ওপৰত পুলিচৰ অত্যাচাৰ চলিল। পুলিচৰ মাৰখোৱা বহুতৰ তেজ পৰি এইটো চাৰিআলি ৰাঙলী হ'ল। তাৰ পিচত দেশ স্বাধীন হ'ল। কিন্তু এইটো চাৰিআলিত তেজপৰা বন্ধ নহ'ল। স্বদেশী আন্দোলনকাৰীৰ তেজৰ দাগৰ ওপৰত দিনৰ পিচত দিন ধৰি নতুন ধৰণৰ বিভিন্নজনৰ তেজ পৰি সকলো এক হৈ গ'ল। স্বদেশী আন্দোলনকাৰীৰ প্ৰথম টোপা তেজৰপৰা আৰম্ভ কৰি আজিলৈকে কিমানজনৰ কিমান গেলন তেজ এইটো চাৰিআলিৰ ধূলিৰ লগত মিলি গ'ল তাৰ হিচাপ কোনেও নেৰাখিলে।

এইটো চাৰিআলিৰপৰা মূল আলিৰে পশ্চিমলৈ কিছু দূৰ গৈয়েই সেইখন ৰঙাজান। আপুনি আৰু আগবাঢ়িব নেলাগে। বলক চম্পালালৰ হোটেললৈ। তাৰ আগতে সেই ৰঙাজান দলঙৰ সোঁকাষে তললৈ নামি যোৱা গলিটোলৈ লক্ষ্য কৰক। গলিৰ দুয়োকাষে সৰু সৰু কদৰ্য্য জুপুৰী, তাৰ ভিতৰত চঞ্চল, দুষ্টালিভৰা চকুৰ গাভৰু। আন্ধাৰৰ লগে লগে এইটো গলি ৰহস্যময় নাৰীৰ দৰে হৈ পৰে। প্ৰথম অৱস্থাত একো বুজিব নোৱাৰিব, একো পাত্তা নেপাব। অৱশেষে জুপুৰীৰ ভিতৰলৈ গলেই সব পৰিষ্কাৰ হৈ যাব।

এইখন বেশ্যাপাৰা।

মদ, জুৱা আৰু গাভৰুৰ ভৰা যৌৱন।

এইবাৰ আহক চম্পালাল হোটেললৈ। এইখন বহু পুৰণি হোটেল। সোমাই যাওক নিৰ্ভয় মনেৰে। একেবাৰে শেষ কেবিনটোত সোমাওক। খালি আছে। কাষৰ কেবিনত ডেকা ল'ৰাৰ আড্ডা। হুলস্থূল, চিঞৰ-বাখৰ।

এইটো কেবিনত কিন্তু কোনেও আড্ডা নেমাৰে। নিঃসঙ্গ বুঢ়া মানুহৰ দৰে দিনটোৰ বেছিভাগ সময় খালি হৈ পৰি থাকে।

কেবিনটোৰ পাঁচখন চকীৰ এখনত বহক। টেবুলখনলৈ লক্ষ্য কৰক। ছুৰী কটাৰীৰ অজস্র আঁকবাক। আঁকবিলাকত মলি সোমাই কিছুমান আঁক বেছিকৈ জিলিকি উঠিছে, কিছুমান ধৰিব নোৱাৰা হৈছে। সেই আঁকবিলাকলৈ মন দি চাওক। কিছুমান নাম। বহুদিনৰ আগতেই ছুৰীৰ আগেৰে লিখা নাম।

পাৰিছে ধৰিব? এটা নাম পঢ়িব পাৰিলেই হৈ যাব। পাৰিছে? হয় হয়। মেদিনী। মেদিনী বৰুৱা। এইবাৰ চম্পালালক মাতক। বুঢ়া চম্পালাল এতিয়াও মৰা নাই। তেওঁক সোধক মেদিনী কোন। চম্পালালে আপোনাৰ মুখলৈ চাই এটা মৃদু হাঁহি মাৰিব। সেই হাঁহিৰ পাচফালে আনন্দ নে বিদ্রুপ লুকাই আছে একো বুজিব নোৱাৰিব। আকৌ সোধক মেদিনীৰ লগত কোন কোন বহিছিল এই কেবিনত। চম্পালালে কব, অশান্ত বাবু, বঙ্কিম বাবু, বিকুল বাবু আৰু শৈলেশ বাবু। এতিয়াও এইকেইটা নামৰ পাচফালে 'বাবু' নলগোৱাকৈ কোৱাৰ সাহস চম্পালালৰ হোৱা নাই। অথচ অশান্তইত যেতিয়া এই কেবিনত বহিছিল, আমি তেতিয়া এল-পি স্কুলত।

আপুনি ভালদৰে কেবিনটোলৈ লক্ষ্য কৰক। বহু চিঞৰ-বাখৰ, বহু হাঁহি-কান্দোন, বহু আনন্দ-বেদনাৰ কাহিনী যেন এইটো কেবিনৰ দেৱালত এতিয়াও খুন্দা খাই ফুৰিছে।

আপুনি বহি থকা চকীখনতে বহিছিল বিকুল। সেইখনৰ বাওঁফালে ক্রমে মেদিনী আৰু শৈলেশ। সোঁফালে ক্রমে বঙ্কিম আৰু অশান্ত।

এইবিলাক বহুদিনৰ আগৰ কথা।

আজিৰপৰা বহুদিনৰ আগতেই চম্পালাল হোটেলৰ এই পাঁচ নং কেবিনত বহি যিকেইটা ল'ৰাই এই নগৰৰ গধূলিৰ বতাহ চঞ্চল কৰি যিখন নাটকৰ সূত্রপাত কৰিছিল সেইকেইটা ল'ৰা এইখন নগৰৰ দুৰ্দ্ধৰ্ষ গুণ্ডা, অশান্ত, মেদিনী, বঙ্কিম, শৈলেশ আৰু বিকুল। সেইখন নাটকৰ শেষ দৃশ্য কেতিয়াবাই হৈ গৈছে। নাটকৰ কথা এইখন নগৰৰ মানুহে প্রায় পাহৰি গৈছে। পাহৰা নাই ইক্রামকায়ে। চম্পালাল দোকানীয়ে। মামণিয়ে। শকুন্তলাই।

বহুদিনৰ পিচত এইখন নাটকৰ পৰ্দা ইক্রামকায়ে আকৌ মোৰ চকুৰ সমুখত দাঙি ধৰিছিল। বিস্ময়ভৰা চাবনিৰে মই চাই গৈছিলোঁ।

যাওঁ বলক অশান্তইতৰ প্রচৰলৈ।

॥ এক ॥

আগন্তুকক দেখি সমুখত ভূত দেখি চক খোৱা মানুহৰ দৰে অশান্ত, মেদিনী, বিকুল, বঙ্কিম আৰু শৈলেশ চক খাই উঠিল। অথচ সমুখত ভূত এটা ওলাই গলে মনত যি ভয়ৰ জন্ম হোৱাৰ সম্ভাৱনা সেই ভয় এটাৰো মনত নজন্মিল। তাৰ পৰিবৰ্তে মাথো অবাক হ'ল। পৰম বিস্ময়েৰে ইটোৱে সিটোৰ মুখলৈ চালে। আটাইকেইটাৰ মুখমণ্ডল উত্তেজনাত গৰম হ'ল। খণ্ডত মুখবিলাকে বিকৃত ৰূপ ললে। গুলী খোৱা বাঘৰ চকুৰ ক্ৰূৰতাৰে আটাইকিটাই সমুখত নিৰ্বিকাৰে বৈ থকা আগন্তুকলৈ চালে। আগন্তুক একেই নিৰ্বিকাৰ। মুখত এটা ৰহস্যময় হাঁহি।

মেদিনীৰ চকু দুটা দপকৈ জ্বলি উঠিল। কঠোৰ চেপা-কণ্ঠে চিঞৰি উঠিল, "চুৰৰ কা বাচ্চা, তই আহিছ?" বাক্যটো কওঁতে মেদিনীৰ মুখখন খং আৰু আক্ৰোশত বিকৃত হৈছিল। শব্দকিটা কেবিনটোৰ ভিতৰত গমগমাই উঠিছিল।

"কুত্তাৰ বাচ্চা, তই আমাৰ ওচৰলৈ আহিবলৈও সাহ কৰিছ?" বঙ্কিমে গৰ্জি উঠিল। আৰু লগে লগে এটা প্ৰচণ্ড ঘোচা আগন্তুকৰ নিৰ্বিকাৰ মুখত বহুৱাই দিলে। আঃ বুলি এটা অস্ফুট উচ্চাৰণ কৰি আগন্তুক কেবিনটোৰ বাহিৰত ঢলি পৰিল। হোটেলৰ বাকীবিলাকে ঘটনাটো দেখিলে—এটা ভেকা ল'ৰাক ঘুচিয়াই মাটিত পেলাই দিছে। কিন্তু হোটেলৰ মানুহবিলাকৰ কোনেও ঘটনাটোত আগ্ৰহ বা কৌতূহল নেদেখুৱালে। চম্পালাল হোটেলৰ পাঁচ নং কেবিনত আড্ডা মৰা এই পাঁচটা গুণ্ডাৰ ওপৰত অন্য গুণ্ডা এইখন নগৰত নাই বুলি প্ৰত্যেকে জানে। তাৰ পিচত আৰু কৌতূহল দেখুৱাৰ দৰে মূৰ্খামি একো থাকিব নোৱাৰে।

মাটিত বাগৰি পৰা ল'ৰাজনৰ ভিডিত ধৰি অশান্তই কেবিনটোৰ ভিতৰৰ চকী এখনত বহুৱাই দিলে। ল'ৰাজনৰ কোবাবিয়েদি অলপ তেজ ওলাইছিল। তেপৰপৰা কমাল এখন উলিয়াই কোবাবিৰ তেজখিনি মচিলে। ক্ষন্তেক অশান্ত-মেদিনী-বিকুলইতৰ মুখলৈ চালে; তাৰ পিচত আকৌ আটাইকিটাকে অবাক কৰি এটা মৃদু হাঁহি মাৰিলে। বকিমৰ হাতৰ ঘোচা খায়ো কোনোবাই হাঁহিব পাৰে, অশান্তইতৰ এটায়ো কল্পনা কৰা নাছিল।

"কিয় হাঁহিছ ?" অশান্তই গৰ্জি উঠিল।

ল'ৰাজনে অশান্তইতৰ পাঁচোটাৰে মুখৰ ওপৰেদি দৃষ্টি বাগৰাই নি এটা মৃদু হাঁহি মাৰি উত্তৰ দিলে, "তোমালোকৰ ওচৰলৈ আহিছিলোঁ বন্ধু হবলৈ, তাৰ পৰিবৰ্তে ঘোচা মাৰিলা। কথাটো ভাবি হাঁহি উঠিছে।"

"তাৰ মানে তই ভাবিছ তোক এটা ঘোচা মাৰিয়েই এৰি দিম ? জান তোক কি কৰিম" অশান্তই কৈ উঠিল।

"খুউব বেছি আৰু দুই ঘোচা লগাবা। তাত মোৰ আপত্তি নাই।"

"মাত্ৰ দুই ঘোচা ?" মুখখন বিকৃত কৰি অশান্তই হোঃ হোঃকৈ হাঁহি উঠিল, "মাত্ৰ দুই ঘোচা লগাই সন্তুষ্ট হোৱা পানীগুণ্ডা আমি নহওঁ," অশান্তই কৈ গ'ল, "তোৰ চুলি খুৰাম, মূৰত চূণ সানিম আৰু ডিঙিত ভগা টিং আঁৰি চাবিআলিত আঁঠু কঢ়াম।"

"সেইখিনিও কৰিব পাৰা। কিন্তু তোমালোকৰ লাভ একো নহব। মই তোমালোকৰ লগত বন্ধু হবলৈ আহিছোঁ।" উত্তাপহীন কণ্ঠে ল'ৰাজনে কলে।

"বন্ধু ?" আকৌ হোঃ হোঃকৈ অশান্তই সশব্দে হাঁহি উঠিল।

"আৰে চুৱৰ কা বাচ্চা, মাৰ খোৱাৰ ভয়ত বন্ধু হবলৈ আহিছ ? শিয়াল..." বিকুলে কৈ উঠিল।

"বিশ্বাস কৰা, মাৰ খোৱালৈ মোৰ অলপো ভয় নাই। মাৰপিট কৰা কামটো মই অন্তৰেৰে ঘিণ কৰোঁ..."

"অথচ কালি তই আমাৰ লগত মাৰপিট কৰিছিলি। কিয় ?"

"বাধ্যত পৰি। তোমালোকে অন্যায় কৰিছা। নিঃসহায় গাভৰু এজনীৰ ওপৰত..."

"চুপ শয়তান...তই বিচাৰ কৰিবলৈ কোন ?"

"সামান্য এটা ডেকা ল'ৰা..."

"কিন্তু আমি কোন জান ?" বকিমে চেপাকণ্ঠে চিঞৰি উঠিল।

"তোৰ দৰে ডেকা এটাক যে আমি চুলি খুৰাই চাবিআলিত আঁঠু কঢ়াই থলেও কোনেও এবাৰ মাত মাতিবলৈ নেষায় খবৰ আছে ?"

"আৰু সেইবাবেই তোমালোকৰ ওচৰলৈ আহিছোঁ ।"

"মানে ?" আটাইকিটা যেন উচপ খাই উঠিল।

"তোমালোকক মোৰ প্ৰয়োজন···"

"প্ৰয়োজন ?" বিকুলে সশব্দে হাঁহি উঠিল। মুখখন বিকৃত কৰি বিকুলে কৈ উঠিল, "এইবিলাক ফাণ্টু মাৰ্কা কথা কোৱাৰ প্ৰয়োজন নাই বুজিছ। মাৰ খোৱাৰ ভয়ত আমাৰ প্ৰয়োজন দেখুৱাইছ ?"

"কোনোদিন মই কালৈকো ভয় কৰাৰ কথা মনত নপৰে···"

"চুপ শিয়াল···" শৈলেশে ল'ৰাজনৰ কথাত বাধা দি প্ৰায় চিঞৰি উঠিল। লগে লগে ল'ৰাজনৰ গালত এপাট চৰ বহুৱাই দি কৈ উঠিল, "গৰম কথা কবলৈ আহিছ ?"

শৈলেশে চৰ মৰা অংশত হাত ফুৰাই ল'ৰাজন ক্ষন্তেক মৌন হৈ ৰ'ল। তাৰ পিচত পাঁচোটাৰে চকুৰ ওপৰেদি দৃষ্টি বাগৰাই শৈলেশৰ চকুত দৃষ্টি নিবদ্ধ কৰি লাহেকৈ কলে, "এইটো চৰ মাৰিও তোমাৰ একো লাভ নহ'ল।"

"চুপ থাক" শৈলেশে আকৌ গৰ্জি উঠিল। কিন্তু দ্বিতীয় এটা চৰ মৰাৰ উৎসাহ যেন হেৰুৱাই পেলালে।

ল'ৰাজনৰ উপস্থিতিত অশান্তইতৰ চকুৱে-মুখে ফুটি উঠা প্ৰচণ্ড খঙৰ লগে লগে ফুটি উঠিছিল বিস্ময়। ল'ৰাজন অশান্তইতৰ বাবে সম্পূৰ্ণ অচিনাকি। মাত্ৰ আগৰাতি দেখা। সেই আগৰাতিৰ ঘটনাই যেন অশান্তইতৰ জীৱনৰ এক লজ্জাজনক কলংক। অশান্তইতে সিহঁতৰ পচিশ-ছাব্বিশ বছৰীয়া জীৱনৰ বহু সময়ত বহু অপকৰ্ম নিৰ্ভয়ে বাধাহীনভাৱে কৰি আহিছে। এক প্ৰচণ্ড উন্মত্ত যেন অশান্তইত আগবাঢ়ি গৈছিল বাধাহীনভাৱে। আৰু সেই প্ৰচণ্ড গতিৰ যেন খেলিমেলি লগাই দিলে মাত্ৰ আগৰাতিৰ ঘটনাটোৱে। অথচ সেইটো ঘটনাৰ বাবে অশান্তইত কোনো সাজু নাছিল।

আগৰাতি অশান্তইত গৈছিল 'ছানভিউ' হোটেললৈ। নগৰখনৰপৰা কিছু দূৰৰ গাৱঁৰপৰা মেট্ৰিকৰ ফৰ্ম ফিল-আপ কৰিবলৈ অহা গাভৰু ছোৱালী এজনী ঘৰলৈ উভতি যোৱাৰ বাছ নেপাই 'ছানভিউ' হোটেলত আছেহি। হোটেলৰ মেনেজাৰ মণিলালে সুবিধাজনক কোঠাত ছোৱালীজনীক ৰাখিছেহি।

খবৰটো পোৱাৰ পিচত ৰাতি এখাৰমান বজাত অশান্তইত ছানভিউ হোটেলত হাজিৰ হলগৈ। এইখন নগৰৰ হোটেলত অকলে থকা গাভৰুক লৈ সতীত্বৰ জুৱা খেলাৰ ইতিহাস বহুত আছে। এনেকুৱা ঘটনা ইতিমধ্যে বহুত হৈ গৈছে। এটা সময়ত এইবিলাক সাধাৰণ কথা হৈ গ'ল।

নিঃসংকোচে অশান্তইতে ছানভিউ হোটেলৰ মেনেজাৰ মণিলালৰ ওচৰ পালেগৈ। হোটেলৰ বাহিৰত বিকুলইতক থৈ অশান্ত অকলে মণিলালৰ সৰু কোঠাটোত সোমালগৈ। কোনো ধৰণৰ পাতনি নেমেলাকৈ পৰিষ্কাৰকৈ অশান্তই মণিলালক ছোৱালীজনীৰ কথা সুধিলে। মণিলাল যথেষ্ট চালাক ব্যবসায়ী। কিন্তু অশান্তক দেখি কিছু শংকিত হ'ল। প্ৰথম অৱস্থাত মণিলালে ছোৱালীজনীৰ কথাৰপৰা এৰাই যোৱাৰ এটা চেষ্টা চলালে। হোটেলৰ বদনাম, পুলিচ ইত্যাদিৰ কথা কৈ চালে।

মণিলালৰ অজুহাত বুজাত অশান্তৰ পলম নহ'ল। জেপৰপৰা প্ৰকাণ্ড ছুৰী এখন উলিয়াই ছুৰীৰ জোঙা আগটো মণিলালৰ ডিঙিত লগাই চেপাকণ্ঠে গৰ্জি উঠিল, "চুপ শয়তান, তই কিমান মহাপুৰুষ জনা আছে। জল্‌দি ক ছোৱালীজনী কোনটো কোঠাত?"

অন্ততঃ অশান্তইতৰ লগত যুঁজ কৰা বা তৰ্ক কৰাৰ সাহস মণিলালৰ নাই। এই কথা মণিলালে ভালদৰে বুজে। অনিচ্ছাসত্ত্বেও ছোৱালীজনী থকা কোঠাটো দেখুৱাই দিবলৈ বাধ্য হ'ল।

এটা সৰু গুদামঘৰৰ দৰে কোঠালৈ মণিলালে অশান্তক লৈ গ'ল। কোঠাটোৰ সৰু দুৱাৰখনলৈ দেখুৱাই মণিলালে পৰম বিৰক্তিৰে কলে, "দুৱাৰখন এনেয়ে লগাই থোৱা আছে। যাওক। সিটো কোঠাতে ছোৱালীজনী শুইছে। বেছি গণ্ডগোল নকৰিব। হোটেলৰ বদনাম হব।"

অশান্তই এটা মৃদু হাঁহি মাৰি দুৱাৰখন খুলি সিটো কোঠালৈ সোমাই গ'ল। অশান্ত কোঠাটোত সোমোৱাৰ সময়ত হোটেলৰ বাকী মানুহ প্ৰায় শুইছিল। কোঠাটোলৈ সোমাই অশান্তই দেখিলে ছোৱালীজনীৰ ইতিমধ্যে টোপনি গৈছে। কোঠাটোত এটা নীলা 'জিৰ' পাৱাৰৰ লাইট জলি আছে। খাঁটৰাৰ মাজেৰে শুই থকা ছোৱালীজনীলৈ চাই অশান্তই বুজিলে, বেছ ধুনীয়া ছোৱালী।

অশান্তই সন্তৰ্পণে খাঁটৰাখন দাঙি বিছনাখনত বহিল। সৰুকৈ মাতিলে, 'ভন্টী?'

ছোৱালীজনীয়ে সাৰ পাই উচ্‌প খাই উঠিল। একেজাপেই বিছনাত উঠি বহিল।

"ভয় নকৰিবা ভন্টী" শান্ত কণ্ঠেৰে অশান্তই কৈ উঠিল। অশান্তক দেখি ছোৱালীজনী আতংকত বিবৰ্ণ হৈ পৰিল। চিঞৰ মাৰি দিবলৈ গৈয়ো ভয়ত বৈ গ'ল।

"আপুনি কোন ?" আতংকিত চাৱনিৰে অশান্তলৈ চাই গোকোজা লগা মাতেৰে ছোৱালীজনীয়ে সুধিলে।

"মই ? মই মানে..."

"কিয় আহিছে ইয়ালৈ..."

"তোমাৰ বাবে।"

"কি ?" এইবাৰ যেন ছোৱালীজনীৰ চেতনা আহিল। বহলকৈ চকু দুটা মেলি অশান্তৰ মুখলৈ চালে। অশান্তই লগে লগে জেপৰপৰা ছুৰীখন উলিয়াই ছোৱালীজনীৰ মুখৰ আগলৈ ছুৰীৰ আগটো নি কৈ উঠিল, "এইখন দেখিছা ? চিঞৰ-বাখৰ কৰিলেই বুকুত সুমুৱাই দিম।" বাক্যটো কৈ অশান্তই বাওঁহাতেৰে ছোৱালীজনীৰ বাহু এটাত ধৰিলে। ছোৱালীজনীয়ে জাপ মাৰি বিছনাৰপৰা নামি দুৱাৰখনৰ ওচৰলৈ গ'ল। কিন্তু দুৱাৰখনৰ খিলটো খুলি দুৱাৰখন মেলাৰ আগে আগে অশান্তই এখন হাতেৰে ছোৱালীজনীৰ বাউসি এটাত আৰু আনখন হাতেৰে মুখত টেপা মাৰি ধৰিলে। অশান্তৰ হাতৰপৰা নিজকে এৰুৱাবলৈ ছোৱালীজনীয়ে গাৰ সমস্ত শক্তিৰে অশান্তক চৰিয়ালে, ভুকুৱালে, চিঞৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলে। বহু সময় ধৰি থকাৰ পিচত অশান্তই লক্ষ্য কৰিলে ছোৱালীজনী ভাগৰি গৈছে। চকুৰপৰা দুধাৰি চকুলো বাগৰি পৰিছে।

মুখত টেপা মাৰি ধৰি থকা অৱস্থাতে অশান্তই ছোৱালীজনীৰ কাণৰ ওচৰত ফুচফুচাই কলে, "চিঞৰ-বাখৰ কৰি তোমাৰ একো লাভ নহব। মানুহে জানিলে মোৰ লোকচান নহয়, বদনাম তোমাৰ হব।" তাৰ পিচত ছোৱালীজনীৰ মুখৰপৰা হাতখন এৰি দিলে। ছোৱালীজনীয়ে থোকাথুকি মাতেৰে কলে, "মোক এৰি দিয়ক ককাইদেউ, মোৰ সৰ্বনাশ নকৰিব..."

"তোমাৰ একো সৰ্বনাশ নহয়, হুলস্থুল কৰিলে চিৰজীৱন পস্তাবা..."

"নহয়, আপুনি মোৰ ককাইদেউৰ তুল্য...মোক এৰি দিয়ক...আপোনাৰ

ভৰিত ধৰিছোঁ...” কথাখিনি কৈ অশান্তৰ ভৰিত পৰি ছোৱালীজনীয়ে হুকহুকাই কান্দি উঠিল।

কান্দি কান্দি ভৰিত পৰা ছোৱালীৰ অভিজ্ঞতা অশান্তৰ বহুত আছে। অশান্তই অনুভৱ কৰে চকুৰ পানী উলিয়াই ছোৱালীয়ে বহুত কাম কৰি দিব পাৰে। চকুপানী দেখুৱাই চকুত ছুৰী বহুৱাই দিয়া পৰা ছোৱালীও অশান্তই পাইছে। জানে এইবিলাক মাথো অজুহাত। কৰ্কশ স্বৰেৰে ছোৱালীজনীলৈ চাই কৈ উঠিল, “নেকান্দিবা। কান্দি মোৰ ইচ্ছাক সলনি কৰা ছোৱালী এতিয়ালৈকে জন্ম লোৱা নাই। উঠা।” অশান্তই ছোৱালীজনীৰ বাহুটোত ধৰি বিছনাত বহুৱাই দিলে। আৰু সেই মুহূৰ্ততে অশান্তক অলপ মানো ভবাৰ সুযোগ নিদি ছোৱালীজনীয়ে আঙুলি এটাৰে অশান্তৰ চকুত জোৰেৰে খোচ এটা মাৰি একে জাপেই দুৱাৰ খুলি বাহিৰলৈ দৌৰ মাৰিলে।

অশান্তই ভিতৰলৈ গৈ বহু সময় কৰাত বিকুল আগবাঢ়ি আহিছিল। আৰু আহিয়েই সমুখৰপৰা দৌৰি অহা ছোৱালীজনীক পাই জপতিয়াই ধৰিলে। বিকুলৰ চকুতো ছোৱালীজনীয়ে খোচ মাৰি পাচফাললৈ দৌৰ মাৰিলে।

পাচফালখন ওখ চকোৱাৰে ঘেৰা। যাবলৈ কেনিও বাট নাই। ইতিমধ্যে অশান্ত-বিকুল-ৰকিম আদি পাঁচোটা আহি পাচফালৰপৰা ছোৱালীজনীক সাৱটি ধৰিলে। ৰকিমে ছোৱালীজনীৰ মুখত সোপা দিলে। মুখত সোপা দিয়াৰ আগে আগে ছোৱালীজনীয়ে যিকেইটা চিঞৰ মাৰিছিল আৰু অশান্তইতৰ লৰাধপৰাত যি হুলস্থূল হৈছিল, সেই হুলস্থূলত হোটেলৰ বাহিৰে-ভিতৰে আশে-পাশে থকা সকলো মানুহে ঘটনাটো গম পাই গৈছিল। কিন্তু অশান্তইতৰ হাতৰপৰা ছোৱালীজনীক উদ্ধাৰ কৰিবলৈ অহাৰ সাহস কোনেও নকৰিলে। মণিৰামে নিজৰ কোঠাৰ ভিতৰত ছটফটালে। কিছুমানে খিৰিকীৰে, দুৱাৰৰ ফাকেৰে জুমি চালে। কিছুমানে চকোৱাৰ সিপাৰে ৰৈ অশান্তইতৰ কবলৰপৰা এৰাবলৈ ছোৱালীজনীয়ে কৰা চেষ্টা চাই আছিল। ছোৱালীজনীয়ে অশান্তইতৰ কবলৰপৰা নিজক বচাবলৈ কৰা চেষ্টাত তাইৰ গাৰ কাপোৰ-কানিবিলাক ফাটি গৈছিল। কাপোৰ-কানি ফাটি ওলাই পৰা ছোৱালীজনীৰ গাৰ লোভনীয় অংশবিলাকত চকু থৈ চকোৱাৰ বাহিৰৰ মানুহখিনিয়ে এক অপৰিসীম তৃপ্তি পাইছিল। আৰু ঠিক সেই মুহূৰ্ততে চকোৱাখন ভাঙি অশান্তইতৰ ওপৰত উন্মাদৰ দৰে এজন শকত-আৱত ডেকা জপিয়াই পৰিল।

অতৰ্কিত আক্ৰমণত অশান্তইত থৎমং খাই গ'ল। কিন্তু সাজু হবলৈ নৌ পাওঁতেই ডেকাজনে এডাল শকত লাঠিৰে অশান্ত, বিকুল, মেদিনী আদি পাঁচোটাকে গাত কোব বহুৱাই মাটিত বগৰাই দিলে।

ক্ষন্তেকৰ ভিতৰতে হুলস্থূল বাটি গ'ল। চকোৰাৰ বাহিৰত বৈ থকা মানুহ কেইটামান সোমাই আহিল। হোটেলৰ দুজনমানো ওলাই আহিল। মানুহবিলাকে ভয়ে ভয়ে উপলব্ধি কৰিলে নগৰখনৰ আটাইতকৈ দুৰ্ধৰ্ষ গুণ্ডা অশান্তইতৰ হাতৰপৰা প্ৰথমবাৰৰ বাবে এজন সম্পূৰ্ণ অপৰিচিত ডেকাই এজনী ছোৱালীক উদ্ধাৰ কৰিছে। অপৰিচিত ল'ৰাজনৰ সাহসত মানুহবিলাক অবাক হ'ল।

আটাইতকৈ বেছি অবাক হ'ল অশান্তইত নিজে। লাজত তলমূৰ কৰি নিঃশব্দে সেই ঠাইৰপৰা আঁতৰি গ'ল। মাত্ৰ মনে মনে প্ৰতিজ্ঞা কৰিলে লৰাটোক এনেকুৱা শিক্ষা দিব লাগিব যাতে সি কেতিয়াবা নিজক পাহৰি গলেও যেন অশান্তইতক চিৰদিন মনত ৰাখে। সেইদিনা ৰাতি হুলস্থূল বাঢ়ি অহাত অশান্তইতে পিচদিনালৈ বাট চালে।

গোটেই দিনটো ল'ৰাটোক বিচাৰিলে। কিন্তু লাভ একো নহ'ল। গোটেই দিনটো বিচাৰিও ল'ৰাটোৰ এটা সামান্য খবৰো এটায়ো গোটাব নোৱাৰিলে। অশান্তইতে ধৰি ললে ল'ৰাটো আগদিনাই 'প্ৰথম এইখন নগৰলৈ আহিছিল। মাৰ খোৱাৰ ভয়ত ৰাতিয়েই পলাল। ল'ৰাটোক একো কৰিব নোৱাৰি অশান্তইত ছটফটাই থাকিল। সময় যোৱাৰ লগে লগে উত্তেজিত হৈ পৰিল। ইতিমধ্যে নগৰখনৰ সকলোৰে চাগৈ গম পাইছে চম্পালাল হোটেলত আড্ডা মৰা নগৰখনৰ আটাইতকৈ বিখ্যাত গুণ্ডা অশান্ত, মেদিনী, বিকুল, শৈলেশ আৰু ৰকিমক মাত্ৰ এটা ল'ৰাই অকলে মাটিত বগৰাই পেলোৱাৰ দৰে এটা সাংঘাতিক কাম কৰিব পাৰিছে। ইয়াতকৈ লাজৰ কথা অশান্তইতৰ বাবে আৰু একো থাকিব নোৱাৰে।

এইবিলাক ভাবি চম্পালাল হোটেলৰ পাচ নম্বৰ কেবিনত বহি থাকোতেই অশান্তইতক অবাক কৰি আগৰাতিৰ ল'ৰাজন সিইতৰ সমুখত হাজিৰ হ'লহি।

অশান্তইতে সিইতৰ পঁচিশ-ছাব্বিশ বছৰীয়া জীৱনত বহু গুণ্ডা দেখিছে, বহু সাহসী, বহুতো ভীৰু, মহাপুৰুষ, কাপুৰুষ, ভদ্ৰ, অভদ্ৰ, লম্পট, মদপী, জুৱাৰী ইত্যাদি বিভিন্ন মানুহ লগ পাইছে। কিন্তু নিৰ্ভীকভাৱে কথা কৈ

যোৱা ল'ৰাটো দেখি অশান্ত, বিকুল প্ৰত্যেকে অনুভৱ কৰিলে সিহঁতে আগতে লগ পোৱা মানুহবিলাকতকৈ এইটো ল'ৰা বহুত বেলেগ।

ল'ৰাজনৰ লগত কথা পতাৰ পিচত অশান্তহঁতৰ চিন্তাত খেলিমেলি লাগি গ'ল। উত্তেজনা কমি আহিল। খং আৰু আক্ৰোশৰ পৰিবৰ্তে জন্মিল কৌতূহল।

"তোৰ নাম কি?" অশান্তই হুটা মাতেৰে সুধিলে।

"অনিৰ্বান, অনিৰ্বান বৰুৱা।"

"অনিৰ্বান?"

"ও।"

অনিৰ্বান শব্দটো যেন পাঁচোটাৰে মগজুত ঠেকা খাই কিছু সময়ৰ বাবে বৈ গ'ল। পাঁচোটাই মনৰ ভিতৰতে অনিৰ্বান নামটো এবাৰ লুটিয়াই বগৰাই চালে।

প্ৰায় ছফুট ওখ, প্ৰকাণ্ড কঠিন দেহাবয়বৰ এইটো ডেকাৰ নাম অনিৰ্বান যেন খুউব অৰ্থপূৰ্ণ হৈছে, মেদিনীয়ে মনতে ভাবিলে।

অনিৰ্বান যেন আন একো নহয়—একুৰা জুই।

মুমাই নোযোৱা একুৰা জুই!

মনত পৰা দিনৰেপৰা এইখন নগৰত ভয়ানক উদ্যম লৈ দুৰন্ত প্ৰতাপেৰে এটাৰ পিচত এটা অপকৰ্ম কৰি অহা অশান্ত, বিকুল, মেদিনী, শৈলেশ আৰু বাকিমৰ দৰে নিভীক গুণ্ডাৰ জীৱন-গতিৰ সমুখত অকস্মাতে অতিনাটকীয়ভাৱে যেন একুৰা মুমাই নোযোৱা জুই জ্বলি উঠিল।

সমুখত বহি থকা অনিৰ্বানৰ নিভীক মুখখনলৈ চাই অশান্তহঁতে বুজিলে, নগৰখনত সবেই সিহঁত পাঁচটালৈ ভয় কৰি থাকে বুলি কৰি অহা গৰ্ব এটা ল'ৰাই এটা মুহূৰ্ততে শেষ কৰি দিলে। দিনৰ পিচত দিন অলপ অলপকৈ নানা মাৰপিট হুলস্থূলৰ মাজেৰে গঢ়ি তোলা সেই অহংকাৰ যেন ক্ষন্তেকতে চূৰ্ণ কৰি পেলালে।

কথাটো ভাবি অশান্তহঁতৰ কষ্ট হ'ল।

যিটো অহংকাৰ সিহঁতে গঢ়ি তুলিছিল সেইটো এদিন বা এৰাতিৰ ফল নহয়। বহু কষ্ট, বহু মাৰপিট, বহু অপকৰ্মৰ ইতিহাস সেই অহংকাৰৰ পাচফালে লুকাই আছে।

সেই স্কুলত পঢ়ি থকাৰ দিনৰেপৰা চম্পালাল হোটেলৰ বেঞ্চিত বহি

আড্ডা দিয়াৰ দিনবোৰৰ কথা চেষ্টা। সেই ক্লাছ ছেভেনৰপৰা স্কুল পলোৱাৰ দিনৰে কথা, সেই প্ৰথম মনে মনে চিগাৰেট হুপি স্বাধীন হোৱাৰ, যৌৱন পোৱাৰ, চঞ্চল উন্মাদনাত উন্মাদ হৈ পৰাৰ দিনৰে কথা। সেইবিলাক কথাৰ পাচফালে বহু কষ্ট, বহু পৰিশ্ৰম সোমাই আছে।

সেই প্ৰথম স্কুল পলাওঁতে জানো অলপ ভয় লাগিছিল ?

তাৰ পিচতেইতো সেই নতুন জীৱনৰ আৰম্ভ !

প্ৰথমে ভয়ে ভয়ে চিগাৰেট হোপা, তাৰ পিচত ভয়ে ভয়ে এদিন মদ খোৱাৰ কথা আলোচনা কৰা। আৰু এদিন ক্লাছ নাইনৰ গ্ৰীষ্ম অধিবেশনৰ ৰাতি স্কুলত হোৱা ফাংচনৰ সুযোগ লৈ পাচোটাই চম্পালাল হোটেলৰ পাঁচ নং কেবিনত বহি ভয়ে ভয়ে বিয়াৰৰ গিলাচত শোহা মৰা।

সেইয়াই আৰম্ভন। সেইদিনাই যেন পাচোটাই যৌৱন পালে। সেইদিনাই যেন পাচোটাই জীৱনৰ অন্য এক দিশৰ ৰঙীন জীৱনত উন্মাদ হৈ পৰিল।

এদিন চম্পালাল হোটেলৰ পাঁচ নং কোঠাত ভয়ে ভয়ে বিয়াৰ চিপ কৰা অশান্তইতে কম সময়ৰ ভিতৰতে নিঃসংকোচে দেশী-বিদেশী দুয়োবিধ পানীয় পান কৰাত অভ্যস্ত হৈ গ'ল।

ক্লাছ নাইনতে মদ খাবলৈ লোৱা অশান্তইতে সেইদিনা মদ খাবলৈ বহি এটায়ো কল্পনা কৰা নাছিল যে দুবছৰ পিচত সিহঁত ঘোৰ মদপী হৈ যাব। অদমনিত আগ্ৰহ, কোমল বয়সীয়া উত্তেজনাত পৰি মদৰ সোৱাদ লৈছিল। ভয়ে ভয়ে মদ খাইছিল। তাৰ পিচত পিক্‌নিকত, হাবিৰ মাজত লুকাই। তাৰ পিচত পূজাত, দেৱালীত, বহাগী মেলাত বা স্কুলৰ বছেৰেকীয়া অধিবেশনত। কেতিয়াবা ঘৰৰ ওচৰৰ কাৰোবাৰ বিয়াত নাইবা ষ্টেজত হোৱা নাটক চাবলৈ গৈ ৰাতি ঘৰৰপৰা ওলোৱাৰ সুযোগ পালে বিয়েৰৰ বটল এটা কিনি খাইছিল। প্ৰত্যেকটোৱে ভাবিছিল আগলৈকে৷ এনেদৰেই পূজা, দেৱালী বা বিহু আদিত মাজে মাজে খোৱাৰ বাহিৰে অন্য সময়ত খোৱাৰ কথা চিন্তা নকৰিব। কিন্তু দুটা বছৰ পাৰ নৌহওঁতেই আটাইকেইটাই লক্ষ্য কৰিলে গধূলিৰ লগে লগে মদ এটোপা খাবৰ কাৰণে যেন সিহঁত পাগল হৈ যায়। এটোপা পেটত নপৰালৈকে যেন গা ছটফটাই থাকে। আৰু এদিন আটাইকেইটাই লক্ষ্য কৰিছিল, প্ৰত্যেক গধূলিৰ লগে লগে আটাইকেইটাই স্বয়ংক্ৰিয়ভাৱে মদৰ ঘাটিলৈ গৈছে। স্বয়ংক্ৰিয়ভাৱে গিলাচৰ মদ মুখত ঢালি দিছে।

ঠিক একেদৰেই প্ৰথমবাৰ মাৰপিট কৰাৰ সময়তো এটায়ো কল্পনা কৰা নাছিল যে এদিন সিহঁত পাঁচটাই নগৰখনত বাধাহীনভাৱে দপদপাই ফুৰিব, সিহঁতৰ লগত মাৰপিট কৰিবলৈ সাহস কৰা কোনো এটা দল নোলাব।

প্ৰথমবাৰ পাঁচোটাই একেলগ হৈ মাৰপিট কৰিব লগাৰ বাবে এটাও সাজু নাছিল। আচলতে মাৰপিট কৰিবলৈ যেন বাধ্য হৈছিল। বাধ্যত পৰিয়েই ক্লাছ নাইনত থাকোতেই সিহঁতকৈ বয়সত বহু বেছি ডাঙৰ নগেন, হীৰাহঁতৰ লগত লাগিছিল। চাৰি আলিৰ অজস্ৰজনৰ সমুখত নগেন হীৰাহঁতৰ হাতত চৰ খাই আহি তাৰ এসপ্তাহৰ পিচতে বজেৰে নগেন, হীৰা আৰু মুক্তাৰৰ দৰে গুণ্ডা ল'ৰাৰ মূৰ ফালি হস্পিতাললৈ পঠিয়াই একে ৰাতিৰ ভিতৰতে অশান্তহঁত বিখ্যাত হৈ গৈছিল।

এই ঘটনাৰ পিচত অশান্তহঁতৰ সাহস বাঢ়িল। তিনিমাহৰ পিচত হীৰাহঁতৰ লগত আকৌ এবাৰ লাগিব লগা হ'ল। এইবাৰৰ পিচত অশান্তহঁত প্ৰায় সম্পূৰ্ণ সবলি হৈ গৈছিল। সততে মাৰপিট কৰিবলৈ ভয় নকৰা হ'ল; অলপো নভবাকৈ লগৰ ল'ৰাৰ গালত চৰ বহুৱাই দিব পৰা হ'ল। গৈ থাকোতে পাত গা লাগিলে 'দেখা নাই' বুলি মুখত ঘোচা মাৰিব পৰা হ'ল। 'চাহত মাখি কিয় পৰিব' বুলি মাৰোৱাৰী হোটেলবালাৰ মুখলৈ গিলাচৰ চাহ মাৰি পঠিয়াব পৰা হ'ল। মাত্ৰ সেয়াই নহয়, দোকানত বস্তু লওঁতে 'এইটোৰ দাম ইমান বেছি কিয় লবি' বুলি হাতৰ বস্তু ৰাস্তালৈ দলিয়াই দিব পাৰিছিল, আঠত্ৰিশ ইঞ্চিৰ বহল বুকু ফিন্দাই গেটকিপাৰক ৰঙা চকু দেখুৱাই টিকেট নোহোৱাকৈ চিনেমা হলত সোমাইছিল আৰু চিনেমা হলৰ সমুখত হিৰ'ৰ দৰে থকা অন্য ল'ৰাবিলাকৰ লগত সামান্য কথাতে লাগি কম সময়ৰ ভিতৰতে সবকে ঠাণ্ডা কৰি লৈ এখন স্বকীয়া আসন গঢ়ি তুলিছিল।

বহুত ধৰণৰ মাৰপিট কৰাৰ পিচত যেতিয়া প্ৰায়বিলাকেই অশান্তহঁতলৈ ভয় কৰা হৈছিল, সেই সময়তে এদিন নগৰখনৰ আটাইতকৈ কুখ্যাত গলিটোৰ ল'ৰাকিটাক মৰিয়াই জুৱাখেলৰ পইচা কাঢ়ি আনি চম্পালাল হোটেলৰ পাঁচ নং কেবিনত বহি বিলাতী মদৰ শৰাধ কৰিছিল। আৰু তাৰ পিচতেই হাতত তুলি লৈছিল তাচ পাত।

এটা সময়ত অশান্তহঁতে অনুভৱ কৰিছিল, টকা নহলে সব মিছা। সকলো কথাতে মাত্ৰ প্ৰয়োজন টকাৰ। অশান্তহঁতে খুউব ভালদৰে উপলব্ধি

কৰিছিল এই সংসাৰত যদি মূখত হাঁহি লৈ জীয়াই থাকিব পৰা যায়, সেয়া মাত্ৰ টকাৰ জোৰত। টকাই আনন্দ, টকাই যৌৱন, টকাই জীৱন।

মদ খাবলৈ টকাৰ প্ৰয়োজন। চাহ, চিগাৰেট, নতুন ৰঙচঙীয়া সাজপাৰ, মুঠতে সকলো কথাৰ কাৰণে প্ৰয়োজন মাত্ৰ টকাৰ; আনকি ছোৱালীৰ লগত ফূৰ্তি কৰিবলৈও টকা লাগে।

মাত্ৰ টকা লাগে। সিইতৰ টকা নাই। অশান্তহঁতে বৰ কষ্টেৰে কথাটো অনুভৱ কৰিলে।

এদিন হাতত তাচপাত তুলি ললে।

নগৰখনৰ দ্বিতীয়টো চাৰি আলিৰ বাওঁকাষে সোমাই যোৱা গলিটোত জুৱাৰ আড্ডা বহে। আনন্দ, পৰিমল, নশৰ, প্ৰভাত আদি বহুতে সেইবিলাক আড্ডা জমাই থাকে। দহ পইচাৰ বৰ্ডৰপৰা এক টকাৰ বৰ্ডলৈকে গৰম গৰম খেলা বহে।

অশান্তহঁতে হাতত তাচপাত তুলি ললে। প্ৰথমদিনা হাৰিলে, দ্বিতীয়দিনাও হাৰিলে। নিৰাশ নহল। প্ৰতিজ্ঞা কৰিলে এদিন তাচৰ ৰজা হব। তৃতীয়দিনা অভাৱনীয়ভাৱে জিকি গ'ল। কোনেও নুবুজিলেও আচলতে সেইদিনাই অশান্তহঁত তাচপাতৰ ৰজা হৈ গৈছিল।

॥ দুই ॥

অশান্তহঁতে নগৰখনৰ শ্ৰেষ্ঠ গুণ্ডা সন্মান পাবলৈ মাত্ৰ বাহিৰত মদখোৱা, জুৱাখেলা বা মাৰপিট কৰাই নহয়, আৰু বহুত কিবাকিবি কৰিব লগা হৈছিল। ভদ্ৰঘৰৰ সন্তান বুলি থকা পৰিচয়কণ মচি পেলাবলৈ সাহস কৰিছিল। মাক-দেউতাক, ককাই-ভাই, আত্মীয়-স্বজন সকলোৰে শাসন-সম্বন্ধৰ উৰ্দ্ধত যোৱাৰ সাহস আটাইকেইটাৰে আছিল।

এদিন অশান্তহঁতে আত্মীয়-স্বজনৰ ঘৰলৈ আহ-যাহ কমাই এদিন প্ৰায় বন্ধ কৰি দিলে। আৰু এদিন অশান্তহঁতে লক্ষ্য কৰিলে নগৰখনৰ আত্মীয়-স্বজন, চিনা-পৰিচিত মানুহবোৰে সিইতক দেখিলে নেদেখাৰ ভাও ধৰিছে, সিইতক দেখিলে কালৰি কাটি দুৰ্গন্ধ বস্তু এটাৰ গোন্ধৰপৰা নিজকে বচাবলৈ

চেষ্টা কৰাৰ দৰে নাক কোচাইছে। সকবেপবা একেলগে খেলা একে বয়সৰ লগৰ ছোৱালীবিলাকৰ লগত আপোনা-আপুনি মাতবোল বন্ধ হৈ গৈছে আৰু ইক্ৰাম দোকানীৰ দোকানৰ সমুখত বৈ সেইবিলাক ছোৱালীকে সম্পূৰ্ণ অপৰিচিতৰ দৰে "আৰে বাপেৰৰ পইচাৰে মুখত ৰং ঘঁহি খুউব চাল মাৰিছ নহয় ?" বুলি জোকাইছে।

প্ৰথম অৱস্থাত অশান্তৰ দেউতাক চিন্তিত হৈ পৰিছিল। নিতৌ বিভিন্নজনৰ মুখত অশান্তৰ নতুন নতুন কীৰ্তিকলাপ শুনি অতীষ্ঠ হৈ পৰিছিল। প্ৰথমে সৌকাৰে কোবালে। ঘৰত বান্ধি থলে। আৰু এদিন অশান্তৰ দেউতাক প্ৰশান্ত চলিহাই লক্ষ্য কৰিলে সৌকাৰ কোব, কঢ়া চকুৰ শাসন, ধমকনি, এইবিলাকে আৰু শাসন কৰা নাযাব। অসহায়ৰ দৰে নিজকে মাথো কৈছিল, "যাওক ধ্বংস হৈ এদিন নিজে পস্তাব।" যিজন প্ৰশান্ত হেডমাষ্টৰৰ প্ৰতাপত নগৰখনৰ হাইস্কুলৰ বাৰশ ল'ৰাই সেপ ঢুকি থাকে সেইজন প্ৰশান্ত চলিহাই নিজৰ পুতেকৰ গৰ্জনত উচপ খাই উঠিছিল। পইচা নেপালেই অশান্তই গৰ্জি উঠে, "মোক পইচা লাগিবই।"

"লাগিব মানে ? দিম ক'ৰপৰা ? ঘটিছোঁ কিমান ?"

"সেইবিলাক মই নেজানো। মোক পইচা লাগিবই।"

"চুপ থাক। ওলাই যা ঘৰৰপৰা···· "

"কিয় ওলাই যাম ? মোক পইচা লাগে।"

"ওলাই যা, এতিয়াই ওলাই যা··" পৰম বিৰক্তিৰে প্ৰশান্ত হেডমাষ্টৰে চিঞৰি উঠিল।

"তই খেদি দিলেই হব ! জন্ম দিছিলি কিয় ? দৰ্কাৰত পইচা এটাই যদি দিব নোৱাৰ জন্ম দিছিলি কিয় ? মইতো নিজে জন্ম হোৱা নাছিলো।"

পুতেকৰ কথা শুনি প্ৰশান্ত চলিহা অবাক হৈছিল। বুকুৰ কোনোবা অংশ কোঁচ খাই গৈছিল। ভগবানক মনে মনে প্ৰাৰ্থনা কৰিছিল, "হে প্ৰভু, এনে পুত্ৰৰ লগত ৰখাতকৈ মোক মাৰি নিনিয়া কিয়—"

আৰু সেই একে সময়তেই অশান্তই আকৌ চিঞৰি উঠিছিল, "পইচা নাই যদি এইবিলাক মাটি-বাৰী বেচি নিদিয় কিয় ? এইবিলাক মৰিলে লগত লৈ যাম বুলি ভাবিছ নেকি ?"

"মনে মনে থাক," প্ৰশান্ত চলিহাই বৃদ্ধ সিংহৰ দৰে গৰ্জি উঠিল, "মদ

খাবলৈ, জুৱা খেলিবলৈ তোক মই পইচা দিব লাগে? যা—এতিয়াই ওলাই যা, তোৰ কাৰণে এইখন ঘৰৰ দুৱাৰ বন্ধ, ওলাই যা…"

"কি দুৱাৰ বন্ধ?" মুখখন বিকৃত কৰি অশান্তই চিঞৰি উঠিল, "মোৰ কাৰণে দুৱাৰ বন্ধ কৰাৰ আগতে তইঁত সবৰে টেঁটু চেপি শেষ কৰি লম। জন্ম দিবি আৰু দুৱাৰ বন্ধ কৰাৰ ভয় দেখুৱাব। পইচা দে নহলে কোনো দাবি যাব নোৱাৰ…।"

অশান্তৰ চিঞৰত মাক চন্দ্ৰপ্ৰভাৰ অসহ্য লাগিল। গিৰিয়েকক কোৱা অশান্তৰ প্ৰত্যেকটো বাক্যই যেন চন্দ্ৰপ্ৰভাৰ বুকুত শেলে বিন্ধা দি বিন্ধিলে। অসহ্য লাগি পাঁচটকীয়া নোট এখন অশান্তৰ মুখলৈ দলি মাৰি দি কৈ উঠিল, "আৰু নজলাবি, ওলাই যা · তোৰ মুখ চালেও পাপ হব।" নোটখন হাতলৈ তুলি লৈ বাহিৰলৈ ওলাই যাওঁতে অশান্তই কৈ গ'ল, "তইঁতৰ মুখ চালে আৰু পাপ হব চাল্লা চুৰৰ সব ··"

এইটো অশান্তৰ সকলো অত্যাচাৰ প্ৰশান্ত চলিহা আৰু চন্দ্ৰপ্ৰভাই নীৰৱে সহ্য কৰি যাবলৈ বাধ্য হৈছিল। জীৱনৰ বিভিন্ন জটিলতা, বিভিন্ন কষ্ট, বিভিন্ন সংগ্ৰামৰ মাজেৰে পাৰ হৈ অহা প্ৰশান্ত চলিহাই শেষ বয়সত নিজৰ পুত্ৰৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি কেতিয়াবা আত্মহত্যা কৰি মুক্তি পোৱাৰ কথা চিন্তা কৰে। বিছনাৰ গাৰু তিয়াই হুকহুককৈ কান্দে। আত্মহত্যা কৰিবলৈ গৈয়ো বৈ যায় বিয়া দিবলৈ থকা ছোৱালী দুজনীৰ মায়াত।

মাক-দেউতাকৰ চকুপানী উলিওৱাৰ অভিজ্ঞতা বিকুলৰো আছে।

বিকুলৰ দেউতাক শান্তি শইকীয়া বাগানত কাম কৰা মানুহ। ঘৰত নেথাকে। বিকুলৰ ওপৰত চকু দিবলৈ সময় নাই। মাত্ৰ এটা কথাই জানে যে বিকুলে পঢ়াশুনা কৰি আছে, মাকে চকু দিছে আৰু এদিন ডাঙৰ ল'ৰা নীৰেনে মেডিকেল পঢ়াৰ দৰে বিকুলেও ইঞ্জিনিয়াৰিং পঢ়িব।

আৰু এদিন যেতিয়া নাটক কৰিবলৈ গৈ ছোৱালী এজনীৰ লগত গণ্ডগোল লগাই অশান্ত, মেদিনী, শৈলেশ আৰু বৰিমৰ লগত বিকুলো জেললৈ গ'ল সেইদিনা শান্তি শইকীয়াই বিবুদ্ধি হৈ মাত্ৰ ঘৈণীয়েক দীপিকালৈ চাইছিল। আচৰিত হৈ মাথোন নিজৰ মনকে প্ৰশ্ন কৰিছিল, বিকুল এনেকুৱা হ'বলগা হ'ল কিয়?

বিকুল জেললৈ যোৱাৰ পিচত তাৰ বিষয়ে জানিবলগীয়া কথা শান্তি শইকীয়াৰ বাবে একো বাকী নেথাকিল। বিকুলৰ বিষয়ে সকলো জনাৰ পিচত

বহু সময় শান্তি শইকীয়াই অকলশৰে ভাবিছিল, গোটেই জীৱন কাৰো লেশমানো অপকাৰ নকৰাৰ পিচতো এনে এক অবিচাৰ ভগবানে কিয় কৰিলে। মনতে প্ৰবোধ দিছিল, ডাঙৰ ল'ৰা নীৰেনে ডাক্তৰী পাছ কৰি আহিবলৈ আৰু বেছি দিন নাই—সি পাছ কৰি আহিলেই বাচ—বিকুলক ভালদৰে শাসন কৰিব পাৰিব। বিকুল চিধা হৈ যাব। বিকুলৰ বিষয়ে সকলোবিলাক কথা গম পাই নীৰেনেও মাকলৈ লিখিলে, "বিকুলৰ কথাবিলাক মই শুনিছোঁ। তোমালোকে ভয় নকৰিবা। এই মাহতে মোৰ পৰীক্ষা শেষ হব। তাৰ পিচত তাক মোৰ লগত ৰাখি চাব পাৰিম।" কিন্তু নীৰেনে বিকুলক চোৱাৰ সময় নেপালে শান্তি শইকীয়া আৰু দীপিকাক হতভম্ব কৰি নীৰেন সামান্য অসুখত ভুগি গুচি গ'ল।

নীৰেনৰ মৃত্যুৰ পিচত শান্তি শইকীয়া কাহিল হৈ পৰিল। এটা টান অসুখ হ'ল। চাকৰিৰপৰা গুচি আহিবলগা হ'ল। বিছনাত পৰি থকা শান্তি শইকীয়াই ভাবিছিল, এইবাৰ ঘৰৰ অৱস্থালৈ চাই বিকুল নিশ্চয় সলনি হৈ যাব। কিন্তু তাৰ পৰিবৰ্তে শান্তি শইকীয়া আৰু দীপিকাক বুকু কঁপি যোৱাকৈ পইচা বিচাৰি চিঞৰি উঠা হ'ল। এবাৰ পিক্‌নিকলৈ যাবলৈ পইচা বিচাৰি নেপাই মাকক চিঞৰি চিঞৰি কৈছিল, "পইচা নাই, পইচা নাই যে ৰব, সেই ভাবাষৰটো বেচি নিদিয় কিয়?"

"সেইটো ঘৰৰ ভাৰাবেইতো চলি আছোঁ। ঘৰটো বেচিলে পিচলৈ চলিবি ক'ৰপৰা? এই বেমাৰী বাপেৰটোৰ কথা জানো অলপো চিন্তা কৰিছ?" মাকে বুকুৰ মাজত লুকাই থকা বোবা যন্ত্ৰণাক জোৰেৰে হেঁচা মাৰি কথাখিনি কৈছিল।

মাকৰ কথাত অকণো গুৰুত্ব নিদি বিকুলে কৈ উঠিল, "সেইবিলাক মই নেজানো। আৰু বেমাৰ হোৱাৰ পিচত চিন্তা কৰিও লাভ নাই। মুঠৰ ওপৰত মোক আজি পইচা লাগিবই।"

"আঃ! বিকুল তই ইমান ঠেটু ফালি চিঞৰিছ কিয়? থাকিলে জানো তোক পইচা নিদিয়াকৈ আছোঁ?"

"আজিও লাগিব। যৰে তৰে পৰা হলেও দহটকা উলিয়াই দিবই লাগিব।" বিকুলে চিঞৰি উঠিল।

এইবাৰ দীপিকাৰ সহ্য ন'হল। চিঞৰি উঠিল, "বিকুল, তই আৰু নজ্বলাবি। ওলাই যা তই, ওলাই যা ...দৰ্কাৰ নাই তোৰ দৰে ল'ৰাৰ..."

"দৰ্কাৰ নাই মানে? পইচা দিব নোৱাৰি দৰ্কাৰ নাই বুলিলেই হব? চাবি তইতক মই কি কৰোঁ..."

দীপিকাই আৰু একো উত্তৰ নিদি গালেদি বাগৰি অহা চকুপানী দুধাৰ মচি গিৰিয়েক শুই থকা কোঠাটোত সোমাল। বেমাৰী শান্তি শইকীয়াই বিছনাত পৰি বিকুলৰ সকলো কথা শুনি আছিল। কোঠালৈ সোমাই অহা দীপিকালৈ এবাৰ চাই মৌন হৈ থাকিল। মনতে ভাবিলে, বিকুল এনেকুৱা হোৱাৰ বাবে আচলতে তেওঁ নিজেই দায়ী। এইবিলাক পূৰ্বজন্মৰ কৰ্মফল।

দীপিকাই কোঠাটোৰ খিৰিকীখনৰ ৰড দুডালত ধৰি বাহিৰলৈ চালে। তল ওঁঠটো কামুৰি ধৰিল। যেন বুকুৰপৰা ওলাই আহিব খোজা কান্দোন জোৰ কৰি হেঁচি ৰাখিছে।

আৰু ঠিক সেই সময়তে দীপিকাৰ শোৱা কোঠাত এটা শব্দ হ'ল। দীপিকাই ঘূৰি চালে। স্বয়ংক্ৰিয়ভাৱে শোৱাকোঠালৈ আগবাঢ়ি গ'ল, শোৱাকোঠাটোত সোমাই দীপিকা থৰ হৈ গ'ল। বিকুলে দীপিকাৰ ট্ৰাঙ্কটো খুলি এডাল সোণৰ চেইন উলিয়াইছে।

চেপা কণ্ঠেৰে দীপিকাই চিঞৰি উঠিল, "সেইডাল কিয় উলিয়াইছ?"

"এইডাল বেচিম··"

"নিনিবি, নিনিবি সেইডাল" পাগলীৰ দৰে দীপিকা দৌৰি আহি বিকুলৰ হাতৰপৰা চেইনডাল কাঢ়ি লোৱাৰ চেষ্টা কৰিলে। বিকুলে লৰালৰিকৈ চেইনডাল জেপত ভৰালে। দীপিকাই বিকুলক সাৱটি ধৰিলে, "বিকুল, তোক মই কাবৌ কৰিছোঁ সেইডাল চেইন তই নিনিবি বিকুল··"

"কিয় নিনিম?" বাক্যটো কৈ বিকুলে মাকক গটা মাৰি মাটিত পেলাই দি বাহিৰলৈ দৌৰি ওলাই গ'ল।

দীপিকাই যেতিয়া পাগলীৰ দৰে হৈ 'নিনিবি নিনিবি' বুলি চিঞৰি বিকুলৰ পাচে পাচে আহি দুৱাৰমুখ পালেহি, সেই সময়ত বিকুলে বিক্সা এখনত উঠি বহুদূৰ পাইছিলগৈ। দুৱাৰদলিত বহি দীপিকাই হুকহুকৈ কান্দি উঠিল।

"দীপিকা ইয়ালৈ আহা" ক্ষীণ কণ্ঠস্বৰ শান্তি শইকীয়াৰ কোঠাৰপৰা ভাহি আহিল। শান্তি শইকীয়াৰ সেই কণ্ঠস্বৰত যেন পৃথিবীৰ সমস্ত বেদনা পুঞ্জীভূত হৈ আছিল।

"বহা দীপিকা, কান্দি লাভ নাই" তলুৱাৰে মুখ ঢাকি হুকহুকৈ কান্দি থকা দীপিকালৈ চাই শান্তি শইকীয়াই কৈছিল, "কান্দি তুমি কেতিয়াও শান্তি

নোপোৱা। মই জানো আজি তুমি আটাইতকৈ বেছি আঘাত পাইছা।" লাহে লাহে শইকীয়াই কৈ গ'ল, "তোমাৰ গাৰ ওপৰেদি বিকুলে গছকি যোৱা হলে যিমান আঘাত পালাহেঁতেন তাতকৈও যে বেছি আঘাত পাইছা মই ভালদৰে বুজিছোঁ।" শান্তি শইকীয়াৰ ওপৰত থকা চিলিঙিখনৰ এখন মকৰাজালত সৰু পখিলা এটা পৰিছে। পখিলাটোৱে যিমানেই পাখি দুখন মাৰি নিজকে জালখনৰপৰা এৰুৱাবলৈ চেষ্টা কৰিছে সিমানেই জালখনত বেছিকৈ লাগি ধৰিছে। পখিলাটোৰ ওপৰত চকু থৈ শইকীয়াই কৈ গ'ল "সেইভাল চেইন তুমি বৰ আশাৰে গঢ়াইছিলা। মই জানো সেইভাল চেইন গঢ়াবৰ সময়ত তুমি বহুত সপোন দেখিছিলা, বহু কল্পনা কৰিছিলা, এজনী শাহু হোৱাৰ কল্পনা, এজনী বোৱাৰী অনাৰ কল্পনা।" শান্তি শইকীয়াই এটা হুমুনিয়াহ কাঢ়িলে। চকু দুটা ঘোপা কৰি ক্ষন্তেক পখিলাটোৰ চেষ্টালৈ চালে। মনতে ভাবিলে, 'ওহোঁ নোৱাৰিব। এবাৰ জালত পৰাৰ পিচত উদ্ধাৰ পোৱা সহজ নহয়। ইতিমধ্যে মকৰাটো পখিলাটোৰ ওচৰ পাইছিলহি। সি নতুন এঠাৰ সূতাৰে পখিলাটো বেছিকৈ মেৰাই পেলোৱাৰ চেষ্টা কৰিলে। শান্তি শইকীয়াই চকুযোৰ ঘোপা কৰি চাই থাকিল। পখিলাটোৰ পাখিকিখন থৰ হৈ গ'ল। লাহে লাহে মকৰাটো আগবাঢ়ি আহিল। শইকীয়াই চকুহাল পখিলা-টোৰ গাৰপৰা আনি দীপিকাৰ মুখত নিবদ্ধ কৰিলে। লাহে লাহে কৈ গ'ল, "তুমি বহুত কল্পনা কৰিলা, অথচ তোমাৰ কল্পনা, কল্পনা হৈয়েই থাকিল। তুমি শাহু হব নোৱাৰিলা।" বোৱাৰীৰ বাবে চেইন গঢ়ালা, কিন্তু বোৱাৰী আনিব নোৱাৰিলা।" আৰু এটা হুমুনিয়াহ কাঢ়ি শইকীয়াই কৈ গ'ল, "এৰা, নীৰেনেও আমাক বৰ ঠগি গল। আমাক কল্পনা ৰাজ্যত উটুৱাই নীৰেনেও বৰ দুখ লগাকৈ বিশ্বাসঘাতকতা কৰিলে।"

শইকীয়া কিছু সময় মৌন হৈ ৰল।

"নেকান্দিবা দীপিকা" শান্তি শইকীয়াই ক্ষীণ কণ্ঠস্বৰেৰে আকৌ কৈছিল। আৰু সেই সময়তে দীপিকাই লক্ষ্য কৰিছিল শইকীয়াৰ শুকান গাল দুখনেদি দুধাৰ চকুলো বৈ পৰিছে। "এইবোৰ সকলো ভগবানৰ লীলা," শইকীয়াই কৈ গল, "আচলতে কি জানা দীপিকা, আমি কেতিয়াবা পাপ কৰিছিলোঁ। বৰ ডাঙৰ পাপ। সেইবাবেই আমাক নীৰেনে এৰি গ'ল, বিকুলো এনেকুৱা হ'ল। আমাৰ সপোন সপোন হৈয়েই থাকিল। আচলতে এইবিলাক আন একো নহয়, আমাৰ পাপৰ প্ৰায়শ্চিত্ত।"

শান্তি শইকীয়াই এই সকলোবিলাক পূৰ্বজন্মৰ কৰ্মফল বুলি নিজকে সান্ত্বনা দিছিল, সকলো নীৰবে সহ্য কৰিছিল। কিন্তু সহ্য কৰিব পৰা নাছিল আটাউৰ হুছেইনে।

বকিমৰ কাৰ্য্যকলাপ দেখাৰ পিচত দেউতাক আটাউৰ হুছেইন জ্বলি উঠিল। হাতত দুনলীয়া বন্দুক লৈ গৰ্জি উঠিল, "তোক গুলীয়াই মাৰিম, ময়ো মৰিম।" কিন্তু আটাউৰ হুছেইনে গুলীয়াব নোৱাৰিলে। তৰ্জন-গৰ্জনেৰেও বকিমক সলনি কৰিব নোৱাৰিলে। মদ খোৱা, জুৱা খেলা, মাৰপিট কৰা একেভাগেই থাকিল। মাথো পগলা হাতী মাৰি বিখ্যাত চিকাৰী বুলি ইংৰাজ চৰকাৰৰপৰা পোৱা প্ৰকাণ্ড হাতী মৰা দুনলীয়া বন্দুকটো লৈ গুলী খোৱা বাঘৰ দৰে ছটফটাই থাকে বৃদ্ধ আটাউৰ হুছেইন। মাজে মাজে গৰ্জি উঠে, "তোক গুলীয়াই মাৰিম।" সেই গৰ্জন ইটাৰে গথা বেৰত খুন্দা খাই কোঠাটো ক্ষন্তেকৰ বাবে গমগমাই তোলে। তাৰ একো বেছি নহয়।

শৈলেশৰ ককায়েককিটাও এদিন ভাগৰি পৰিল আৰু এদিন নিঃসংকোচে শৈলেশৰ কথা 'সি আমাৰ ঘৰৰ লৰা নহয়' বুলি কবলৈ বাধ্য হৈছিল। প্ৰথম অৱস্থাত শৈলেশৰ ককায়েককিটাই শৈলেশক বেলেগে বেলেগে নিজৰ লগত ৰাখি চালে, গুৱাহাটীত থকা ককায়েকেও দুদিনমান লগত ৰাখি ঘৰলৈ পঠাই দিবলৈ বাধ্য হ'ল। ডিব্ৰুগড়ত থকা ককায়েকজনেও দুদিনমান নিজৰ লগত ৰাখি চালে, এসপ্তাহ নহওঁতেই এদিন শৈলেশ মাৰপিট কৰি আহি মূৰত বেণ্ডেজ লৈ সোমোৱাৰ পিচত ঘৰলৈ পঠাই দিবলৈ বাধ্য হ'ল।

মূঠৰ ওপৰত চাৰিওটা ককায়েকে প্ৰাণপণে চেষ্টা কৰিলে। অশান্তইতৰ লগত সুফুৰিবলৈ ঘৰৰ ভিতৰত বান্ধিও থলে, সোকাৰে কোবাই পিঠি বখলা-বখল কৰিলে। আৰু এদিন চাৰিওটা ককায়েক ভাগৰি গ'ল। চাৰিটা ডেকা ককায়েকে ভায়েকক সামান্যও সলনি কৰিব নোৱাৰি ক্ষুব্ধ বাঘৰ দৰে মাথো গুজৰি উঠিল, "যাওক ই জহন্নামে। বংশৰ কলংক।" বিধবা মাকক সান্ত্বনা দি মাত্ৰ কলে,-"ধৰি লোৱা সি মৰি গ'ল।"

মেদিনীৰ কিন্তু এইবিলাক একো নাই। ঘৰখনত বাপেক হৰনাথ, সি আৰু ককায়েক ৰজনী, বাপেক বা ককায়েকে তাক কোনোদিন শাসন কৰিবলৈ যোৱা নাই। শাসন কৰিবলৈ ককায়েক বা বাপেক নিজেই শাসনৰ উৰ্ধত। যিখন দোকানত মেদিনীৰ বাপেক হৰনাথে মদ খাই হুলস্থূল কৰে সেই একেখন দোকানতে মেদিনীৰ ককায়েক ৰজনীয়েও মদ খাই মাৰপিট কৰে। গতিকে

মেদিনীয়ে মদখোৰা বা জুৱাখেলাত কাৰো বিশেষ আপত্তি কৰিবলগীয়া নাই। মদ নেখাবলৈ বা জুৱা নেখেলিবলৈ মেদিনী বা ৰজনীক যিখিনি উপদেশ দিয়া বা শাসন কৰাৰ প্ৰয়োজন সেইখিনি উপদেশ বা শাসন হৰনাথে নিজেই বাপেকৰ পৰা পাই আহিছে। সেইবিলাক উপদেশ বা শাসনলৈ কণমানো ভ্ৰূক্ষেপ নকৰাকৈয়ে হৰনাথ ঢুটা ল'ৰাৰ বাপেক হ'ল। গতিকে হৰনাথে ভালদৰে জানে পুতেকহঁতক উপদেশ দিবলৈ গৈয়ো একো লাভ নাই। এইবিলাক অদৰকাৰী কথা বুলি উকৰাই দিব। অনৰ্থক সময় খৰচ।

অৱশ্যে হৰনাথে যে ৰজনী বা মেদিনীক উপদেশ দিয়া নাছিল এনে নহয়। দিছিল। সমগ্ৰ জীৱনৰ ভিতৰত মাত্ৰ এবাৰ। মৃত্যুৰ আগমুহূৰ্তত ৰজনী আৰু মেদিনীৰ হাত দুখন বুকুৰ ওপৰত লৈ দুয়োৰে মুখলৈ চাইছিল। কিবা কবলৈ চেষ্টা কৰি বৈ গৈছিল। দুচকুৰে দুধাৰ চকুলো নিঃশব্দে বাগৰি পৰিছিল আৰু বহু কষ্টেৰে সেহাই সেহাই কৈছিল, "মই তহঁতক একো কৰিব নোৱাৰিলোঁ। সব দোষ মোৰ গাতেই। মই মদপী। বৰ বেয়া মানুহ। তথাপি তহঁত মদপী হোৱাৰ বাবে অলপো শান্তি পোৱা নাছিলোঁ।" লাহে লাহে হৰনাথে কৈছিল, "মদপী মানুহ ভাল নহয়। বৰ বেয়া। নিজৰ পুতেকহঁতৰ কথা চিন্তা কৰিব নোৱাৰাৰ দৰে বেয়া। মই নিজে মদপী বাবে তহঁতকো শাসন কৰিব নোৱাৰিলোঁ। এবাৰো তহঁতক কব নোৱাৰিলোঁ তহঁতে মদ নেখাবি। কিন্তু এটা কথা মনত ৰাখিবি পৃথিবীৰ আটাইতকৈ ডাঙৰ মদপীটোৱেও চাগৈ নিজৰ পুতেক মদপী হোৱাটো কেতিয়াও সহ্য কৰিব নোৱাৰিব। ময়ো সহ্য কৰিব পৰা নাছিলোঁ। অথচ মই তহঁতক ভাল কৰিব নোৱাৰিলোঁ।" এটা সময়ত হৰনাথে চকু মুদিছিল। মৃত্যুৰ আগমুহূৰ্তত হৰনাথে হয়তো ভাবিছিল বাপেকৰ শেষ অনুৰোধ মেদিনী আৰু ৰজনীয়ে ৰাখিব। মদ এৰিব। এই আশাত হয়তো মৃত্যুৰ মুহূৰ্তত এবাৰ হাঁহাৰ চেষ্টা কৰিছিল। কিন্তু সেই ৰাতি মেদিনীক যদি হৰনাথৰ আত্মাই দেখিছে এনে এটা আঘাত পাব যি আঘাত হয়তো হৰনাথে কোনোদিন কল্পনা কৰিবলৈ সাহস কৰা নাছিল।

হৰনাথৰ মৃত্যুৰ ৰাতি মেদিনীয়ে অলপো পানী নিমিহলোৱাকৈ সম্পূৰ্ণ এবটল চুলাই গিলিছিল।

মেদিনীয়ে ভাবে, দুখ-বেজাৰ বৰ লেতেৰা বস্তু। যাৰ জীৱনত এবাৰ দুখ-বেজাৰে বাঁহ লয় সি কোনোদিন সুখৰ মুখ নেদেখে। সেইবাবে দুখ-বেজাৰ

ষৰম-চেনেহ এইবিলাক অনুভৱ কৰা শক্তিকণো মনৰপৰা আঁতৰাই পেলোৱা উচিত। নহলে জীৱনক উপভোগ কৰা নেযায়। জীৱনৰ আচল আনন্দ পোৱা নেযায়। সেইবাবেই বাপেকৰ মৃত্যুৱে অন্তৰত যাতে কোনো ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে মদ খাইছিল। মদৰ নিচাত অশান্তইতৰ গাত ঢলি পৰিছিল। চম্পালাল হোটেলৰ কেবিন গৰম কৰি চিঞৰি উঠিছিল, "আজিৰপৰা মই মুক্ত। আজিৰপৰা মই স্বাধীন। আজিৰপৰা মই ময়েই।"

॥ তিনি ॥

সক নগৰখনত অশান্ত, বিকুল, ৰকিম আৰু মেদিনী যিমান সোনকালে বিখ্যাত হৈ পৰিছিল সিমান বেছি সোনকালে ইমান বেছি বিখ্যাত নহ'লহেঁতেন যদিহে নাটক কৰিবলৈ নগ'লহেঁতেন। নাটক কৰিবলৈ গৈয়েই যেন সব খেলিমেলি হৈ গ'ল। একে ৰাতিৰ ভিতৰতে ক্লাছ টেনৰ ল'ৰা অশান্তইত নগৰখনৰ প্ৰত্যেকজন মানুহৰ বাবে কুখ্যাত হৈ গ'ল।

আচলতে অশান্তইতেও ভবা নাছিল যে এনেকুৱা এটা ঘটনা হৈ যাব পাৰে। শকুন্তলায়ো ভবা নাছিল নাইবা যুৱক নাট্যগোষ্ঠীৰ সম্পাদক হেমন্ত শইকীয়া মুখ্য উপদেষ্টা আৰু পৰিচালক দিগন্ত বৰুৱায়ো কোনোদিন ভবা নাছিল যে অশান্তইতে ঘপকৰে এনে এটা কৰি পেলাব। অথচ কৰিছিল।

কোনেও নভবাকৈযে মানুহৰ জীৱনত বহু কিবাকিবি হৈ যায়। সেই সকলোবিলাক আশা নকৰাকৈয়ে হয়। এনে ধৰণৰ আকস্মিকভাৱে হোৱা ঘটনাই বহু সময়ত বহুজনৰ জীৱনৰ গতি সলনি কৰি নিয়ে। তাৰ বাবে কোনো সাজু নেথাকে, মাথো বহুদিনৰ পিচত বিস্ময়েৰে ভাবে—কি হৈ গ'ল।

এদিন অশান্তইতক বিচাৰি চম্পালাল হোটেলৰ কেবিনলৈ নগৰখনৰ যুৱক নাট্যগোষ্ঠীৰ সম্পাদক হেমন্ত শইকীয়া আহিল। লগত দুজনমান নাট্য গোষ্ঠীৰ সভ্য।

হেমন্তইতক প্ৰথম অৱস্থাত দেখি অশান্তইত আচৰিত হৈছিল। সিহঁতে জানে মাৰপিট কৰিবলগীয়া কিবা থাকিলে সিহঁতৰ ওচৰলৈ কোনোবা আহিব পাৰে, কিন্তু নাটক কৰিবলৈ ? অসম্ভৱ !

দেৱালী উপলক্ষে নাট্যগোষ্ঠীয়ে এখন নাটক কৰিব। অশান্তইতৰ সহায় লাগে। এটা এটা পাৰ্ট লৈ অশান্তইতে নাট্যগোষ্ঠীত সোমাব লাগে। হেমন্তৰ প্ৰস্তাৱত অশান্তইত অবাক হ'ল। চাৰিআলিৰ মাজত অজপ্ৰজনৰ উপস্থিতিত মাৰপিট কৰা, ঘপকৈ মাবোৱাৰীৰ বাউসিত ছুৰী মাৰি দিয়া নাইবা অজপ্ৰজন চিনাকি মানুহৰ সমুখত গিলাচত মদ ঢালি খাই মাতলামি কৰাৰ অভ্যাস পাঁচোটাৰে আছে। এইবিলাক কামত কোনোদিন লাজ লগা নাই। কোনোদিন সংকোচ বোধ কৰা নাই। কিন্তু ষ্টেজত উঠি ভদ্ৰ মানুহ এগাল সমুখত বহুৰাই মুখত ৰং ঘঁহি নাটক কৰিব! কথাটো ভাবি অশান্তইতৰ কেনেবা কেনেবা লাগি গ'ল।

আটাইকিটাই আপত্তি কৰিলে। অৱশেষে হেমন্তক কলে, "ঠিক আছে, আমি বাৰু আপোনালোকক সহায় কৰি দিম—এই ধৰক, টিকেট বেচা ইত্যাদি কিন্তু নাটকত পাৰ্ট কৰা কামটো আমাৰ দ্বাৰা নহব।"

অশান্তৰ কথাৰ শেষত হেমন্তই কলে, "বুজিছোঁ, ঘপকৈ নাটকত নামিবলৈ আপোনালোকে টান পাইছে। এইবাৰ বাৰু সৰু সৰু পাৰ্ট একোটা লওক। আৰু পৰিচালকে ভালদৰে দেখুৱাই দিব যেতিয়া ভয় কিহৰ।"

"কিন্তু ...।"

"একো কিন্তু নাই। কাইলৈ আহক আমাৰ সংস্থালৈ। কৰি চাওক। বেয়া পালে বাৰু নেলাগে কৰিব।" হাঁহি হাঁহি কথাকিটা কৈ হেমন্ত শইকীয়াই অশান্তইতৰ পাঁচোটাৰ মুখলৈ চালে।

হেমন্তৰ কথাৰ উত্তৰ এটায়ো নিদি কিছু সময় মৌন হৈ ৰ'ল। ইটোৱে সিটোৰ চকুলৈ চালে। স্বতঃস্ফুৰ্তভাৱে মুখত হাঁহি বিৰিঙি উঠিল।

"ঠিক আছে আমি পাৰ্ট কৰিম" অকস্মাৎ নীৰৱতা ভঙ্গ কৰি বকিমে কৈ উঠিল। অশান্তই বকিমৰ মুখলৈ চালে। বকিমে কৈ গ'ল, "আপুনি বাৰু যাওক, কাইলৈ আমি চাৰি বজাত আপোনালোকৰ সংস্থা ওলামগৈ।"

হেমন্তৰ দল গুচি যোৱাৰ পিচত অশান্তই বকিমলৈ চাই বিৰক্তিৰে কৈ উঠিল, "ধেৎ, তই যা-তা..."

"যা-তা মানে ?"

"যা-তা নহয় কি ? নভবা নিচিন্তাকৈ কিয় পাৰ্ট কৰিম বুলি কৈ দিলি ?"

"নভবা নিচিন্তাকৈ কথা কোৱাৰ অভ্যাস বকিমৰ নাই মনত ৰাখিবি।" গৰ্বেৰে বকিমে কৈ উঠিল।

"কচোন বাৰু পাৰ্ট কৰিম বুলি কিয় কলি ?" বিকুলে সুধিলে।

"ইহঁতে আমাক নাট্যগোষ্ঠীত এনেয়ে সুমুৱাই লবলৈ পাগল হোৱা নাই," ৰকিমে কৈ গ'ল "যুবক নাট্যগোষ্ঠীটো নতুনকৈ খুলিছে। ইয়াৰ আগতে যি দুখন নাটক কৰিলে দুইখনতে লোকচান হল। গোটেইখনতে ক্লাবৰ ধাৰ লাগিছে। এইবাৰ সিহঁতে আমাক লৈছে আচলতে মাৰোৱাৰীৰপৰা সৰহকৈ টকা তোলাৰ আশাত। সিহঁতে ভালদৰে জানে আমি থাকিলে মাৰোৱাৰীৰ-পৰা বহুত উলিয়াব পাৰিম। দ্বিতীয় কথা নবজ্যোতি নাট্য সংস্থাৰ লগত ইহঁতৰ ভাল নহয়। নবজ্যোতি নাট্য সংস্থাই কিবা দিগদাৰ লগাই বুলি ভয় কৰিছে। সেইবাবে নবজ্যোতি নাট্য সংস্থাৰ কোনেও যাতে একো দিগদাৰ লগাব নোৱাৰে তাৰবাবে আমাক লৈছে। সিহঁতে ভালদৰে জানে আমাক পাৰ্টিত ললে সিহঁতৰ লাভ বহুত।"

"বাৰু আমাক কিবা দিব নে নিদিয়ে ?" শৈলেশে মাত লগালে।

"অ' আমাক যদি টকাৰ ভাগ নিদিয়ে দৰ্কাৰ নাই নাট্যগোষ্ঠীৰ হৈ টকা তোলাৰ। কৈ দিবি অশান্ত, প্ৰতি পাঁচশত এশকৈ লাগিব। আৰু নাটক হোৱাৰ দিনা বটল।"

"সেইবোৰ হব বাৰু" অশান্তই বিকুলৰ কথাত বাধা দি ৰকিমলৈ চাই কলে, "বাৰু ৰকিম, কচোন পাৰ্ট কৰিম বুলি কিয় কলি ? সেইবোৰ ঝামেলাত সোমাই আমাৰ লাভ কি ?"

"আৰে, আচল লাভটো তাতেই !"

"মানে ?"

"নাটকত বৰ ধুনীয়া ছোৱালী থাকিব। চাল্লা হেমন্ত আৰু সেই দিগন্ত প্ৰফেছাৰ অতি সাংঘাতিক। নাচ-গানৰ নামত বহুত ছোৱালীৰ লগত লেটিপেটি কৰি ফুৰিছে। সিহঁত দুটাৰ আচল মংলব সেইটোৱেই। নাটক কৰা, নাচ-গান কৰি কলাসংস্কৃতিৰ উন্নতি কৰা, আচলতে এইবিলাক সব মিছা। আচল কথা ছোৱালী। বহুত ধুনীয়া ধুনীয়া ছোৱালী ইহঁতৰ গ্ৰুপত আছে।" কথাখিনি কৈ ৰকিমে এটা হাঁহি মাৰিলে।

"অ' বুজিছো এতিয়া। পাৰ্ট কৰি ছোৱালী ধৰাৰ মংলব কৰিছ ? চাল্লা হুলস্থুল লগাই মৰিব বিচাৰিছ ?" বিকুলে কৈ উঠিল।

"আৰে তয়ো মহা বুৰ্বক। হুলস্থুল নলগাবলৈকেতো পাৰ্ট কৰিম। এইকেইদিন পাৰ্ট কৰি ছোৱালীকিটাৰ লগত লাইন মাৰিম। তাৰ পিচত

বাচ—” বাক্যটো কৈ ৰকিমে আঙুলি ফাঁকৰ চিগাৰেটত এটা দীঘলীয়া হোপা মাৰিলে।

“চাব্বাচ বেটা” অশান্তই ৰকিমৰ পিঠিত চাপৰ এটা মাৰি কৈ উঠিল।

একোটাইত অৰ্থপূৰ্ণ হাঁহি পাচোটাৰে মুখত বিৰিঙি উঠিল,

পিচদিনা নিৰ্দিষ্ট সময়ত অশান্তইত যুৱক নাট্যগোষ্ঠীৰ ঘৰটোত হাজিৰ হ'লগৈ। নাট্যগোষ্ঠীত ভাল ধৰণৰ সম্ভাষণেই অশান্তইতে পালে। ভাল লাগিল। চিনাকিবিলাকৰ লগত অশান্তইতে কথা-বতৰা পাতিলে। বিকুলে বহু সময় ৰিহাৰ্চেলৰ অহা ছোৱালীবিলাকলৈ চাই কাষতে থকা মেদিনীক কলে, “বুইছ মেদিনী, এই মাৰপিট কৰি ফুৰাতকৈ নাটক-চাটক কৰি ফুৰা হলেই ভাল আছিল নেকি!”

“হয় ভাই,” হুমুনিয়াহ কাঢ়ি মেদিনীয়ে কলে, “ধুনীয়া ধুনীয়া ছোৱালীৰ লগত লাইন মাৰিব পাৰিলোহেঁতেন।”

এটা সময়ত ৰিহাৰ্চেল আৰম্ভৰ বাবে ঠিকঠাক হ'ল। পৰিচালক দিগন্ত বৰুৱাই অশান্তইতক প্ৰথমবাৰৰ বাবে যে সৰু সৰু পাৰ্টহে দিছে আৰু ভালদৰে শিকাই দিলে একো অসুবিধা নহব বুজাই কলে।

ৰিহাৰ্চেল আৰম্ভ হ'ল। নাটকখন যথেষ্ট দীঘল বাবে সেইদিনা মাত্ৰ দুটা চিনৰ ৰিহাৰ্চেল হ'ল। দ্বিতীয় চিনত মেদিনী আৰু শৈলেশ ওলাব লাগে। দুয়োটাই লাজ লাজকৈ সংলাপ মাতিলে। অতি বাধ্য ছাত্ৰৰ দৰে পৰিচালকে দেখুৱাই দিয়াৰ নিচিনাকৈ সংলাপ মাতি যোৱা মেদিনী আৰু শৈলেশলৈ চাই অশান্তৰ বৰ ভাল লাগিল।

শৈলেশ আৰু মেদিনীলৈ চাই চাই অশান্তই মনতে ভাবিলে, নগৰখনৰ ভাল মানুহবিলাকে সিহঁতক ষ্টেজত দেখি আচৰিত হব চাগৈ। পাচলৈও যেতিয়া আৰু নাটক কৰিব মানুহবিলাকে সিহঁতক ভাল পাব, ভাল চকুৰে চাবলৈ লব। আৰু এনেকৈ নাটকত লাগি থাকোঁতেই যদি সিহঁতে মাৰপিট কৰিবলৈ পাহৰি যায়? মদ খাবলৈ, জুৱা খেলিবলৈ লাহে লাহে কমাই দিয়ে?

কথাটো ভাবি আৰু বেছিকৈ ভাবিবলৈ মন গ'ল অশান্তৰ। অশান্তই চকু দুটা ক্লাবটোৰ বেৰত আঁৰি থোৱা যুৱক নাট্যগোষ্ঠীৰ প্ৰতীক জুইৰ শিখাটোৰ জোঙা আগটোত থৈ ভাবি গ'ল।

আচলতে অশান্তইতে এটা কথা উপলব্ধি কৰিছিল, সিহঁতক বেয়া পোৱা

মানুহৰ সংখ্যা এইখন নগৰত অজস্ৰ। সকলোৱে সিহঁতক বেয়া ল'ৰা বুলিয়েই ভাবে আৰু পৰাপক্ষত সিহঁতৰপৰা আঁতৰি থাকে।

মদ, জুৱা, মাৰপিট নাইবা চম্পালাল হোটেলৰ পাঁচ নং কেবিনৰ একঘেয়ামী আড্ডাৰ ওপৰত কেতিয়াবা পাঁচোটাৰে বিৰক্তি ওপজে। এইবিলাক সব এৰি অন্য ল'ৰাৰ দৰে জীৱন কটাবলৈ অকস্মাতে সিহঁতৰ মন ছটফটাই উঠে। ঘৰৰ কথা মনত পৰে। মাক-দেউতাকৰ কৰুণ চকুবিলাক চকুৰ আগত ভাহি উঠে। তথাপি নোৱাৰে। অলপ অলপকৈ সিহঁত এনে এটা অৱস্থা পাইছিলগৈ যিটো অৱস্থাৰপৰা তৎক্ষণাতে সলনি হৈ যোৱা যথেষ্ট কঠিন। খাওঁ বুলিয়েই মদ খাই দিব পৰা যায়, বহোঁ বুলিয়েই জুৱাৰ আড্ডাত বহি দিব পৰা যায় বা খণ্ডত কাৰোবাৰ গাত হাত তোলো বুলিয়েই তুলিব পৰা যায়। কিন্তু এই কাম সদায়ে কৰি থকাৰ পিচত যেতিয়া এটা অভ্যাসত পৰিণত হয় তেনে অৱস্থাত এৰোঁ বুলিয়েই সকলোবিলাক ইচ্ছা কৰি এৰি দিয়া সম্ভৱ নহয়।

অশান্তহঁতে ভালদৰে জানে নগৰখনত এনে কোনো নাই যি সিহঁতৰ ভালৰ বাবে কিবা চেষ্টা কৰিব। সিহঁতৰ ভালৰ বাবে ভাবে মাত্ৰ এজনেই—সেয়া ইক্ৰাম দোকানী।

অৱশ্যে অশান্তহঁতে এইটোও ভালদৰে জানে, মাক-দেউতাকৰ মৰম-চেনেহ, শাসন-সম্বন্ধ সকলোবিলাক উপেক্ষা কৰি অহাৰ পিচত এনে কোনো নোলাব যি সিহঁতৰ জীৱনৰ গতি সলাই দিব পাৰিব। অশান্তহঁতৰ বিশ্বাস, সিহঁতে অন্ততঃ মদ, জুৱা, মাৰপিট কোনোদিনেই এৰিব নোৱাৰিব। এয়ে যেন সিহঁতৰ জীৱন। তথাপি কোনো দুৰ্বল মুহূৰ্তত অশান্তহঁতে ভাবে, কোনোদিন এনে কোনো এজন নোলাবনে যি সিহঁতৰ দৰে জঘন্য ল'ৰাবো মনৰ সকলো ভাব-চিন্তা সলাই দিব পাৰে।

"ঐ" বিকুলৰ গাত খোচ মাৰি অশান্তই সুধিলে, "সৌ ছোৱালীজনী দেখিছনে? পদ্মৰ ভনীয়েকৰ ওচৰত যে বৈ আছে?"

বহু সময় চাই থকা ছোৱালী এজনীৰ গাৰপৰা চকুযোৰ আনি বিকুলে এবাৰ অশান্তলৈ চাই সমুখলৈ চালে, "নীলা শাৰী পিন্ধাজনী?"

"ওঁ।"

"তামাম ধুনীয়া বে, ওখ ডাঙৰ চাল্লা তামাম ফিগাৰ" ফিচ্‌ফিচাই বিকুলে কৈ উঠিল।

"ক'ৰ ছোৱালী ?"

"অ' আচলজনীৰ ওপৰতে চকু দিছ," বিকুলৰ পৰিবৰ্তে ৰকিমে সৰুকৈ মাত লগালে, "নতুনকৈ অহা এক্সাইজ ইন্সপেক্টৰৰ জীয়েক। আমাৰ ঘৰৰ ওচৰতে থাকে। শকুন্তলা নাম।"

অশান্তই শকুন্তলাৰ গাত চকুহাল থৈ মনৰ ভিতৰতে শকুন্তলা নামটো উচ্চাৰণ কৰিলে। মনতে ভাবিলে, চাই থাকিবৰ মন যোৱা চেহেৰা। চাই থাকিলে মনটো ভাল লাগি যায়। মাত্ৰ চাই থাকিলেই মনটো কিয় ইমান ভাল লাগি যায় অশান্তই বুজি নেপালে। মাথো অনুভৱ কৰিলে, শকুন্তলা নামৰ এইজনী ছোৱালীয়ে প্ৰথমবাৰৰ বাবে তাৰ মনটো আগতে নলগা ধৰণৰ কিবা এটা ভাল লগাই দিছে।

এটা সময়ত ৰিহাৰ্চেল শেষ হ'ল। ক্লাবৰপৰা ওলাই আহোঁতে মেদিনীয়ে কলে, "পাৰ্ট কৰি বেয়া নেলাগে দেই।"

"ছোৱালী নথকা হলে কিন্তু বেয়া লাগিলেহেঁতেন।" ৰকিমে মাত লগালে।

"ছোৱালীৰ লগত লেটিপেটি কৰাৰ উজু উপায় এই নাটক কৰাটোৱেই", শৈলেশে বহু অভিজ্ঞৰ দৰে অশান্তলৈ চাই ঘপকৈ মনত পৰাৰ দৰে কৈ উঠিল, "অ' অশান্ত, কাইলৈ সেই নতুন ছোৱালীজনীৰ লগত তোৰ পাৰ্ট আছে বে।"

"কোন, শকুন্তলা ?"

"অ' তই হবলা তাইৰ কথাকে ভাবি আছ ?" বাক্যটো কৈ বিকুলে চেপামৰা চিঞৰ এটা মাৰিলে।

"ধেৎ।"

"শকুন্তলা কিন্তু বেছ ধুনীয়া," গহীন হৈ বিকুলে আকৌ কলে।

'বেছ ধুনীয়া' বাক্যাংশ আৰু শকুন্তলাৰ মুখখনৰ ছবি অশান্তই এবাৰ মনলৈ আনিলে। শকুন্তলাৰ হাঁহি থকা মুখখন অশান্তৰ চকুৰ আগত ভাহি উঠিল। আৰু সেই মুহূৰ্ততে অশান্তই বিস্ময়েৰে আবিষ্কাৰ কৰিলে প্ৰথমবাৰৰ বাবে এক অবুজ শীতলতাই যেন তাৰ মন-প্ৰাণ আচ্ছন্ন কৰি পেলাইছে।

কেবিনত বহি ৰামৰ গিলাচ হাতত লৈ শোহা মাৰিবলৈ গৈ অশান্ত বৈ গ'ল। গিলাচৰ ৰঙচুৱা পানীখিনিত শকুন্তলাৰ মুখখন যেন জিলিকি উঠিছে।

অশান্ত আচৰিত হ'ল।

মাকৰ কান্দোন, দেউতাকৰ অজস্ৰ হুমুনিয়াহে কোনোদিন স্পৰ্শ কৰিব

নোৱাৰা এইখন অন্তৰ এজনী সামান্য ছোৱালীৰ বাবে ইমান দুৰ্বল হ'ল কেনেকৈ! অলপো চিন্তা নকৰাকৈ বুকুত ছুৰী বহুৱাই দিবলৈ সাহস কৰা লৰাটোৱে এজনী সামান্য ছোৱালীৰ কথা ভাবি থকা হ'ল কিহৰ শক্তিত? অশান্তই অনুভৱ কৰিলে, শকুন্তলা নামৰ এইজনী ছোৱালীয়ে যেন তাৰ মনপ্ৰাণ সকলোবিলাক আচ্ছন্ন কৰি পেলাইছে।

'শকুন্তলা!' মুখৰ ভিতৰতে শব্দটো উচ্চাৰণ কৰি গিলাচৰ পানীয়কণ মুখত ঢালি দিলে। কোৱাৰিয়েদি বাগৰি অহা পানীয়কণ তলুৱাৰে মচি তল ওঁঠটো কামুৰি ৰ'ল।

নাটক কৰিবলৈ গৈয়েই যে জীৱনত প্ৰথমবাৰৰ বাবে অশান্তইঁতে ছোৱালীৰ ওচৰ চাপিছে এনে নহয়। অশান্তইঁতৰ জীৱনলৈ ছোৱালীৰ আগমন ইতিমধ্যে বহুতো হৈ গৈছে। ছোৱালীৰ খুউব ওচৰলৈ গৈছে, সময়ত নানা কেলেঙ্কাৰীও কৰিছে। এনে কেলেঙ্কাৰী কোনোজনে হয়তো গম পাইছে আৰু বহুতো আনে নজনাকৈয়ে থাকি গৈছে।

নগৰখনৰ একেবাৰে পশ্চিমৰ ৰঙাজানৰ কাষৰ নয়না বা লক্ষ্মীইঁতৰ ওচৰলৈ যোৱাৰ অভ্যাস অশান্তইঁতৰ আছে। নয়নাইঁত সহজলভ্য, সস্তীয়া, লেতেৰা। সেইবাবে অন্য কোনো ছোৱালীৰপৰা পাব পৰা আনন্দৰ বাবে অশান্তইঁতে মাজে-সময়ে চেষ্টা নকৰাকৈ নেথাকে।

প্ৰথম সেই মিতু নামৰ ছোৱালীজনী।

তেতিয়া অশান্তইঁত ক্লাছ নাইনৰ ছাত্ৰ। বিকুলইঁতৰ ঘৰৰ কাষতে এখন বিয়া হৈছিল। সেই বিয়াৰ দিনা ৰাতি দৰা-কইনা হোমৰ গুৰিত বহি থকা সময়খিনিৰ ভিতৰত মিতু নামৰ ছোৱালীজনীয়ে অচিন্ত্য নামৰ ল'ৰাটোৰ লগত বিয়াঘৰৰ ভঁৰালঘৰটোৰ পাচফালে এন্ধাৰত ফুচ্‌ফুচাই কথা পাতি থকা অৱস্থাত অশান্তইঁতে আৱিষ্কাৰ কৰিছিল।

আৰু সেই আৱিষ্কাৰেই যেন অশান্তইঁতৰ পংকিলময় জীৱনৰ অন্য এখন দুৱাৰ মুকলি কৰি দিলে।

তাৰ পিচত আহিল ললিতা।

দুৰ্গাপূজাৰ বিসৰ্জনৰ দিনা নগৰখনৰপৰা তিনিমাইল দূৰৰ বগা নদীত মূৰ্তি উটোৱা চাবলৈ গৈ অশান্তইঁতে আকস্মিকভাৱে পাইছিল ললিতাক। নদীত মূৰ্তি উটোৱাৰ সন্ধ্যা সময়কণৰ সুযোগত নদীৰ কাষৰ কঁহুৱানিৰ মাজত যে প্ৰত্যেক বছৰেই কিবাকিবি কেলেঙ্কাৰী হয় অশান্তইঁতে জানিছিল।

সেই বছৰ অশান্তইত ক্লাছ টেনত। দুৰ্গাপূজাৰ বিসৰ্জনৰ দিনা সন্ধ্যা সময়ত অশান্তিইতৰ সন্ধানী দৃষ্টিত ধৰা পৰিছিল, সন্ধ্যাৰ পাতল এন্ধাৰত নদীৰ পাৰে পাৰে গৈ থকা পংকজ আৰু ললিতাৰ ওপৰত। ললিতা আৰু পংকজ এটা সময়ত কঁহুৱানিৰ মাজলৈ সোমাই গৈছিল। এটা সময়ত অশান্তইতে ললিতা আৰু পংকজক ঘেৰি ধৰিছিল।

এই ঘটনাৰ পিচত অশান্তইত কিছু সাহসী হ'ল। বুজিলে আচলতে সিইঁতেই নহয়, লুকাই চুৰকৈ সবেই বেয়া।

এই ধাৰণা দৃঢ় কৰিছিল মামনিৰ ঘটনাটোৱে। অকল এয়েই নহয়, মামনিৰ ঘটনাটোৱেই যেন ছোৱালীৰ প্ৰতি পাঁচোটাৰে মনত এক স্বকীয়া ধাৰণা গঢ়ি তুলিলে, এক ৰহস্যময় জগতৰ ছবি চকুৰ আগত দাঙি ধৰিলে।

মামনিক টাইপ স্কুলৰ প্ৰিন্সিপালৰ কোঠাত এৰি অহাৰ পিচত পাঁচোটাই ভালদৰে বুজিলে আচলতে সব ভণ্ড। সব মিছা। নৈতিকতা সতীত্ব, কুমাৰীত্ব এইবিলাক অদৰ্কাৰী শব্দ। খুউব বেছি অলংকাৰ। একোটা-ইত অজুহাত।

শৈলেশইঁতৰ ঘৰৰ কাষতে টাইপ স্কুলখন। টাইপ স্কুলৰ প্ৰিন্সিপাল নন্দ চৌধুৰী অবিবাহিত মানুহ। পঞ্চাশৰ ওপৰ বয়সৰ মানুহজন কথা-বতৰাত বেছ ভদ্ৰ। বিভিন্ন সময়ত মনৰ মাজত গঢ়ি উঠা সন্দেহৰ পিচত খা-খবৰ লৈ শৈলেশে গম পালে, নন্দ চৌধুৰীৰ স্কুলত মাত্ৰ টাইপ শিকোৱাই নহয়, তলে তলে আৰু বহুত কিবাকিবি হৈ আছে। সকলো খবৰ ভালদৰে লৈ শৈলেশে এদিন গোটেইবিলাক কথা অশান্তইতৰ আগত কলেহি।

টাইপ স্কুলত টাইপ শিকিবলৈ যোৱা ছোৱালীৰ ভিতৰত মামনি, বন্দিতা আৰু অমিতা নামৰ তিনিজনী ছোৱালীয়ে ফিজ দিয়াৰ সলনি নন্দ চৌধুৰীৰ পৰাহে ফিজ পায়। ক্লাছ শেষ হোৱাৰ বহু পিচলৈকে এই তিনিজনী ছোৱালীৰ কোনোবা এজনী মাজে সময়ে ক্লাছতে থাকি যায়। শৈলেশে কথাবিলাক কোৱাৰ পিচত চম্পালাল হোটেলৰ পাঁচ নম্বৰ কেবিনত বহি অশান্তইঁতে গোপন আলোচনা চলালে।

"মামনিক মনত আছে?" বিকুলইঁতৰ মুখলৈ চাই অশান্তই সুধিলে।

"মানে সেই থানেশ্বৰ কেৰাণীৰ জীয়েক?"

"ওঁ।"

"অ' তায়েতো তোক এবাৰ ইক্ৰাম কাইৰ দোকানৰ সমুখত গালি পাৰিছিল," ৰকিমে কৈ উঠিল।

"অঁ তো, তই জোকাওঁতে যে অসভ্য সব বুলি কৈছিল সেইজনী ছোৱালী ?" মেদিনীয়ে কৈ উঠিল।

"ওঁ, সেইজনীয়েই", অশান্তই এটা মৃদু হাঁহি মাৰিলে, "ঠিক আছে, দেখা যাব তাইক। ভালেই হৈছে দে। নন্দ বুঢ়াৰপৰা অলপ টকা উলিয়াব পৰা যাব। চাল্লা আমাকহে সবে বদমাচ বুলি কয়, তাইকো স্নেকা এটা দিব লাগিব।"

এটা সময়ত অশান্তইঁতৰ গোপন আলোচনা শেষ হ'ল। নন্দ চৌধুৰীৰ গোটেই কাৰবাৰটো খৰচি মাৰি জানিবলৈ শৈলেশৰ ওপৰত ভাৰ পৰিল। ঠিক হ'ল শৈলেশে এদিন অশান্তইঁতক খবৰ দিব, তাৰ পিচত অশান্তইঁত নন্দ চৌধুৰীৰ ঘৰত হাজিৰ হবগৈ।

এদিন নিৰ্দিষ্ট সময়ত শৈলেশে পঠোৱা খবৰ অশান্তইঁতে পালে। খবৰ পঠালে, শৈলেশ টাইপ স্কুলৰ সমুখৰ পাণদোকানখনৰ সমুখত বৈ আছে। টাইপ স্কুল ছুটী হ'ল। মামনি থাকি গৈছে।

খবৰ পোৱাৰ লগে লগে অশান্ত, মেদিনী, বিকুল আৰু ৰকিম শৈলেশৰ ওচৰ পালেহি। আটাইকিটা টাইপ স্কুলটোলৈ আগবাঢ়ি আহিল। টাইপ স্কুলটো যিটো ঘৰত সেইটো ঘৰ দুটা ভাগত ভাগ কৰা হৈছে। এটা ভাগত ক্লাছ বহে, আনটো ভাগৰ প্ৰথম কোঠাটোত অফিচ আৰু ভিতৰৰ কোঠাকিটা নন্দ চৌধুৰীৰ শোৱা আৰু অন্য ব্যৱহাৰৰ কোঠা।

অফিচ হিচাপে ব্যৱহাৰ কৰা কোঠাটোৰ দুৱাৰখন এনেয়ে জপাই থোৱা। অশান্ত সোমাই গ'ল। সেইটো কোঠাৰপৰা ভিতৰলৈ যোৱা দুৱাৰখন অশান্তই হেঁচি চালে, খিল লগোৱা। অশান্তই লগত ৰকিম আৰু বিকুলক ৰাখি মেদিনী আৰু শৈলেশক পাচফাললৈ যাবলৈ ইঙ্গিত দিলে।

অশান্তই দুৱাৰত মৃদু টোকৰ মাৰিলে।

"কোন ?" ভিতৰৰপৰা নন্দ চৌধুৰীৰ কণ্ঠস্বৰ ভাহি আহিল।

"মই। এটা বিশেষ কামত আহিছোঁ।" অশান্তই কলে।

"এতিয়া নহব। মই ব্যস্ত আছোঁ। পিচত আহিবা।" ভিতৰৰপৰা অহা নন্দ চৌধুৰীৰ কণ্ঠস্বৰ শুনা গ'ল।

"নহয় ছাৰ, বৰ প্ৰয়োজন বাবেহে আহিছোঁ। দুৱাৰখন খোলকচোন।"

কণ্ঠস্বৰ যিমান কোমল কৰিব পৰা যায় সিমান কোমল কৰি অশান্তই কৈ উঠিল।

নন্দ চৌধুৰীয়ে মুখৰ ভিতৰতে ভোৰভোৰালে। কিছু সময় ৰল। তাৰ পিচত দুৱাৰখন সামান্য ফাঁক কৰি মূৰটো উলিয়ালে। মূৰটো উলিয়াই অশান্ত, বিকুল আৰু ৰকিমক দেখি নন্দ চৌধুৰী উচপ খাই উঠিল। মনৰ অৱস্থা প্ৰকাশ নকৰি বাহিৰলৈ ওলাই আহিল, দুৱাৰখনত গাৰ ভেঁজা দি সুধিলে, "তোমালোক? কি লাগে তোমালোকক?"

"ভিতৰত কোন আছে?" অশান্তই ওলোটাই প্ৰশ্ন কৰিলে। কণ্ঠস্বৰত কঠোৰতা।

"ভিতৰত? কোনো নাই। কি হ'ল তোমালোকৰ?" উত্তৰ দিওঁতে নন্দ চৌধুৰীৰ খপজপ লাগিল।

"ভিতৰত মামনি নামৰ ছোৱালীজনী আছে।" কঠোৰ কণ্ঠেৰে অশান্তই কলে।

"কি? কি কৈছা তুমি? ভদ্ৰ মানুহৰ ঘৰত কেনেকৈ কথা কব লাগে নেজানা?" খঙেৰে নন্দ চৌধুৰীয়ে কৈ উঠিল।

"চুপ থাকক। বলক ভিতৰলৈ।" কণ্ঠস্বৰত সমান কঠোৰতা ৰাখি অশান্তই আকৌ কলে।

"কিহে, ডকাইত নেকি তোমালোক? ভদ্ৰলোকৰ ঘৰৰ ভিতৰলৈ যাবলৈ তোমা..."

"চুপ থাক চয়তান" অশান্তই গৰ্জি উঠিল। তাৰ পিচত নন্দ চৌধুৰীৰ বাউসি এটাত ধৰি জোৰেৰে টান মাৰি দিলে। নন্দ চৌধুৰীয়ে ৰকিমৰ গাত খুন্দা খালেগৈ। নন্দ চৌধুৰীয়ে কিবা মাত মতাৰ আগে আগে বিকুলে ছুৰী এখন উলিয়াই চকুৰ আগত দাঙি ধৰিলে, "চুপচাপ ৰৈ থাক।" ইতিমধ্যে ৰকিমে নন্দ চৌধুৰীৰ হাত দুখনত পাচফালৰপৰা ধৰি পেলাইছে। অশান্ত নন্দ চৌধুৰীৰ সমুখত থিয় হ'ল। চকুলৈ চাই কঠোৰ স্বৰেৰে কলে, "নিজৰ বিপদ চপাই লোৱাৰ যদি ইচ্ছা নাই মনে মনে থাকিবি।" তাৰ পিচত দুৱাৰখন মেলি অশান্ত ভিতৰলৈ সোমাই গ'ল।

মামনি নন্দ চৌধুৰীৰ শোৱাকোঠাত আছিল। শোৱাকোঠালৈ অশান্ত সোমাই অহাৰ লগে লগে বিছনাত বহি বাহিৰত কি হব পাৰে চিন্তা কৰি থকা মামনি বহাৰপৰা উঠি দিলে। অশান্ত যে এনেকুৱা অৱস্থাত ওলাবহি পাৰে,

মামনিয়ে কল্পনা কৰা নাছিল। অশান্তক দেখাৰ লগে লগে সৰ্বশৰীৰ কঁপি উঠিল। মুখ শুকাই গ'ল। চকু দুটা ডাঙৰকৈ মেলি অশান্তলৈ চালে।

"কি হ'ল মামনি, ভয় খাইছা ?" বৰ কোমল সুৰত অশান্তই সুধিলে।

মামনিয়ে তলমূৰ কৰিলে। অশান্ত মামনিৰ কাষলৈ গ'ল, আকৌ সুধিলে, "সামান্য জোকাওঁতেই যিজনী ছোৱালীয়ে মোক অসভ্য সব বুলি গালি পৰাৰ সাহ কৰিছিলা সেইজনী ছোৱালী ইমান সোনকালে ভীৰু হৈ গলে বৰ বেয় দেখায়" বাক্যটো কৈ অশান্তই হোঃ হোঃকৈ হাঁহি উঠিল। মামনিৰ ঠুতৰিটোত ধৰি মুখখন দাঙি দিলে। চকুত চকু থৈ আকৌ কৈ উঠিল, "বেশ্যাগিৰি কৰিছা নহয় ? একো নাই, একো নাই, একো বেয়া কথা নহয়। ভয় নকৰিবা, তুমি একো বেয়া কাম কৰা নাই। আচলতেতো সবেই বেশ্যা। নহয় জানো ? বন্দিতা, সুপ্ৰিয়া, সব বেশ্যা ; মাত্ৰ তোমালোকে আমাৰ দৰে যিবিলাক বাহিৰে ভিতৰে একে সেইবিলাকক অসভ্য সব বুলি গালি পাৰি নিজক লুকোৱাৰ চেষ্টা কৰা।" নাটকীয় সুৰত কথাখিনি কৈ অশান্তই হোঃ হোঃকৈ হাঁহি উঠিল।

"বেশ্যাগিৰি কৰিছা যেতিয়া কৰা বাৰু, আমাৰ আপত্তি কৰিবলগীয়া একো নাই। কিন্তু এই পঞ্চাশৰ ওপৰ বয়সীয়া বুঢ়াটোৰ ওচৰত কিয় ? ডেকা ল'ৰা নাই ? আমাৰ ওচৰলৈ নাহা কিয় ? লাজ লাগে ?" অশান্তই কৈ গ'ল আৰু হোঁঃ হোঃকৈ এটা হাঁহি মাৰিলে।

নিঃসংকোচে মামনিৰ বাহু দুটাত হাত থৈ আকৌ কৈ উঠিল, "বেছ বেছ, সঁচাকৈয়ে বেছ স্বাস্থ্যবান ছোৱালী তুমি। এইটো দেহাৰে তুমি ইচ্ছা কৰিলে বহুত কিবাকিবি কৰিব পাৰিবা। আমাৰ দৰে গুণ্ডাকো পাগল কৰি দিব পাৰিবা ; হাঃ হাঃ হাঃ"...তাৰ পিচত মামনিক অতি সহজভাৱে বিছনাখনত পেলাই দিছিল।

এটা সময়ত নন্দ চৌধুৰীৰ শোৱনি কোঠাত সমুখত নন্দ চৌধুৰী আৰু মামনিক থিয় কৰাই লৈ অশান্তইত বিছনাখনত বহিছিল। অশান্তই আৰম্ভ কৰিলে, "নন্দ চৌধুৰী, তই এটা বুঢ়া বাঘ। কিন্তু মনত ৰাখিবি এয়া তোৰ সমুখত আমি পাঁচটা সম্পূৰ্ণ ডেকা সিংহ। তয়ো তেজ খাই ভাল পাৱ, আমিও ভাল পাওঁ। তই তেজ খোৱাত আমাৰ আপত্তি একো নাই। ইচ্ছামতে তেজ খাই থাক। মাত্ৰ আমাক আমাৰ প্ৰাপ্য লাগিব। নহলে

তোক তেজ খাবলৈ নিদিয়াই নহয়, আজিলৈকে তই যিমানবিলাক তেজ খালি সেই গোটেইবিলাক উলিয়াই দিম।"

মৌন হৈ নন্দ চৌধুৰীয়ে কথাবিলাক শুনি গ'ল।

"এই যে তই ভণ্ড, তই যে তোৰ স্কুলৰ ছাত্ৰী মামনি, বন্দিতা, অমিতাইঁতৰ সৰ্বনাশ কৰিছ এইবিলাক আনে নেজানিলেও আমি জানিলোঁ। আৰু আমি জনা মানেই নগৰখনৰ সকলোৱে জানি যোৱাটো কিমান সহজ কথা তই নিশ্চয় বুজিছ। আৰু ভালদৰে বুজিছ অলপ পিচতে তোৰ অৱস্থা এইখন নগৰত কেনেকুৱা হুখলগা হব পাৰে। অৱশ্যে তোৰ ভয়ানক কিবা এটাই হোৱা উচিত আছিল। কিন্তু সেইবিলাক তোৰ অপকাৰ আমি দুটা কথাৰ কাৰণে কৰিবলৈ ইচ্ছা নকৰোঁ। প্ৰথম কথা, আমি সমাজ সংস্কাৰক নহওঁ। মহাপুৰুষো নহওঁ। এইবিলাক বেপাৰত আমাৰ গা বমবমাই নুঠে। দ্বিতীয়তে, আমিও তোৰ দৰে তেজ ভাল পাওঁ। আৰু টকা। আচল কথা, আমাৰ চুক্তি তই মানি ললেই আমি চুপ হৈ যাম।"

"কেনেকুৱা চুক্তি?" এঢোক সেপ গিলি নন্দ চৌধুৰীয়ে সুধিলে।

"অতি সাধাৰণ। মাহে মাহে আমাক দুশ টকা দিব লাগিব। মাত্ৰ দুশ টকা। তোৰ মাহে বহুত ইন্‌কাম হয়। তোৰ খৰচো বেছি নাই। গতিকে মাহে মাহে আমাক দুশকৈ দিলে একো লোকচান নহয়। আৰু মনত ৰাখিবি এই দুশ টকাৰ ওপৰতেই তোৰ মান-সন্মান, প্ৰতিষ্ঠা সকলো নিৰ্ভৰ কৰিছে।"

নন্দ চৌধুৰীয়ে কন্তেক তলমূৰ কৰি ভাবিলে। ভাবিলে, অশান্তইঁতে ইচ্ছা কৰিলে কৰিব নোৱাৰা কাম একো নাই। সিহঁতে ইচ্ছা কৰিলেই একে ৰাতিৰ ভিতৰতে এইখন নগৰৰপৰা পলাই যাবলগা অৱস্থাও কৰিব পাৰে। তাৰ তুলনাত মাহে দুশ টকা একো ডাঙৰ বস্তু নহয়। অশান্তৰ প্ৰস্তাৱত নন্দ চৌধুৰীয়ে একপ্ৰকাৰে ভালেই পালে। টকাৰ মোহ দেখুৱাই বহুত কিবাকিবি কৰিব পৰা যায়। অশান্তইঁতক টকাৰ মোহেৰে হাতত ৰাখিব পৰা যাব. আৰু নিৰ্বিঘ্নে নিজৰ অভিলাষ চৰিতাৰ্থ কৰি যাব পাৰিব। মাহে দুশ টকাকৈ দি এইকিটা ল'ৰাক হাতত ৰাখিব পাৰিলে লাভৰ বাহিৰে লোকচান একো নহয়। নন্দ চৌধুৰীয়ে ভালদৰে বুজিলে অশান্তইঁতে কথাটো গোপনেই ৰাখিব। মাহে মাহে বিনা পৰিশ্ৰমে পোৱা দুশ টকা এৰি দিয়াৰ দৰে মূৰ্খ অশান্তইঁত নহয়।

"ঠিক আছে, তোমালোকৰ চুক্তিত ৰাজি আছোঁ, কিন্তু..."

"ভয় নকৰিবি। আমি তোৰ ওচৰত কথা দিলো। আৰু আমি যেতিয়া কথা দিওঁ, কথা ৰাখোঁ। আমাৰ পাঁচটাৰ বাহিৰে এইবিলাক কোনেও গম নেপাব। নিৰ্ভয় মনে ছোৱালীৰ কুমাৰীত্বক লৈ খেলি থাক। আমি মাত মাতিবলৈ নেযাওঁ। কিন্তু এটা কথা মনত ৰাখিবি," নন্দ চৌধুৰীৰ কাষত বৈ থকা মামনিৰ গাত চকু থৈ কৈ উঠিল, "স্ফূৰ্তি কৰিবলৈ কেতিয়াবা তোৰ ওচৰলৈ আহিব পাৰোঁ।" তাৰ পিচত্ হোঃ হোঃকৈ অশান্তই হাঁহি উঠিছিল।

হাতত দুশ টকা লৈ অশান্তইত ওলাই আহিল।

চম্পালাল হোটেলৰ পাঁচ নং কেবিনত বহি আটাইকেইটাই ডিপ্লোমেট হুইস্কিৰ সোৱাদ ললে।

"নভবাকৈয়ে বহুত কাম হৈ গ'ল বে।" ৰকিমে আনন্দত কৈ উঠিল।

"মামনি কিন্তু বেছ যৌৱন থকা ছোৱালী।" শৈলেশে কলে।

"বাৰু নন্দ চৌধুৰীয়ে টকা দিয়াত পিচলৈ যদি দিগদাৰ লগায় ?"

"যিমান দূৰ সম্ভৱ নলগাব।" অশান্তই কলে, "সি দণ্ডুৱা মানুহ। বুঢ়া বাঘে এবাৰ যেতিয়া তেজৰ সোৱাদ ললে, এৰিব নোৱাৰে। মামনিহঁতৰ লগত চলোৱাৰ দৰে আগলৈকো সি এই কাৰবাৰ চলাই থাকিব। গতিকে আমাক জোকাই লোৱাৰ সাহস্ তাৰ নাই। সি ভালদৰে বুজিছে আমাৰ লগত টেৰিমেৰি কৰিলে তাৰ লোকচানৰ বাহিৰে লাভ একো নহয়।"

"কিন্তু সি ইমান সহজে টকা দিয়াত ৰাজি হব বুলি ভবা নাছিলোঁ।"

"আৰে দোষ কৰিছেতো, মনত ভয় এটা থাকিবই। মনত ৰাখিবি দোষ কৰিলেই যিমান সাহসী মানুহ নহওক লাগে সব শিয়াল হৈ যায়—"

"কিন্তু আমিওতো দোষ কৰিছোঁ।"

"ধেৎ বুৰ্বক। আমাৰ কৰা দোষ আৰু এইবিলাক মানুহে কৰা দোষৰ মাজত এটা পাৰ্থক্য আছে। আমি যে বেয়া এই কথা সবেই জানে। সবেই জানে আমি বেয়া কাম কৰোঁ আৰু আমি বেয়া কাম এটা কৰাৰ পিচত আমাৰ দোষ আনে গম পালে লাজ পাম বা শাস্তি পাম বুলিতো ভয় নেখাওঁ। কিন্তু এই নন্দ চৌধুৰীৰ দৰে যিবিলাক, সিহঁত ভণ্ড। বাহিৰত ভাল মানুহ; ভিতৰি ভিতৰি আমাতকৈও লেতেৰা। গতিকে আচল ৰূপ ওলাই গলেই সমাজত স্থান হেৰুৱাৰ ভয়ত সব চাল্লা শিয়াল হৈ যায়।"

"মামনিয়ে কিন্তু বেছ ভয় এচাট খালে।"

"সেইবোৰ ছোৱালীয়ে ভয় খাইছে যেন নেলাগে। ইমান সোনকালে ভয় খাব পৰা হলে এনেকুৱা কামত আগনেবাঢ়ে"—অশান্তই উত্তাপহীন কণ্ঠেৰে কলে।

"আচলতে সব চয়তান। বাহিৰত চাকা ভিতৰফালে গেলি গৈছে। গেলা ৰূপটো লুকুৱাবলৈ বাহিৰত ভাল ভাল কথা কয়। নৈতিকতা, সতিত্ব। চাল্লা চুঁৰব সব।" বাক্যটো কৈ ৰকিমে মুখখন বিকটাই পেলালে।

"সব চয়তান। আমাক বদমাচ বুলি কলে কি হব। চাল্লা এইজনী ছোৱালীয়েই এদিন তোক সামান্য কথাতে অসভ্য সব বুলি গালি পাৰিছিল আৰু আজি বেশ্যা হৈছে।"

"সেইবাবেইতো মই সদায়ে কওঁ সব ছোৱালী বেশ্যা। প্ৰেম ট্ৰেম সব ফাকি। সঁচা হ'ল মৌজ কৰা, প্ৰাণ ভৰি স্ফুৰ্তি কৰা আৰু টকা।" বাক্যটো শেষ কৰি গিলাচৰ পানীয়খিনি অশান্তই ডিঙিত ঢালি দিলে।

ছোৱালীৰ প্ৰতি অশান্ত, বিকুলহঁতৰ ধাৰণা এইটোৱেই—ছোৱালী অন্য একো নহয়, মাত্ৰ বেশ্যা। স্ফুৰ্তিৰ সামগ্ৰী। প্ৰেম ট্ৰেম সব ফাকা।

কিন্তু ছোৱালীৰ প্ৰতি এনেকুৱা এটা ধাৰণা লৈ অহা অশান্তই প্ৰথমবাৰৰ বাবে ধাৰণাটো কিছু সালসলনি কৰিবলৈ বাধ্য হ'ল। কোনোৰকমেই শকুন্তলাক বেশ্যা বুলি ভাবিবলৈ ইচ্ছা নগ'ল। প্ৰথমবাৰৰ বাবে অশান্তই অনুভৱ কৰিলে ছোৱালী মাত্ৰ স্ফুৰ্তিৰ সামগ্ৰীয়েই নহয়, মাত্ৰ বেশ্যাই নহয়, ছোৱালীৰ গাত অন্যও কিবা যাদু আছে যাৰ বলেৰে মনত এক অবুজ ৰোমাঞ্চ মিহলি উন্মাদনাৰ সৃষ্টি কৰে।

প্ৰথমবাৰৰ বাবে অশান্তই মনে মনে ভাবিলে, সিহঁতৰ ধাৰণাই সদায় শুদ্ধ নহয়।

॥ চাৰি ॥

দ্বিতীয়দিনাৰ ৰিহাৰ্চেলৰ বাবে নিৰ্দিষ্ট সময়ত পাঁচোটাই যুবক নাট্যগোষ্ঠীৰ ক্লাবত হাজিৰ হলগৈ। আগদিনাতকৈ অশান্তহঁত কিছু সহজ হৈছিল। সংকোচ ভাব কমিছিল। একেবাহে চকীত বহি নেথাকি ক্লাবটোৰ ভিতৰতে ইফালে সিফালে অহা-যোৱা কৰিলে।

এটা সময়ত অশান্ত, বিকুল আৰু বৰিমৰ বিহাৰ্চেল হ'ল। পৰিচালক দিগন্ত বৰুৱাই শিকাই দিলে। লাজ লাজকৈ সংলাপ গালে।

অশান্তৰ চৰিত্ৰটো এজন উকীলৰ। নায়িকাক কিছু পৰামৰ্শ দিব লাগে। নায়িকা শকুন্তলা। সন্মুখত শকুন্তলাক লৈ কথা কৈ যাওঁতে অশান্তই অনুভৱ কৰিছিল ডিঙিৰপৰা যেন শব্দবোৰ ওলাই আহিব নোখোজে। শকুন্তলাৰ চকুলৈ চাবলৈ লাজ লাগে। অশান্ত আচৰিত হ'ল। জীৱনত বহু পুৰুষ, নাৰীক, আনকি মাক-দেউতাকৰ আগত সদায়ে উচ্চকণ্ঠে কথা কৈ অহা অশান্তৰ প্ৰথমবাৰৰ বাবে কথা কওঁতে খোকোজা লাগিল। ভাব হ'ল কাণ দুখন গৰম হৈ আহিছে।

অৱশ্যে পিচলৈ সহজ হৈ আহিছিল। সহজভাৱে শকুন্তলাৰ লগত বিহাৰ্চেল কৰিব পৰা হ'ল, শকুন্তলাৰ মুখলৈ চাই সংলাপ কব পৰা হ'ল। শকুন্তলাৰ চকুযোৰলৈ চাই থাকি সব পাহৰি যাব পৰা হ'ল।

কি সাংঘাতিক চকু! চকুযোৰত যেন যাদু আছে।

অশান্তই এটা কথা লক্ষ্য কৰিলে, হেমন্ত আৰু দিগন্তৰ নজৰ শকুন্তলাৰ ওপৰতে বেছি। শকুন্তলা যিডোখৰত ৰয় সেই ডোখৰতে হেমন্ত বা দিগন্ত কোনোবা এটাই কায়দা কৰি ৰবহি। লেনিয়াই কথা পাতিব। প্ৰয়োজনে অপ্ৰয়োজনে হাঁহিব। অশান্তই লক্ষ্য কৰিলে শকুন্তলাই বিহাৰ্চেল কৰাৰ সময়ত দিগন্ত আৰু হেমন্ত দুয়োটাই ডিৰেক্চন দিবলৈ সমানে আগবাঢ়ি যায়। খুউব ওচৰৰপৰা শকুন্তলাৰ গাটোলৈ লুভিয়া চকুৰে চাই থাকে। লক্ষ্য কৰিলে, শকুন্তলাই যেন হেমন্ত, দিগন্তহঁতৰ উৎসাহ, আনন্দ, প্ৰেৰণা আৰু যুবক নাট্যগোষ্ঠীৰ প্ৰাণকেন্দ্ৰ।

কথাটো অশান্তৰ ভাল নেলাগিল। শকুন্তলাক মাতি আনি কৈ দিবৰ মন যায়, 'হেমন্ত আৰু দিগন্তৰ লগত কথা নেপাতিবা, সিহঁত বেয়া মানুহ।' কথাটো ভাবি পাচ কোবতে অশান্তৰ হাঁহি উঠি যায়। এনেকৈ কব লাগিলে শকুন্তলাই অশান্তক পাগল বুলি ভাবিব, হয়তো কৈ দিব, 'কোন ভাল কোন বেয়া মই বিচাৰ কৰিব জানো।' গতিকে শকুন্তলাক কিবা কোৱাৰ সম্ভৱ নহয়। অন্যভাগেও শকুন্তলাক হেমন্ত আৰু দিগন্তৰপৰা আঁতৰাই ৰখা অসম্ভৱ। অশান্তৰ লগত শকুন্তলাৰ যিমান চিনাকি হেমন্ত বা দিগন্তৰ লগত তাতকৈ বহুত বেছি চিনাকি। সম্বন্ধও বহু বেছি ওচৰ, গতিকে এনেকুৱা কোনো উপায় নাই যাৰদ্বাৰা শকুন্তলাক হেমন্তহঁতৰ কাষৰপৰা আঁতৰাব পৰা যাব।

অথচ শকুন্তলাৰ কাষত হেমন্ত আৰু দিগন্ত থিয় হলেই অশান্তই অনুভৱ কৰে তাৰ গাটো যেন জ্বলি উঠিছে। একো কব নোৱাৰে, একো কৰিব নোৱাৰে, অথচ এক অবৰ্ণনীয় আক্ৰোশত ছটফটায়। প্ৰথম প্ৰেমৰ প্ৰথম টোপা ঈৰ্ষাই অশান্তৰ মন বিষাক্ত কৰি তুলিলে।

অশান্তই মনে মনে ঠিক কৰিলে, কায়দা কৰি সি শকুন্তলাৰ লগত কথা পাতিব, বন্ধু হব। মনৰ গোপন কক্ষত-সোমাবলৈ চেষ্টা কৰিব। আৰু এদিন হেমন্ত আৰু দিগন্তৰ কাষৰপৰা শকুন্তলাক আঁতৰাই আনিব। শকুন্তলাক আঁতৰাই আনিবৰ বাবে সি সব কৰিব। মদ এৰিব, জুৱা এৰিব, মাৰপিট এৰিব।

অশান্তৰ মনটো এক অবুজ আনন্দত নাচি উঠিল। এক অদ্ভুত শীতলতা অনুভৱ কৰিলে।

"কিহত পঢ়া?" এটা দৃশ্যৰ ৰিহাৰ্চেল শেষ হোৱাৰ পিচত অশান্তই কৌশলেৰে শকুন্তলাৰ কাষত বৈ সুধিছিল।

"এইবাৰ নাইনত" মৃদু কণ্ঠেৰে শকুন্তলাই উত্তৰ দিলে।

"তোমালোক নতুনকৈ ইয়ালৈ আহিছা নহয়?"

"হয়, ছমাহমানহে হৈছে।"

"ইয়াৰ আগতে ক'ত আছিলা?"

"শিৱসাগৰত।"

"তুমি নাচাও নেকি?"

"ওঁহো।"

"গান গোৱা?"

"গাওঁ।

সৰু সৰুকৈ প্ৰশান্তই প্ৰশ্ন সুধি গৈছিল। শকুন্তলাই উত্তৰ দিছিল। অসম্ভৱ ভাল লাগিছিল অশান্তৰ। ইমান মিঠা মিঠাকৈ কথাবিলাক কয়!

"আহাঁ কুন্তলা, তোমাৰ ৰিহাৰ্চেল—" বুলি দিগন্তই শকুন্তলাক অশান্তৰ কাষৰপৰা মাতি নিলে। ক্ষন্তেকৰ বাবে অশান্তৰ গাটো জ্বলি উঠিল। মুখৰ ভিতৰতে ভোৰভোৰালে, "চাল্লা চুৰেৰ কা বাচ্চা।"

হেমন্ত বা দিগন্তহঁতৰ লগত অশান্তৰ আগৰ কোনো সম্বন্ধ নাই। আচল-তেতো অশান্তহঁতৰ সম্বন্ধ কাৰো লগতেই নাই। সবকে চিনি পায় আৰু নগৰখনৰ সবেই অশান্তহঁতকো চিনি পায়, জানে এই পাঁচটা ল'ৰা একেলগে ফুৰে, গুণ্ডামি কৰে। অন্যৰ লগত বন্ধুত্ব নাই, সম্বন্ধ নাই।

অন্য বহুতক চিনি পোৱাৰ দৰেই হেমন্তহঁতকো অশান্তইতে মাত্র চিনি পায়, আৰু জানে হেমন্ত আৰু দিগন্ত ওস্তাদ ছোৱালী চিকাৰী। নাটক কৰা, নাচ-গান কৰা আচলতে সব মিছা। কলা-সংস্কৃতিৰ উন্নতি হওক, এইবিলাক উদ্দেশ্য আচলতে এটাৰো নাই। আচল উদ্দেশ্য ছোৱালী। ধুনীয়া ধুনীয়া ছোৱালী হাতলৈ অনাৰ ইমান নির্ভৰযোগ্য মাধ্যম অন্য একো নাই। অৱশ্যে হেমন্তহঁতৰ এইবিলাক কথা লৈ অশান্তইত কোনোদিন ব্যস্ত নাছিল। আনে কি কৰে নকৰে সবতে মূৰ সুমুৱাই ফুৰা অশান্তইতৰ ইচ্ছা বা সময় ছুয়োটাই নাছিল। সেইবাবেই দিগন্ত বা হেমন্তহঁতৰ কাৰবাৰৰ বিষয়ে সকলো জানিও উদাসীন হৈ আছিল। আৰু উদাসীন হৈ থাকিলেওহঁতেন। কিন্তু সব খেলিমেলি লগাই দিলে নাটক কৰাৰ বেপাৰটোৱে। নাটক কৰিবলৈ আহিয়েই যেন সব গণ্ডগোল লাগি গ'ল।

"বুজিছ ৰকিম" চম্পালাল হোটেলৰ পাঁচ নং কেবিনত বহি অশান্তই ৰকিমৰ মুখলৈ চাই কৈ উঠিল, "আমি মাৰপিট কৰা বদমাচ ল'ৰা বুলি, মদপী জুৱাৰী বুলি সবে জানে। আমাক সবে চিনি পায় সেই বুলিয়েই। তেনে স্থলত আমাৰ দৰে লৰাই নাটক কৰিবলৈ যোৱাৰ কোনো মানে থাকিব নোৱাৰে—"

"আবেৰ, কি হ'ল তোৰ? তৎক্ষণাতে যে বৰ ভাবুক হৈ গলি?" অশান্তৰ কথা কোৱাৰ সুৰটোলৈ লক্ষ্য কৰি আচৰিত হৈ মেদিনীয়ে কৈ উঠিল।

"ভাবুকৰ কথা নহয়। মাৰপিট কৰি, মদ খাই, জুৱা খেলি, বেশ্যাৰ ওচৰলৈ গৈয়েই ঠিক আছিলোঁ। এই নাটক চাটকত সোমাই বেয়াৰ বাহিৰে একো ভাল হব যেন নেলাগে।" উত্তাপহীন কণ্ঠেৰে অশান্তই কৈ গ'ল।

"মানে? তই কি কৈছ বুজা নাই—" শৈলেশে কৌতুহলেৰে সুধিলে।

"বুজিবলৈ বৰ বিশেষ একো নাই—নাটক কৰিবলৈ গৈয়েই বহুত কিবাকিবি খেলিমেলিত সোমালোগৈ যেন পাইছোঁ। হেমন্ত আৰু দিগন্তক মই কিবা এটা কৰি দিব পাৰোঁ।"

"কি? সিহঁতে তোক কিবা কলে নেকি?" মূৰটো কিছু হাওলাই ৰকিমে অশান্তৰ চকুলৈ চালে।

"কৰোঁতে এতিয়ালৈকে একো কৰা নাই। কিন্তু খিখিনি কৰিবলৈ লৈছে মই অলপো সহ্য কৰিব নোৱাৰিম। সহ্য কৰিব নোৱাৰা মানেই মাৰপিট।" ক্ষন্তেক ৰৈ অশান্তই কলে, "এই যে শকুন্তলা—"

"ওঁ, শকুন্তলাৰ কি হ'ল ?"

"শকুন্তলাক ইহঁত দুটাই ফচাব বিচাৰিছে।"

"তাতে তোৰ কি হল ? হেমন্ত আৰু দিগন্তক তই নাজান ? সিহঁতৰতো ধান্দাই সেইটো। নাটক কৰিব আৰু ছোৱালী ফচাব। শকুন্তলা নীনা, মেনকা, উৎপলা ইহঁতকতো ফচাবৰ বাবেই আনিছে।"

"কি হ'ল, তই একেবাৰে মহাপুৰুষ হৈ গলি নেকি ?" বহু সময় মনে মনে চিগাৰেট হুপি কথা শুনি থকা মেদিনীয়ে মাত লগালে।

"মহাপুৰুষৰ কথা নহয়—"

"তেনেহলে কি ? এইখন নগৰত তলে ওপৰে বহুত কিবাকিবি হৈ আছে। বহুতে বহুতক ফচাইছে, প্ৰেম কৰিছে, লাইন মাৰিছে, সতীত্বৰ দৰে ভাল ভাল শব্দ লৈ জুৱা খেলিছে, আনকি দেখাদেখিকৈয়ে আনৰ মাইকীয়ে অন্য মতাৰ লগত প্ৰেম কৰিছে। সবতে তই মূৰ সুমুৱাবলৈ যাবি ? সমাজ সংস্কাৰক হবলৈ যাবি ?"

"ধেৎ তহঁতে বুজা নাই বে।" বিৰক্তিৰে অশান্তই কৈ উঠিল।

"নাই বুজা আৰু কি ! শকুন্তলাক সিহঁত দুটাই ফচোৱাৰ মৎলব কৰিছে, ইয়াত বুজিবলৈ আৰু কি ? তাইৰ ইচ্ছা গলে ফচিব, পেন্‌পেনীয়া প্ৰেমেই কৰক বা এটাৰ লগত পলায়ে যাওক তই ভাবি মৰিবলৈ দৰ্কাৰ কি ? চেষ্টা কৰ নাটকৰ দিনা তই কিবা এটা চান্স লব পাৰ নেকি।"

"নহয় বে, তহঁত সব মূৰ্খ" কিছু বিৰক্তিৰে অশান্তই কৈ উঠিল।

"মূৰ্খ ?"

"ওঁ ওঁ, সব মূৰ্খ। শকুন্তলাক চান্স লোৱাত মই নাই। শকুন্তলাক মই বেলেগ চকুৰে চাম।" চিগাৰেটত দীঘল হোপা এটা মাৰি মুখখন কঠোৰ কৰি অশান্তই কৈ উঠিল, "কিন্তু এই হেমন্ত বা দিগন্তই যদি শকুন্তলাক ফচাব বিচাৰে মাথা ফালি দিম।" অশান্তৰ উত্তেজনাপূৰ্ণ বাক্যটোত আটাইকিটা কিছু চিন্তিত হ'ল। অশান্তৰ চকুলৈ কৌতূহলেৰে চালে। সুবুজা কথা এটা বুজাৰ চেষ্টা কৰিলে।

ক্ষন্তেক আটাইকিটা মৌন হৈ ইটোৱে সিটোৰ চকুলৈ চালে।

"অ' তাৰ মানে তই শকুন্তলাৰ প্ৰেমত পৰিছ নহয় ?" মৌনতা ভঙ্গ কৰি বিকুলে মাত লগালে।

অশান্ত মৌন হৈ ৰ'ল। হাত দুখন মুঠি মাৰি টেবুলৰ ওপৰত চুৰীৰে কৰা আকবিলাকলৈ চাই থাকিল।

"মনে মনে আছ কিয় ? শকুন্তলাৰ প্ৰেমত পৰিছ ?"

"ওঁ", লাহেকৈ অশান্তই উত্তৰ দিলে।

"কিয় ?"

"এইবিলাক কথাৰ কোনো উত্তৰ নেথাকে। মই কোনোদিন প্ৰেমত পৰা নাই। প্ৰেমত পৰাৰ কথা মই বিশেষ নেজানোৱেই। কিন্তু শকুন্তলাক যে মোৰ ভাল লাগিছে বুজিছোঁ। শকুন্তলাক ভাল লাগিছে। আৰু অন্তই শকুন্তলাৰ লগত হুলিগলি কৰিলে মোৰ ভাল নেলাগে।" লাহে লাহে অশান্তই কথাবিলাক কৈ গ'ল।

"ওঁ··· প্ৰেমত পৰিছ", মেদিনীয়ে কৈ উঠিল। সুৰ সলাই আকৌ কলে, "কিন্তু কিয় প্ৰেমত পৰিছ ? তই পাগল হলি ? সামান্য ছোৱালী এজনীৰ বাবে দুৰ্বল হৈ যাবি ? এজনী ছোৱালীৰ কথা ভাবি ভাবি ভাবুক হৈ যাবি ?"

"অশান্ত তোৰ হৈছে কি ?" ৰকিমে মুখখন অশান্তৰ মুখৰ ওচৰলৈ আনি চকুত চকু থৈ সুধিলে, "তোৰ চিন্তা কৰা শক্তি শেষ হৈ গ'ল ?"

"অশান্ত, তয়েতো কছিলি প্ৰেমত পৰি ছোৱালী এজনীৰ মৰম বিচাৰি, পুতৌ বিচাৰি পাগল হোৱাতকৈ চৰম অপমানৰ কথা এটা ডেকাৰ বাবে একো থাকিব নোৱাৰে। আৰু আজি তই নিজেই······"

"নহয় নহয়, তইঁতক মই বুজাব পৰা নাই" বিকুলৰ কথাত বাধা দি অশান্তই কৈ উঠিল।

"প্ৰয়োজন নাই বুজাবলৈ", কঠিন স্বৰেৰে বিকুলে কৈ উঠিল, "ক, শকুন্তলাক লাগে। আমি চাৰিটাই য'ৰে ত'ৰেপৰা যেনে তেনে নহওক লাগে শকুন্তলাক এতিয়াই তোৰ আগত হাজিৰ কৰাই দিম, কিন্তু প্ৰেম কৰিবলৈ নহয়।"

"বুজিছ অশান্ত", বহু সময় মনে মনে থাকি শৈলেশে মাত লগালে, "হিন্দী চিনেমাত ফুটপাথৰ গুণ্ডা বা গলিৰ জুৱাৰীৰ লগত ৰাজকন্যাৰ প্ৰেম সম্ভৱ, গল্প-উপন্যাসত সম্ভৱ, কিন্তু বাস্তৱ জীৱনত অসম্ভৱ। জান, আমাৰ বাবে প্ৰেম নহয়। প্ৰেম ট্ৰেম এইবিলাক সব কল্পনাৰ বস্তু। আৰু আমি বাস্তৱ।"

"চিনেমাত ৰাজকন্যাই গলিৰ গুণ্ডাৰ লগত প্ৰেম কৰিব পাৰে কিন্তু শকুন্তলাই তোৰ লগত প্ৰেম কৰিবলৈ নেযায়। নতুনকৈ আহিছে বাবে তোৰ কথা বিশেষ শুনা নাই, সেইবাবেই ভাগ্যে তোৰ লগত দুটা-এটা কথাকে পাতিলে। কিন্তু যিদিনাই তোৰ সব কথা গম পাব তাৰ পিচত দেখিবি তোক দেখিলেই নাক কোচাইছে।" কণ্ঠস্বৰত কঠোৰতা সানি মেদিনীয়ে কলে।

"নহয়" অকস্মাৎ অশান্তই চেপা কণ্ঠেৰে চিঞৰি উঠিল। উত্তেজিত হৈ কিবা কবলৈ গৈও বৈ গ'ল। চাৰিওটাৰ চকুলৈ এবাৰ চালে। তাৰ পিচত মাতটো অসম্ভৱ কোমল কৰি কৈ উঠিল "বিশ্বাস কৰ শকুন্তলাক মই ভাল পাইছোঁ। মাত্র ভাল পাইছোঁ। কিয় ভাল পাইছোঁ, ভালপোৱা উচিত হৈছে নে নাই সেইবিলাক চিন্তা কৰাৰ ইচ্ছা নাই।" কথাখিনি কৈ অশান্তই হাত দুখন মুঠি মাৰি টেবুলত থৈ মুঠিটোলৈ চাই থাকিল।

চাৰিওটাই অশান্তলৈ চালে।

অশান্ত চলিহা।

প্রায় ছফুট ওখ, সুন্দৰ দেহাবয়বৰ স্বাস্থ্যবান ডেকা। চুটি চুটি চুলি। নাকৰ ঠিক তলতে মিহি আৰু দুয়োকাষে ক্রমে বহল হৈ জোঙা পাক দি থোৱা একোছা মোচ। তীক্ষ্ণ বুদ্ধি দীপ্ত এযোৰ চকু। মুখত এক প্রচণ্ড কঠোৰতা।

বিকুল, মেদিনী, বকিম আৰু শৈলেশে ভালদৰে জানে অশান্ত আচলতে কিমান বেছি নিষ্ঠুৰ। হাঁহি হাঁহি অলপো চিন্তা নকৰাকৈ মানুহৰ বুকুত ছুৰী বহুৱাই দিয়াৰ অভ্যাস আছে, একে ঘোচাই চাৰিটা দাঁত সৰুৱাই দি সেইখন মুখতে আকৌ ঘোচা মৰাৰ মানসিক প্রস্তুতি আছে। কান্দি কান্দি বাউলী হৈ ভৰিত পৰি থোৱা অসহায় গাভৰুৰ চুলিত হাঁহি হাঁহি থাপ মাৰি ধৰি নিঃসংকোচে গাৰ কাপোৰ টান মাৰি খালি পৈশাচিক আনন্দ লব পৰা সাহস থকা এইটো অশান্ত চলিহা। বিকুল, মেদিনী, বকিম, শৈলেশৰ দৰে গুণ্ডাই সিহঁতৰ নায়ক হিচাপে মানি লোৱা অশান্ত চলিহা। আৰু এইটো অশান্তই শকুন্তলা নামৰ এজনী ছোৱালী দেখাৰ পিচতে যে ইমান দুৰ্বল হৈ যাব পাৰে সেই বিষয়ে এটায়ো কল্পনা কৰা নাছিল। অবাক হৈ মাত্র ইটোৱে সিটোৰ মুখলৈ চালে।

"বিশ্বাস কৰ, শকুন্তলাই মোক ইমান দুৰ্বল কৰিব বুলি কোনোদিন কল্পনা কৰা নাছিলোঁ। অন্ততঃ মোৰ দৰে এটা লৰাও যে এজনী সামান্য ছোৱালীৰ বাবে ইমান বেছি দুৰ্বল হৈ যাব পাৰে কোনো দিন আশা কৰা নাছিলোঁ।" বিকুলহঁতৰ মুখলৈ নোচোৱাকৈ অশান্তই কৈ গ'ল। লাহে লাহে অতি গম্ভীৰ কণ্ঠেৰে কৈ যোৱা অশান্তৰ কথাবিলাক বিকুলহঁতৰ কাণত নতুন নতুন লাগিল। প্রত্যেকটো শব্দই বিকুলহঁতৰ মগজুত খুন্দা মাৰি এক নতুন অৰ্থৰ সৃষ্টি কৰিলে। অশান্তই কৈ গ'ল, "আচল কথা, আমাৰ প্রত্যেকৰে ভিতৰত অন্য এটা মানুহ শুই থাকে। কোনো দুৰ্বল মুহূৰ্তত সেইটো মানুহে সাৰ পাই যায়।"

বহু সময় আটাইকিটা মানুহ মৌন হৈ ৰল। কাৰো যেন কবলগা একো নাছিল। বহু সময়ৰ পিচত নিস্তব্ধতা ভাঙিলে মেদিনীয়ে, "তোৰ কথাই সঁচা। মানুহৰ জীৱনলৈ এনে একোটাহঁত দুৰ্বল মুহূৰ্ত আহে যিটো মুহূৰ্তই মানুহটোক সলনি কৰি পেলায়। কোনো দুৰ্বল মুহূৰ্তত তই শকুন্তলাক ভাল পাই যোৱাটো একো ডাঙৰ কথা নহয়। আচলতে ইয়াৰ বাবে দায়ী তই নহৱ, দায়ী তোৰ দুৰ্বল মুহূৰ্ত।" মেদিনীৰ কথাবিলাক মেদিনীৰ নিজৰ কাণতে নতুন নতুন লাগিল।

"ঠিক আছে, প্ৰেম কৰ—এই হেমন্ত আৰু দিগন্তই কিবা দিগদাৰ লগালে চাল্লা চুলি খুৰাই দিম।" বকিমে কৈ উঠিল।

"আৰে লাফাঙ্গা, তোৰ মাথাটো আছে বাবেহে মানুহটো হৈ আছ।" বিৰক্তিৰে শৈলেশে কলে।

"কি?" শৈলেশৰ কথাত বকিমৰ খং উঠিল। চেলাউৰি থূপ খুৱাই শৈলেশৰ চকুলৈ চালে।

"অঁতো, তই বুৰ্বক নেকি? জোৰ জবৰদস্তি প্ৰেম নহয়। হেমন্ত বা দিগন্তক কিবা এটা কৰিব গলেই সব পণ্ড হব। মাৰপিট কৰি টকা-পইচা অনা যায়, কিন্তু প্ৰেম নহয়।" শৈলেশৰ কথাত আটাইকিটাই মন দিলে। চিগাৰেটত হোপা মাৰি শৈলেশে কৈ গ'ল "প্ৰথম কথা অশান্ত। অশান্তই নিজক কিছু সলনি কৰিব লাগিব। অন্ততঃ শকুন্তলাৰ মনত অশান্তই এটা সাঁচ বহুৱাব পাৰিব লাগিব। এইটো একেদিনাই কৰা কাম নহয়। অলপ অলপকৈ অশান্তই শকুন্তলাৰ ওচৰ চাপি এটা সময়ত শকুন্তলাৰ বুকুৰ মাজত সোমাই যাব লাগিব, শকুন্তলাৰ বুকুৰ মাজত সোমাই ফান্টু হেমন্ত বা দিগন্তইতক শকুন্তলাৰ বুকুৰপৰা আঁতৰাই দিব পাৰিব লাগিব। আৰু যিদিনাই এইখিনি কৰা হব আৰু তাৰ পিচত যদি হেমন্তইতে কিবা দিগদাৰ কৰিবলৈ যায় মাৰ জোতা। চুলি খুৰাই দে, দুয়োটাৰ মুখত চূণ সানি চাৰিআলিত আঁঠু কঢ়াই থৱ যি কৰ কৰি থাক। কিন্তু প্ৰথমে অশান্তই শকুন্তলাৰ অন্তৰ লৈ লব লাগিব, তাৰ আগতে নহয়।"

"গুড্" বিকুলে কৈ উঠিল, "শৈলেশে ঠিক কৈছ, বুজিলি অশান্ত" অশান্তলৈ চাই কৈ উঠিল, "এতিয়াৰপৰাই তই আৰম্ভ কৰি দে, কিন্তু সাৱধান তই মদখোৱা কমাব লাগিব, মাৰপিট কমাব লাগিব, ঘাইকৈ মুখখন অলপ চম্ভালিবি। শকুন্তলাৰ আগত লাফাঙ্গা, আৰে চুঁৰেৰকা বাচ্চা আদি শব্দ কলে সব গোল্লাই যাব।"

অশান্তই এটা মৃদু হাঁহি মাৰিলে।

আটাইকিটাই একোটাইত চিগাৰেট জলাই ললে। এগাল ধোঁৱাৰে এনে কেবিন ভৰি পৰিল। সেই ধোঁৱাৰ তলত বহি পাঁচটা নিষ্ঠুৰ ডেকাৰ মাজত প্ৰথম বাৰৰ বাবে প্ৰেমৰ আলোচনা আৰম্ভ হ'ল।

আকৌ ৰিহাৰ্চেল।

নিজ নিজ ৰিহাৰ্চেলৰ সময়ত অশান্তইতে সংলাপ গালে। ৰিহাৰ্চেল ভালদৰে কৰাৰ আপ্ৰাণ চেষ্টা চলালে। অশান্তই চেষ্টা কৰিলে শকুন্তলাৰ মনৰ কাষ চপাৰ, হৃদয়ত সোমোৱাৰ।

উৎসাহেৰে অশান্তইতে যুবক নাট্য গোষ্ঠীৰ বিভিন্ন কামত মন দিলে। আটাইকিটাই ভালদৰে বুজিছিল, অশান্তই শকুন্তলাক পাবলৈ হলে যুবক নাট্য গোষ্ঠীৰ লগত হাত মিলাবই লাগিব। নাট্য গোষ্ঠীৰ কামত নিজৰ কামৰ দৰে খাটিব লাগিব। নহলে শকুন্তলাক পোৱাতো সম্ভৱ নহয়।

চম্পালাল হোটেলৰ এনং কেবিনত বহা নগৰখনৰ কলংকস্বৰূপ মেদিনী, ৰকিম, ৱিকুল আৰু শৈলেশে ভাবিলে অশান্তৰ আনন্দৰ বাবে সিহঁতে সব কৰিব। শকুন্তলাৰ বাবেই প্ৰয়োজন হলে মাৰপিট এৰিব, মদ এৰিব, জুৱা এৰিব। মাত্ৰ শকুন্তলাই অশান্তক ভাল পাব লাগে।

হাতত টিকেটৰ বহী লৈ দোকানে দোকানে অশান্তইতে টিকেট বেচি ফুৰিলে, চকী-বেঞ্চ গোটালে, চিন উইংছ যোগাৰ কৰিলে। এইবিলাক কৰি আটাইকিটাৰ আনন্দ লাগিল। ইয়াৰ মাজতেই যেন সোমাই আছে আটাইতকৈ মূল্যবান গুৰুত্বপূৰ্ণ এটা প্ৰত্যাহ্বান।

নাটকৰ আগদিনা ফাইনেল ৰিহাৰ্চেল। ৰাতিপুৱা এবাৰ আৰু গধূলি এবাৰ ষ্টেজত চেটিংছ বনোৱাব পিচত।

ৰাতিপুৱা যুবক নাট্য গোষ্ঠীৰ সকলোৱে ৰিহাৰ্চেলৰ মাজে মাজে চেটিংছ আৰু ষ্টেজৰ কামত ব্যস্ত হ'ল। সেই ব্যস্ততাৰ মাজত বিকুল, মেদিনী সকলো যেন একাকাৰ হৈ গ'ল।

অশান্তই এবাৰ কায়দা কৰি শকুন্তলাৰ ওচৰলৈ গ'ল। চুক এটাত বহি শকুন্তলাই পাৰ্ট মুখস্থ কৰিছিল। অশান্ত শকুন্তলাৰ কাষত বলগৈ।

ইতিমধ্যে অশান্ত শকুন্তলাৰ ওচৰত যথেষ্ট সহজ হব পৰা অৱস্থা এটালৈ আহিছিল। ৰিহাৰ্চেলৰ কেইদিন অলপ-অচৰপকৈ কথা পাতি এটা সময়ত

নিঃসংকোচে "কি কৰিছা শকুন্তলা" বুলি কাষৰ চকীখনত বহি কথা পাতিব পৰা হ'ল।

অশান্ত কাষত বোৱাৰ উমান পাই শকুন্তলাই অশান্তৰ মুখলৈ চাই এটা মৃদু হাঁহি মাৰিলে, কাষৰ চকীখনলৈ আঙুলিয়াই সৰুকৈ কলে, "বহক।"

অশান্ত বহিল। দুটা এটা কথা আৰম্ভ হ'ল। প্ৰথমে বিহাৰ্চেলৰ। তাৰ পিচত লাহে লাহে কথাৰ সুৰ সলনি হৈ আহিল। এটা সময়ত অশান্তই নিজেই অনুভৱ কৰিলে সি কোৱা কথাবিলাকৰ ধাৰাটো যথেষ্ট সলনি হৈ আহিছে। এবাৰ ঘপকৈ কৈ পেলালে, "তোমাৰ মুখলৈ চাই থাকিলে চাই থাকিবৰ মন যায় হে।" কথাটো কৈ কিমান ভাল কৰিলে উমান লবলৈ শকুন্তলাৰ মুখলৈ চালে। শকুন্তলাৰ গাল দুখন কিছু ৰঙা পৰিল। অশান্ত কিছু সময় মৌন হৈ ৰল।

"সঁচা শকুন্তলা", মৌনতা ভঙ্গ কৰি অশান্তই মাত লগালে, "কিয় কব নোৱাৰোঁ তোমাক মোৰ বৰ ভাল লাগে।"

শকুন্তলাই মূৰ তুলি অশান্তৰ মুখলৈ চালে। শকুন্তলাৰ চকুৰ ভাষা পঢ়াৰ চেষ্টা নকৰি অশান্তই অন্যফালে চালে, বুজিলে, শকুন্তলা কিছু অপ্ৰস্তুত হৈছে। শকুন্তলাৰ মুখলৈ আকৌ চকুযোৰ ওভতাই আনিলে। শকুন্তলাই আঁচলটো চিকুটি কিবা ভাবিছে। মুখত ফুটি উঠিছে এক অবৰ্ণনীয় লাজমিহলি চঞ্চলতা। কিবা এটা কোৱাৰ খুউব ইচ্ছা গ'ল অশান্তৰ। অথচ কিবা এক শক্তিয়ে যেন ডিঙিৰপৰা শব্দবিলাক ওলাই অহাত বাধা দিলে। শকুন্তলাৰ মুখত দৃষ্টি নিবদ্ধ কৰি ৰখা অৱস্থাতেই অশান্তই সৰুকৈ কৈ উঠিল, "তোমাক মই ভাল পাওঁ শকুন্তলা।"

শকুন্তলাই আকৌ অশান্তৰ চকুলৈ চালে। এইবাৰ অশান্তৰ লাজ লাগিল। ঘপকৈ বহাৰপৰা উঠি 'মই আহিছোঁ দেই' বুলি লাহেকৈ আঁতৰি আহিল। ইমান ডাঙৰ কথা এটা কৈ দিয়াৰ পিচত শকুন্তলাৰ কাষত বৈ থকাৰ শক্তি অশান্তই নেপালে।

দুপৰীয়াৰ সময়ত বিহাৰ্চেল শেষ হ'ল।

অশান্তহঁতৰ লগত হেমন্তৰ টকা-পইচাৰ হিচাপ এটা হ'ল। অশান্তহঁতে মুঠ ডেৰ হেজাৰ টকাৰ টিকেট বেচিছিল। পাঁচশ টকা হেমন্তই অশান্তহঁতৰ হাতত তুলি দিলে। হেমন্তহঁতে ডেৰ হেজাৰ টকা কোনোদিন আশা কৰা নাছিল। খুউব বেছি পাঁচশ। তাৰ পৰিবৰ্তে বিনা পৰিশ্ৰমে ডেৰ হেজাৰকৈ

টকা আৰু চকী মেজ আদিৰপৰা আৰম্ভ কৰি ইটো সিটো বস্তুবোৰেকে গোটোৱা-মেলাত অশান্তইতৰপৰা পোৱা সহায়ৰ পিচত পাচশ টকা অশান্তইতৰ হাতত তুলি দিবলৈ বেয়া নেলাগিল। হেমন্তইতে মনে মনে ভাৱিলে, টকা ডাঙৰ বস্তু নহয়, ডাঙৰ কথা হ'ল অশান্তইতৰ দৰে ল'ৰাক হাতত ৰাখিব পৰাটো।

॥ পাঁচ ॥

"কি অ', তহঁতে বোলে যাত্ৰা কৰিছ?" পানত চুণ খয়েৰ ঘঁহি ঘঁহি ইক্ৰাম পাণদোকানীয়ে সুধিলে।

"যাত্ৰা নহয় হে ইক্ৰামকাই, নাটক। ফুল ফ্লেজেড ড্ৰামা।" বিৰক্তিৰে ৰকিমে কলে।

"নাটক, যাত্ৰা, ভাওনা আচলতে সব একে। সবতে মুখত ৰং ঘঁহি মানুহৰ আগত মিছাকৈয়ে নাচিবাগি দেখুৱাব লাগে। তহঁতৰ দৰে বদমাইচবিলাকটাও মুখত ৰং ঘঁহি ভাল মানুহ হবিগৈ।"

"আমাক যে তুমি সদায়ে বদমাচ বুলি কোৱা এইবাৰৰপৰা হলে নোৱাৰা আৰু।" শৈলেশে হাঁহি এটা মাৰি কলে।

"নাটক কৰিছ বাবে হবলা?"

"ওঁ, এইবাৰৰপৰা দেখিবা আমাক" গৌৰৱেৰে মেদিনীয়ে কলে।

"ওহোঁ, একো লাভ নাই। দুদিন নাটক কৰিলেই কোনো সলনি হৈ যাব নোৱাৰে। তহঁত যি বদমাইচ সেই বদমাইচ ভাগেই থাকিবি। দূৰৰপৰা পাহাৰ বৰ ধুনীয়া। এদিনৰ বাবে পাহাৰৰ কাষত পিকনিক খাই স্ফূৰ্তি পোৱা যায়। কিন্তু পাহাৰত থাকিবলৈ গৈ কোনেও শান্তি নেপায়। তহঁতৰো একেই হৈছে। প্ৰথম বাবে নতুনতে ভাল পাইছ। পিছে কি হব? দুদিনৰ পিচত নিজেই আঁতৰি আহিবি। তহঁতকতো মই ভালদৰেই জানো। আচলতে তহঁত হলি বদমাইচৰ হাড্ডি। পাপ। সব পাপ।" ইক্ৰাম দোকানীয়ে কথাবিলাক কৈ যায়।

নগৰখনত মাত্ৰ ইক্ৰামেই আছে যি অলপো ভয় নকৰাকৈ অশান্তইতক সকলো ধৰণৰ কথা কৈ যায়। গালি পাৰে, ধমকি দিয়ে। অশান্তইতেও

ভালদৰে জানে নগৰখনত যদি আছে ইক্ৰামেই, যি এতিয়াও সিহঁতক ভাল পায়। সিহঁতৰ ভালৰ বাবে ভাবে, চিন্তা কৰে।

"ছুপইচামান পাইছ চাগে, সেইবাবে নাটক কৰিবলৈ গৈছ, আৰু কি? পইচা পাইছ যেতিয়া মদ খাবি, জুৱা খেলিবি বাচ—। হেৰ তহঁত যি মদপী, জুৱাৰী সদায়ে সেই মদাহী জুৱাৰীয়েই। খুউব বেছি হবি যদি দিগন্ত প্ৰফেছাৰ।" চৰটাৰে চুপাৰি কাটি কাটি ইক্ৰাম দোকানীয়ে কৈ গ'ল।

"তাৰ মানে?"

"নাটকত এৰাতিৰ বাবে মুখত ৰং ঘঁহি ভাল মানুহ হবি, তাৰ পিচত আকৌ আগৰ ৰূপ।" চৰটাপাচিৰ মাজত ভৰাই লোৱা চুপাৰি তুফাল কৰি ইক্ৰাম দোকানীয়ে কলে।

"কিন্তু দিগন্ত প্ৰফেছাৰৰ যে কথা কলা?"

"সিও একে ভণ্ড। এটা লম্পট। নাটক কৰি বাহিৰত ভাল মানুহ হৈ থাকে। পিছে কি হব নাটকতে তাৰ আচল ৰূপটো দেখুৱাই দিয়ে।"

কাটি লোৱা চুপাৰিখিনি টেমাটোত থৈ ইক্ৰাম দোকানীয়ে এটা হাঁহি মাৰিলে। তাৰ পিচত কৈ গ'ল, "নাটকত সি সদায়ে বীৰ হয়। বৰ সাহসী হয় আৰু আচল জীৱনত শিয়াল। ভয়াতুৰ। আচল জীৱনত শিয়ালৰ দৰে ভীৰু আৰু নাটকত বীৰ হোৱাৰ দৰেই বাহিৰত ভদ্ৰ, ভিতৰি ভিতৰি লম্পট। আচলতে দিগন্ত, হেমন্ত, সৌমেন্দ্ৰ, দেৱজিৎ এইবোৰ সব ভণ্ড।" কথাখিনি কৈ অন্য কেইটামান চুপাৰি কাষলৈ চপাই ললে।

"তুমি বৰ পাক লগাই কথা কব জানাহে ইক্ৰামকাই।"

হোঃ হোঃ কৈ ইক্ৰাম পানদোকানীয়ে হাঁহি এটা মাৰিলে।

বহুত খবৰ ৰাখে এই ইক্ৰাম দোকানীয়ে। চাৰিআলিৰ মাজৰ পান দোকানত ৰাতিপুৱাৰপৰা ৰাতিলৈকে বহি বহি সকলো ধৰণৰ খবৰ গম পাই যায়। কোনে ক'ত কি কৰিছে, কোনে কাৰ অপকাৰৰ কথা আলোচনা কৰিছে, কোনে কি কামটো ক'ত কৰি আছিল ইত্যাদি খবৰৰ সকলোবিলাক এইখন নগৰৰ যিটো মানুহে খুটিনাটি মাৰি ৰাখে সেইজনেই ইক্ৰাম দোকানী।

ইক্ৰামক নগৰখনৰ সবেই মৰম কৰে। একে মিঠা হাঁহি মাৰিয়েই আটাইকে সম্ভাষণ জনায়। বস্তু লওঁতে তুপইচা কম হলেও ইক্ৰামকায়ে মিঠা হাঁহি মাৰি কব 'হব দিয়ক' আৰু অন্যদিনা সেইজন মানুহে কায়দা কৰি দিবলগা পইচা দিওঁতে ইক্ৰামকায়ে একেদৰেই কব 'হব দিয়ক।' তাৰ পিচত এটা মিঠা হাঁহি।

অশান্তইঁতে ইক্ৰামক ইক্ৰামকাই বুলি মাতে। অশান্তইঁতৰ উপৰিও এনে বহুত আছে যি ইক্ৰামক ইক্ৰামকাই, ভাই, দোস্ত, জান, হুবিভকত ইত্যাদি বিভিন্ন সম্বোধনেৰে মাতে।

ইক্ৰামৰ নিজৰ বুলিবলৈ কোনো নাই। সকতে মাক-দেউতাক ঢুকাল। নাইনলৈকে পঢ়ি দোকানত বহিল। এদিন বিয়া কৰালে।

ইক্ৰামৰ বিয়াত অশান্তইঁত সক সৰু। তথাপি সিহঁতৰ স্পষ্ট মনত আছে সিহঁত বিয়ালৈ গৈছিল। লুচী, দাইল আৰু কিবাকিবি মিঠাই খাইছিল। মনত আছে সেইখন বিয়াত বহুত মানুহ হৈছিল।

ইক্ৰামৰ বিয়াত বেছ হুলস্থুল হৈছিল। দোকানত তামোল পাণ খোৱা সকলো মানুহকে হাঁহিমুখে তামোল এখন আগবঢ়াই ইক্ৰামে নিজৰ বিয়ালৈ মাতিছিল। একে বয়সৰ ল'ৰাখিনিক কৈছিল।

"মোৰতো কোনো নাই জানই, তহঁতে যদি সব কৰ, মই বিয়া কৰোৱাৰ কথা ভাবিম।"

বিয়াৰ দিনা একেবাৰে অকলশৰীয়া ইক্ৰামৰ বহুত আপোন মানুহ ওলাইছিল। কোনে মানুহ মাতিলে, চকী-মেজ গোটালে, ৰভাপৰলা, গেট আদি দিলে, খোৱাবস্তু যোগাৰ কৰিলে, ইক্ৰামে এইবিলাক একো গম নেপালে। মাত্ৰ ইক্ৰামে লক্ষ্য কৰিছিল তাৰ লগৰ লৰাবিলাকে নিজৰ ককায়েকৰ বিয়াৰ দৰে কামত টাকুৰী ঘূৰাদি ঘূৰিছে। ব্যস্ত হৈছে। দৌৰাদৌৰি কৰিছে। এইবিলাক দেখি ইক্ৰামৰ নিঃসঙ্গতাৰ ভাব একেবাৰে নাইকিয়া হৈ গৈছিল। নিজকে বৰ সৌভাগ্যবান যেন লাগিল। নিৰ্জন চুক এটালৈ গৈ এবাৰ আনন্দতে এসোঁতা কান্দি আহিছিল।

পাণদোকানত বহি হাঁহিমুখে গ্ৰাহকলৈ তামোল চিগাৰেট আগবঢ়াই দিয়া ইক্ৰামক ইজনে সিজনে ন-কইনাৰ খবৰ লয়। লাজ লাজকৈ ইক্ৰামে উত্তৰ দিয়ে।

আৰু এদিন ইক্ৰামৰ বিয়ালৈ অহা মানুহবিলাকৰ এজাকে হঠাতে বিয়ালৈ অহাৰ দৰে একেলগে আহি ইক্ৰামৰ ঘৈণীয়েকৰ খবৰ ললে। বিয়ালৈ আহোঁতে এইখিনি মানুহৰ মুখত যি হাঁহিৰ জিক্‌মিকনি আছিল তাৰ পৰিবৰ্তে বিৰাজ কৰিছিল এক অবৰ্ণনীয় বিষণ্ণতা। চকুত কৌতুহল, সমবেদনাৰ ভাব।

ভাল-বেয়াৰ পৰিবৰ্তে ইক্ৰামৰ বিষণ্ণ চকুযোৰলৈ চাই প্ৰত্যেকেই সুধিলে, "আচলতে ঘটনাটো কি ?"

ঘটনাটো কি ইক্ৰামে নিজেই বুজা নাছিল। বুজিবইবা কেনেকৈ? একেলগে একেখন বিছনাতে শোৱা মানুহজনীয়ে হঠাতে এদিন অন্য এটা মানুহৰ লগত পলাই যাব পাৰে, এইটো কথা বুজাৰ দৰে বুদ্ধি ইক্ৰামৰ নাছিল।

ইক্ৰামে মাত্ৰ অনুভৱ কৰিছিল কথাটোৱে যেন তাৰ বুকুৰ কোনোবা অংশত বৰ বেয়াকৈ খোচ মাৰি গ'ল। বৰ অসহ্য সেই যন্ত্ৰণা; বৰ কষ্টকৰ।

সেইদিনাৰপৰা ইক্ৰামৰ মুখৰপৰা হাঁহি নাইকিয়া হৈ যাব লাগিছিল, কিন্তু নগ'ল। একে ভাগেই আগৰ দৰে হাঁহে। হাঁহি হাঁহি গ্ৰাহকলৈ তামোল-চিগাৰেট আগবঢ়াই দিয়ে। মাত্ৰ ইক্ৰামে জানে ৰাতি শুই থাকোঁতে গাৰুত মুখখন হেঁচি হুকহুককৈ সি কান্দি দিয়ে।

তাৰ পিচত অন্য এজনী ছোৱালীক আপোন কৰি লোৱাৰ ইচ্ছা নগ'ল। হাঁহিমুখ আৰু মিঠা মাতেৰেই ইক্ৰামে গোটেই নগৰখনৰ মানুহক আপোন কৰি ললে। মনতে ভাবিলে ইমানবিলাক মানুহৰপৰা পোৱা অযাচিত মৰমৰ ওপৰত অন্য একো ডাঙৰ বস্তু থাকিব নোৱাৰে।

ইক্ৰামৰ প্ৰতি সকলো মানুহৰে যি এক বিশেষ মৰম সেই মৰম সকলোপৰা দেখি অহাৰ বাবেই অশান্তইঁতেও কব নোৱাৰাকৈয়ে ইক্ৰামক ভাল পাই পেলাইছিল। ইক্ৰামৰ দোকানত সকতে বেলুন, লজেন্স, ৰঙা চুপাৰি কিনা অশান্তইঁতে এদিন দোকানৰ পাটচলা ধৰি ৰখা বাৰডালত ধৰি ছোৱালী জোকাব পৰা হ'ল। দোকানলৈ সোমাই আহোঁতে 'কি খবৰ ইক্ৰামকাই' বুলি চিঞৰি অহা অশান্তইঁতলৈ এক মৰম সোমাই গ'ল। সেই মৰম এদিন গভীৰ ভালপোৱাত পৰিণত হৈছিল। ইক্ৰামৰ ভাব হল যেন সদায় একেলগে ফুৰা এই পাঁচটা বদমাচ ল'ৰাই তাৰ ভায়েক, তাৰ আপোনজন, তাৰ বন্ধু। অশান্তইঁতৰ অপকৰ্ম দেখি কেতিয়াবা ইক্ৰাম শিঁয়ৰি উঠে। খঙত গালি পাৰে, "নাহিবি তইঁত মোৰ দোকানলৈ। ভাগ ইয়াৰপৰা। চাল্লা মদ খাবলৈ আহিছ?" কেতিয়াবা খঙত চিঞৰি উঠে, "তইঁত সব পাপী আৰু তইঁতে তইঁতৰ পাপেৰে গোটেইখনকে পাপময় কৰিবি।" কেতিয়াবা মোলায়েম কণ্ঠেৰে কয়, "তইঁতে বাৰু সদায়ে এনেদৰেই কটাবি নে? পঢ়াশুনা কৰি যে কিবা এটা হব পাৰিবি এই আশা পাগলেও নকৰে। মাৰপিট কৰি সদায়ে খাব নোৱাৰ। এদিন জেলত যাবি আৰু জেলত পচি মৰিবি। এতিয়াও সময় আছে এইবিলাক এৰ। এনেদৰে মাৰ-বাপেৰৰ তেজটোপা নেখাবি।

নিজৰ মুখটোতো খালিয়েই।" কিন্তু ইক্ৰামৰ কথা কোনো এটায়ো কোনোদিন মানিব নোৱাৰিলে। যিদিনা মানিছিল সেইদিনা বহুত পলম হৈ গ'ল।

"বাৰু ইক্ৰামকাই, কালিলৈ তুমি আমাৰ নাটক চাবা নে নোচোৱা?" অশান্তই সুধিলে।

"তহঁতে কৰা নাটক? হোঃ হোঃ হোঃ……"

"তেনেকৈ হাঁহিছা কিয়?"

"নহাঁহি আৰু কান্দিম নে?" চৰটাৰ মাজত চুপাৰি ভৰাই ইক্ৰামে উত্তৰ দিলে।

"কিয়?"

"হেৰ তহঁতৰ দৰে চয়তানকিটাই ভাল ভাল মানুহৰ ভাও লৈ নাটক কৰিবি আৰু মই চাম? হেৰ তহঁতৰ সঁচা নাটক চায়েই আমুৰাইছে, টেজৰ সেই ফাকি নাটক চাওঁগৈ কিয়?"

"কিন্তু ইক্ৰামকাই, এইবাৰ হলে নতুন বস্তু দেখিবা। অশান্তই যাৰ লগত একটিং কৰিব, দেখি তোমাৰ মাথা ঘূৰাই যাব।" বিকুলে কৈ উঠিল।

"তাৰ মানে?" কৌতূহলেৰে ইক্ৰাম দোকানীয়ে সুধিলে।

"তাৰ মানে আৰু কি, নগৰখনৰ আটাইতকৈ ধুনীয়া ছোৱালী শকুন্তলাৰ লগত।"

"মানে এক্সাইজ ইনিস্পেক্টৰৰ জীয়েক?"

"তুমিও চিনি পোৱা হবলা?"

"মই নেপাম কিয়?" কাটি থকা চুপাৰিখিনি টেমাটোত থৈ ইক্ৰামে এটা হাঁহি মাৰিলে। গুড়ি চুপাৰিখিনি অন্য এটা কাঠৰ সৰু বাকচত থৈ কৈ গ'ল, "সেইজনী নেলাগে এইখন নগৰৰ কাক মই চিনি নেপাওঁ! হেৰ সেইজনী ছোৱালীয়ে মোৰ দোকানৰপৰাই সদায় এপেকেট বৰ্ডা চুপাৰি কিনে, মিঠাপাণ খায়, পাণখন বনাই হোৱাৰ পিচত 'আৰু অকমান পিপাৰমেণ্ট দিয়ানা' বুলি লেনিয়াই কয়, স্কুলৰপৰা ঘৰলৈ যাওঁতে চাবি অনাৰ ৰাজস্থানী বগৰি কিনি নিয়ে। আৰু সেইজনী ছোৱালীক মই চিনি নেপাই তহঁতে চিনি পাবি? চুপাৰি কটা চৰটাখন থৈ চাপৰ এটা মাৰি হাতত লাগি থকা গুড়ি চুপাৰিবিলাক গুচালে। কাপোৰ এটুকুৰাত হাতখন মচি দোকানৰ সমুখৰ দীঘল আলমাৰি-টোৰ ওপৰত সজাই থোৱা চানা, লজেন্স, বিস্কুট আদিৰ দীঘল বৈয়ামকিটাৰ মাজেৰে অশান্তহঁতলৈ চাই কলে, "কিন্তু লাভ একো নহব। হেমন্ত

আৰু দিগন্ত দুইটাৰে মৎলব সেইটোৱেই।” তাৰ পিচত এটা মৃদু হাঁহি মাৰিলে।

“তুমি হাঁহিছা ইক্রামকাই, কিন্তু দেখিবা শকুন্তলাই চৈজৰ মিছা নাটকৰপৰা নামি আহি একেবাৰে বাস্তৱত অশান্তৰ লৈতে সঁচা নাটক কৰি দিছে।”

“তইঁতে বাৰু কিমান ভাং খালি ?”

“মানে ?”

“অশান্ত শকুন্তলাৰ প্ৰেমত পৰিছে বুলি বাৰু বুজিছোঁ। কিন্তু শকুন্তলাই অশান্তৰ লগত প্ৰেম কৰিব এইটো ভাং খোৱা মানুহৰ বাহিৰে অন্য ভাল মানুহে কল্পনা নকৰে।”

“তেনেকৈ নকবা দেই ইক্রামকাই—অশান্ত বহুত আগবাঢ়িছে।”

“বুজিছোঁ বুজিছোঁ, অশান্ত বহুত আগবাঢ়িছে। কিন্তু শকুন্তলা বহুত পিচ পৰি আছে। আৰু আগবঢ়াৰ আশা মুঠেই নাই।”

“শকুন্তলাক আগবঢ়োৱা যাব।”

“জোৰ-জবৰদস্তি সব কাম নহয়। শকুন্তলাক আগবঢ়োৱাৰ চেষ্টা কৰিব পাৰ, লাভ হলে একো নহয়। তইঁতে মাৰপিট কৰিব পাৰ, নিজেই বৰ কিবা এটা হলোঁ বুলি ভাবিব পাৰ, আচলতে তইঁত বাচ্চা হৈ আছ। ছোৱালী কি বস্তু তইঁতে এতিয়াও বুজা নাই। পিচলৈ বুজিবি। মই একেখন বিছনাতে শোৱা মানুহজনীকে বুজি নাপালোঁ৷ আৰু তইঁতে নতুন ছোৱালী এজনী ইমান সোনকালে ইমান আঁতৰৰপৰা বুজিবলৈ যোৱাটো মাত্ৰ পাগলামি।”

ইক্রামৰ কথাত অশান্তৰ ভাল নেলাগিল। বুজিলে, ইয়াৰপৰা আঁতৰাই উচিত। ইক্রামলৈ চাই কলে, “বাৰু ইক্রামকাই, ময়ো অশান্ত চলিছা। দেখিবা এদিন তোমাৰ দোকানত শকুন্তলাক বঙা চুপাবি কিনি দিছোঁ।” মেদিনীহঁতলৈ চাই কলে, “বল যাওঁ।”

হোঃ হোঃ কৈ ইক্রামে কিছু সময় হাঁহিলে। তাৰ পিচত ইতিকিঙৰ সুৰত কলে, “ঠিক আছে দেখিম। এই ইক্রাম দোকানীয়ে মাত্ৰ দেখিবৰ বাবেই ইয়াত বহিছে। যা, চৈজলৈ যা। শকুন্তলাই বিশ্বা এখনত চৈজলৈকে গৈছে।”

“সঁচা ?”

“ওঁ, মোৰ দোকানত সোমাই এখন মিঠাপান খাই গৈছে।”

“চৈজলৈ যাব বুলি তুমি কেনেকৈ গম পালা ?”

"সুধিছিলোঁ।"

অশান্তইতে ইটোৱে সিটোৰ চকুলৈ চালে।

"এতিয়াই ষ্টেজলৈ গৈছে কিয়? এয়াতো চাবি বাজিছেহে!" ঘড়ীলৈ চাই অশান্তই চিন্তিতভাৱে কলে।

"অঁতো, বিহার্চেলতো চাবে ছয় বজাৰপৰা।"

"দাল মে কুচ কালা হ্যায়" ৰকিমে কৈ উঠিল।

ক্ষন্তেক মৌন হৈ পাঁচোটাই কথাটো এবাৰ ভাবিলে।

"ব'ল ষ্টেজৰপৰা এবাৰ আহোঁগৈ" অশান্তই কৈ উঠিল।

"ব'ল।"

আটাইকিটা ষ্টেজলৈ আগবাঢ়িল।

মুখত কাৰো কথা নাই। মনে মনে প্ৰত্যেকটোৱে অনুমান কৰিলে আজি কিবা এটা হৈ যাব পাৰে।

ষ্টেজৰ সমুখত আটাইকিটা ৰ'ল।

"তহঁত ইয়াতে ৰ। মই গৈ চাই আহোঁ।" অশান্তই গম্ভীৰ স্বৰে কলে।

"সাৱধানে যাবি" ৰকিমে সোঁৱৰাই দিলে।

অশান্তই ষ্টেজৰ মূল দুৱাৰখন অকমান ফাঁক কৰি ভিতৰলৈ চালে। ষ্টেজটো সম্পূৰ্ণ খালি। একাষে এখন চাইকেল। ষ্টেজটোৰ লাইট জ্বলোৱা নাই বাবে কিছু এন্ধাৰ।

মঞ্চত এটা লাইট জ্বলি আছে। মঞ্চৰ ফ্ৰণ্ট স্ক্ৰীনখন টনা আছে বাবে ভিতৰত কোন আছে বুজা নগ'ল। দুৱাৰখন সামান্য ফাঁক কৰি অশান্ত ভিতৰলৈ সোমাল। চাইকেলখনৰ কাষলৈ গৈ ভালদৰে চালে। চাইকেলখন ভালদৰে চাই বুজিবলৈ বাকী নেথাকিল যে ভিতৰত দিগন্ত আছে।

'দিগন্ত!' দাঁত কৰচি অস্ফুট স্বৰেৰে অশান্তই কৈ উঠিল।

অশান্ত লাহে লাহে মঞ্চৰ কাষলৈ গ'ল। খটখটিৰে লাহে লাহে মঞ্চত উঠিল। ফ্ৰণ্ট স্ক্ৰীনখনত কাণ থৈ কিবা শব্দ শুনে নেকি গম ললে। এটা মৃদু গুণগুণনি। কিছু আঁতৰত 'যেন কোনোবাই ফুচফুচীয়া কথা পাতিছে। শব্দৰ উমানত বুজিলে কথা পতা মানুহ হয় মঞ্চৰ পাচফালে গ্ৰীণৰুমত, নহয় একেবাৰে মঞ্চৰ শেষ দুৱাৰখনৰ ওচৰত আছে।

ফ্ৰণ্ট স্ক্ৰীনখন সামান্য আঁতৰাই মঞ্চলৈ চালে। মঞ্চত কোনো নাই। অশান্ত মঞ্চলৈ সোমাই উইংছ এখনৰ কাষত ৰ'ল। উইংছৰ কাষত লুকাই

কথা পতাৰ শব্দ অহা ঠাইখিনি অনুমান কৰি ললে। লাহে লাহে উইংছৰ কাষেৰে শব্দ অহা ফালে আগবাঢ়িল। এটা সময়ত গ্ৰীণৰুমৰ কাষত বৈ গ'ল। গ্ৰীণৰুমৰ ভিতৰৰপৰা অহা কথা পতাৰ শব্দৰপৰা স্পষ্ট বুজিলে ভিতৰত দিগন্ত আৰু শকুন্তলাই কথা পাতিছে।

ইকবাৰ বেৰ দিয়া গ্ৰীণৰুমটোৰ বাটাম এটাৰ কাষতে বাঁহৰ খোচ লাগি সামান্য ফুটা এটা হৈছিল। গ্ৰীণৰুমৰ ভিতৰত জ্বলা লাইটৰ পোহৰ সেই ফুটাইদি বাহিৰলৈ আহিছিল। চাৰিঅনাটোৰ মান বহল ফুটাটোৰে অশান্তই ভিতৰলৈ চালে।

অশান্তৰ গাটো গৰম হৈ উঠিল।

একেখন চকীতে দিগন্ত আৰু শকুন্তলা একেলগে বহি কথা পাতিছে। শকুন্তলা যেন দিগন্তৰ কোচতে বহিছে।

"তোমাক, তোমাক কিমান ভাল পাওঁ মই বুজাব নোৱাৰিম কুন্তলা" দিগন্তৰ কথা অশান্তৰ কাণত পৰি বুকুত শেলে বিন্ধাৰ দৰে বিন্ধিলে।

দিগন্তৰ কথাৰ উত্তৰত শকুন্তলাই খিল্‌খিল্‌কৈ হাঁহি উঠিল।

"জানা কুন্তলা, তোমাৰ এই ৰূপ প্ৰথম যিদিনাই দেখিলোঁ, সেইদিনাই মই পাগল হৈ গলোঁ।.."

"ই-স্"

"সঁচা কুন্তলা, যিদিনা তোমাক প্ৰথম দেখিলোঁ সেইদিনাই প্ৰতিজ্ঞা কৰিছিলোঁ তোমাক মোৰ নিজৰ কৰিবই লাগিব। তুমি যেতিয়া অন্যৰ লগত কথা পাতা মোৰ কিবা লাগি যায়। এই হেমন্ত, ইয়াৰ কাৰণে যে মোৰ বৰ ভয় লাগিছিল।"

"হেমন্ত দাদালৈ যে বৰ খং উঠে। অকমান সুবিধা পালেই গাত হাত দি দিয়ে।"

"ওঁ হেমন্ত বহুত বাঢ়ি গৈছে। তাক চাম। কিন্তু কুন্তলা এইবাৰ হলে তুমি আৰু বেছি সাৱধান হব লাগিব। এই যে পাঁচটা গুণ্ডা আমাৰ লগত লম্ভিছে..."

"অশান্তইত?"

"ওঁ সেই অশান্তই তোমাৰ ওপৰত নজৰ দিছে যেন লাগে..."

"অ' সেইডাল হিঃ হিঃ..." শকুন্তলাই খিল্‌খিল্‌কৈ হাঁহি উঠিল।

গ্ৰীনৰুমৰ বাহিৰত বৈ কথা শুনি থকা অশান্তই অনুভৱ কৰিলে, তাৰ বুকুৰ কোনোবা এটা অংশ যেন মোচোকা খাই গৈছে।

"সেইডালক দেখিলেই মোৰ খং উঠে," শকুন্তলাই কৈ গ'ল, "মোৰ লগত যে উপযাচি আহি কথা পাতেহি মোৰ অসহ্য লাগি যায়। ওচৰলৈ আহিলেই মোৰ মূৰটো ঘূৰাই যায়। 'তাতে আজি বিষাৰহে কথা কলে..."

"কি ?"

"মোক বোলে ভাল পায়।" বাক্যটো কৈ শকুন্তলাই আকৌ খিল্‌খিলকৈ হাহি উঠিল।

"বাঃ কমতো সাহ নহয়। গুণ্ডামি কৰি কৰি বহুত বাঢ়ি গৈছে। এইবিলাক অসভ্য গুণ্ডায়েই আমাৰ নাট্যগোষ্ঠীৰ বদনাম আনিব যেন পাইছোঁ......।"

"সঁচা, সেইকিডালকনো কিয় আনিব লাগে! মোৰ লগৰ লেখা, বন্দনা, চাজ্‌নাইতে শুনিতো আচৰিত। মই অশান্তৰ লগত একেলগে পাৰ্ট কৰিম বুলি শুনিতো আটাইকিজনী জ'পিয়াই উঠিছে! আটাইকিজনীয়ে কৈছে এই পাচটাতকৈ জঘন্য গুণ্ডা বোলে এইখন নগৰত কোনো নাই। সিইঁতৰ নাম শুনিলেই বোলে সব ছোৱালীৰে মূৰ ঘূৰাই যায়।"

"নিশ্চয়। এইকিটা জানো অলপ ? নগৰখনৰ কলংক। জানা সিইঁতক নাট্যগোষ্ঠীলৈ অনাত প্ৰথমবপৰা বিৰোধিতা কৰিছিলোঁ মই। এইটো এটা সভ্য অনুষ্ঠান। এনেকুৱা এটা অনুষ্ঠানলৈ সিইঁতৰ দৰে মদপী, জুৱাৰী গুণ্ডাক আনি কিমান বেয়া কাম কৰা হৈছে হেমন্তই চিন্তা কৰি নাচালে। সি মাত্ৰ টকাহে চিনি পালে।"

"ময়ো হেমন্তদাক কৈছিলোঁ, সেইকিডাল থাকিলে আমাৰ ভয় লাগে। মায়া, ৰীতা, মন্দিৰা সবেই কৈছিল। কিন্তু হেমন্তদাই কলে সিইঁতক নানিলে হেনো নবজ্যোতি নাট্য সম্থাই গণ্ডগোল লগাব পাৰে। তাতে টকা-পইচা আদি তোলাত বহুত সহায় হব।"

"কিন্তু যেতিয়া সিইঁতে মদ খাই হুলস্থূল লগাব হেমন্তই কেনেকৈ চম্ভালে চাম নহয়।"

"আপুনি কিন্তু হেমন্তদাক কৈ দিব এইখন নাটক কৰাৰ পিচত যেন সিইঁতক বাদ দিয়ে।"

"কৈ দিম মানে ? সিইঁত থাকিলে এই নাট্যগোষ্ঠীত ময়েই নেথাকোঁ। মোৰোতো এটা ছচিয়েল ষ্টেটাছ আছে। আৰু মই নেথাকিলেই তুমিও

নোৱাৰা।" দিগন্তই শকুন্তলাৰ বাউসি দুটাত ধৰি মুখৰ ওচৰলৈ মুখখন নি মৃদু হাঁহি এটা মাৰি লাহেকৈ ক'লে, "নহয় জানো সোণ ?"

শকুন্তলাই এটা মৃদু হাঁহি মাৰিলে।

দিগন্ত আৰু অলপ আগবাঢ়িল। শকুন্তলাক ভালদৰে সাৱটি ধৰিলে। গালে-মুখে টপাটপ চুমা খালে।

"ধেৎ এতিয়াই সেইবিলাক নকৰিবা…"

"একো নহয় সোণ—তোমাৰ ৰূপে মোক পাগল কৰি দিছে"…কথাখিনি কৈ দিগন্তই শকুন্তলাক জোৰেৰে সাৱটি ধৰিলে। শকুন্তলা বহাৰপৰা উঠি দিলে। দিগন্তই আকৌ শকুন্তলাক সাৱটি ধৰিলে।

আৰু সেই মুহূৰ্ততে শকুন্তলাৰ বাবে মদ, জুৱা, মাৰপিট সকলো এৰিবলৈ সাজু হোৱা অশান্তৰ খঙত সৰ্বশৰীৰ কঁপি উঠিল। এটা গোৰ মাৰি গ্ৰীণৰুমৰ দুৱাৰখন খুলি দিগন্ত আৰু শকুন্তলাৰ সমুখত হাজিৰ হ'ল।

সমুখত ভূত দেখা মানুহৰ দৰে দুয়ো উচপ খাই উঠিল। অশান্ত যে এনে সময়ত সমুখত ওলাবহি এটায়ো কল্পনা কৰা নাছিল। প্ৰথম মুহূৰ্তত দুয়োটাই থৰ লাগি অশান্তলৈ চাই ৰ'ল। দিগন্তৰ কাষৰপৰা শকুন্তলা অকমান আঁতৰি আহিল। ভয়েৰে অশান্তৰ মুখলৈ চালে। অশান্তৰ মুখৰ ৰূপ দেখি শকুন্তলা ভয়ত বিবৰ্ণ হ'ল।

অশান্তৰ চকুলৈ চাই দিগন্ত ঘামি উঠিল। অশান্তৰ মুখখনে খং আক্ৰোশত এক বিকৃত ৰূপ লৈছিল। চকু দুটাত যেন দুকুৰা জুই।

কোনো কথা নকৈ দিগন্তৰ মুখত এটা ঘোচা মাৰিলে। এইটো ঘোচাই যেন অশান্তৰ জীৱনৰ শক্তিশালী ঘোচা। দিগন্ত মাটিত বাগৰি পৰিল। মুখৰপৰা তেজ ওলাল। অজ্ঞান হৈ পৰি ৰ'ল।

চকুৰ আগতে হোৱা ঘটনাটো দেখাৰ পিচতো শকুন্তলা একেভাগেই থৰ হৈ ৰৈ থাকিল। কি কৰিব নকৰিব একো ঠিক কৰিব নোৱাৰিলে। চিঞৰিবলৈকো যেন গাত শক্তি নাইকিয়া হৈ গ'ল।

অশান্ত শকুন্তলাৰ ওচৰলৈ আগবাঢ়ি আহিল। চকু দুটা আৰু বহলকৈ মেলি খঙত বিকৃত হৈ পৰা অশান্তৰ ভয়লগা মুখখনলৈ চাই থাকিল।

ক্ষন্তেক শকুন্তলাৰ মুখলৈ চাই দুয়োহাতে ডিঙিটো চেপি ধৰিলে। শকুন্তলাৰ চকু বিস্ফাৰিত হ'ল। এক অস্ফুট শব্দ ওলাই আহিল।

অশান্তই ডিঙিৰপৰা হাত দুখন এৰুৱাই আনিলে। স্থিৰ দৃষ্টিৰে শকুন্তলাই

অশান্তৰ চকুলৈ চাই দেখিলে এক অপৰিসীম ঘৃণা। অশান্তৰ চকুত ফুটি উঠিছে।

শকুন্তলাৰ ব্লাউজটোৰ বুকুৰ ওচৰৰ অংশত দুয়োহাতেৰে ধৰি অশান্তই এবাৰ শকুন্তলাৰ ভয়ার্ত চকুযোৰলৈ চালে। মুখখন আৰু বিকৃত কৰি টান মাৰি ব্লাউজটো ফালি পেলালে। শকুন্তলাই হাত দুখনেৰে লাজ ঢকাৰ চেষ্টা কৰিলে।

"ইচ্ছা কৰিলে তোমাৰ এইটো দেহাৰ ওপৰত বহুত অত্যাচাৰ কৰিব পাৰোঁ," গহ্বৰ এটাৰপৰা যেন অশান্তৰ ঘৃণা মিহলি কণ্ঠস্বৰ ভাঁহি আহিল, "কিন্তু নকৰোঁ।" মুখখন বিকৃত কৰি কৈ গ'ল, "তোমাক মই ঘিণ কৰোঁ। তোমাৰ এইটো দেহাক মই ঘিণ কৰোঁ। গলিৰ বেশ্যা এজনীৰ দেহাতকৈও বেছি ঘিণ কৰোঁ"... অশান্তই আৰু একো কব নোৱাৰিলে। উত্তেজনাত বৈ গ'ল।

গ্ৰীণৰুমৰপৰা ওলাই আহিল। মঞ্চৰ ওপৰত সজাই থোৱা প্লাইউডেৰে সজা যুবক নাট্যগোষ্ঠীৰ প্ৰতীকটোৰ শিখাটো গোৰ মাৰি ভাঙি মঞ্চৰপৰা নামি আহিল। মঞ্চৰপৰা নামিয়ে সমুখত দেখিছিল হেমন্ত আৰু দুজনমান; আৰু সেই মুহূৰ্ততে মঞ্চৰ ভিতৰৰপৰা শকুন্তলাই চিঞৰি উঠিছিল। ভিতৰৰ্ত শকুন্তলাৰ চিঞৰ আৰু খণ্ডত মঞ্চৰপৰা নামি অহা অশান্তলৈ চাই হেমন্তহঁতৰ বুজিবলৈ বাকী নেথাকিল যে ইতিমধ্যে ভিতৰত বহুত কিবাকিবি হৈ গৈছে। কিন্তু ভিতৰত কি হৈ গ'ল একো জানিবৰ সুযোগ নেপাওঁতেই হেমন্তৰ ওপৰত অশান্ত জঁপিয়াই পৰিল। মুখত ঘোচা মাৰি হেমন্তক মাটিত বগৰাই পেলালে। হেমন্তৰ লগত অহা বাকীকিজনে ঘটনাৰ আকস্মিকতাত থত্‌মত্‌ খাই উভতি বাহিৰলৈ দৌৰ মাৰিব ধৰোঁতেই বাহিৰত বৈ থকা বিকুল, মেদিনীহঁত সোমাই আহিছিল। ঘটনাৰ একো উমান নোলোৱাকৈয়ে বিকুলহঁত যুবক নাট্য-গোষ্ঠীৰ ল'ৰাকিজনৰ ওপৰত জঁপিয়াই পৰিল।

এটা হুলস্থুলৰ সৃষ্টি হ'ল।

তাৰ পিচত জেল।

চৈজত লগা মাৰপিটৰ কিছু সময়ৰ পিচতেই ঘটনাটো নগৰখনত বিয়পি পৰিল। গ্ৰীণৰুমত দিগন্ত প্ৰফেছৰক ঘুচিয়াই অজ্ঞান কৰা, শকুন্তলাৰ ওপৰত অত্যাচাৰ কৰা; হেমন্তইতক বেয়াকৈ জখম কৰা ইত্যাদিবিলাক কথাই নগৰখনত এটা হুলস্থুলৰ সৃষ্টি কৰিলে।

অশান্তইতৰ লগত সৰু সৰু আখেজ থকা, অশান্তইতৰ হাতত মাৰ খাই থকা ল'ৰা নগৰখনত বহুতো আছিল। কিন্তু ভাল সুযোগৰ অভাৱত অশান্তইতৰ বিপক্ষে যোৱাৰ সাহস কোনেও কৰা নাছিল। এইটো ঘটনাৰ পিচত এজাক কলেজৰ ল'ৰা এক হ'ল, সেইজাক ল'ৰাৰ লগত যোগ দিলে আগৰ অশান্তইতৰ হাতত মাৰ খাই আখেজ পুৰোৱাৰ আশাত থকা কেইটামান দল। আৰু এটা সময়ত আটাইখিনি এক হৈ হাতত বিভিন্ন লাঠি, ৰড, ডেগাৰ আদি লৈ চম্পালাল হোটেলৰ সমুখত হাজিৰ হ'ল। হোটেলৰ বাহিৰত ৰৈ ল'ৰাজাকৰ জুমৰপৰা কেইটামানে চিঞৰি উঠিল, "আৰে চুঁৱেৰ কা বাচ্চা, ওলাই আহ।"

অশান্তইত আহিছিল।

হাতত প্ৰকাণ্ড লাঠি লৈ অশান্তইত চম্পালাল হোটেলৰ সমুখত জুম বন্ধা ল'ৰাজাকৰ মাজত জঁপিয়াই পৰিল। অশান্তইত এনেদৰে আহিব পাৰে বুলি কল্পনা কৰিব নোৱাৰা ল'ৰাজাক আকস্মিক আক্ৰমণত থত্‌মত্‌ খাই গ'ল। একেবাৰে আগত ৰৈ থকা লৰাজাকৰ গায়ে-মূৰে অশান্তইতৰ লাঠিৰ কোব পৰিল। প্ৰকাণ্ড লাঠিৰ মাৰ খাই মাটিত বাগৰি পৰিল। আগৰখিনি ল'ৰাই মাৰ খোৱা দেখি পাচৰজাক দৌৰ মাৰিলে।

মাত্ৰ পাঁচটা ল'ৰাই চল্লিশ পঞ্চাশৰ ওপৰ ডেকা ল'ৰাক মৰিয়াই খেদি গ'ল। আগভেটি ধৰাৰ সাহস কাৰো নহ'ল।

এটা সময়ত পুলিচ আহিল।

অশান্তইতৰ হাতত হাতকেৰেয়া লগাই পুলিচ-ভানত তুলি লৈ গল।

চম্পালাল হোটেলৰ সমুখত আকৌ মানুহৰ জুম বান্ধিলে। অশান্তইতৰ

ভয়ত দৌৰি যোৱাবিলাক কাষ চাপি আহিল। নানা ধৰণৰ আলোচনা, মন্তব্য, তৰ্কাতৰ্কিৰে চম্পালাল হোটেলৰ সমুখ মুখৰিত হৈ পৰিল।

কোনোবা মুহূৰ্তনাকৈ চম্পালাল মাৰোৱাৰীয়ে দোকানৰ সমুখত জুম বন্ধা মানুহবিলাকলৈ চাই মনতে কলে, 'শিয়াল কা বাচ্চা।'

অশান্তইতক পুলিচে লৈ যোৱাৰ পিচত মাত্ৰ চম্পালাল হোটেলৰ সমুখতে নহয়, নগৰখনৰ বিভিন্ন অঞ্চলৰ বিভিন্ন জুমৰ মাজত অশান্তইতক লৈ গল্প চলিল।

যুবক সঙ্ঘৰ ক্লাবত আনন্দ ডেকাই কলে, "মইতো প্ৰথম দেখিয়েই কৈছোঁ হেমন্তইতে এদিন নিজে মাৰ খাব। চাল্লা আচল কাৰণ কি পাত্তাই নেপালেঁ।।"

কোনোবা এজনে হয়তো লগে লগে কব, "আচল কাৰণ হবনো কি? টকা। টকাই সব। টকা ভাগ কৰোতে অশান্তইতক চাগে কমকৈ দিছিল। বাচ্—মাৰিলে ঘোচা। হেৰ, কমকৈ নবলৈতো অশান্তইতে মাৰোৱাৰীৰ দোকানে দোকানে টকা তোলা নাছিল।"

অন্য এঠাইত কোনো এটা জুমে বৰ গোপন কথা পতাদি পাতিলে, "আচল কাৰণ হ'ল এই শকুন্তলা। অশান্তইততো কম নহয়। সিইঁতেতো মাত্ৰ ছোৱালীৰ ধান্দাতে নাট্যগোষ্ঠীত সোমাইছিল। সেইদিনা চাগে শকুন্তলাক পাচফালে অকলে পাই ধৰিলে। শকুন্তলাই চিঞৰ-বাখৰ লগাই দিলে আৰু হেমন্ত, দিগন্তইতে বচাবলৈ যাওঁতেই মাৰ ঘোচা।"

অন্য এটা জুমে কথা পাতিলে, "য'তে ছোৱালী, ত'তে কেলেংকাৰী।"

"ইস্ কেলেই হব? কিমান ক্লাব, কিমান সঙ্ঘ, কিমান নাচ-গানৰ স্কুল আছে, সবতেতো ছোৱালী আছে, সেইবুলি এনেকুৱা কেলেংকাৰী হোৱা দেখিছ?" অন্য এজনে প্ৰতিবাদৰ সুৰত কব।

"নাই দেখা। অন্ততঃ এনেকুৱা যে হুলস্থূল হোৱা নাই সঁচা কথা। কিন্তু এইবিলাক সবতে ভিতৰি ভিতৰি বহুত কেলেংকাৰী সদায়ে হৈ থাকে। সেইবোৰ কথা কোনেও গম নেপায়।"

"ওঁহো কেতিয়াও নহয়। গম নোপোৱাকৈ কিবা কেলেংকাৰী হলেও ভই হৈছে বুলি জোৰ দি কব নোৱাৰি। কিন্তু এই অশান্তইত য'তেই নেথাকক লাগে তাত ছোৱালী থাকক নেথাকক হুলস্থূল লগাবই। ইইঁত মহাত্মা গান্ধী বা বিনোৱা ভাবেৰ লগতো যদি থাকিলহেঁতেন তথাপি গণ্ডগোল লগালেহেঁতেন। আৰু ছোৱালী য'ত তাত আৰু হুলস্থূল নলগাবনে?"

দিগন্ত বৰুৱাই বৰ্ণাইছিল আটাইতকৈ সুন্দৰভাবে।

দিগন্ত বৰুৱা শিক্ষিত মানুহ। কলেজৰ অধ্যাপক। স্কুল-কলেজ বা বিশ্ববিদ্যালয়ৰ জীৱনত কোনোদিন নাটক বা তেনে কিবা কৰা নতুবা সেইবিলাক চোৱাৰ অভ্যাস নেথাকিলেও অধ্যাপক হোৱাৰ পিচৰপৰা নগৰখনৰ স্কুল-কলেজৰ তৰ্ক প্ৰতিযোগিতাত, একাংকিকা নাট প্ৰতিযোগিতাত নাইবা সংগীত প্ৰতিযোগিতাত বিচাৰক হোৱাৰ সন্মান পাইছে।

বিভিন্নজনৰ আলোচনাত দিগন্ত বৰুৱাই সুন্দৰভাৱে নিজে সজা গল্প আগবঢ়াই দিলে।

নগৰকিজনৰ কৌতূহলী মুখলৈ চাই কৈ গ'ল, "আচলতে কি জানে? মানুহৰ আচল স্বভাব কেতিয়াও নেযায়। সি লাগে যিমানেই ভাল-কামত নেলাগক, লাগে যিমানেই ভাল সঙ্গ নেপাওক, স্বভাব সদায় একে থাকিবই।"

"সঁচা কথা।" দিগন্ত বৰুৱাৰ কথা শুনি যোৱা এজনে সমৰ্থন কৰিব সমৰ্থনত উৎসাহ পাই আকৌ কৈ যাব, "এই যে অশান্ত-বিকুল-মেদিনী ইহঁতবো সেই একেই হ'ল। সঁচাকৈয়ে এইকেইটা ল'ৰা জঘন্য পশুতুল্য। ক্ষন্তেক সভ্য সান্নিধ্যত সলনি হৈ যোৱা সম্ভৱ নহয়। অথচ আমি ভুল কৰিলোঁ এই সামান্য কথাটোতে।"

"তাৰ মানে? কিহৰ ভুল?" এজনে বৰ আগ্ৰহেৰে সুধিব।

"সেয়াইতো আচল কথা।" শিশুৰ দৰে মিঠা হাঁহি এটা মাৰি দিগন্তই কৈ যাব, "আমাৰ নাট্যগোষ্ঠীৰ উদ্দেশ্য মাত্ৰ নাটক কৰাই নহয়। এই সন্থাৰ মাজেৰে আমাৰ এই ডেকাচামৰ মাজত মিলা-প্ৰীতি, মানসিক উৎকৰ্ষ সাধন, এইবিলাক কথাও সোমাই আছে। আমাৰ এই নাট্যগোষ্ঠীৰ মাজলৈ আহি বহুতো বেয়া হৈ যাব ধৰা ল'ৰা-ছোৱালীয়ে নতুন বাটেৰে আগবাঢ়িছে। আমি ভাবিলোঁ, অৱশ্যে কথাটো প্ৰথম ময়ে ভাবিলোঁ, এই যে অশান্ত, বিকুল আদি এই পাঁচটা ল'ৰাতো একেবাৰে ধ্বংসৰ পথত আগবাঢ়ি গৈছে; ইহঁতক যদি আমাৰ মাজলৈ আনিব পাৰোঁ আৰু কলা-সংস্কৃতিৰ বিভিন্ন বিষয়ত ব্যস্ত ৰাখিব পাৰোঁ তেতিয়া হয়তো সিহঁতে লাহে লাহে মাৰপিট কৰিবলৈ এৰি দিব, মদ খাবলৈ কমাব বা জুৱাৰ আড্ডালৈ নোযোৱা হব।"

"বৰ সুন্দৰ উদ্দেশ্য" এজনে সমৰ্থনৰ সুৰত কব।

"উদ্দেশ্য মহতেই আছিল। কিন্তু মহৎ হলে কি হব? তাৰ পিচত কি হ'ল চাওক। আমি আমাৰ মাজতে আলোচনা কৰিলোঁ। অশান্তইতক আমাৰ

সন্ধ্যাত ভৰ্তি কৰি লোৱাৰ কথা। সেইমতে কামো হ'ল। বেচেৰা হেমন্তই চম্পালাল হোটেললৈ নিজে গৈ সিহঁতক লগ ধৰিলেগৈ। সিহঁতক কামত ব্যস্ত ৰাখিবলৈকে বুলি নাটকতো কায়দা কৰি পাৰ্ট দিলোঁ। শেষত হ'লগৈ এইখন।"

"সিহঁতে শকুন্তলাক কিবা..." এজনে শকুন্তলাৰ প্ৰসঙ্গলৈ অহাৰ চেষ্টা কৰি সুধিব।

"এহ্, নকব আৰু বুজিছে। সিহঁত কিমান জঘন্য আপুনি কল্পনা কৰিব নোৱাৰে।" দিগন্তই মুখখন বিকটাই কৈ যাব, "ঘটনাটো হোৱাৰ দিনা গধূলি আমাৰ ফাইনেল ৰিহাৰ্চেল ষ্টেজত হোৱাৰ কথা; গধূলি চাৰে ছয় বজাৰ পৰা। ছয় বজাত সকলো ষ্টেজ পাবহি লাগে। কিন্তু তাৰ আগতেই অশান্তহঁতে সেই সাংঘাতিক চক্ৰান্তটো কৰি পেলালে।"

"কি চক্ৰান্ত?"

"কি হব আৰু। এনে চক্ৰান্ত আপুনি কল্পনাই কৰিব নোৱাৰে। চাৰিমান বজাত অশান্ত শকুন্তলাৰ ওচৰলৈ গ'ল। কলে, মই বোলে তাইক চাৰে চাৰি বজাৰ আগে আগে পোৱাকৈ ষ্টেজলৈ মাতিছোঁ। ফাইনেল ৰিহাৰ্চেলৰ আগে আগে বোলে চিকুৱেন্সবিলাক একোবাৰ বুজাই দিব লাগিব।"

"হৰি হৰি, এনে সাংঘাতিক চক্ৰান্ত।"

"চাওক কেনে সাংঘাতিক। শকুন্তলাক মই মাতিছোঁ বুলি কোৱাত সঁচা বুলিয়েই ধৰি ললে৷ তাই সক ছোৱালী। এইবোৰনো কি বুজি পায়! ৰিক্সা এখন লৈ আহিল ষ্টেজলৈ "

"ইস্ ইস্, বাৰু আপুনি পালেগৈ কেনেকৈ?"

"শুনক, ভাগ্য ভাল, মই আকৌ আহিছিলোঁ ষ্টেজলৈকে। লাইটিঙৰ অলপ কাম বাকী আছিল। ভাবিলোঁ এন্ধাৰ নহওঁতেই দিনে-পোহৰে এবাৰ ক'কাচ লাইটকিটা টেষ্ট কৰি যাওঁ। ষ্টেজত সোমায়েই শকুন্তলাৰ চিঞৰ শুনি মঞ্চৰ ভিতৰলৈ দৌৰি গলোঁ। দেখিলোঁ গ্ৰীণৰূমত অশান্তই শকুন্তলাক বলৎকাৰ কৰাৰ চেষ্টা কৰিছে। শকুন্তলাই অশান্তৰ কবলৰপৰা নিজক এৰুৱাবলৈ প্ৰাণপণে চেষ্টা কৰিছে। গাৰ ব্লাউজ পৰ্য্যন্ত ফাটি গৈছে। আৰু সেই মুহূৰ্ততে মই পালোগৈ। এনে এটা গা ৰমৰমাই যোৱা দৃশ্যতো চাই থাকিব নোৱাৰি।"

"হয়তো।"

"খঙত মই চিঞৰি উঠিলোঁ। বাঘৰ দৰে অশান্তৰ ওপৰত জপিয়াই পৰিলোঁ।" বাঘৰ দৰে জপিয়াই পৰিলো বুলি কৈ 'বাঘ' শব্দটো শুনি শ্ৰোতা কেইজনৰ মুখত কিবা প্ৰতিক্ৰিয়া হৈছে নেকি দিগন্তই এবাৰ তাঁৰ চকুৰে চাই বাঘ এটাৰ দৰে শক্তিশালী জন্তু এটাৰ লগত নিজৰ তুলনা দিওঁতে শ্ৰোতা কেইজনৰ কাৰোবাৰ সন্দেহ হব পাৰে নেকি এবাৰ ভাবি চাব।

"তাৰ পিচত?" শ্ৰোতাকিজনৰ এজনে কৌতূহলেৰে পাচৰখিনি শুনিব বিচৰা দেখি দিগন্ত নিশ্চিন্ত হব যে শ্ৰোতাকিজনৰ প্ৰত্যেকে তেওঁৰ কথা বিশ্বাসেৰে শুনি গৈছে। মনতে এবাৰ ভাবিব বাঘৰ দৰে জপিয়াই পৰিছোঁ বুলি কোৱাৰ আগতে এবাৰ সিংহৰ দৰে গৰ্জি উঠিছিলোঁ বুলিও কব পৰা হ'লহেঁতেন।

"মই অশান্তৰ গালৈ জাপ মাৰি দিওঁতে সি কৌশলেৰে আঁতৰি দিলে।" দিগন্ত বৰুৱাই কৈ যাব, "আচল কথা, অশান্তইতে বহুত মাৰপিট কৰিছে। সিইঁতে মাৰপিটৰ বহুত কৌশল জানে। গতিকে মই তাৰ গালৈ জাপ মাৰি দিওঁতেই কৌশলেৰে সি আঁতৰি দিলে, মই মাটিত পৰি গলোঁ। আৰু মোক উঠিবলৈ সুযোগ নিদি সাউৎ কৰে মোৰ মুখতে ঘোচা বহুৱাই দিলে।"

তাৰ পিচত দিগন্ত বৰুৱা মৌন হৈ ৰব। লগৰকিজনে দিগন্ত বৰুৱাৰ মুখৰ দাগ আৰু ওপৰ পাৰি দাঁতৰ দুটা দাঁত সৰি যোৱা অংশটোলৈ কাৰদা কৰি চাই দিগন্ত বৰুৱাই অশান্তৰ হাতৰপৰা কেনেদৰে শকুন্তলাক উদ্ধাৰ কৰিছিল তাৰে এটা কাল্পনিক দৃশ্য মনলৈ আনিব।

কোনো এজনে হয়তো নীৰৱতা ভঙ্গ কৰি কব, "এনে পশু ল'ৰাক মৰিয়াই হাড় গুৰি কৰি দিব লাগে। এইবিলাকেই সমাজৰ কলংক।" বস্তুতঃ অশান্তইঁতৰ ঘটনাক লৈ এনে ধৰণৰ বহুতো সুন্দৰ সুন্দৰ গল্পৰ জন্ম হ'ল। নানাজনে বিভিন্ন মন্তব্য কৰিলে।

আৰু শকুন্তলাই?

বিভিন্নজনৰ বিভিন্ন গল্প, দিগন্ত বৰুৱাৰ চমৎকাৰ কাহিনী এই সকলোবিলাক শুনিও আচল কথা শকুন্তলাই কাকো কবলৈ নগ'ল। মাত্ৰ ছটফটাই থাকিল। কোঠাৰ ভিতৰত নীৰৱে বহি শকুন্তলাই মাত্ৰ অশান্তৰ কথা ভাবিলে। চকুৰ আগত জিলিকি উঠিল অশান্তৰ খঙত বিকৃত হৈ পৰা উত্তেজিত মুখখন। সেই পৰম ঘৃণাভৰা চাৱনি।

শকুন্তলাই ভালদৰে উপলব্ধি কৰিলে, অশান্ত চলিহা নামৰ ল'ৰাটো গুণ্ডা

হব পাৰে, মদপী হব পাৰে, জুৱাৰী হব পাৰে, তথাপি সি ভাল পাব জানে, ঘিণ কৰিব জানে আৰু ভালপোৱাৰ অপমানৰ শোধ লব জানে। অকস্মাতে শকুন্তলাৰ ভাব হ'ল গুণ্ডা হলেও অশান্ত যেন দিগন্ত বা হেমন্তকৈ বহু বেছি ওপৰত। অন্ততঃ দিগন্ত বা হেমন্তৰ দৰে ভণ্ড নহয়।

এটা সামান্য গুণ্ডাই যেন শকুন্তলাৰ ভাব-চিন্তা সকলো খেলিমেলি কৰি দিলে, দৃষ্টিভঙ্গী সম্পূৰ্ণ সলনি কৰি দিলে।

হাজোতত মহ মাৰি মাৰি অশান্তইতে ভাবিলে, আচলতে এইবিলাক সব মিছা। নাটক, সংস্কৃতি, সমাজ, সভ্যতা মৰম, প্ৰেম সব মিছা। আচল সঁচা সিইঁত। নিজৰ ওপৰতে খং উঠিল অশান্তৰ। যি গুণ্ডা সি সদায়ে গুণ্ডা হৈ থকাই ভাল। নাটক কৰি প্ৰেম কৰি ভাল হবলৈ গৈ লাভ নাই। এবাৰ মাৰপিট কৰি নাম কিনাৰ পিচত ভাল হবলৈ গলেও অন্ততঃ সমাজে সিইঁতক সহজে আকোঁৱালি নলয়।

আৰু প্ৰেম?

প্ৰেম শব্দটোৰ প্ৰতি ঘিণ উপজি গ'ল অশান্তৰ। ওহোঁ এইবোৰ সব মিছা, সব ফাকি। এটা ফাকিৰ ওপৰত এই প্ৰেম শব্দটো যেন ওপডি আছে। যি ফাকি দিব জানে, যি মিছা অভিনয় কৰিব জানে সিয়েই প্ৰেম কৰিব পাৰে। সঁচা প্ৰেম অসম্ভৱ।

"প্ৰেম কৰি, নাটক কৰি ভাল মানুহ হবলৈ যাব পাপী সব।" লোহাৰ বডকিভালৰ ফাঁকেৰে ভিতৰলৈ টোপোলাটো আগবঢ়াই ইক্ৰাম পাণদোকানীয়ে কৈ উঠিল। হাজোতৰ ভিতৰৰপৰা আটাইকিটাই ইক্ৰাম দোকানীৰ মুখলৈ চালে। ইক্ৰমাৰ মুখত সিইঁতৰ প্ৰতি জন্মা ঘৃণা আৰু খং ফুটি উঠিল।

"কি মুখলৈ চাই আছ, টোপোলাটোতে কিবাকিবি আছে খা।" ইক্ৰাম দোকানীয়ে খঙেৰে কলে। ৰকিমে টোপোলাটো খুলিলে। লোফ, সিংৰা, পুৰী আদি আটাইকিটাকে ভাগ কৰি দিলে।

ভোক আৰু গোটেই ৰাতি মহৰ কামোৰ খাই উজাগৰে থকাত আটাইকিটাৰ মুখবিলাক শুকাই গৈছে। সিইঁতৰ মুখলৈ চাই থকাৰ সহ্য নহ'ল ইক্ৰাম দোকানীৰ। কিছু সময় ইফালে সিফালে চাই কলে, "মই যাওঁ এতিয়া। উকীলৰ ওচৰলৈ যাব লাগে। পাৰোঁ যদি তহঁতক বেলত লব লাগিব।" তাৰ পিচত অশান্তইতক একো কোৱাৰ সুবিধা নিদি ইক্ৰাম দোকানী ওলাই গ'ল।

ইক্ৰাম দোকানী ওলাই যোৱাৰ কালে কিছু সময় চাই থাকি ইটোৱে সিটোৰ চকুলৈ চালে। সেই চাৱনিতে যেন ইক্ৰামৰ প্ৰতি থকা সকলো কৃতজ্ঞতা ধূপ খাই আছিল। আটাইকিটাই মনে মনে বুজিছিল, যেনেকৈয়ে নহওক লাগে ইক্ৰামে সিহঁতক জামিনত লবই।

আবেলি ইক্ৰামে আটাইকিটাক জামিনত লৈছিল।

ছুদিনমান অশান্তহঁত চুপচাপ থাকিল। চম্পালাল হোটেলৰ পাঁচ নং কেবিনত চুপচাপ বহি থাকে। গিলাচত মদ ঢালি খায়। নিচা শেষ হোৱাৰ পিচত ওলাই আহে।

ছুদিনমান কৰ্টলৈ অহাযোৱা কৰিলে। পুৰা দহ বজাৰপৰা পাঁচোটাই কৰ্টৰ পাণদোকানকিখনৰ ওচৰতে ঘূৰাফিৰা কৰি থাকে। এটা সময়ত পেস্কাৰে কাগজ অকমানত তাৰিখ এটা লিখি দিয়ে। গুচি আহে।

কেচ একো নহ'ল। শকুন্তলাৰ বাবেই আটাইকিটা বাচি গ'ল। শকুন্তলাই স্পষ্টভাৱে কৈ দিলে, "মই সাক্ষী দিবলৈ কেতিয়াও কৰ্টলৈ নেযাওঁ।" দিগন্তক অবাক কৰি কৈ দিলে, "মই কবলগা হলে প্ৰত্যেকটো সঁচা কথা কম। এষাৰো মিছা নেমাতোঁ।" এদিন দিগন্ত আৰু হেমন্তই আলোচনা কৰি কেচ উঠাই ললে। এদিন নগৰখনৰ মানুহে সেইটো ঘটনা পাহৰি গ'ল।

কিন্তু কোনেও অনুমান নকৰিলেও মাত্ৰ এইটো ঘটনাই যেন অশান্ত, মেদিনী, বিবুল, শৈলেশ আৰু ৰকিমৰ জীৱনত এটা নতুন অধ্যায়ৰ সূচনা কৰিলে। এইটো ঘটনাই সাহসী কৰিলে, দুৰ্দ্ধৰ্ষ কৰিলে, নিষ্ঠুৰ কৰিলে।

এই ঘটনাৰ পিচতে এদিন নগৰখনৰ সকলোকে অবাক কৰি আটাইকিটাই মেট্ৰিক পাছ কৰিলে। কলেজত নাম লগালে। কলেজৰ ল'ৰা-ছোৱালী কঁপাই তুলিলে। সামান্য কথাতে হুলস্থূল লগালে। আগতকৈ বহু বেছি সাহসেৰে, বহু বেছি নিষ্ঠুৰভাৱে এটাৰ পিচত এটা অপকৰ্ম কৰি গ'ল। এটাৰ পিচত এটা হুলস্থুল লগাই গ'ল।

"কলেজ ইলেক্চনত সামান্য কথাতে মাৰপিট কৰি কেইবাটাকো হস্পিতাললৈ পঠালে। নকল কৰোতে বাৰ্নিং দিয়াৰ বাবে চাবি আলিত ধৰি প্ৰফেছাৰক মৰিয়ালে। অশান্তহঁতৰ বিৰুদ্ধে কলেজত জেনেৰেল মিটিং বহিল। মিটিঙৰ পিচত গোটেই কলেজক অশান্তহঁতে প্ৰত্যাহ্বান জনালে। কলেজ ফাংচনত মদ খাই লাইট অফ কৰি ছোৱালীৰ ওপৰত অত্যাচাৰ কৰিলে। সৰস্বতী পূজাত প্ৰতিমাৰ গাত মদ ঢালি দিলে। মাৰোৱাৰীৰ গাদীত উঠি

কেচ বন্ধ বাস্তালৈ দলিয়ালে। টকাৰ প্ৰয়োজনত দোকানৰ কাউণ্টাৰত ঢকা মাৰি টকা আদায় কৰিলে।

মদ খাই ৰাস্তাৰ মাজত কৰা অশান্তইতৰ হুলস্থুল, চিঞৰ-বাখৰৰ প্ৰতাপত ভদ্ৰ মানুহ ওলাব নোৱাৰা হ'ল। বায়েক-ভনীয়েকক লৈ অশান্তইতৰ আগেৰে যাবলৈ ভয় কৰা হ'ল। গাৰ্লচ হোষ্টেলৰ দেৱাল বগাই শুই থকা ছোৱালী বাহিৰলৈ টানি আনিলে। ৰঙাজানৰ কাষৰ গলিৰ বেশ্যাপাৰাত মাজৰাতি বেশ্যাৰ বুকু কঁপাই তুলিলে। চিনেমা বা ফাংচন চাই নাইবা পূজা বা দেৱালী চাই ৰাতি ওভতা ছোৱালীৰ মাজত এই পাঁচটা ল'ৰাই ত্ৰাসৰ সৃষ্টি কৰিলে।

নিৰ্ভয়ে ডাঙৰ ডাঙৰ জুৱাৰীৰ লগত জুৱা খেলি তাচৰ ৰজা উপাধি ললে।

বিভিন্ন মাৰপিটত মাৰ খালে। হস্পিতাললৈ গ'ল। জেললৈ গ'ল। জেলত পুলিচৰ হাতত মাৰ খাই আধামৰা হ'ল। কিন্তু অশান্তইত ক্ষান্ত নহ'ল। জেলৰপৰা ওলায়েই যেন আকৌ জেললৈ যাবৰ বাবে সাজু হয়। মাৰপিট কৰে, হুলস্থুল কৰে, আকৌ জেললৈ যায়।

ঠিক এনে এটা ভয়ানক উত্তম লৈ এটাৰ পিচত এটা অপকৰ্ম কৰি এদিন অতি আকস্মিকভাৱে, অতি নাটকীয়ভাৱে আটাইকিটা বৈ গ'ল। আচৰিত হ'ল। অবাক হ'ল। কৰি অহা অপকৰ্মবিলাকলৈ উভতি চালে। কিন্তু কোনোদিন এনে হোৱা নাই। মনত পেলালে সিহঁতৰ সুদীৰ্ঘ পঁচিশ ছাব্বিশ বছৰীয়া জীৱনত কোনোদিন এনে বাধা সমুখত পোৱা নাই।

অনিৰ্বান!

একুৰা জুই।

নুমাই নোযোৱা একুৰা জুই!

মনত পৰা দিনৰেপৰা এইখন নগৰত ভয়ানক উত্তম লৈ দুৰন্ত প্ৰতাপেৰে এটাৰ পিচত এটা অপকৰ্ম কৰি অহা অশান্ত, মেদিনী, বিকুল, শৈলেশ আৰু বঙ্কিমৰ দৰে নিৰ্ভীক গুণ্ডাৰ জীৱন-গতিৰ সমুখত অকস্মাতে অতিনাটকীয়ভাৱে যেন একুৰা নুমাই নোযোৱা জুই জ্বলি উঠিল।

॥ সাত ॥

অনির্বান বক্তা।

চম্পালাল হোটেলৰ পাঁচ নম্বৰ কেবিনত বহি অশান্ত, বিকুল, মেদিনী, শৈলেশ আৰু বকিমে কিছু সময় মৌন হৈ বল। ইটোৱে সিটোৰ মুখলৈ চাই একোবাৰ থিয় হৈ থকা অনির্বানলৈ চালে।

"ৰামধন" অশান্তই বাহিৰলৈ চাই হোটেলৰ বয় এটাক মাতিলে। ৰামধন দৌৰি আহিল।

"যা চকী এখন আন।" ৰামধনে চকী এখন পাঁচ নং কেবিনত সুমুৱাই দিলে। প্ৰথমবাৰৰ বাবে চম্পালাল হোটেলৰ পাঁচ নং কেবিনত পাঁচখন চকীৰ ঠাইত ছখন চকী হ'ল।

"বহা" অনির্বানলৈ চাই মেদিনীয়ে কলে।

অনির্বান বহিল। শৈলেশে চিগাৰেট পেকেটটো আগবঢ়াই দিলে। অনির্বানে চিগাৰেট এটা মুখত ললে। অশান্তই লাইটাৰটো জ্বলাই জুইৰ শিখাটো অনির্বানৰ চিগাৰেটৰ আগটোত লগালে। তাৰ পিচত সেইটো শিখা বাকীকিটাৰ মুখৰ চিগাৰেটৰ আগে আগে লগাই গ'ল। ছখন মুখৰপৰা ওলোৱা চিগাৰেটৰ ধোঁৱাৰে পাঁচ নং কেবিন ভৰি পৰিল।

"স্বীকাৰ কৰিছোঁ তোমাৰ সাহস আছে", নীৰবতা ভঙ্গ কৰি অশান্তই কৈ উঠিল।

"আমি আজিলৈকে কাৰো সাহ আছে বুলি স্বীকাৰ কৰি লোৱা নাই। তুমি প্ৰথম।" বিকুলে কলে।

"আমি তোমাৰ সাহ আছে বুলি স্বীকাৰ কৰা মানেই তুমি সঁচা সাহসী", মেদিনীয়ে কলে।

"সাহস আচলতে আন একো নহয়", চিগাৰেটত দীঘল হোপা এটা মাৰি অনির্বানে কৈ উঠিল, "সততাৰ প্ৰকাশ মাথোন। আৰু মই নিজকে এতিয়াও সাহসী বুলি নেভাবো। অৱশ্যে সাহসী হোৱাৰ চেষ্টা কৰিছোঁ।"

"সাহস সততাৰ প্ৰকাশ? বুজা নাই—"

"বুজিব লগা বিশেষ একো নাই। যিজনে প্ৰতি মুহূৰ্ততে ভিজঅনেষ্টিৰ

লগত কম্প্রমাইজ কৰে এই সংসাৰত তেওঁৰেই আটাইতকৈ বেছি ভীৰু। অৱশ্যে এজনক যুচিয়াই দিয়া নাইবা নকৰিবলগীয়া কাম এটা বলপূৰ্বকৈ কৰি দিয়াটোও সাহসৰ কাম নহয়। সেইবিলাক মূৰ্খতাৰ প্ৰকাশ। সাহস হৈছে যিটো সঁচা, যিটো সত্যৰ বাবে সংগ্ৰাম।"

অনিৰ্বানৰ কথাবিলাক অশান্তইতে মৌন হৈ শুনি গ'ল। কথাবিলাকে সিহঁতৰ গাতো বেয়াকৈ খোচা মাৰিছে।

"তোমাক আমাৰ সঁচাকে ভাল লাগিছে," নীৰৱতা ভঙ্গ কৰি অশান্তই কৈ গ'ল, "তোমাৰ কথাৰ, তোমাৰ কামৰ পাচফালে যুক্তি আছে। এক কথাত কবলৈ গলে আমাৰ জীৱনত তুমিয়েই প্ৰথম যি আমাক চৰম অপমান কৰিও আমাৰ মৰম পাব পাৰিছা, আমাৰপৰা সন্মান লব পাৰিছা। কিন্তু পৰিষ্কাৰকৈ তোমাক এটা কথা কৈ দিয়া উচিত হব" অশান্তই অনিৰ্বানৰ চকুলৈ চাই কৈ উঠিল, "তোমাৰ লগত আমাৰ এয়াই শেষ সম্বন্ধ, শেষ কথাবতৰা।"

"মানে ?"

"মানে অতি পৰিষ্কাৰ। তোমাৰ সান্নিধ্য আমি নিবিচাৰোঁ। তোমাৰ লগত বন্ধুত্ব কৰিবলৈ আমি অক্ষম। তোমাৰ লগত আমাৰ চিন্তাৰ আকাশ-পাতাল প্ৰভেদ। গতিকে বন্ধুত্ব অসম্ভৱ।"

"কিন্তু মইতো তোমালোকৰ ওচৰলৈ আহিছোঁ বন্ধু হবলৈহে। অসম্ভৱ বুলি কবলগীয়া আচলতেতো একো নাই।"

"নহয় নহয়, তুমি আমাক নাজানা। অসম্ভৱ কথাটোৰ আচলতে সত্যতা আছে নাই সেইবিলাকো চিন্তা কৰাৰ প্ৰয়োজন নাই। কিন্তু আমি জানো, তোমাৰ লগত অন্ততঃ আমি বন্ধুত্ব পাতিবলৈ সাজু নহওঁ। আমাৰ লগত বন্ধুত্ব পাতিবলৈ ইচ্ছা কৰাৰ বাবে তোমাক ধন্যবাদ।"

"কিন্তু তোমালোকক মোৰ প্ৰয়োজন—"

"প্ৰয়োজন ? কিয় ?"

"অ' বুজিছোঁ" কিবা ভাওৰ অৰ্থ পোৱাৰ দৰে বকিমে এটা হাঁহি মাৰি কৈ উঠিল, "তাৰ মানে তোমাৰ কাৰোবা গত মাৰপিট হৈছে, আমাৰ সহায় বিচাৰিছা নহয় ?"

"নহয় নহয়" প্ৰতিবাদৰ সুৰত অনিৰ্বানে কৈ উঠিল, "সহায় বিচাৰিছোঁ ঠিকেই, কিন্তু মাৰপিট কৰিবলৈ নহয়।"

"তেতিয়াহলে কিয় ?" আচৰিত হৈ মেদিনীয়ে সুধিলে।

"আমিতো মাৰপিটৰ বাহিৰে আন একো সহায় কৰিব নোৱাৰোঁ। কোনো কাৰোবাৰ মাথা ভাঙি দিব লাগে, কোনো কাৰোবাৰ চুলি খুৰাই দিব লাগে, কোনো কোনোবা ছোৱালীক তোমাৰ ওচৰলৈ আনি দিব লাগে, কোনো কোনোবা ছোৱালীক অপমান কৰিব লাগে—এইবিলাক কামত আমাৰ সহায় বিচাৰিব পাৰা।" শৈলেশে কলে।

"নহয় নহয়, মোক তেনে সহায়ৰ প্ৰয়োজন নাই।"

"নহলে আমাৰ প্ৰয়োজন কিয়?" গম্ভীৰ স্বৰে অশান্তই সুধিলে।

"সকলো কথা একে উশাহতে কৈ দিয়া নেযায়। কিন্তু বিশ্বাস কৰা, মোক তোমালোকৰ দৰে ল'ৰাৰ প্ৰয়োজন। বৰ প্ৰয়োজন। আজি বহুদিনৰপৰা তোমালোকৰ দৰে ডেকাৰ সন্ধানত ঘূৰি ফুৰিছোঁ।"

অনিৰ্বানৰ কথাবিলাক এটায়ো বুজিব নোৱাৰিলে। ৰহস্যময় লাগিল কথাবিলাক। ইটোৱে সিটোৰ মুখলৈ চালে।

"ঠিক আছে, আমি বাৰু তোমাক সহায় কৰিম। কিন্তু তাৰ আগতে পৰিষ্কাৰকৈ তুমি কব লাগিব কিহৰ সহায়।" অশান্তই অনিৰ্বানৰ চকুত চকু থৈ কৈ উঠিল।

"এতিয়াই কোৱা" বিকুলে লগে লগে মাত লগালে।

"কম কম, সকলো কম। কিন্তু এই মুহূৰ্তত নহয়।" লাহে লাহে কথাবিলাক কৈ অনিৰ্বানে চিগাৰেটটোৰ বহু অংশ একেলগে জ্বলি যোৱাকৈ এটা দীঘল হোপা মাৰিলে। মুখৰপৰা এমুখ ধোঁৱা উলিয়াই দিলে।

আটাইকিটাই ধোঁৱাখিনিলৈ চাই ৰ'ল।

ধোঁৱাখিনি লাহে লাহে পাতল হৈ ওপৰলৈ উৰি গ'ল। অশান্তইতে আকৌ ইটোৱে সিটোৰ চকুলৈ চাই অনিৰ্বানৰ মুখত দৃষ্টি নিবদ্ধ কৰিলে।

"মই এইখন নগৰত সম্পূৰ্ণ নতুন," আনিৰ্বানে কৈ গ'ল, "ইয়াৰ আগতে মই যিখন ঠাইত আছিলোঁ, তাতো তোমালোকৰ দৰে ল'ৰা বিচাৰিছিলোঁ। এটা ক্লাবৰ প্ৰায় পোন্ধৰজন লৰাক পাইছিলো। তেওঁলোকক মোৰ কৰণীয়াখিনি কথা কোৱাৰ পিচত তেওঁলোকে মোক সহায় কৰাৰ প্ৰতিশ্ৰুতি দিছে। তাৰ বাহিৰেও আৰু এখন ঠাইৰ প্ৰায় দহজনীয়া এটা দলৰপৰা মোক সহায় কৰাৰ প্ৰতিশ্ৰুতি পাইছোঁ।" আগ্ৰহেৰে অশান্তইতে অনিৰ্বানৰ কথা শুনি গ'ল।

"ইয়ালৈ আহিয়েই ভাগ্যক্ৰমে পালোঁ ইক্ৰাম দোকানীক।"

"ইক্ৰামকাইক?"

"ওঁ। ইক্ৰামকাইক সোধোতেই তোমালোকৰ কথা কৈছিল।"

"কি সুধিছিলা ইক্ৰামকাইক ?"

"নগৰখনৰ আটাইতকৈ বিখ্যাত গুণ্ডা কোন ? উত্তৰত ইক্ৰাম দোকানীয়ে তোমালোকৰ নাম কৈছিল। ইক্ৰাম দোকানীৰপৰা তোমালোকৰ সকলো খবৰ লৈ তোমালোকক বিচাৰি ইয়ালৈ আহিলোঁ। এজনে কলে তোমালোক বোলে 'ছানভিউ হোটেল'লৈ গৈছা। 'ছানভিউ হোটেলত' তোমালোকক বিচাৰি পালোঁগৈ।"

"অ' আমাক বিচাৰি গৈ আমাৰ লগতে মাৰপিট কৰিলা, আৰু আমাৰ লগতে বন্ধু হবলৈ আহিছা ?" খঙেৰে ৰকিমে কৈ উঠিল।

"তোমালোকৰ লগত মাৰপিট কৰাৰ কোনো ইচ্ছা নাছিল। তোমালোকৰ ওচৰলৈ গৈছিলোঁ বন্ধু হবলৈ, কিন্তু 'ছানভিউ হোটেল'ত তোমালোকক লগ পালোঁ এজনী অসহায় গাভৰুৰ ওপৰত অত্যাচাৰ কৰা কেইটামান—"

"চুপ থাক" শৈলেশে গৰ্জি উঠিল।

"সঁচা কথা কৈছোঁ, বন্ধু হবলৈ গলেও ছানভিউ হোটেলত তোমালোকক যি অৱস্থাত পালোঁ বাধা নিদি উপায় নাছিল।"

"অৰ্থাৎ তুমি এইবিলাক ভাল নোপোৱা, সহ্য কৰিব নোৱাৰা ; আৰু আমি পাৰোঁ, এই সকলোবিলাক সহ্য কৰাৰ ক্ষমতা আমাৰ আছে, সাহস আমাৰ আছে।"

"আৰু সেইবাবেই তোমাৰ লগত আমি বন্ধু হবলৈ অপাৰগ।" ৰকিমে অশান্তৰ বাক্যটো সম্পূৰ্ণ কৰিলে।

"তুমি আমাৰ বন্ধু হলে আমাৰ দৰে মাৰপিট কৰিব লাগিব" আনিৰ্বানক কথা কোৱাৰ সুযোগ নিদি অশান্তই কৈ গ'ল, "মদ খাব লাগিব, জুৱা খেলিব লাগিব, বেশ্যাৰ ওচৰলৈ যাব লাগিব আৰু ছানভিউ হোটেলত কৰাৰ দৰে ছোৱালীৰ ওপৰত অত্যাচাৰ কৰাৰ সাহস দেখুৱাব লাগিব। আৰু সেইবিলাক তুমি কৰিব নোৱাৰা ...."

"নোৱাৰা নহয়, নকৰোঁ," আনিৰ্বানে উত্তাপহীন কণ্ঠে কৈ উঠিল, "আৰু তোমালোকৰ ওচৰলৈ আহিছোঁ তোমালোকৰ বন্ধু হৈ এই সকলোবিলাকৰপৰা তোমালোকৰ বন্ধুত্ব শেষ কৰোৱাই......"

"আহ্-হা—" বাধা দি বিকুলে কৈ উঠিল, "হেৰা, বাদ দিয়া তোমাৰ সেইবিলাক ফাল্টু মাৰ্কা কথা। তোমাৰ সেইবিলাক ভাল কথা শুনাবলৈ

ইচ্ছা আছে যদি পাঠশালা স্কুলৰ মাষ্টৰ হোৱাগৈ। পাঠশালা স্কুলৰ মুকলীয়া ল'বাৰ আগত ভাল ভাল কথা কবাগৈ। চম্পালাল হোটেলত নহয়।"

"তোমাৰ ভাল কথা শুনাৰ বয়স আমাৰ নাই বুজিছা। ভাল কথাৰ বহুত কিতাপ আছে। আচলতেতো কিতাপৰ বাবেই ভাল ভাল কথাৰ জন্ম। চানেকি পাঠততো সকতে বহুত ভাল ভাল কথা পঢ়িলোঁ। মই কিয়, এল-পি স্কুলত যিমানবিলাকে পঢ়িছে, সবেই চানেকি পাঠৰ ভাল ভাল কথা পঢ়িছে। মানিছে কেইজনে ?"

"নহয় নহয়, তোমালোকে মোৰ কথা বুজা নাই……"

"বুজিছোঁ বুজিছোঁ, ভালদৰে বুজিছোঁ" বিকুলে কৈ উঠিল।

"মানুহ চিনাত কম সময় লাগে যদি আমাৰেই। জিন্দেগীত বহুত মানুহ দেখিলোঁ। তুমি আহিছা আমাক ভাল কথা শিকাবলৈ……"

"নহয়…" অনিৰ্বানে প্ৰতিবাদৰ সুৰত কৈ উঠিল।

"তেতিয়াহলে কিয় ? কিয় বন্ধু হবলৈ ইচ্ছা, কিয় আমাৰ সহায়ৰ প্ৰয়োজন, নোকোৱা কিয় ?" অশান্তই চেপাকণ্ঠে সুধিলে। অনিৰ্বানে অশান্তৰ মুখলৈ চাই কিবা কোৱাৰ চেষ্টা কৰোতেই কৰ্কশ স্বৰেৰে অশান্তই কৈ উঠিল, "যোৱা, তুমি ওলাই যোৱা……"

"যাম কিন্তু যোৱাৰ আগতে কোৱা তোমালোকে মোক বন্ধু হিচাপে লৈছা……"

"জোৰ জবৰদস্তি বন্ধু হোৱা নাযায়, যোৱা তুমি……"

"তোমাৰ ভাবচিন্তা আমি সব ঘিণ কৰোঁ……"

"আৰু কোনোদিন আমাৰ ওচৰলৈ নাহিবা।"

"নোযোৱা কিয় ? ওলাই যোৱা—" মেদিনীয়ে গৰ্জি উঠিল।

নিৰ্বিকাৰভাৱে অনিৰ্বানে এবাৰ আটাইকিটাৰে মুখলৈ চালে। এটা মৃদু হাঁহি মাৰিলে। তাৰ পিচত লাহে লাহে ওলাই গ'ল। আটাইকিটাই ওলাই যোৱা অনিৰ্বানলৈ চাই থাকিল।

"এটা আচৰিত পদাৰ্থ।" অনিৰ্বান নেদেখা হোৱাৰ পিচত অশান্তৰ মুখৰ পৰা ওলাই আহিল।

তাৰ পিচত বহু সময় অনিৰ্বানৰ বিষয়ে আলোচনা হ'ল। অনিৰ্বানৰ বিষয়ে প্ৰত্যেকটোৱে বিভিন্ন মন্তব্য আগবঢ়ালে—হয় পাগল, নহয় মহা মৎলবী।

এটা সময়ত অনিৰ্বানলৈ আটাইকিটাৰে প্ৰবল কৌতূহল জন্মিল। আটাইকিটাই সন্দেহ কৰিলে অনিৰ্বানৰ পাচফালে এক গভীৰ ৰহস্য সোমাই আছে।

বহু আলোচনা-বিলোচনাৰ পিচত ঠিক হ'ল অনিৰ্বানক বন্ধু হিচাপে লব কিন্তু অন্তৰ নিদিয়ে। অশান্তই ঘোষণা কৰিলে, "ঠিক আছে, তাৰ বিষয়ে আমি জনা উচিত। হয়তো আমাৰ লাভো হব পাৰে। আমি তাৰ বন্ধু হম। কিন্তু সঙ্গী হিচাপে নলওঁ। বন্ধু হম মাত্ৰ তাক লক্ষ্য কৰিবলৈ, তাক বুজিবলৈ। তাৰ বেছি নহয়। আৰু যিদিনাই তাক বুজা হৈ যাব বাচ্‌—তাৰ পিচতেই দুই চৰ লগাই তাক আঁতৰাই দিম।"

তাৰ পিচত আটাইকিটা তনুজা হোটেললৈ যাবলৈ সাজু হ'ল।

ৰাতি এঘাৰ বজাৰ লগে লগে অশান্তইত তনুজা হোটেলত হাজিৰ হলগৈ।

ৰাতি এঘাৰ বজাৰ আগে আগেই এইখন নগৰ শান্ত হৈ যায়। দোকান-পোহাৰবিলাক বন্ধ হৈ যায়। ৰাস্তাৰ মানুহ কমি আহি দুই-এটাত পৰেগৈ।

আৰু যেতিয়া নগৰখনৰ বেছি অংশকেই মৰিশালিৰ নিস্তব্ধতাই আবৰি ধৰে সেই সময়তে যেন তনুজা হোটেলে নতুন জীৱন পাই উঠে। মাৰকিউৰি লাইটৰ দৰে যেন তনুজা হোটেলৰ লাইটবিলাকৰ পোহৰ বাঢ়ি আহে। হুলস্থূল বাঢ়ে। ওৱেটাৰৰ ব্যস্ততা বাঢ়ে। চঞ্চলতা বাঢ়ে। সজীৱতা বাঢ়ে। যেন ৰাতিৰ লগে লগে তনুজা হোটেল এক ৰহস্যময়ী চঞ্চল গাভৰুত পৰিণত হয়।

অশান্তইত ওপৰ মহলাৰ সাতাইশ নম্বৰ কোঠাৰ সমুখত হাজিৰ হলগৈ। অশান্তই দুৱাৰত মৃদু টোকৰ মাৰিলে। ভিতৰৰ গুণগুণনি বন্ধ হ'ল। বিখ্যাত ব্যৱসায়ী অমৰনাথৰ কণ্ঠস্বৰ ভাহি আহিল—"কোন?" কৰ্কশ স্বৰেৰে অশান্তই কৈ উঠিল, "মই অশান্ত। বিশেষ প্ৰয়োজন আছে, দুৱাৰ খোলা।" প্ৰথম অৱস্থাত অমৰনাথে দুৱাৰ খুলিবলৈ মান্তি নহল। পুৱা লগ কৰাৰ কথা কলে। অশান্তই চেপা কণ্ঠে গৰ্জি উঠিল, "দুৱাৰ নুখুলিলে হুলস্থূল লগাই দিম—দুৱাৰ খোল।"

ভিতৰত এটা ফুচ্‌ফুচনি। এটা সময়ত দুৱাৰখন সামান্য ফাঁক হল। লগে লগে অশান্তই দুৱাৰ ফাঁক হোৱা অংশৰ সুযোগত এটা পাট ধৰি টান মাৰি দুৱাৰখন সম্পূৰ্ণ কৈ খুলি পেলালে। লগে লগে আটাইকিটা কোঠাৰ ভিতৰলৈ সোমাই গ'ল। ভিতৰৰপৰা খিলদাল লগাই দিলে। এই গোটেই কামখিনি অশান্তই ইমান ক্ষিপ্ৰতাৰে কৰিছিল যে অমৰনাথে প্ৰথম মুহূৰ্তত

একো তর্কিবই নোৱাৰিলে। আৰু যেতিয়া বুজিলে তেতিয়া বহুত পলম হৈ গৈছিল।

কোঠাটোৰ চুকত মাবোৱাৰী তিৰোতাৰ সাজ পিন্ধা তিৰোতা গৰাকীলৈ চাই অশান্তই এটা মৃদু হাঁহি মাৰিলে।

অমৰনাথৰ এইবিলাক কাৰবাৰ অশান্তইতে শুনিছিল। অমৰনাথে মাজে মাজে দুই-এজনী তিৰোতা আনি তমুজা হোটেলত ৰাখেছি। সেইদিনা গম পাইছিল অমৰনাথে আগবেপৰা হুলিগলি কৰি থকা অৰুণাক আনিছে। অৰুণা আনন্দ শইকীয়াৰ পৰিবাৰ। আনন্দ শইকীয়া জৰুৰী কামত কলিকতালৈ গৈছে।

গোটেই ঘটনাটোৰ খা-খবৰ ভালদৰে লৈ অশান্তইত হাজিৰ হৈছিল।

"আপোনালোকে এইবিলাক কি কৰিছে?" কাতৰ স্বৰেৰে 'অমৰনাথে কৈ উঠিল।

"তোৰ দৰে শিয়াল এটায়ো ইমান দেখি বুজা নাই?" কথাখিনি কৈ চুকত মাবোৱাৰী তিৰোতাৰ সাজ পিন্ধি বৈ থকা অৰুণাৰ ওচৰলৈ অশান্ত আগবাঢ়ি গ'ল। অমৰনাথে বুজিলে, অশান্তইতে ইতিমধ্যে সকলো গম পাইছে। শান্ত হৈ নাথাকি উপায় নাই। সম্ভাব্য ভয়ংকৰ মুহূৰ্তটোলৈ বাট চাই ৰ'ল।

অৰুণাৰ কাষত বৈ অশান্তই অৰুণাৰ ওৰণিখন গুচাই দিলে।

অৰুণাই তলমূৰ কৰিলে। অশান্তই লক্ষ্য কৰিলে পুহমহীয়া জাৰত কঁপাদি অৰুণা কঁপিছে।

অশান্তই অমৰনাথৰ মুখলৈ চাই এটা মৃদু হাঁহি মাৰিলে।

"কি হ'ল অৰুণা শইকীয়া" অশান্তই মৃদু হাঁহিৰে মুখখন ওপচাই অৰুণাৰ চকুলৈ চাই কৈ উঠিল, "লাজ লাগিছে? ওহোঁ লাজ নকৰিবা। আমাৰ দৰে গুণ্ডাৰ আগত আকৌ লাজ কিহৰ?" ইতিমধ্যে অৰুণাই হাতৰ তলুৱা দুখনেৰে মুখখন ঢাকিছিল। অশান্তই কৈ গ'ল: "মনত আছে অৰুণা সেই চিনেমা হলৰ ঘটনাটো? সেই যে তোমাৰ বিয়াৰ আগে আগে তোমাৰ কাষত বহি চিনেমা চাইছিলোঁ। আন্ধাৰত তোমাৰ গাত মোৰ হাতখন দিওঁতে যে খঙেৰে মোৰ হাতখন আঁতৰাই দি গালি পাৰিছিলা। মনত আছে তুমি যে কৈছিলা অসভ্য বৰ্বৰ সব বুলি? মনত আছে চৰিয়াই দিম বুলি কোৱা?" হোঃ হোঃকৈ অশান্তই হাঁহি উঠিল।

"সেইদিনা তোমাৰ আচৰণত অলপো ৰেয়া পোৱা নাছিলোঁ।' তোমাৰ সাহস দেখি ভালেই লাগিছিল। কিন্তু পিচত বুজিলোঁ। সেইদিনাৰ যিখন হাত তোমাৰ গাত লাগিছিল সেইখন মোৰ দৰে সকলোৰে পৰিচিত কুখ্যাত গুণ্ডা এটাৰ হাত নহৈ কোনোবা ডেকা প্ৰফেছাৰ, ডাক্তৰ, ইঞ্জিনিয়াৰৰ হাত হোৱা হলে সেইখন হাতক তুমি সহায়হে কৰিলাহেঁতেন। আচলতে তোমালোক যে সব ভণ্ড এইটো কথা এতিয়া মোৰ বাবে সম্পূৰ্ণ পৰিষ্কাৰ। অৱশ্যে আমি তোমালোকতকৈও জঘন্য। কিন্তু ভণ্ড নহওঁ।" অশান্তই চিগাৰ এটা জলাই ললে। প্ৰকাণ্ড চিগাৰটোত দীঘলীয়া হোপা এটা মাৰি এমুখ ধোঁৱা অৰুণাৰ মুখলৈ মাৰি পঠালে। "ভয় নকৰিবা" চিগাৰটো কামুৰি অশান্তই আৰম্ভ কৰিলে, "আমি তোমাৰ এইবিলাক ভণ্ডামিৰ বিচাৰ কৰিবলৈ অহা নাই।' কোনে ক'ত কি কৰিছে নাই কৰা সেইবিলাক হিচাপ লৈ ফুৰাৰ কামো আমাৰ নহয়। তোমাৰ সতীত্বক লৈ তুমি কিমান জুৱা খেলা সেই-বিলাকত আমি মূৰ নঘমাওঁ। নিশ্চিন্তমনে তোমাৰ সতীত্বক লৈ খেলা খেলি থাকা; তাত আমাৰ আপত্তি নাই। কিন্তু আমি নিজকে চিকাৰী বুলি ভাবো। তোমালোক চিকাৰ। ভণ্ডামিৰ অৰণ্যত আমি চিকাৰ চলাওঁ।" আকৌ অশান্তই হোঃ হোঃকৈ হাঁহি উঠিল। হাঁহোতে অশান্তৰ মুখখনে এক বিকৃত ৰূপ লৈছিল। মুখত ফুটি উঠিছিল এক অবৰ্ণনীয় হিংস্ৰতা।

অশান্তই চিগাৰটো মুখৰপৰা হাতলৈ লৈ কৈ গ'ল, "বাক অৰুণা, এইবোৰ বাজে কথা বাদ দিয়া। তোমাৰ অৱস্থাটো কেনেকুৱা হৈ যাব পাৰে নিশ্চয় বুজিছা। • এইখন সমাজত আনন্দ শইকীয়াৰ সতী পত্নী হিচাপে জীয়াই থকাৰ প্ৰবল ইচ্ছা নিশ্চয় তোমাৰ আছে। সেই ইচ্ছাত আমি বাধা নিদিওঁ। মাত্ৰ তোমাৰ গাৰ সকলো অলংকাৰ-পাতি মোৰ হাতত তুলি দিয়া।" কথাখিনি কৈ অশান্তই হাত আগবঢ়াই দিলে। ইমান সময় থৰ হৈ অশান্তৰ কথাবিলাক অৰুণাই শুনি গৈছিল। এইবাৰ অশান্তৰ চকুলৈ চালে।

"ভয় নকৰিবা। আমি অন্ততঃ কথা দিব জানো, কথা ৰাখিব জানো। তোমাক কথা দিছোঁ এইবিলাক কথা আমাৰ পাঁচটাৰ বাহিৰে কোনেও গম নেপাব।"

অৰুণাই একো নেমাতি লাহে লাহে ডিঙিৰ চেইন, হাতৰ খাৰু, কাণফুল ইত্যাদি অশান্তৰ হাতত তুলি দিলে।

"সেই ঘড়ীটোও..." অৰুণাৰ হাতৰ ঘড়ীটোলৈ আঙুলিয়াই অশান্তই কৈ উঠিল।

ঘড়ীটো অশান্তৰ হাতত থলে।

বস্তুবিলাক জেপত ভৰাই অশান্তই এটা হাঁহি মাৰি কলে, "আঙুলিৰ আঙঠিটো ?"

অৰুণাই অশান্তৰ মুখলৈ চালে।

"বুজিছোঁ, সেইটো আঙঠি তোমাক কোনোবা প্ৰিয়জনে দিয়া। হয়তো আনন্দ শইকীয়াই মৰমত দিয়া আঙঠি। বাদ দিয়া সেইবিলাক মৰমৰ চিন। আনন্দ শইকীয়াৰ মৰমৰ বেৰুৰপৰা তুমি কেতিয়াবাই খৰচ হৈ গৈছা। আঙঠিটোৰে স্মৃতি ৰাখি লাভ নাই। ইমান বেছি ভণ্ডামি ভাল নহয়। খোলা।"

অৰুণাই আঙঠিটো খুলি অশান্তৰ হাতলৈ আগবঢ়াই দিলে।

"গুড্, সঁচাকৈ তুমি বুদ্ধিমতী ছোৱালী।" বাক্যটো কৈ অশান্ত অমৰনাথৰ সমুখত থিয় হ'ল। মৃদু হাঁহি এটা মাৰি অমৰনাথৰ মুখলৈ চালে। অমৰনাথৰ সমগ্ৰ মুখমণ্ডলত বিন্দু বিন্দু ঘামৰ টোপাল বিৰিঙি উঠিল।

"অমৰনাথ।"

"হুঁ!"

"তোক উপদেশ দিবলৈ নেযাওঁ। লোকৰ মাইকী আনি এইবিলাক ভাল কৰিছ নে বেয়া কৰিছ এইবিলাক ফাল্টু কথা আমি চিন্তা কৰাত নাই। মাত্ৰ এটা কথা জানো, তোৰ টকা বহুত; আমাৰ নাই। আমাক টকাৰ প্ৰয়োজন। এইখন নগৰত যদি জীয়াই থকাৰ অলপো ইচ্ছা আছে আমাৰ হাতত শকত অংকৰ টকা তুলি দে। তাৰ পিচত নিশ্চিন্ত মনে'ফ্ৰি কৰ কৰি থাক। তোৰ কামত বাধা দিয়াৰ বা তোৰ কামৰ গন্ধ লৈ ফুৰা আমাৰ প্ৰয়োজন নাই।" কঠোৰ কণ্ঠস্বৰে কথাকিটা কৈ অশান্তই হাতৰ চিগাৰটোত হোপা মাৰিলে।

"কিমান টকা লাগিব ?"

"তই বহুত টকাৰ মানুহ। আজি যিটো সুযোগ পাইছোঁ তোৰ দৰে টকাৰ মানুহ সহজে নেপাওঁ। গতিকে…"

"মোৰ ওচৰত দুশমান…"

"চুপ চুঁয়েৰ কা বাচ্চা। দুশ টকা দি আমাক ফুচুলাব আহিছে। কেঁচুৱা পাইছ ?" ৰকিমে প্ৰথমবাৰৰ বাবে মাত লগালে।

"পাঁচ হেজাৰ" অশান্তই কৈ উঠিল।

"কিন্তু মোৰ ওচৰতো পিয়্যান টকা নাই" পেপ পিদি অমৰনাথে সকৰে কলে।

"আনো। কিন্তু তোৰ ঘৰ সৌতোখৰতে। তলত তোৰ গাড়ী আছে। যা গাড়ী লৈ তৎক্ষণাৎ লৈ আহ। আমি ইয়াতে বৈ থাকিম। কিন্তু মনত ৰাখিবি আমাৰ লগত চয়তানি কৰি আজিলৈকে কোনো ৰাচি যোৱা নাই। যা টকা লৈ আহ।"

অমৰনাথে অৰুণাৰ মুখলৈ চালে। তাৰ পিচত অশান্তলৈ চাই কলে, "অৰুণাক লৈ যাব···"

"উঁহো হব নোৱাৰে। অৰুণাক আমাৰ প্ৰয়োজন আছে।" অৰুণা শিয়ঁৰি উঠিল।

"যা বৈ আছ কিয় ?" অশান্তই চেপা কণ্ঠে গৰ্জি উঠিল।

অৰুণাৰ ওচৰলৈ গৈ অমৰনাথে কলে, "তুমি থাকা, মই তৎক্ষণাৎ আহিছোঁ।" তাৰ পিচত অমৰনাথ ওলাই গ'ল। অশান্ত নিশ্চিন্ত আছিল, যিমান সোনকালে পাৰে সিমান সোনকালে অমৰনাথ উভতি আহিব। অশান্তৰ বিশ্বাস আছিল, সিহঁতৰ লগত ধেমালি কৰাৰ সাহস অন্ততঃ অমৰনাথৰ এতিয়াও হোৱা নাই।

এটা সময়ত অমৰনাথ উভতি আহিল। কোঠাৰ বিছনাখনত বহি থকা অশান্তইঁতৰ হাতত পাঁচ হেজাৰ টকাৰ এটা বেগ তুলি দিছিল।

"গুড্ নাইট ইয়ংমেন" বুলি কৈ অশান্তইঁত কোঠাটোৰপৰা ওলাই যোৱাৰ পিচত বিছনাত পৰি থকা অৰুণাৰ ওচৰলৈ গৈ অমৰনাথে দেখিলে অৰুণা অজ্ঞান।

॥ আঠ ॥

অশান্তইঁতে বিভিন্ন সময়ত মাৰপিট কৰি ভালদৰে বুজিছিল কম সময়ৰ ভিতৰত সৰহ সংখ্যকৰ লগত মাৰপিট কৰি জয়ী হৈ আহিবলৈ হলে মাৰপিট কৰাৰ নতুন বিজ্ঞানসন্মত কৌশল জনাৰ প্ৰয়োজন। অশান্তইঁতে জুডু আৰু কেৰেট শিকাৰ চেষ্টা কৰিলে। জুডু আৰু কেৰেটৰ বিষয়ে থকা কিতাপ কিনি আনি আটাইকিটাই মন দি পঢ়িলে। আটাইকিটা আনন্দিত হ'ল। বিভিন্ন সময়ত কেনেকৈ কেৰেট মাৰিব লাগে ইত্যাদিবিলাক লৈ আলোচনা কৰা হ'ল।

"দেখিবি পোন্ধৰ দিনৰ ভিতৰতে মই ইটা ভাঙি দিম" চম্পালাল হোটেলৰ পাঁচ নং কোঠাৰ আড্ডাত মেদিনীয়ে কৈ উঠিল।

"চাবি মই এক সপ্তাহতে ফাৰ্ষ্ট ক্লাছ ইটা ভাঙি গুড়ি কৰি দিম। তাৰ পিচত দেখিবি চাল্লা যি লাগিব তাক ইংলিছ পিক্‌চাৰত মৰা দি ফটাফট মাৰি বেহুচ কৰি নিম।" বকিমে হাঁহি এটা মাৰি গৰ্বেৰে কৈ উঠিল।

"কাক মাৰিবাহে বকিম?" মৃদু হাঁহিৰে সমগ্ৰ মুখমণ্ডল ওপচাই অনিৰ্বান সোমাই আহিল।

"অ' অনিৰ্বান আহা" অশান্তই খালি চকীখন অকমান ঠেলি দিলে।

"কাৰোবাৰ লগত লাগিলা নেকি?" চকীখনত বহি অনিৰ্বানে আটাইকিটাৰে মুখলৈ চাই সুধিলে।

"এহ্‌, তুমি মাত্ৰ আমাক মাৰপিট কৰাহে দেখা" মুখখন বিকটাই বকিমে কৈ উঠিল, "বুইছা কেৰেট, এইবাৰ কেৰেট শিকিছোঁ। ইংলিছ্ পিক্‌চাৰত দেখিছা নহয়?"

"অ' কেৰেট?" হাঁহি মাৰি অনিৰ্বানে কলে, "কলেজত থাকোঁতে ময়ো শিকিছিলোঁ।"

"তুমি?"

"ওঁ, ফাৰ্ষ্ট ইয়েৰত থাকোঁতে মোৰ ৰুমমেটজন বেছ ওস্তাদ আছিল। তেওঁৰ লগতে শিকা।"

"ইটা ভাঙিব পাৰা?" বকিমে আগ্ৰহেৰে সুধিলে।

"তেতিয়া পাবিছিলোঁ। বহুত ইটা ভাঙিলোঁ। কিন্তু তাৰ পিচত আৰু ভাঙি পোৱা নাই।"

"কিয়? বেঙলাৰ প্ৰেক্টিছ নকৰা?"

"প্ৰয়োজন হোৱা নাই। মাৰপিট কৰিবলৈতো কেৰেট শিকা নাছিলোঁ।"

"বাদ দিয়াহে তোমাৰ কথা। মহাত্মা গান্ধী ওলাইছা।" বিৰক্তিৰে মেদিনীয়ে কলে।

মেদিনীৰ কথাত অনিৰ্বানে একো উত্তৰ নিদি মাত্ৰ এটা মৃদু হাঁহি মাৰিলে।

ইতিমধ্যে অশান্তইতৰ মাজত অনিৰ্বান সোমাই পৰিছে। প্ৰথম অৱস্থাত অনিৰ্বানৰ ওচৰত সহজ হব পৰা নাছিল। কথা-বতৰাত কিছু সংকোচতা, কৌতূহল, সন্দেহ আৰু বিৰক্তিৰেই আটাইকিটাই অনিৰ্বানৰ লগত কথা পাতিছিল। কিন্তু লাহে লাহে আটাইকিটাই লক্ষ্য কৰিলে অনিৰ্বানৰ লগত কথা পাতোতে অনিৰ্বানৰ সান্নিধ্যৰ বাবে প্ৰথম অৱস্থাত যে বিৰক্তিৰ কথা মনলৈ আহিছিল তাৰ পৰিবৰ্তে আহিল আনন্দ; সন্দেহ বা কৌতূহলৰ পৰিবৰ্তে মনলৈ আহিল আন্তৰিকতা। আৰু এই আন্তৰিকতা দুগুণে বঢ়াই তুলিছিল ইক্ৰাম দোকানীয়ে। ইক্ৰাম দোকানীয়েই যেন অনিৰ্বানক অশান্তইতৰ বুকুৰ মাজলৈ ঠেলি পঠিয়ালে।

এদিন অশান্তইতে ইক্ৰাম দোকানীৰ ওচৰ পাইছিলগৈ অনিৰ্বানৰ আচল পৰিচয় লবলৈ। ইক্ৰাম দোকানীয়ে এটা মৃদু হাঁহি মাৰিছিল, কৈছিল, "অনিৰ্বানৰ বিষয়ে কবলৈ এটাই কথা আছে, সেয়া হ'ল সি তাৰ বয়সৰ ল'ৰাবিলাকৰ বহুত ওপৰত।" ইক্ৰাম দোকানীৰ কথাত অশান্তইতে ভাল পোৱা নাছিল। মনৰ ভাব লুকুৱাই মাত্ৰ ইক্ৰাম দোকানীয়ে কোৱা কথাবিলাক শুনি গৈছিল।

অশান্তইতৰ কৌতূহলী মনৰ আগত ইক্ৰাম দোকানীয়ে লাহে লাহে অনিৰ্বানৰ পৰিচয় দি গৈছিল। ইক্ৰাম দোকানীৰ প্ৰত্যেকটো বাক্যই যেন অশান্তইতৰ মগজুত ঠেকা খাই কিছু সময়ৰ বাবে বৈ গৈছিল। লাহে লাহে নিজৰ অজ্ঞাতেই যেন আটাইকিটাই অনিৰ্বানক অন্তৰৰ এক গোপন কক্ষলৈ লৈ গৈছিল।

"আচলতে অনিৰ্বান ইয়াৰে ল'ৰা" চুপাৰিৰ টোপোলাটো কাষলৈ চপাই ইক্ৰামে আৰম্ভ কৰিলে

"ইয়াৰে ল'ৰা? যেৎ…" বিকুল আচৰিত হ'ল।

"আমিতো তাক কোনোদিন দেখা নাই?" কৌতূহলেৰে মেদিনীয়ে সুধিলে।

"নেদেখিবিয়েই, কাৰণ সি কেঁচুৱাৰপৰাই ককাকৰ ঘৰতে আছিল।" চোবোতাখনৰ এটা নাল সোঁ ভৰিৰ আঙুলিকিটাৰে হেঁচা মাৰি আনটো নালত সোঁহাতখনেৰে ধৰি ইক্ৰামে আটাইকিটাৰে মুখলৈ চাই সুধিলে, "বাৰু তইঁতে কেশৱানন্দ বৰুৱাৰ নাম শুনিছ?"

কেশৱানন্দ নামটো আটাইকিটাৰে শুনা শুনা যেন লাগিল। অশান্তৰ মনত পৰি গ'ল, "ওঁ শুনিছোঁ, বৰ ডাঙৰ বিপ্লবী আছিল। দেউতাই এবাৰ কোৱা শুনিছিলোঁ। তেখেত বোলে সিংহপুৰুষ।"

"ঠিকেই শুনিছ। কেশৱানন্দ সিংহপুৰুষ আছিল। বহুত অত্যাচাৰ চলি গ'ল সেইটো মানুহৰ ওপৰত। কিন্তু কি হব মৃত্যুৰ আগমুহূৰ্তলৈকে সিংহৰ দৰে বিক্ৰম দেখুৱালে।" চোবোতাৰ মাজত চুপাৰি একোডোখৰ লৈ সৰু সৰুকৈ কাটি কাটি ইক্ৰাম দোকানীয়ে কৈ গ'ল, "মহাত্মা গান্ধী ইয়ালৈ অহাৰ পিচত কেশৱানন্দ স্বদেশী আন্দোলনত জপিয়াই পৰিল।" ডেকা কেশৱানন্দই পঢ়াশুনা বাদ দিলে। টলৌ টলৌকৈ আন্দোলন কৰি ঘূৰি ফুৰিলে। আন্দোলনৰ বাবে কৰ্মী গোটালে। আন্দোলন শক্তিশালী কৰিবৰ বাবে নানা ঠাইত মিটিং কৰিলে, পিকেটিং কৰিলে, হাতত পতাকা লৈ থানালৈ গ'ল। জেললৈ গ'ল। পুলিচৰ মাৰ খালে। কিন্তু কেশৱানন্দ শান্ত নহল। আকৌ মিটিং কৰিলে, সত্যাগ্ৰহী গোটালে, পিকেটিং কৰিলে। ঘৰবাৰী, গাভৰু ঘৈণীয়েক সকলো পাহৰি মাত্ৰ আন্দোলনত লাগিল। নগৰখনৰ মুখ্য কৰ্মী বুলি কেশৱানন্দক সকলোৱে জনা হ'ল।

"বিয়াল্লিশৰ আন্দোলনৰ পিচত কাছাৰীৰ আমতলত এখন মিটিং পাতি কেশৱানন্দই চিঞৰি উঠিল, মহাত্মা গান্ধীৰ দ্বাৰা দেশ স্বাধীন হব নোৱাৰে। মাত্ৰ অহিংসাৰেই ইংৰাজক খেদাব পৰা নেযাব। সঁচাকৈ যদি দেশৰ স্বাধীনতা লাগে বিদ্ৰোহ কৰিব লাগিব, ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰিব লাগিব।

"সেইখন মিটিঙৰ পিচত কেশৱানন্দই এটা স্বকীয়া দল তৈয়াৰ কৰিলে, অসহযোগ আন্দোলন বাদ দি মনে মনে বোমা গোটালে, থানাত বোমা দিলে, পুলিচৰ গালৈ বোমা দলিয়ালে, চৰ্কাৰী ঘৰত বোমা দলিয়ালে, দলং ভাঙিলে। কেশৱানন্দক আকৌ পুলিচে ধৰিলে।

"জেলৰপৰা ওলাই দুদিনমান ঘৰতে চুপচাপ সোমাই থাকিল। এদিন

অকস্মাতে কেশৱানন্দ ঘৰবপৰা নাইকিয়া হ'ল। ঘৰত দেউতাকৰ আৰু একমাত্র কেঁচুৱা পুতেকক এৰি কেশৱানন্দ কলৈ গ'ল কোনেও গম নেপালে।

"এদিন শুনা গ'ল কেশৱানন্দ সন্ত্রাসবাদী দলৰ নায়ক হৈছে। এদিন শুনা গ'ল আজাদ হিন্দ ফৌজত যোগ দিছে। আচল খবৰ কোনেও গম নেপালে।

"তাৰ পিচত দেশ স্বাধীন হ'ল। কেশৱানন্দ ঘৰ ওলালহি। ব্যৱসায়ত লাগিল। ব্যৱসায়ৰ মাজে মাজে নগৰখনৰ ইটো সিটো সামাজিক কামত লাগিল। আৰু এদিন সকলোকে অবাক কৰি সেই ভয়ংকৰ কামটো কৰি পেলালে।

"সেই বছৰ বানপানীত নগৰৰ কাষৰ গাওঁ কেইখন প্রায় ধ্বংস হৈ গৈছিল। প্রায় তিনি-চাৰিখন গাঁৱৰ মানুহ খাবলৈ নোপোৱাকৈ ৰাস্তাত পৰি থাকিল। ৰিলিফৰ কোনো সন্তোষজনক ব্যৱস্থা নাই। কেইবাটাও দলে বানপানীৰ কবলত পৰা মানুহখিনিৰ বাবে খাদ্য সংগ্রহ কৰিলে। কিন্তু যিখিনি খোৱা বস্তু সংগ্রহ কৰিছিল সেইখিনিৰে গোটেই মানুহখিনিৰ দহভাগৰ এভাগে এসাজ খাবলৈও যথেষ্ট নহয়। কেশৱানন্দই এটা দল লৈ নগৰখনৰ দোকানে দোকানে ঘূৰিলে। গোটেই দিনটো ঘূৰাৰ পিচত যিখিনি গোটাব পাৰিলে সেইখিনি খোৱাবস্তু চাৰিখন গাঁৱৰ মানুহৰ ওচৰলৈ লৈ যোৱাৰ সাহস কেশৱানন্দৰ নহ'ল।"

"লগত দুজনমানক লৈ কেশৱানন্দ ৰামভগৎ সুখদিয়া মিল মালিকৰ সন্মুখত হাজিৰ হলগৈ। প্রকাণ্ড প্রকাণ্ড চাউলৰ গুদামকিটালৈ আঙুলিয়াই কেশৱানন্দই ৰামভগৎ সুখদিয়াক অনুৰোধ কৰিলে, 'খাবলৈ নেপাই মানুহখিনি মৰাতকৈ কেইবস্তামান চাউল দিয়ক।' কথাখিনি কৈ আগ্রহেৰে কেশৱানন্দই প্রকাণ্ড চাউলৰ গুদামকিটালৈ চাইছিল। মনতে ভাবিছিল, সেইকিটা গুদামত ঠাহ খাই থকা চাউলৰ বস্তাবিলাকৰ কেইটামান বস্তা খাবলৈ নেপাই মৰোঁ মৰোঁ হোৱা মানুহখিনিৰ বাবে দিলে সুখদিয়াৰ একো লোকচান নহব। অন্ততঃ মিল মালিক ৰামভগৎ সুখদিয়া দুখীয়া হৈ নেযায়।

"যিমান আশা লৈ কেশৱানন্দ ৰামভগৎ সুখদিয়াৰ ওচৰলৈ গৈছিল সিমান নিৰাশ হৈ কেশৱানন্দ এটা সময়ত সুখদিয়াৰ ওচৰৰপৰা উভতি আহিবলগা হৈছিল।

"তাৰ পিচতেই সেই সাংঘাতিক কাণ্ডটো।

"মাজৰাতি হাতত পেট্রলৰ টিন লৈ কেশৱানন্দই সুখদিয়াৰ চাউলৰ গুদামত হাজিৰ হৈছিলগৈ।

ৰায়ভগৎ মুখলিয়াৰ বৃহৎ আমৰিটাৰ জুই এটা সময়ত গোটেই নগৰখনৰ মানুহে দেখিছিল। সেই জুইৰ পোহৰে ৰাজবাড়িৰ আকাশ ৰঙা কৰি পেলাইছিল। সেই জুইৰ শিখাত যেন কেশৱানন্দৰ আক্ৰোশ মিলি গৈছিল।

"গুদামত জুই দি কেশৱানন্দ আৰু গুদামৰপৰা ওলাই আহিব নোৱাৰিলে। জুয়ে তেওঁক আগুৰি ধৰিছিল।

"জুইৰ দৰে আক্ৰোশ লৈ কেশৱানন্দ জুইৰ লগত মিলি গ'ল।"

"তাৰ পিচত?" কথাখিনি কৈ ইক্ৰাম দোকানী কিছু সময় মৌন হৈ যোৱাত আগ্ৰহেৰে অশান্তই সুধিলে।

"কেশৱানন্দৰ মৃত্যুৰ পিচত পুতেকক লৈ ঘৈণীয়েক বাপেকৰ ঘৰলৈ গুচি গ'ল।"

"কেশৱানন্দৰ পুতেকেই অনিৰ্বান নহয়?" মেদিনীয়ে সুধিলে।

"ওঁ, ককাকৰ ঘৰত থাকি অনিৰ্বানে পঢ়াশুনা কৰিলে। হোষ্টেলত থাকি তাঙৰ কলেজত পঢ়িলেগৈ। বি. এ. পাছ কৰিলে। ইতিমধ্যে মাক মৰাৰ বাবে আৰু পঢ়াৰ মন নকৰিলে। ইয়ালৈ আহিছে। সেই যে হস্পিটালৰ কাষেৰে যোৱা আলিটোত সেউজীয়া ৰং দিয়া টিনৰ প্ৰকাণ্ড ঘৰটো…"

"অ' অমৰইঁত যে আছে?"

"ওঁ, সেইটোৱেই কেশৱানন্দৰ ঘৰ। অমৰইঁতে ভাৰা কৰি আছে। এতিয়াৰপৰা অনিৰ্বান তাত থাকিব। অমৰইঁত অন্য ঘৰলৈ যাব।"

"অনিৰ্বানে কিবা কাম কৰিব নেকি?"

"ওঁহো ময়ো ভালদৰে নেজানো। আৰু নপঢ়িলে কিয়, ইয়াত কি কৰিব একো গম নেপাওঁ। মাত্ৰ এটা কথাই জানো, ল'ৰাটো খুউব ভাল। অন্য ল'ৰাতকৈ কিছু বৈলেগ।"

অনিৰ্বানৰ পৰিচয় পোৱাৰ পিচত অশান্তইঁতৰ কৌতূহল বাঢ়িল। এক পুতৌমিহলি মৰম সোমাল। বন্ধু হ'ল।

"বাৰু অনিৰ্বান, ইটা ভাঙোতে তোমাৰ কিমান দিন লাগিছিল?" মেদিনীয়ে সুধিলে।

"প্ৰায় এমাহমান।"

"হে ভগৱান, সোনকালে যেন মোক ইটা ভাঙিব পৰা কৰি দিয়া" নিজকে কোৱাৰ দৰে মেদিনীয়ে কৈ উঠিল।

"কিহে মেদিনী, ভগৱানক তুমি বৰ মানা নেকি?"

"মানে ?" চেলাউবিয়োৰ থুপ খুৱাই মেদিনীয়ে অনিৰ্বানৰ মুখলৈ চালে।
"মানে ভগবানৰ প্ৰতি তোমাৰ অগাধ বিশ্বাস নহয় ?"
"বিশ্বাস মানে আৰু কি ? প্ৰয়োজনত ভগবানৰ নাম লওঁ" অনিৰ্বানৰ কথা কোৱাৰ সুৰত থকা বিদ্ৰূপ মেদিনীয়ে বুজি পাই বিৰক্তিৰে মাথো উত্তৰ দিলে।
"কিয় ভগবানৰ নাম লোৱা ?"
এইবাৰ মেদিনীৰ খং উঠিল। বিৰক্তিৰে অনিৰ্বানলৈ চাই সুধিলে, "কিয় লোৱা মানে ? ভগবানৰ নাম কিয় লয় এইটো এটা প্ৰশ্ন হ'ল নেকি ?"
"তাৰ মানে তুমি ভগবানক মানা, ভয় কৰা।"
"অকল মেদিনীয়েই নহয়, আমিও ভগবানক মানো।" বিকুলে গহীনভ উত্তৰ দিলে। অনিৰ্বানৰ চকুত চকু থৈ বিদ্ৰূপৰ সুৰত সুধিলে, "তুমি হবলা ভগবান নেমানা ?"
"নেমানো" উত্তাপহীনভাৱে অনিৰ্বানে উত্তৰ দিলে।
অনিৰ্বানে ভগবানক নেমানো বুলি কব, এই কথা এটায়ো আশা কৰা নাছিল। লগে লগে বকিমে কৈ উঠিল, "থোৱা তোমাৰ ফাল্টু কথা।"
"বিশ্বাস কৰা, ভগবানক মই বিশ্বাস নকৰোঁ।"
"কিয় ?" অশান্তৰ প্ৰশ্নত সন্দেহ।
"তাৰ আগতে কোৱাচোন ভগবানক যদি মানাই ইমান বেয়া কামবিলাক কৰা কিয় ?"
"সেই কাৰণেইতো ভগবানক মানো।"
"জানা, আমি যিমানেই বেয়া কাম নকৰোঁ লাগে কামটো কৰাৰ পিচত অন্ততঃ এবাৰ ভগবানৰ নাম লওঁ।"
"পাপ খণ্ডন হবলৈ ?"
"প্ৰায় তেনেকুৱাই" অশান্তই কলে, "আচলতে সৰুৰেপৰা ভগবানৰ অস্তিত্বৰ বিষয়ে শুনি আহিছোঁ, পূজাসেৱা দেখি আহিছোঁ আৰু স্বতঃস্ফূৰ্তভাৱে ভগবানৰ নাম লৈ লওঁ। অৱশ্যে ভগবান ক'ত থাকে, কি কৰে, ভগবানৰ নাম ললে পাপ খণ্ডন হয় নহয়, পুণ্য হয় নহয়—এইবিলাক বিশেষ একো নেজানো। জনাৰ ইচ্ছাও নাই।"
"মাত্ৰ জানা ভগবান নামৰ এজন কৰ্তাই সবকে চলাই আছে আৰু পাপ কৰি ভগবানৰ নাম ললেই সব ঠিক হৈ যায়।"
"সেইবিলাক ভবা নাই⋯"

"আচলতে ভাবা। এটাৰ পিচত এটা পাপ তোমালোকে কৰি গৈছা মাত্ৰ ভগবানৰ দোহাই দি।"

"মানে?"

"ভগবান আছে। ভগবানে তোমালোকৰ পাপ খণ্ডন কৰিব। এই অজুহাত লৈ নিৰ্ভয়ে অপকৰ্ম কৰি গৈছা।"

"কিয় তেনেকৈ কৈছা?"

"অকল তোমালোকেই নহয়। যিবিলাকৰ মন অতি জঘন্য, যিবিলাকৰ মন মাত্ৰ বেয়া ভাব, বেয়া চিন্তাৰে ভৰি থাকে, সেইবিলাকেই ভগবানৰ নাম লয়, সেইবিলাকেই ভগবানৰ পূজা কৰে।"

"কি ফাল্টু মাৰ্কা কথা কৈছাহে?"

"সঁচা কথা কৈছোঁ। যিবিলাকে পূজা সেৱা কৰে, যিবিলাকে ভগবান ভগবান বুলি বলিয়া, সেইবিলাক আচলতে অজুহাত। ভগবানৰ নাম লোৱাৰ অজুহাতত সেইবিলাক বেছি নিৰ্ভয়ে অসৎ কামত লিপ্ত হয়।"

"কেতিয়াও হব নোৱাৰে" প্ৰতিবাদৰ সুৰত অশান্তই কৈ উঠিল।

"পাৰে। যিবিলাকে ভগবানৰ পূজা কৰে, দিনটোত দুবাৰ তিনিবাৰে থাপনাৰ আগত বহি নানা ধৰণৰ স্তুতি মিনতি কৰে, দিনটোত হেজাৰবাৰ ভগবানৰ নাম লয়, তেওঁলোকে ধাৰণা কৰে, ভগবান নামৰ শক্তিটোৱে তেওঁলোকে কৰা পাপ খণ্ডন কৰিব। ভগবানৰ নাম ললেই, ভগবানৰ পূজা কৰিলেই পাপ যেতিয়া খণ্ডনেই হয়, পাপ কৰাত ভয় কি? এই যে মন্দিৰৰ পূজাৰী, এনে পূজাৰীও বহু পাইছোঁ যি দিনটোৰ বেছিভাগ সময় মন্দিৰত বহি পূজা কৰে আৰু তাতকৈ বেছি জঘন্যভাৱে নিজৰ সুখ-শান্তি-আনন্দ চৰিতাৰ্থৰ বাবে জঘন্য কাম কৰি যায়। মুখেৰে লোভ-মোহ-কাম-ক্ৰোধ ত্যাগ কৰিবলৈ উপদেশ দি দক্ষিণাৰ বাবে ভিক্ষাৰীৰ দৰে কেকাই থকা পূজাৰীও পাবা, দক্ষিণা কমকৈ দিলে শাও দিয়া পূজাৰীও পাবা, মদ আৰু বেশ্যালয়ত পৰি থকা পূজাৰীও পাবা। আনকি তোমালোকতকৈও জঘন্যভাৱে নাৰীৰ সতীত্বক লৈ কঢ়া-আজোৰা কৰা পূজাৰী, ধাৰ্মিক বা ভক্ত যিয়েই নোকোৱা, পাবা। আচল কথা ধৰ্ম, ভগবান, পূজা-সেৱা এই সকলোবিলাক অজুহাত।"

অনিৰ্বানৰ কথাত অশান্তইত কিছু সময় তাপ মাৰি ৰ'ল। ভগবান, ধৰ্ম এইবিলাক লৈ চিন্তা কৰাৰ অভ্যাস এটাৰো নাই। সেইবিলাক কথা এৰাই ফুৰিব পাৰিলেই আটাইকিটাই ভাল পায়। অথচ অন্তৰেৰে লৈতে আটাইকিটাই

অনুভৱ কৰে পাপ, পুণ্য, ধৰ্ম, ভগবান এইবিলাক অবান্তৰ বস্তু। এইবিলাকৰ এটা এবাৰ নোৱাৰা প্ৰভাৱ মানুহৰ ওপৰত আছে। প্ৰথমবাৰৰ বাবে অনিৰ্বানৰ মুখত আশা নকৰা খৰখৰ কথাবিলাক শুনি আটাইকিটা বৈ গ'ল। কথাবিলাক চিন্তা কৰি চোৱাৰ ইচ্ছা গ'ল।

"তোমাৰ কথাবিলাক শুনিবলৈ ভাল" বিকুলে মাত লগালে, "কিন্তু মাত্ৰ শুনিবৰ বাবেহে। মানি লবৰ বাবে নহয়।"

"কিয় ?"

"এটাই স্পষ্ট কাৰণ, সেয়া হৈছে ভগবানক পূজা-সেৱা কৰা, ধৰ্ম, এইবিলাক সব অজুহাত হোৱা হলে পৃথিবীৰ প্ৰায় সব মানুহেই ভগবান বিশ্বাসী বা ধৰ্মত ইমান পাগল নহলহেঁতেন। গোটেইখনতে ধৰ্মৰ বাবে ইমান হুলস্থুল নেলাগিলহেঁতেন।"

"চোৱা অনিৰ্বান" বিকুলৰ কথাৰ উত্তৰত অনিৰ্বানে মাত মতাৰ আগতেই অশান্তই কৈ উঠিল, "যিবিলাক কথাৰ আলোচনা আমি কৰিছোঁ সেইবোৰ আচলতে আমি আলোচনা কৰিবলগীয়া বিষয় নহয়। অন্ততঃ এইবিলাক কথাত মাত মতাৰ মোৰ অভ্যাস নাই। তাতে এইবিলাক বিষয়ে মোৰ জ্ঞান বুলিবলৈ শূন্য বুলি কব পাৰা। কিন্তু সাধাৰণ বিচাৰ-বুদ্ধিৰে কওঁ, যিসকলে ভগবানক মানে, ধৰ্মৰ ওপৰত অগাধ বিশ্বাস সেইসকলৰ ভিতৰত যে বহুত চিন্তা কৰা, বহুত পঢ়াশুনা কৰা অগাধ পণ্ডিত, জ্ঞানী-গুণী আছে, এই কথা তুমি স্বীকাৰ কৰিবা। এই পঢ়াশুনা কৰা, জ্ঞানী-গুণী মানুহবিলাকে ভগবান মনা, ধৰ্মৰ ওপৰত আস্থা ৰখা এই কথাটোৰ পাচফালে নিশ্চয় যথেষ্ট চিন্তা, যথেষ্ট সত্যতা সোমাই আছে এই কথাও তুমি মানিব লাগিব। এনে অৱস্থাত তুমি এইখিনি মানুহৰ ক্ষেত্ৰত পাগল, মূৰ্খ বা অসৎ এটাও শব্দ ব্যৱহাৰ কৰিব নোৱাৰা।"

"তথাপি···"

"শুনা" অনিৰ্বানক কোৱাৰ সুযোগ নিদি অশান্তই কৈ গ'ল, "এই যে হিন্দুধৰ্ম, মুছলিম ধৰ্ম, খৃষ্টান ধৰ্ম, এইবিলাকৰ একোটাইত দৰ্শন আছে। ইয়াৰ ভিতৰৰা বহু তত্ত্বকথা আছে যিবিলাক কথা তুমি সম্পূৰ্ণ নাজানা। অন্ততঃ তোমাক মই এই বিষয়বিলাকত মাষ্টাৰ বুলি নেভাবোঁ।' অথচ এনে লোক বহু আছে যিবিলাকে বছৰৰ পিচত বছৰ অধ্যয়ন কৰি সকলোবিলাক খৰচি মাৰি পঢ়াশুনা কৰি এইবিলাক মানি গৈছে, এইবিলাকৰ ওপৰত নানা কথা কৈ গৈছে, নানা মন্তব্য দি গৈছে আৰু সেই সকলোবিলাক তুমি এবাৰ কথাৰে উৰাই দিব

নোৱাৰা।" কথাখিনি কৈ অশান্তই অনির্বাণৰ মুখলৈ নোচোৱাকৈ ইতিমধ্যে হুমাই যোৱা চিগাৰেটোৰ ছাইখিনি শুচাই নতুনকৈ জ্বলাই ললে।

"সঁচা কথা" অনির্বাণে আৰম্ভ কৰিলে, "তোমাৰ কথাৰ যথেষ্ট যুক্তি আছে। মই স্বীকাৰ কৰোঁ ধৰ্ম বা ভগৱানৰ প্ৰতি মানুহৰ যি কনভিক্‌চন্ সেয়া সহজে উলাই কৰিব পৰা বিষৰ নহয়। বহুতো জ্ঞানী, গুণী, পঢ়াশুনা কৰা, চিন্তা কৰা মানুহৰ কথাকো মই উৰাই নিদিওঁ, কিন্তু মই এবচলিউট বিয়েলিটি বুলি কথা এটাত বিশ্বাস নকৰোঁ।"

"মানে ?"

"চোৱা" অশান্তৰ প্ৰশ্নৰ পোনপটীয়া উত্তৰ নিদি অনির্বাণে আৰম্ভ কৰিলে, "তুমি এখন ছবি আঁকিলা। সেই ছবিখন তুমি ভালো পালা। অন্য এজনেও ভাল পালে অথচ সেইখন মই ভাল নেপাবও পাৰোঁ। তোমাৰ দৃষ্টিত যিটো ভাল মোৰ দৃষ্টিত সেইটো বেয়াও হব পাৰে। তোমাৰ বাবে যিটো সত্য মোৰ বাবে সেইটো সত্য নহবও পাৰে। ভগবান বা ধৰ্মৰ ক্ষেত্ৰতো তুমি কব নোৱাৰা যে এচাম জ্ঞানী-গুণী মানুহৰ ভাব-চিন্তাই শুদ্ধ, সবেই মানি লব পাৰা।"

"অথচ সৰহ সংখ্যক মানুহে মানি লয়, লৈছে" অশান্তই কৈ উঠিল, "তুমি পৰিষ্কাৰকৈ কব নোৱাৰা ভগৱানক মানুহে কিয় বিশ্বাস কৰে, ধৰ্মৰ প্ৰভাৱ ইমান শক্তিশালী কিয় ?"

"কাৰণ আমি মানুহবিলাক ভীষণ দুৰ্বল, ভয়াতুৰ। আমি দুৰ্বল, নিজৰ শক্তিৰ ওপৰত আস্থা নাই। মই নিজে কিবা এটা কৰিম বুলি কব পৰা সাহস নাই। মোৰ নিজৰ বাহিৰে অন্য কোনো শক্তি নাই যি মোৰ ওপৰত ক্ৰিয়া কৰিব পাৰে এনেদৰে ভবাৰ সাহ নাই। এই সাহসৰ অভাৱতে আমি ভীতু। আৰু যেতিয়াই আমাৰ মনলৈ ভয় ভাব আহে, নিজকে দুৰ্বল বুলি অনুভৱ কৰোঁ সেই মুহূৰ্ততে এজন অদৃশ্য কৰ্তাৰ, এক অদৃশ্য শক্তিশালী শক্তিৰ কথা কল্পনা কৰি নিজক ফাকি দিয়াৰ চেষ্টা কৰোঁ।" কথাখিনি কৈ অনির্বাণে এবাৰ পাচোটাৰ মুখলৈ চাই ললে। তাৰ পিচত কৈ গ'ল, "ভয়ৰ বাবে যিদৰে ভগবান নামৰ অদৃশ্য শক্তিৰ কথা কল্পনা কৰোঁ সেই একেদৰে আমাৰ মনৰ দুৰ্বলতা, মনৰ ওপৰত শাসন কৰিব পৰা ক্ষমতাৰ অভাৱত ধৰ্ম বা নৈতিকতা এইবিলাক শব্দৰ আশ্ৰয় লওঁ। ধৰ্ম হৈছে এটা অনুশাসন যাৰদ্বাৰা আমি আমাৰ দুৰ্বল মনবিলাকক শাসনৰ অধীনত ৰখাৰ এটা অপচেষ্টা কৰোঁ। চোৱা, "অশান্তৰ চকুত চকু থৈ অনির্বাণে কৈ গ'ল "সকলোৰে ওপৰত পবিত্ৰতা। মনৰ পবিত্ৰতাই

সব। এই মনৰ পবিত্ৰতাক এবাৰ কথা কোৱা ধৰ্ম পৃথিবীৰ ক'তো নোপোৱা। কোনো ধৰ্মত পবিত্ৰতা কথাটোৰ ওপৰত আটাইতকৈ বেছি জোৰ নিদিয়াকৈ থকা নাই। অথচ তুমি নিজেই ভাবা তোমাৰ মনৰ পবিত্ৰতাৰ বাবে তোমাতকৈ আৰু বেছি কিবা থাকিব পাৰে? তোমাৰ মনেৰে যদি মনৰ পবিত্ৰতা, আত্মাৰ শুদ্ধি নিবিচাৰা অন্য এক অনুশাসনৰ দ্বাৰা এইটো আচলতে জানো সম্ভৱ? যদি তুমি তোমাৰ মনৰ ওপৰত দখল ৰাখিব পাৰা মনক পৰিচালিত কৰিব পাৰা তেনেস্থলত আন সহায়ৰ প্ৰয়োজন কত?" অনিৰ্বানে কথাৰ মাজতে জেপৰপৰা এটা চিগাৰেট উলিয়াই ললে। মন দি অনিৰ্বানৰ কথা শুনি থকা ৰকিমৰ হাতৰ আঙুলি ফাঁকত জ্বলি জ্বলি শেষ হব ধৰা চিগাৰেটটো লৈ নিজৰটো জ্বলাই ললে। চিগাৰেটত দীঘলীয়া হোপা এটা মাৰি আকৌ আৰম্ভ কৰিলে, "আকৌ চোৱা, এই নৈতিকতা, পাপ-পুণ্য ইত্যাদি। তোমাৰ নিজৰ ওপৰত দখল থাকিলে নৈতিকতা শব্দটোৰ প্ৰয়োজন কি? তুমি নিজে বিচাৰ কৰিব জানিলে প্ৰত্যেক কথা নিজৰ বিচাৰ-বুদ্ধিৰে চাব পৰা সাহস কৰিলে নৈতিকতাৰ আৱৰণৰ প্ৰয়োজন ক'ত? পাপ পুণ্য শব্দ দুটাৰে বা প্ৰয়োজন কি?"

"ৰবা ৰবা" বহু সময় আপোন মনে চিগাৰেট হুপি থকা শৈলেশে মাত লগালে, "তোমাৰ কথাবিলাক বৰ পৰিষ্কাৰ নহয়। তথাপি এটা কথা বুজিছোঁ, তুমি আঁকাই-পকাই কব বিচাৰিছা মানুহৰ মনৰ ওপৰত দখল নাই। আঁতো দখল নাই বাবেইতো ধৰ্মৰ আশ্ৰয় লোৱা হৈছে, নৈতিকতা, পাপ, পুণ্য আদি শব্দ আনি লোৱা হৈছে, যাতে এইবিলাকৰ দ্বাৰা মানুহ সচেতন হৈ থাকে।"

"কেতিয়াও নহয়" শৈলেশৰ কথাৰ প্ৰতিবাদ কৰি অনিৰ্বানে কৈ উঠিল, "ধৰ্ম, নৈতিকতা, পাপ-পুণ্য এইবিলাকে মানুহক এফালে বেছি দুৰ্বল কৰিছে, ভীৰু কৰিছে আৰু আনফালে ঠগ কৰিছে, প্ৰবঞ্চক কৰিছে। ধৰ্ম-নৈতিকতাৰ দোহাই দি আমি সমাজক ফাঁকি দিয়াৰ চেষ্টা কৰোঁ। ফলত আমি দিনে দিনে বেছি ঠগ, বেছি প্ৰবঞ্চক, বেছি অসুখী হৈ আহিছোঁ। এই ধৰ্ম, এই ভগবান বিশ্বাস, এই দুটা কথাই আমাক পঙ্গু কৰি পেলাইছে, সমাজ দূষিত কৰিছে। যিদিনা ধৰ্ম আৰু ঈশ্বৰবিশ্বাস মানুহে মনৰপৰা সম্পূৰ্ণ আঁতৰাই পেলাব পাৰিব সেইদিনাই মানুহ প্ৰকৃত সুখী হব। সেইদিনাই প্ৰকৃত শান্তি মানুহৰ মাজলৈ নামি আহিব।"

"ফাল্টু কথা" ৰকিমে কৈ উঠিল।

"পাগলামি" বিকুলে কলে।

"তেতিয়া সমাজ সমাজ হৈ নেথাকে মিঃ অনিৰ্বান বৰুৱা।" বিদ্রুপৰ সুৰত মেদিনীয়ে কলে।

"এতিয়াওতো সমাজ সমাজ হৈ থকা নাই। ঈশ্বৰবিশ্বাস আৰু ধৰ্মৰ ইমান ব্যাপকতাৰ পিচতো যে সবেই অসুখী, চাৰিওকালে অন্যায় অত্যাচাৰ অশান্তি। ভগবান আৰু ধৰ্মই শান্তি আনিব পাৰিছে? নৈতিকতাই সমাজত কিবা ক্রিয়া কৰিব পৰিছে? নাই পৰা। নোৱাৰে। কাৰণ এইবিলাক সব ভুৱা, সব অজুহাত।" উত্তেজিত কণ্ঠেৰে অনিৰ্বানে কৈ উঠিল।

বিকুল বহাৰপৰা উঠিল। বিকুলক দেখাৰ লগে লগে বকিমো বহাৰপৰা উঠি এটা এঙামুখি দিলে। আচলতে কথাবিলাকত দুয়োটাৰে বিৰক্তি উপজিছিল। মনে মনে বিকুলে ভাবিলে, এইবিলাক ফাল্টু কথাত তর্ক কৰিবলৈ ললে চম্পালাল হোটেলৰ আড্ডা এৰিব লাগিব। বিকুলৰ দৰে বকিমৰো পেটে পেটে খং উঠিল। মীমাংসা নথকা কথাত তর্ক কৰাৰ দৰে মূৰ্খামি একো নাই। মনতে ভাবিলে, অনিৰ্বান অন্য একো নহলেও এটা পাগল। পৃথিবীত ইমানবিলাক কথা থাকোতে ধৰ্ম, ভগবান আদি লৈ তর্ক বা চিন্তা যিটো ভেকাল'ৰাই কৰে সি পাগলৰ বাহিৰে অন্য একো হব নোৱাৰে। বিকুল বা বকিমৰ দৰেই এটা সময়ত মেদিনী, শৈলেশ আৰু অশান্তয়ো কথাবিলাকত বিৰক্তি বোধ কৰিলে। নোৱাৰাত কথাৰ ভাগ ললেও আটাইকিটাই অনুভব কৰিলে কথাবিলাক যথেষ্ট বিৰক্তিকৰ। বিকুল বহাৰপৰা উঠাৰ লগে লগে অশান্তই মাত লগালে, "ক'ৰবাত যাব নেকি?"

"নেযাই আৰু এইবোৰ শুনি থাকিব পাৰি?"

"ব'ৰ হৈ গলোঁ।" বকিমে কলে। বকিমৰ কথাৰ একো উত্তৰ নিদি অশান্ত বহাৰপৰা উঠিল। লগে লগে মেদিনী আৰু শৈলেশ। অনিৰ্বানৰ বুজিবলৈ বাকী নেথাকিল যে তাৰ কথা বন্ধ কৰাৰ উদ্দেশ্যেই আটাইকিটা উঠিছে। অশান্তই অনিৰ্বানৰ ফালে চাই হাঁহি এটা মাৰি কলে, "আমি অলপ ওলাই যাওঁ, তুমি যাবা।"

তাৰ পিচত অশান্তইত চম্পালাল হোটেলৰপৰা ওলাই গৈছিল। গৈ থাকোঁতে আটাইকিটাৰ মনত যিটো নামে খেলা কৰিছিল সেইয়া অনিৰ্বান। প্ৰত্যেকটোৱে অনুভব কৰিলে, অনিৰ্বানৰ কথাৰ মাজত সত্যতা নেথাকিলেও, সুন্দৰ যুক্তি নেথাকিলেও আক্রোশ আছে সম্পূর্ণৰূপে, আৰু সেই আক্রোশ দুৰ্বলীৰ প্ৰতি।

॥ ন ॥

অশান্তহঁতৰ আটাইকিটা কিছু সময় থৰ হৈ ৰ'ল।

থৰ লাগি হৰিদাস মাষ্টৰৰ মুখলৈ চালে। সকলোৰেপৰা দেখি অহা হৰিদাস মাষ্টৰ যেন কিবা যাদুস্পৰ্শত এক নতুন ৰূপত সিহঁতৰ সমুখত থিয় হ'লহি। বাৰ্দ্ধক্যই খাঁচোৰ পেলোৱা কক্ষ মুখখনত জীৱনৰ চৰম দুৰ্দশা, জীৱনৰ তিক্ততা যেন স্পষ্ট হৈ ফুটি উঠিছে।

অসহ্য লাগিল অশান্তহঁতৰ। জীৱনৰ অন্য এটা দিশৰ দুৱাৰ সিহঁতৰ সমুখত হৰিদাস মাষ্টৰে যেন খুলি দিলে। অন্ধকাৰ সেই দুৱাৰৰ সিপাৰ। ভয়লগা গাঢ় অন্ধকাৰ। সেই অন্ধকাৰৰ ভয়ত যেন অশান্তহঁত থৰ হৈ গ'ল।

নিষ্ঠুৰভাৱে এটাৰ পিচত এটাকৈ অপকৰ্ম নিঃসংকোচে কৰি অহা অশান্ত, মেদিনী, বিজুল, শৈলেশ আৰু বৰ্কিম প্ৰথমবাৰৰ বাবে যেন থৰ হৈ গ'ল।

আটাইকিটাই অপৰাধীৰ দৰে সমুখত তলমূৰ কৰি থিয় হৈ থকা উলঙ্গপ্ৰায় চম্পালৈ চালে। ককালৰ ওপৰছোৱা সম্পূৰ্ণ উলঙ্গ।

উলঙ্গ নাৰীদেহ অশান্তহঁতে জীৱনত বহুত দেখিছে। শিয়াল-কুকুৰৰ দৰে উলঙ্গ নাৰীৰ দেহ লৈ টনা-আজোৰা কৰিছে। অট্টহাস্য কৰিছে। কিন্তু চম্পাৰ সমুখত যেন আটাইকিটা দুৰ্বল হৈ গ'ল।

আটাইকিটাই অনুভৱ কৰিলে কিবা এক অসহনীয় যন্ত্ৰণাই যেন সিহঁতক চেপি আনিছে। ইচ্ছা গ'ল হৰিদাস মাষ্টৰৰ ঘৰটোৰপৰা যেন দৌৰি পলাই যাব।

অথচ প্ৰথম যেতিয়া এইটো ঘৰলৈ আহিছিল এটায়ো কল্পনা কৰা নাছিল যে সিহঁতে এনে এটা নিষ্ঠুৰ সত্যৰ সমুখীন হ'ব লাগিব—যিটো সত্যৰ বাবে সিহঁতৰ দৰে গুণ্ডাও থৰ হৈ যাব লাগিব।

কলেজখনৰ সোঁকাষে থকা পকা কুঁৱাটোৰ কাষৰ খেৰীঘৰটো হৰিদাস মাষ্টৰৰ। আগতে নগৰখনৰ এম. ভি. স্কুলখনৰ মাষ্টৰ আছিল। পাচত বেমাৰৰ বাবে চাকৰি এৰিব লগা হ'ল। ঘৰত বৈণীয়েক, এজনী গাভৰু জীয়েক আৰু দুটা সৰু ল'ৰাছোৱালী। হৰিদাসৰ বিষয়ে জানিবলগীয়াৰ ভিতৰত

অশান্তইতে ইমানখিনিহে়ই জানে। হৰিদাসৰ প্ৰতি অশান্তইত কোনোদিন কৌতূহলী নাছিল। মাত্ৰ জানে কলেজৰ কাষত হৰিদাস নামৰ মাইৰজন থাকে। সকলোপৰা দেখি আহিছে বাবে চিনি পায়। মানুহটো বেমাৰী, এজনী গাভৰু জীয়েক আছে। উপচি পৰা তাইৰ যৌৱন। কিন্তু সেই যৌৱনে অশান্তইতক কোনোদিন আকৰ্ষণ কৰা নাই। নাইবা চম্পাৰ প্ৰতি কৌতূহলো জন্মা নাই। কিন্তু আকস্মিকভাৱে পোৱা এটা নতুন খবৰে চম্পাৰ যৌৱনৰ প্ৰতি অশান্তইতক কৌতূহলী কৰি তুলিলে।

"সঁচা ?" আচৰিত হৈ অশান্তই বিকুলক আকৌ সুধিলে।

"মই তহঁতৰ আগত মিছা কওঁ বুলি ভাব তাৰ মানে ?"

"নেভাবোঁ। কিন্তু এইটো কথা যে বিশ্বাস কৰিবলৈও দিগদাৰ" বাক্যটো কৈ তলওঁঠটো কামুৰি অশান্তই বিকুলৰ কথাখিনি চিন্তা কৰি চালে।

"বিশ্বাস কৰিবলৈ প্ৰথমে মোৰো দিগদাৰ লাগিছিল। কিন্তু এইটো কথাত খুউব বেছি আচৰিত হ'বলগীয়া বিশেষ একো নাই যেন পাওঁ। হৰিদাসৰ এই ব্যৱসায়টো বহুদিনৰপৰা চলি আছে।"

"কিন্তু নিজৰ জীয়েকক বেশ্যা কৰিব, ভাবিলেই আচৰিত লাগে।"

"আচৰিত কিয় হ'বি ? টকাৰ কাৰণে মানুহে কি কৰিব নোৱাৰে ? আমিও জানো টকাৰ কাৰণে অলপ কৰিছোঁ ?"

"সঁচা, হৰিদাসে ঠিকেই কৰিছে" বকিমে মাত লগালে, "ধুনীয়া জীয়েক আছে। বাচ, টকা নঘটিব কিয় ?"

"দীনদয়াল, ৰমানন্দ, কিশোৰীলাল সব যায়।"

"হৰি হৰি। তামাম কাৰবাৰ।" শৈলেশে কৈ উঠিল।

"তামাম কাৰবাৰ হয় নে নহয় নেজানো," বিকুলৰ মুখত হৰিদাসৰ কথাখিনি শুনাৰ পিচত কিছু সময় চিন্তা কৰি অশান্তই কলে, "কিন্তু এইটো এটা সুন্দৰ মোকা। দীনদয়াল, ৰমানন্দ আৰু কিশোৰীলালৰপৰা কিছু টকা উলিয়াব পৰা যাব ?"

"কিন্তু হৰিদাসৰ নিজৰ ঘৰত বেশ্যালয় পাতি জীয়েকক বেশ্যা কৰিছে, তাত তই কিটো কৰিবি ?" মেদিনীয়ে কৈ উঠিল।

"টকাৰ কাৰণে হৰিদাসে নিজৰ জীয়েকক বেশ্যা কৰিব পাৰিলে আমিও টকাৰ কাৰণে অলপ কিবাকিবি কৰিব পাৰিম।" হাতৰ চিগাৰেটোত এটা হোপা মাৰি গম্ভীৰ স্বৰে অশান্তই কলে।

"মানে ?"

"মানে আৰু কি ?" আটাইকিটাৰ মুখলৈ চাই অশান্তই আৰম্ভ কৰিলে, "আমি হৰিদাসৰ ঘৰলৈ যাম। দীনদয়াল, কিশোৰীলাল বা ৰমানন্দ যোৱাৰ দিনা। তাৰ পিচত বাচ—প্ৰথমে হৰিদাসৰ আগত কিছু নৈতিকতাৰ লেকচাৰ মাৰিম। হৰিদাসে কিমান সাংঘাতিক কাম কৰিছে কম। তাৰ পিচত দীনদয়াল, কিশোৰীলাল যিটোৱেই থাকিব তাক কম সমাজৰ কিমান অন্যায় কৰিছে। আৰু ভয় দেখুৱাই অলপ অলপ আদায় কৰিম।"

"কথাটো বৰ ভাল নহব নেকি !" শৈলেশে লাহেকৈ কলে।

"কিয় ?"

"চা, আমি সঁচা অৰ্থত বেয়া ল'ৰা। আমাৰ মুখত এইবোৰ ভাল ভাল কথাই শোভা নেপায়। আৰু ভাল কথাৰ উপদেশ দি কিবা এটা কৰিবলৈ মনটো..."

"নহয় নহয়" শৈলেশৰ কথাত বাধা দি অশান্তই কলে, "এইটো জাষ্ট একটিং। মাত্ৰ কাম হাচিলৰ বাবে। হৰিদাসে জীয়েক নেলাগে ঘৈণীয়েকক বেশ্যা কৰক, আমাৰ আপত্তি নাই। হৰিদাস নেলাগে গোটেই নগৰখনৰ প্ৰত্যেকৰ ঘৰে ঘৰে বেশ্যালয় পাতক বেয়া পোৱাৰ সলনি ভালহে পাম। কথা হল মৌকা পালেই আমি পইচা সৰকাম।"

"ঠিক আছে, এইটোৱেই হব।" বঙ্কিমে মাত লগালে।

আৰু এদিন অশান্তইত হৰিদাসৰ ঘৰত হাজিৰ হৈছিলগৈ। সেইদিনা কিশোৰীলাল গৈছিল হৰিদাসৰ ঘৰলৈ। কিশোৰীলাল ডাঙৰ কাৰবাৰ থকা মানুহ। অশান্তইতৰ মনটো ভাল লাগিল। নিশ্চিন্ত হ'ল যে কিশোৰীলালৰ-পৰা শকত অঙ্কৰ কিবা এটা উলিয়াব পৰা যাব।

ৰাতি দহমান বজাত হৰিদাসৰ ঘৰৰ কাঠৰ দুৱাৰখনত মৃদু টোকৰ পৰিল।

দুৱাৰখন সামান্য মেলি হৰিদাস মাষ্টৰে বাহিৰলৈ চালে। দুৱাৰমুখত বৈ থকা অশান্তইতক দেখি হাতৰ লেমটো দাড়ি ধৰি অশান্তইতৰ মুখকিথনলৈ চাই সুধিলে, "কি হ'ল ? কাক লাগে ?"

"আপোনাকে বিচাৰিছোঁ। ভিতৰলৈ বলক।" কণ্ঠস্বৰত অকণমানো জড়তা নথকাকৈ অশান্তই কলে।

"মোক ? কিয় ?"

"কথা আছে। বাহিৰত পাতিব নোৱাৰি।"

ক্ষন্তেক হৰিদাস মাষ্টৰে কিবা ভাবিলে। তাৰ পিচত অশান্তইঁতলৈ চাই কলে, "আহঁা।"

প্ৰথম কোঠালৈ হৰিদাস মাষ্টৰৰ পাচে পাচে অশান্তইঁত সোমাই গ'ল। কোঠাটোত থকা সৰু টেবুল এখনত লেমটো থৈ নিজে টেবুলখনৰ কাষতে থকা নাল নথকা চকীখনত বহি সমুখৰ বেঞ্চখনলৈ আঙুলিয়াই কলে, "বহঁা।"

অশান্তইঁত বেঞ্চখনত বহিল।

"কোৱা।" হৰিদাস মাষ্টৰৰ কণ্ঠস্বৰ উত্তাপহীন।

অশান্তই ক্ষন্তেক হৰিদাস মাষ্টৰৰ মুখলৈ চালে। লেমৰ ক্ষীণ পোহৰত বাৰ্দ্ধক্যই নিষ্ঠুৰভাৱে ক্ষতবিক্ষত কৰা মুখখনৰ এটা ফাল পোহৰ কৰিছে। সেই পোহৰ গালৰ ভাঁজবিলাকৰ কাষৰ মাংসত ঠেকা খাই ভাঁজবিলাক যেন বেছি বিকৃত কৰি পেলাইছে। অশান্তৰ বুজাত অসুবিধা নহল যে সেই ভাঁজবিলাকৰ এন্ধাৰত অকল বাৰ্দ্ধক্যই নহয়, অভাৱ, দৰিদ্ৰতা আৰু জীৱনৰ তিক্ততা কম-বেছি পৰিমাণে লুকাই আছে।

এইটো কথা উপলব্ধি কৰাৰ পিচত কথা কওঁতে অশান্তৰ কণ্ঠত যি জড়তাৰ সৃষ্টি হব লাগিছিল তাৰ পৰিবৰ্তে ফুটি উঠিছিল প্ৰচণ্ড নিষ্ঠুৰতা।

কোনো ধৰণৰ ভূমিকা নকৰি কৰ্কশ মাতেৰে অশান্তই সুধিলে, "আপোনাৰ ঘৰলৈ দীনদয়াল, কিশোৰীলাল আৰু ৰমানন্দ আহে?"

"আহে" অশান্তইঁতে আশা নকৰা ধৰণৰ সহজভাৱে হৰিদাস মাষ্টৰে উত্তৰ দিলে।

"আজি কিশোৰীলাল আপোনাৰ ঘৰলৈ আহিছে?"

"আহিছে।"

"কিশোৰীলাল ক'ত?'

"মোৰ ডাঙৰ ছোৱালীজনীৰ কোঠাত।" হৰিদাস মাষ্টৰৰ উত্তৰ শুনি অশান্তইঁত থৎমৎ খাই গ'ল। যিটো উৎসাহেৰে হৰিদাস মাষ্টৰৰ ঘৰলৈ আহিছিল, হৰিদাস মাষ্টৰৰ উত্তৰে যেন সেই উৎসাহত চেঁচা পানী ঢালিলে।

"কিশোৰীলালে কি কৰিছে? দীনদয়াল, কিশোৰীলাল আৰু ৰমানন্দ ইয়ালৈ কিয় আহে?" কাঠগড়াত আচামীক সোধাৰ দৰে অশান্তই প্ৰশ্ন কৰিলে।

সেইবিলাক জানি তোমালোকৰ লাভ নহব।" দুৰ্বল কণ্ঠস্বৰেৰে হৰিদাস মাষ্টৰে উত্তৰ দিলে।

"কিয়? তাৰ মানে আপুনি কৰলৈ লাজ পাইছে নহয়?"

"ৰবা, ৰবা," অশান্তৰ কথাত বাধা দি শান্তকণ্ঠে হৰিদাস মাষ্টৰে কৈ উঠিল, "মই লাজ নেপাওঁ। নিজৰ জীয়েকক বেশ্যা কৰাৰ পিচত কোনো বাপেকে লাজ পাব নোৱাৰে। শুনা, মোৰ ছোৱালীক বেশ্যা কৰিছোঁ। মোৰ ঘৰ বেশ্যালয় কৰিছোঁ। শুনিলাতো? যোৱা এতিয়া—"

"কিন্তু আপুনি কিমান ডাঙৰ কাম কৰিছে জানে নে?"

"মোৰ নিজৰ ছোৱালীজনীক বেশ্যা কৰি কিমান ডাঙৰ কাম কৰিছোঁ মই বাপকটো হৈ যিমান ভালদৰে জানো তুমি সিমান ভালদৰে নেজানা।"

"কিন্তু কিয় এইবিলাক কৰিব?" চেপা কণ্ঠেৰে অশান্তই চিঞৰি উঠিল— "কিয় নগৰখনৰ মাজত এইদৰে নিজৰ ঘৰতে বেশ্যালয় খোলাৰ দৰে জঘন্য কাম কৰাৰ সাহ কৰিব? সমাজ নাই? এইখন সমাজত ভদ্ৰ পৰিয়াল নাই? মা-দেউতা, বাই-ভনী এইখন নগৰত নাই? অসমীয়া মানুহ হৈ নিজৰ জীয়েকক বেচিবলৈ যোৱাৰ আগতে আপুনি আত্মহত্যা নকৰিলে কিয়? ক'ত সেই কিশোৰীলাল? মাতি আনক তাক।" উত্তেজিত স্বৰে অশান্তই কৈ উঠিল। অশান্তৰ কথাখিনি শুনি ৰকিমে মনতে ভাবিলে, চেষ্টা কৰা হলে ই ভাল এক্টৰ হব পাৰিলেহেঁতেন। বিকুলে ভাবিলে, ভাল সমাজ সংস্কাৰকৰ পাৰ্ট বৰ ধুনীয়া কৰিব পাৰিব। মেদিনীৰ অৱশ্যে লাজ লাগিল। ইমানবিলাক ফাল্টু কথা অশান্তৰ মুখৰপৰা ওলালে লাজ লাগি যায়। শৈলেশে ভাবিলে, অশান্তই গুণ্ডামি নকৰা হলে অন্ততঃ নামকৰা বক্তা হব পাৰিলেহেঁতেন। কথাত জোৰ আছে।

আক অশান্তই ভাবিলে, জীৱনত প্ৰথম বাৰৰ বাবে ভণ্ডামি কৰিলো।

অশান্তৰ কথাখিনি শেষ হোৱাৰ পিচত আটাইকিটাই হৰিদাস মাষ্টৰৰ মুখলৈ চালে। প্ৰত্যেকটোৱে অনুমান কৰিছিল অশান্তৰ কথাখিনি শুনাৰ পিচত হৰিদাস মাষ্টৰে ভয় খাব। কিন্তু হৰিদাস মাষ্টৰৰ মুখলৈ চাই পাঁচোটা সমানে আচৰিত হ'ল।

ভয়ৰ পৰিবৰ্তে হৰিদাস মাষ্টৰৰ মুখত জিলিকি উঠিছে উচপ খাই উঠিবলগা ধৰণৰ এটা হাঁহি। শব্দহীন হাঁহি। সেই হাঁহিত কিমান পৰিমাণৰ বিদ্ৰূপ, ইতিকিং, ঘৃণা সোমাই আছে অশান্তইতে একো বুজিব নোৱাৰিলে। মাত্ৰ

দেখিলে হৰিদাস মাষ্টৰে হাঁহিছে। সেই হাঁহিত হৰিদাস মাষ্টৰৰ মুখৰ আঁচবিলাক কিছু সালসলনি হৈ গৈছে।

"বৰ সুন্দৰ কথা কব জানা তোমালোকে" অতি উত্তাপহীন কণ্ঠেৰে হৰিদাস মাষ্টৰে কৈ উঠিল, "তোমাৰ কথাবিলাক সুন্দৰ। কিন্তু বৰ অলাগতিয়াল, বৰ সোপাটিলা। সমাজ, সভ্যতা, ভদ্ৰলোক এইবিলাক ভাল ভাল কথা। অসমীয়া মানুহ হৈ নিজৰ জীয়েকক বেচিবলৈ যোৱাৰ আগতে আত্মহত্যা নকৰা কিয়, এনেবিলাক কথা বেচ জোৰ থকা। গাত লগা। তোমালোকৰ দৰে ডেকা হোৱা হলে ময়ো কলোঁহেঁতেন।" মুখখন কঠিন কৰি অশান্তৰ চকুত চকু থৈ কৈ উঠিল, "কিন্তু তোমাক সাবধান কৰি দিলোঁ, নিজৰ জীয়েকক যিটো বাপেকে বেচিবলৈ বাধ্য হয় সেইটো বাপেকৰ আগত এনেবিলাক ভাল ভাল কথা কেতিয়াও কবলৈ নেযাবা। অতি বেয়া শুনি।" অশান্তৰ চকুৰপৰা দৃষ্টি আঁতৰাই ক্ষন্তেক মাটিৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি হৰিদাস মাষ্টৰে আকৌ কলে, "তোমালোকৰ নৈতিক জ্ঞান দেখি বৰ ভাল লাগিল।" আটাইকিটাৰ মুখৰ ওপৰেদি এবাৰ চকু ফুৰাই আকৌ কলে, "কিন্তু এতিয়া যোৱা।"

হৰিদাস মাষ্টৰৰ কথাত অশান্তইতে থৎমৎ খাই গ'ল। কিন্তু দমি নগ'ল। ইমান সোনকালে দমি যোৱা অন্তৰ এটাৰো নহয়। অশান্তই কৈ উঠিল, "কথা কবলৈ আহিছে লাজ লগা নাই আপোনাৰ? টকাৰ লোভত পৰি..."

"মনে মনে থাকা" অশান্তৰ কথাত বাধা দি শান্তকণ্ঠে হৰিদাস মাষ্টৰে কৈ উঠিল, "মই তোমালোকক অনুৰোধ কৰিছোঁ তোমালোক যোৱা। এইবিলাক অলাগতিয়াল কথা শুনাৰ ইচ্ছা মোৰ নাই।"

"যাম। কিন্তু কিশোৰীলালক উলিয়াই দিয়ক। সি চাল্লা আমাৰ চকুৰ আগত এনেকুৱা কৰিব আৰু আমি সহ্য কৰি থাকিম?"

"সহ্য কৰিব নোৱাৰা চকু মুদি দিয়া।"

"কিয় চকু মুদিম?"

"কিয় চকু মুদিবা মোক সুধিছা?'

"ওঁ আপোনাক্ সুধিছোঁ। আমাৰ মান-সন্মান..."

"চুপ্ থাকা" অকস্মাৎ হৰিদাস মাষ্টৰে গর্জি উঠিল। সেই গর্জন অতি র্বল। তথাপি যেন সেই দুর্বল গর্জনৰ পাচফালে এক সবল গর্জনৰ ক্ষীণ

প্ৰতিধ্বনি শুনা গৈছিল। সেই দুৰ্বল গৰ্জনেই অশান্তইতৰ দৰে দুৰ্দ্ধৰ্ষ ল'ৰাৰ বুকুতো একোটাইত খুন্দা মাৰিলে।

"মান-সন্মানৰ কথা কবলৈ আহিছা?" হৰিদাস মাষ্টৰে উত্তেজিত কণ্ঠে কৈ উঠিল, "সমাজৰ কথা কবলৈ আহিছা? তোমালোকে ডেকা তেজৰ দম্ভৰ কথা শুনাবলৈ আহিছা? লাজ লগা নাই? যিটো বাপেকে নিজৰ জীয়েকক বেচিব পাৰিছে সেইটো বাপেকৰ মনৰ খবৰ কিবা ৰাখিছা? তোমাৰ সমাজ, তোমাৰ সন্মানবোধ, তোমাৰ ডেকা পুৰুষত্বই আমাৰ খবৰ কিবা ৰাখিছে? ৰবা—ৰবা তোমালোকৰ সন্মান, তোমালোকৰ সমাজ, তোমালোকৰ সভ্যতাক দেখুৱাইছোঁ। চম্পা, চম্পা···" ভিতৰলৈ চাই হৰিদাস মাষ্টৰে চিঞৰি উঠিল।

"কি দেউতা?" ভিতৰৰপৰা আৱাজ আহিল।

"আহ, এইফালে আহ···"

মলি লাগি ক'লা হৈ যোৱা পৰ্দাখন ঠেলি চম্পা সোমাই আহিল।

"এইজনী মোৰ ছোৱালী। এইজনী গাভৰু ছোৱালী। দেখিছা?" বুঢ়াই খপকৈ চম্পাৰ গাৰ কাপোৰখন গুচাই দিলে। অশান্তইতৰ সমুখতে চম্পাৰ ব্লাউজটো টানি খুলি দিলে।

"চোৱা, এইয়া তোমালোকৰ সমুখত মোৰ নিজৰ ছোৱালীক উলঙ্গ কৰি দেখুৱাবলৈ মই লাজ কৰা নাই। তোমালোকৰ সন্মান, সমাজ, সভ্যতা, তোমালোকে আঁৰ দি ৰাখি লাভ নাই। এইজনী ছোৱালীক তোমালোকৰ সমুখত উলঙ্গ কৰাৰ পিচত তোমালোকৰ সভ্যতা, সন্মান, ভদ্ৰ সমাজক উলাই কৰিবলৈ আৰু একো নেথাকে। এইজনী ছোৱালীৰ এই উলঙ্গ বুকুত তোমালোকৰ সমাজ, সন্মান সব থুপ খাই আছে। সেইবিলাক উলঙ্গ কৰাত বাধা দিবৰ সাহস তোমালোকৰ নাই।" ক্ষন্তেক দম লৈ হৰিদাস মাষ্টৰে আকৌ কৈ গ'ল, "তোমালোকে নেজানা। একো নেজানা। এইজনী গাভৰু ছোৱালীক তোমালোকৰ আগত উলঙ্গ কৰাৰ যি সাহস পালোঁ সেই সাহসৰ পাচফালে কিমান দুখ, বেজাৰ, কিমান কান্দোন সোমাই আছে, তোমালোকে নেজানা।" এটা হুমুনিয়াহ কাঢ়ি কৈ গ'ল, "জানা, বাপেক হৈয়ো মই কচাই হৈ গলোঁ। মই যে এই কচাই হৈ গলোঁ, এই কচাই হৈ যোৱাৰ পাচফালে কি লুকাই আছে তাকো তোমালোকে নেজানা। তোমালোকৰ সমাজ, সভ্যতাই এইবিলাক খবৰ নেৰাখে।"

অশান্তইতো স্তব্ধ হৈ গ'ল। তলমূৰ কৰিলে। মনত পৰা দিনৰেপৰা উলঙ্গ নাৰীৰ দেহাক লৈ নিঃসঙ্কোচে অত্যাচাৰ কৰিব পৰা এইকেইটা ল'ৰা প্ৰথমবাৰৰ বাবে এজনী উলঙ্গ গাভৰুৰ যৌৱনৰ সমুখত তলমূৰ কৰিলে। চম্পা ভিতৰলৈ সোমাই গ'ল। অশান্তই ক'লা পৰ্দাখনলৈ চাই মনতে ভাবিলে, এইখন পৰ্দাৰ সিপাৰে বৈ যিজনী ছোৱালীয়ে কান্দিব সেইজনী ছোৱালীৰ কান্দোনক বাধা দিবলৈ পৃথিবীৰ কোনো ধৰণৰ আনন্দৰ শক্তি নহব।

হৰিদাস মাষ্টৰে কৈ গ'ল, "মই বাপেকটো হৈয়ো এইজনী গাভৰুৰ লাজ ঢাকিবলৈ এখন সামান্য কাপোৰ দিব নোৱাৰোঁ। জানা, এইজনী ছোৱালীৰ মাক আজি তিনি বছৰে বিছনাত পৰি আছে। মই ভালকৈ এপালি ঔষধ খুৱাব পৰা নাই। এইখন ঘৰৰ চাৰিটা প্ৰাণীক খাবলৈ ভাত এমুঠি দিব পৰা নাই। কণ কণ ল'ৰা-ছোৱালীহাল, এইজনী গাভৰু ছোৱালী, তাইৰ বেমাৰী মাক, এই চাৰিটা প্ৰাণীয়ে মোৰ মুখলৈ চাই থাকে, অথচ মই সিহঁতক এমুঠি খাবলৈ দিব পৰা নাই।" ক্ষন্তেক বৈ হৰিদাস মাষ্টৰে আকৌ আৰম্ভ কৰিলে, "মোৰ বেমাৰৰ বাবে কাম গ'ল। ক'তো এটা কাম বিচাৰি নেপালোঁ। ইহঁতক খুৱাম ক'ৰপৰা? কৰিম কি? ঘৰত থকা বেচিব পৰা সকলো বস্তু এপদ দুপদকৈ বেচিলো, কাঁহীবাতি, আ-অলঙ্কাৰ একো বাকী নাই। এতিয়া আৰু বেচিবলৈ একো নাই। মোক বেচিবলৈ কোনেও নিকিনে। গতিকে গাভৰু ছোৱালীজনীক বেচিছোঁ। মোৰ কাৰণে নহয়। বেমাৰী মাকৰ কাৰণে, তাইৰ কাৰণে, ভায়েক-ভনীয়েক হালৰ কাৰণে। মই আত্মহত্যা কৰিব পাৰোঁ; কিন্তু ইহঁতৰ কি হব? ইহঁতকো কেতিয়াবা মাৰি থবৰ মন যায়। কিন্তু এটা কথাই সেই ইচ্ছাত বাধা দিয়ে—কণ কণ ল'ৰা-ছোৱালীহালক জন্ম দিয়েই মাৰি পেলাবলৈ মোৰ কি অধিকাৰ আছে? ইহঁতৰ জীয়াই থকাৰ ইচ্ছাক বাধা দিবলৈ মই কোন? অৱশ্যে কেতিয়াবা শুনিবা হৰিদাস মাষ্টৰে ঘৈণীয়েক, ল'ৰা-ছোৱালী এটাইসোপাকে কাটি আত্মহত্যা কৰিলে।.....এইবিলাক তোমালোকৰ সন্মান, তোমালোকৰ সমাজ, তোমালোকৰ সভ্যতাৰ বহুত ওপৰৰ কথা। এইবিলাক তোমালোকে বুজি নোপোৱা। বুজা সম্ভৱ নহয়। যিদিনা বাপেক হৈ নিজৰ ছোৱালীৰ দেহা চকুৰ আগতে বিক্ৰী কৰিবা, সেইদিনা বুজিবা।" কথাখিনি কৈ হৰিদাস মাষ্টৰ ক্ষন্তেক ৰ'ল। অশান্তই লক্ষ্য কৰিলে চকুযোৰ সামান্য সজল হৈছে। সজল চকুযোৰলৈ চাই অশান্তই

অনুভৱ কৰিলে কান্দি কান্দি এইটো মানুহে বহুদিনৰ আগতেই চকুৰ পানী শেষ কৰি পেলাইছে। এতিয়া আৰু চকুপানী নোলায়।

ক্ষন্তেক মৌন হৈ অশান্তইত বহাৰপৰা উঠিল। লাহে লাহে বাহিৰলৈ ওলাই আহিল। আহোঁ বুলি মাত লগোৱাবো সাহস নহ'ল। দুৱাৰদলি পাৰ হোৱাৰ সময়ত আটাইকিটা আকৌ এবাৰ ৰৈ গ'ল। কোঠাটোলৈ চালে। টেবুলত মূৰ থৈ হৰিদাস মাষ্টৰে হুকহুককৈ কান্দি উঠিছে। সেই কান্দোনৰ শব্দত আটাইকিটাৰ বুকুৰ কোনোবা অংশ যেন মোচোকা খাই উঠিল।

"বৈ" অশান্তই সৰুকৈ কলে।

তলমূৰ কৰি আটাইকিটা ওলাই আহিল!

"অশান্ত" বহু সময় মৌন হৈ আহি চম্পালাল হোটেল পোৱাৰ কিছু আগে আগে মেদিনীয়ে মাত লগালে।

"হুঁ ?" টোপনিৰপৰা সাৰ পোৱা মানুহৰ দৰে লাহেকৈ কলে।

"কিবা এটা কৰিব লাগিছিল।"

"তাকে ভাবিছো" অশান্তই লাহেকৈ উত্তৰ দিলে।

চম্পালাল হোটেল পোৱালৈকে এটায়ো কথা নেপাতিলে। হৰিদাস মাষ্টৰে যেন আটাইকেইটাকে বোবা কৰি পেলাইছিল।

"চম্পালাল।"

"কি বাবু ?"

"পাঁচশ টকা দে।"

"দিছোঁ। এক মিনিট।"

চম্পালালৰ হাতত অশান্তইতৰ টকা জমা থাকে। দৰ্কাৰত চম্পালালে উলিয়াই দিয়ে।

পাঁচশ টকা চম্পালালে অশান্তৰ হাতলৈ আগবঢ়াই দিলে।

"কিহে, বহুত টকা উলিয়াইছা যে।" টকা লেখি থাকোঁতে সোমাই অহা অনিৰ্বানে হাঁহি মাৰি সুধিলে।

"অ' অনিবান" মুখলৈ নোচোৱাকৈ অশান্তই কলে, "তুমি আহিছা। বলা কেবিনলৈ।" অনিবান কেবিনত বহিলহি। ইতিমধ্যে কেবিনত বিকুলইত বহি আছিল। অনিবানক দেখি শৈলেশে লাহেকৈ মাত লগালে, "অনিৰ্বান আহিলা ? বহাঁ।"

"তোমালোক গৈছিলা কলৈ ?"

“হৰিদাস মাষ্টৰৰ ঘৰলৈ।” পাচফালৰপৰা অহা অশান্তই উত্তৰ দিলে।

“কোন হৰিদাস?” চকীখনত বহি অনিৰ্বানে সুধিলে।

“কলেজৰ কাষত থাকে।” অনিৰ্বানৰ কাষৰ চকীখনত বহি অশান্তই কলে, “বেমাৰী ঘৈণীয়েক, দুটা সৰু সৰু ল’ৰা-ছোৱালী আৰু এজনী গাভৰু জীয়েক।”

হৰিদাস মাষ্টৰৰ ঘৰত হোৱা গোটেইখিনি কথা অশান্তই অনিৰ্বানক কৈ গ’ল। কথাখিনি শেষ হোৱাৰ পিচত অনিৰ্বান কিছু সময় মৌন হৈ বল।

“এই টকা পাঁচশ হবলা হৰিদাস মাষ্টৰক দিবা?” নীৰৱতা ভঙ্গ কৰি অনিৰ্বানে সুধিলে।

“ওঁ” গৰ্বেৰে অশান্তই উত্তৰ দিলে।

“কিয় দিব লাগে?”

“মানে?” অনিৰ্বানৰ কথাত আটাইকেইটা আচৰিত হ’ল।

“হৰিদাস মাষ্টৰক টকা কিয় দিব লাগে? পুতৌ দেখুৱাবলৈ গৈছা?”

“তুমি কি কব বিচাৰিছা?” অশান্তই আচৰিত হৈ অনিৰ্বানৰ চকুলৈ চাই সুধিলে। অনিৰ্বানৰ মুখত এনে এষাৰ কথা শুনিবলৈ এটায়ো আশা কৰা নাছিল। অশান্তই ভাবি আছিল হৰিদাস মাষ্টৰৰ দুখত দুখ পোৱাৰ বাবে অনিৰ্বানে আনন্দ পাব, সিহঁতৰ দৰে গুণ্ডা ল’ৰায়ো হৰিদাস মাষ্টৰৰ দুখত বব নোৱাৰি পাঁচশকৈ টকা দিবলৈ ওলোৱা দেখি আনন্দত অশান্তক সাৱটি ধৰিব। তাৰ পৰিবৰ্তে অনিৰ্বানৰ শ্লেষপূৰ্ণ কথাষাৰত অশান্তৰ ভাল নালাগিল।

“মই কব বিচাৰিছোঁ টকা দি একো লাভ নহব। তোমাৰ সেই পুতৌৱে হৰিদাস মাষ্টৰক অপমান কৰিব আৰু আটাইতকৈ অপমান কৰিব যিবিলাক মানুহ হৰিদাস মাষ্টৰতকৈ দুখত শেষ হৈ গৈছে তেওঁলোকৰ আত্মাক।”

“তোমাৰ কথা মই বুজা নাই।” অশান্তই অনিৰ্বানৰ মুখৰপৰা দৃষ্টি নাতৰাই প্ৰশ্ন কৰিলে।

“শুনা অশান্ত, সঁচা কথা কবলৈ হলে আজি মই বৰ আনন্দ পাইছোঁ। তোমালোকৰ ভিতৰত শুই থকা মানুহটো দেখিলোঁ। তোমালোকৰ ভিতৰৰ সেই সঁচা পবিত্ৰতাই আজি সাৰ পাইছে। আৰু মই বিচাৰিছিলোঁ সেই সাৰ পোৱা মানুহটোকেই।” অনিৰ্বানৰ কথাবিলাক এটায়ো ভালদৰে বুজা নাছিল। কি কবলৈ গৈছে একো বুজিব নোৱাৰি মৌন হৈ শুনি গ’ল।

“আজি যি হৰিদাসক তোমালোকে দেখিলা আচলতে সেইবিলাক হৰিদাসৰ কথা কবলৈকে তোমালোকৰ ওচৰলৈ আহিছিলোঁ। এই যে

হৰিদাসক দেখিলা, তোমাৰ পাঁচশ টকাৰে হৰিদাসক একো সহায় কৰিব নোৱাৰিবা। আৰু দিবা কিমানজনক? কিমানজন হৰিদাসক টকা দি সহায় কৰিবলৈ যাবা? কিমানজন হৰিদাসৰ দুখত চকুপানী টুকিবা?”

“তাৰ মানে?”

“হৰিদাসৰ দৰে অজস্ৰজন বাপেক আছে যি নিজৰ গাভৰু জীয়েকক, নিজৰ ঘৈণীয়েকক বেচিব লগা হৈছে। হৰিদাসৰ দৰে এনে বহু বাপেক আছে যি নিজৰ পুত্ৰ-পৰিবাৰৰ ডিঙি নিজহাতে কাটি চিপজৰী লব লগা হৈছে, হৰিদাসৰ দৰে বহুত বাপেক আছে যি চকুৰ আগতে খাবলৈ নেপাই মৃত্যু হোৱা ল'ৰা-ছোৱালীলৈ চাই পাগল হব লগা হৈছে। এইবিলাকৰ উদাহৰণ অজস্ৰ। নৰক যন্ত্ৰণা ভুগি তিলতিলকৈ শেষ হৈ যোৱা মানুহৰ কাহিনী কৈ শেষ কৰিব নোৱাৰি। মানুহৰ যি চৰম অপমান হৈছে, তোমাৰ এই পাঁচশ টকাৰে সেই অপমান নাইকিয়া কৰিব পৰা নেযাব।

“তোমালোকৰ ভগবান ভক্তৰে ভৰা ধৰ্মৰ নামত কোটি কোটি টকা খৰচ হোৱা দেশত মানুষ্যত্বৰ যিমান অপমান হৈছে, এইখন দেশত মানুহৰ যি নিৰ্য্যাতন হৈছে, পৃথিবীৰ কোনো ঠাইত এনে উদাহৰণ নাই। চাৰিওফালে কেৱল শোষণ—শোষণ—শোষণ।

“এচাম মানুহৰ শোষণৰ কবলত পৰি আমি সব শেষ হৈ গৈছোঁ। আমাৰ মনুষ্যত্বক হেৰুৱাইছোঁ, মানুহৰ শাৰীৰপৰা শিয়াল কুকুৰৰ শাৰীলৈ নামি গৈছোঁ। এদিন আমি এচাম মানুহ তিলতিলকৈ শেষ হৈ যাব লাগিব। হৰিদাসহঁতৰ দৰে মানুহৰ কান্দোন, হৰিদাসহঁতৰ দৰে বাপেকৰ চিঞৰ কাৰো কাণত নোসোমাব। আৰু এইখন ধৰ্ম, ভগবান, নৈতিকতা আদি শব্দৰে মুখৰিত হৈ থকা দেশ।”

বিকুলে মনতে ভাবিলে, ‘হুঁ এটা মস্ত কমিউনিষ্ট।’ ফুটাই কলে, “অ' তাৰ মানে তুমি কমিউনিষ্ট?”

“নহওঁ।”

“কি? কমিউনিষ্ট নোহোৱা? কিন্তু এনেবিলাক কথা যে কমিউনিষ্টেহে কয়…”

“কয়, চিঞৰে। কিন্তু লাভ একো নহয়। কৈ চিঞৰি একো লাভ হব নোৱাৰে।”

“তেতিয়া হলে তুমি কি?” মেদিনীয়ে সুধিলে।

"তোমালোকৰ ওচৰলৈ আহিছোঁ সেইবাবেই।"

"বুজা নাই তোমাৰ কথা" বিকুলে কলে।

"আমি বিদ্ৰোহ কৰিব লাগিব।"

"বিদ্ৰোহ!" এগাল মিঠা বস্তু খাই থাকোঁতে মিঠা বস্তুৰ মাজত তিতা বস্তু এডোখৰ চোবাই দিলে মুখখনত ফুটি উঠা ধৰণৰ বিৰক্তি এটা আটাইকিটাৰ মুখত ফুটি উঠিল। 'বিদ্ৰোহ' শব্দটো লগে লগে আটাইকিটাই মনৰ মাজতে লুটিয়াই বগৰাই চালে।

"ওঁ বিদ্ৰোহ। বিপ্লৱ। এই সমাজ, শাসন, সকলোৰে বিপক্ষে বিপ্লৱ। টেৰৰ।"

হাঃ হাঃ কৈ অশান্তই সশব্দে হাঁহি উঠিল।

"হাঁহিছা যে!" গম্ভীৰভাৱে অশান্তলৈ চাই অনিৰ্বানে সুধিলে।

"নহাঁহি কান্দিম?"

"চোৱা অনিৰ্বান, এইবিলাক ফাণ্টু মাৰ্কা কথা ভাবি পাগল নহবা" ৰকিমে কৈ উঠিল।

"কিয় ফাণ্টু কথা হব?" চেপাকণ্ঠে অনিৰ্বানে প্ৰায় চিঞৰি উঠিল।

"হয় হয়, এশবাৰ কম, তুমি এইবোৰ ফাণ্টু কথা ভাবিছা। ফাণ্টু কথা চিন্তা কৰি মূৰ গৰম কৰিছা। এইবোৰ সব বাজে কথা, সব পাগলামি।" সমান উচ্চ কণ্ঠেৰে মেদিনীয়ে কৈ উঠিল।

"কিয় হব? তোমালোকে এইবিলাক চিন্তা নকৰিয়েইতো মানুহৰ অপমানক ভীৰুৰ দৰে বৰণ কৰি লৈছা।"

"চিন্তা কৰি একো লাভ নাই বাবে নকৰোঁ। তুমি এটা ল'ৰাই আমাক লৈ সমাজৰ বিপক্ষে, দেশৰ বিপক্ষে, চৰকাৰৰ বিপক্ষে বিপ্লৱ কৰিবলৈ যোৱা। পাগলৰ বাহিৰে আন কোনেও এনে উদ্ভত কল্পনা নকৰে।"

"তুমি তাতকৈ কমিউনিষ্ট নোহোৱা কিয়?" বিকুলৰ বাক্যটো শেষ হোৱাৰ লগে লগে শৈলেশে কৈ উঠিল।

"কিয় তুমিতো কল্যাণহঁতৰ লগত যোগ দিব পাৰা। সিহঁতেতো বিপ্লৱ কৰিব লাগে বুলি মিটিং পাতে। ডাঙৰ দল আছে সিহঁতৰ।"

"সেইবিলাক সব ফাকি। সব ভণ্ডামি। সব সুবিধাবাদী। পাৰ্টি মানেই অপৰচুনিষ্ট।"

"ইস্ তুমি কলেই হব? তুমি কিটো জানাহে?" অনিৰ্বানৰ কথাখিনি

উকৰাই দিয়াৰ উদ্দেশ্যে বকিয়ে প্ৰায় চিঞৰি চিঞৰি 'তুমি কিটো জানাহে' শব্দকিটাত জোৰ দি কৈ উঠিল।

"একো নেজানিলেও এটা কথা ভালদৰে জানো, এইবিলাক ৰাজনৈতিক দলে একো কৰিব নোৱাৰে, পৰা নাই, আগলৈকো নোৱাৰে। এজাক শিয়ালৰ দৰে চিঞৰিলেই বিপ্লৱ হব নোৱাৰে। শিয়াল হৈ সিংহৰ গৰ্জন দিয়াৰ চেষ্টা কৰিব পৰা যায়, কিন্তু সিংহৰ গৰ্জন হব নোৱাৰে। আজি দেশ স্বাধীন হোৱাৰ দিনাৰেপৰা এইবিলাক পাৰ্টিয়ে কি কৰিছে? 'দেশৰ জনগণ নিপীড়িত' 'শোষিত' 'চৰকাৰ দস্যু' আদি চিঞৰ মাৰিছে। মেল-মিটিং পাতি উত্তেজিত কণ্ঠে বক্তৃতা দিছে। শোভাযাত্ৰা কৰিছে। শ্লʼগান দিছে। কʼলা পতাকা প্ৰদৰ্শন কৰিছে। কিন্তু তাৰ ওপৰলৈ যাব পৰা নাই। যিটো ভুষিত চিন্তাৰে এচাম মানুহে শোষণ কৰি গৈছে, সেই চামৰ বিৰুদ্ধে এইবিলাক বক্তৃতা অতি তুচ্ছ। পুঁজিপতি চৰকাৰ ধ্বংস হওক, শোষণ আঁতৰাব লাগে, বিপ্লৱ কৰিব লাগে বুলি মাত্ৰ 'লাগে' শব্দটোৰ ওপৰতে জোৰ দি চিঞৰা আৰু কাম কৰা দুটা সুকীয়া বস্তু। মিছা কথা নকবা বুলি সক লʼৰাক উপদেশ দিলে মাৰখোৱাৰ ভয়ত সক লʼৰা এটাই মিছা কথা নকব পাৰে—তাকো মাৰ খোৱাৰ ভয়ত। কিন্তু শক্তিশালী এদল দুষ্ট বুদ্ধিৰে পূৰ্ণ মানুহৰ বিৰুদ্ধে 'হব লাগে', 'কৰিব লাগে' বুলি চিঞৰাৰ দৰে মূৰ্খামি একো থাকিব নোৱাৰে। দল বঢ়াব পৰা যায়। মেল-মিটিং, শোভাযাত্ৰাৰে গৰম গৰম বক্তৃতাৰে বতাহ চঞ্চল কৰা যায়, কিন্তু ধুমুহাৰ সৃষ্টি নহয়।" অনিৰ্বান ক্ষন্তেক ৰʼল। উত্তেজিত হৈ কথা কৈ যাওঁতে ভাগৰ লাগি গʼল। এগিলাচ পানী খাই ললে। ৰুমালেৰে মুখখন মচি ললে।

"তোমালোকেই ভাবা—যিদল মানুহে মানুহৰ মনুষ্যত্বক তিলতিলকৈ হত্যা কৰিব পাৰে, সেইদল মানুহৰ বিৰুদ্ধে মেল-মিটিঙেই যথেষ্ট? উত্তেজনাময় বক্তৃতাই যথেষ্ট? শ শ বছৰ মেল-মিটিং কৰি ভুষিত তেজ গুচাব কোনেও নোৱাৰে। তাৰ বাবে লাগিব সঁচা সংগ্ৰাম, সঁচা বিপ্লৱ। টেৰৰ, ধ্বংস। ধ্বংসৰ পিচতেই গঢ়ি উঠিব নতুন সমাজ ব্যৱস্থা।"...

"বৰ্তমান ভাৰতৰ যিবিলাক বিৰোধী পাৰ্টি আছে, সেইবিলাক পাৰ্টিয়েতো এই বিপ্লৱৰ কথাই কৈছে। এই ধৰা কমিউনিষ্ট, ছচিয়েলিষ্ট। এই পাৰ্টি-বিলাকেওতো বিপ্লৱ বিচাৰে। বিপ্লৱৰ বাবে, সংগ্ৰামৰ বাবে আয়োজন কৰিছে। সেইবোৰ কিমান পষ্টাৰ লগাইছে।" মেদিনীয়ে কৈ উঠিল।

"ওঁহো আচলতে একো কৰা নাই। দেৱালত পষ্টাৰ মৰা মানেই বিপ্লৱ

সুবুজায়। সেইটো এটা ভণ্ডামি। বিপ্লব কৰিব লাগে বুলি দেৱালত পষ্টাৰ মাৰিলে একো হ'ব নোৱাৰে। আচল কথা মানুহৰ সুবিধাবাদী মনোভাব।"

"ৰবা, ৰবা" শেলেশে অনিৰ্বানৰ কথাত বাধা দি মাত লগালে, "এটা কথা, তুমি কলা বুলিয়েই দেৱালত পষ্টাৰ মৰা কথাটো নাইবা মেল-মিটিং কৰা কথাটো উৰাই দিব পৰা নাযায়। মানুহক সজাগ কৰিবলৈতো এইবিলাকৰ প্ৰয়োজন ”

"কিন্তু তুমি ভাবা নেকি বৰ্ত্তমানৰ মানুহ সজাগ নহয়? আমাক এচামে শোষণ কৰিছে, আমি সকলো কেনা লগা শাসনৰ বলি হৈছোঁ। এইবিলাক ৰঙা আখৰেৰে ডাঙৰ ডাঙৰকৈ লিখি দিলেহে মানুহে বুজিব? মাইকত উত্তেজিত কণ্ঠে কলেহে বুজিব? এনে এজন মানুহ মোক তুমি উলিয়াই দিব নোৱাৰা যি আজিও অনুভৱ কৰা নাই যে আমি এচাম মানুহ শোষিত, আমাৰ শাসনযন্ত্ৰ কেনা লগা। জানা, পৃথিবীৰ এনে কোনো দেশ নাই যি ঠাইত আমাৰ দৰে স্বজাতিৰ হাতত এনেদৰে শোষিত হ'ব লগা হৈছে। এই যে পষ্টাৰ, মেল-মিটিং, শোভাযাত্ৰা, এইবিলাকৰ পাচফালে যিটো উদ্দেশ্য লুকাই আছে সেয়া হ'ল আগন্তুক ইলেক্চন। আগন্তুক ইলেক্চনৰ বাবে নিজ নিজ পাৰ্টিৰ প্ৰপাগাণ্ডা চলোৱাৰ বাবে এটা সুন্দৰ কৌশল এই পষ্টাৰ, মেল-মিটিং, শোভাযাত্ৰা।" ক্ষন্তেক অনিৰ্বান ৰ'ল। উত্তেজিতভাৱে একেৰাহে কথা কৈ যাওঁতে ভাগৰি পৰিছিল। দম সলাই আকৌ আৰম্ভ কৰিলে, "আচল কথা, সকলো পাৰ্টিৰে চকু শাসনৰ গাদীত। প্ৰত্যেকৰে ধাৰণা প্ৰথমে হাতলৈ শাসনৰ গাদী আনো, তাৰ পিচত ৰামৰাজ্য স্থাপন। ৰামৰাজ্য স্থাপনৰ যে আশা কোনোদিন নাই এই বিষয়ে মই নিশ্চিত আৰু সেই চেষ্টাত যেতিয়ালৈকে এই দলবিলাকে মাত্ৰ মাছবজাৰৰ চিঞৰ-বাখৰৰ দৰে চিঞৰ-বাখৰ এটাৰেই সৃষ্টি কৰি থাকিব তেতিয়ালৈকে জনসাধাৰণৰ কোনো শান্তি নহ'ব।"

"তুমি ভাবিছা তুমি কিবা এটা কৰিব পাৰিম বুলি" গম্ভীৰ স্বৰেৰে অশান্তই সুধিলে।

"নিশ্চয় ভাবোঁ। তোমালোক মাথো আগবাঢ়ি আহা। জীৱনৰ মোহ ত্যাগ কৰা। মনত পবিত্ৰতা আনা। সততাৰ লগত হাত মিলোৱা। দেখিবা এদিন বহুত কিবাকিবি হৈ গৈছে। অৱশ্যে এইটো ঠিক, এইটো অতি কঠিন কাম। তোমালোকৰ দৰে অজস্ৰজন ডেকাৰ মনত নতুন চিন্তাৰ জন্ম দিব লাগিব। এটা নতুন চিন্তা এক বৃহৎ সংখ্যক ডেকাৰ মাজত জন্ম দিব লাগিব। আৰু

এই বিদ্রোহৰ জুইও জ্বলাব লাগিব ডেকাৰ দ্বাৰাই। কোনো পার্টিৰ নহয়, মাত্র ডেকাৰ। এইখন দেশৰ সমস্ত ডেকা শক্তি এদিন এই নতুন বিপ্লৱত জপিয়াই পৰিব লাগিব। সেই বিপ্লৱৰ জুইৰে সমগ্র সমাজব্যৱস্থা, শাসনব্যৱস্থা, সকলো ধৰণৰ পুৰণি ৰীতি-নীতি ভাব-চিন্তা ধ্বংস কৰি দিব লাগিব আৰু সেই ধ্বংসৰ পিচত জন্ম হব নতুন সমাজব্যৱস্থা, নতুন চিন্তা।"

"ধ্বংসৰ মাজেৰে তুমি নতুন সমাজ, নতুন চিন্তা বিচাৰা!"

"নহলে অন্য উপায় নাই। বর্তমান আমাৰ দেশ এনে এক অৱস্থাত উপনীত হৈছেগৈ যি অৱস্থাৰপৰা ওভতাই অনাৰ অন্য কোনো উপায় নাই। সেই অৱস্থা আঁতৰোৱাৰ মাত্র এটাই উপায়—সেয়া হৈছে বর্তমান অৱস্থাটো সম্পূর্ণ ধ্বংস কৰি পেলোৱা।"

"তোমাৰ কথাবিলাক···"

"বুজা নাই নহয়?"

"বুজিছোঁ, কিন্তু পৰিষ্কাৰ হোৱা নাই···"

"পৰিষ্কাৰ কৰি কবলগা আচলতে একো নাই। কোনো মেল-মিটিং নহয়, কোনো পষ্টাৰ নহয়, কোনো শোভাযাত্রা নহয়, মাত্র তলে তলে, গোপনে গোপনে গঢ়ি তুলিব লাগিব ডেকাদল। কোনো পার্টিৰ প্রভাৱ নপৰা হব লাগিব সেই দল। সেই দলৰ প্রত্যেকজন ডেকা হব লাগিব সঁচা অর্থত সৎ, সংযমী আৰু সাহসী।"

অনির্বানৰ কথাবিলাক অশান্তইঁতে মন দি শুনি গ'ল। শৈলেশৰ ভাব হ'ল সি যেন ডিটেক্টিভ কিতাপৰ কোনো পৰহিতৱর্তী আখ্যা পোৱা বিখ্যাত ডকাইতৰ দলপতিৰ সমুখত থিয় হৈছে। দুখীয়াৰ ওপৰত অত্যাচাৰ কৰা শোষকবিলাকক নিজ হাতে শাস্তি দিবলৈ আগবঢ়া কোনো ডকাইতৰ অধিনায়কে যেন তাৰ আগত শোষকবিলাকৰ বিপক্ষে কেনেকৈ সংগ্রাম কৰিব তাৰ বিষয়ে কৈ গৈছে। অকল শৈলেশৰে নহয়, ৰকিম, মেদিনী, বিকুল, আটাইকেইটাৰে ভাব হ'ল এয়া যেন অনির্বান নহয়—ডিটেক্টিভ কিতাপৰ পৰহিতৱর্তী কোনোবা এজন ডকাইতৰ দলপতি।

"সেইবাবেই তোমালোকৰ ওচৰ চাপিছোঁহি।" অনির্বানে কৈ গ'ল, "ইতিমধ্যে আমি এটা সবল দল তৈয়াৰ কৰিছোঁ। এই দল সমগ্র দেশৰ ডেকাচাম। যথেষ্ট শিক্ষিত, যথেষ্ট পঢ়া-শুনা কৰা ডেকাৰে তৈয়াৰী এই দলত কোনো পার্টিৰ প্রভাৱ নাই, শাসন ক্ষমতাৰ প্রতি লোভ নাই,

আছে মাথো। নতুন চিন্তা, নতুন উত্তম। এদিন এই দলে সমগ্র দেশ জ্বলাই তুলিব।"

"কিন্তু তোমালোকে হিংসাৰ আশ্ৰয়-নলৈ…"

"অহিংসাৰে একো কাম নহব। অহিংসা মাত্ৰ ভীৰুৰ মন্ত্ৰ।"

"মহাত্মা গান্ধী, গান্ধীয়েতো দেশ স্বাধীন কৰিলে অহিংসাৰেই।"

"সঁচা কথা; অৱশ্যে দেশ স্বাধীনৰ পাচফালে আজাদ হিন্দ্ ফৌজ আৰু ভাৰতৰ ইমুৰৰপৰা সিমুৰলৈকে বিয়পি পৰা হিংসাত্মক কাৰ্য্যৰ অৰিহণাও আছে। সমগ্ৰ ভাৰতবাসীয়ে একেলগে হিংসাত্মক কাৰ্য্যৰে ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰা হলে ভাৰতবৰ্ষ আৰু সোনকালে স্বাধীন হলহেঁতেন আৰু সেই ভাৰতৰ ৰূপ এইখন ভাৰততকৈ বহু বেলেগ দেখিলাহেঁতেন। অন্ততঃ এইখন ভাৰতৰ যি অন্যায়-অত্যাচাৰ, দুৰ্নীতি-শোষণ সেয়া বহু পৰিমাণে কম হলহেঁতেন। আৰু মহাত্মা গান্ধীৰো ভুল হ'ল সেইখিনিতে। মহাত্মা গান্ধীৰে ভাব-চিন্তা অনুসৰণ কৰা মানুহ সমগ্ৰ পৃথিবীতে মাত্ৰ এজনেই আছিল আৰু সেইজন মহাত্মা গান্ধী নিজে। মহাত্মা গান্ধীয়ে ভাবিছিল, ভাৰতৰ সকলো মানুহ তেওঁৰ দৰেই প্ৰকৃত অৰ্থত সৎ। গান্ধীয়ে ভাবিছিলে, যিখন দেশ অহিংসাৰে স্বাধীন হব সেইখন দেশৰ মানুহ হৈ অহিংসা, মনৰ পবিত্ৰতাৰেই এখন ৰামৰাজ্য সৃষ্টি কৰিব। অথচ যিবিলাক মানুহৰ ওপৰত মহাত্মা গান্ধীয়ে বিশ্বাস কৰি গ'ল সেইবিলাক মানুহৰ এটা বস্তুৰ আটাইতকৈ বেছি অভাৱ আছিল—সেয়া মনৰ পবিত্ৰতা। সেইবিলাক মানুহৰ আটাইতকৈ সুন্দৰ দক্ষতা আছিল ফাকি দিয়াৰ। ফাকিৰে নিজৰ স্বৰূপ লুকুৱাই ৰখাৰ দৰে দক্ষ জাতি ভাৰতৰ বাহিৰে পৃথিবীৰ ক'তো নোপোৱা।" কথাখিনি কৈ অনিৰ্বানে বয়টোক মাতি এগিলাচ পানী খাই ললে। চিগাৰেট জ্বলালে। আকৌ কৈ গ'ল, "যাহওক, তেজৰ বিনিময়ত এই স্বাধীনতা নোপোৱাৰ বাবেই আজিৰ এইখন দেশত ইমান বেছি অন্যায়, অত্যাচাৰ, মনুষ্যত্বৰ অপমান, শোষণ। এইখন সমাজৰ একশ্ৰেণী মানুহৰ শিৰত যি তেজৰ সোঁত বৈছে সেই দুষিত তেজ সহজে আঁতৰোৱা নেযায়। তাৰ বাবে আৰু তেজৰ প্ৰয়োজন, জুইৰ প্ৰয়োজন।

"সমগ্ৰ দেশৰ ভাব-চিন্তা জ্বলাই দিয়া, দেখিবা তাৰ পিচত আমি মুক্তি পাইছোঁ", কথাখিনি কৈ অনিৰ্বানে এবাৰ পাচোটাৰ মুখলৈ চালে।

তুমি সঁচাকে পাগল হলা ·····" অশান্তই কৈ উঠিল।

"মই ভাবোঁ এতিয়াৰ যিবিলাক মানুহক পাগল বুলি ভবা হয় তেওঁলোকেই আটাইতকৈ সুস্থ।"

"তুমি ভাবা তোমাৰ এই বিদ্ৰোহ-সম্পূৰ্ণ সুস্থ চিন্তাৰ?"

"ভাবা নেকি তোমাৰ এই বিদ্ৰোহত সঁচাকে দেশবাসী লাভবান হব?"

"নিশ্চয় ভাবোঁ। খুউব ভালদৰে গভীৰভাৱে এই বিষয়ে বহু চিন্তা ইতিমধ্যে কৰা হৈ গৈছে। তাৰ পিচত আমি আগবাঢ়িছোঁ।"

"তুমি ভাবা নে তোমালোকৰ বিদ্ৰোহত সকলোৰে সহায় পাবা বুলি?"

নিশ্চয় ভাবোঁ। আজিৰ বেছি সংখ্যক মানুহ নিপীড়িত। এক তীব্ৰ বিদ্ৰোহৰ ভাব সকলোৰে মনত হেঁচা খাই আছে। আমি আগবাঢ়ি গলেই সকলো জপিয়াই পৰিব। এক অবৰ্ণনীয় বিদ্ৰোহৰ জন্ম হব। সমগ্ৰ দেশ ইমূৰৰপৰা সিমূৰলৈ জ্বলি উঠিব। তাৰ পিচত জন্ম হব নতুন সমাজ ব্যৱস্থা।"

॥ দহ ॥

"অশান্ত!" কেবিনটোত বিৰাজ কৰা মৌনতা ভঙ্গ কৰি বিকুলে মাত লগালে।

"হুঁ?"

"কি ভাবিছ?"

"অনিৰ্বানৰ কথা।" লাহেকৈ উত্তৰ দি অশান্তই আকৌ চিগাৰ হোঁপাত লাগিল। আকৌ কিছু সময় পাচোটা মৌন হৈ ৰ'ল। মনৰ মাজত এক নতুন ধৰণৰ কম্পনৰ সৃষ্টি কৰা অনিৰ্বানৰ কথাবিলাক ভালদৰে জুকিয়াই চোৱাৰ চেষ্টা কৰিলে।

মেদিনীৰ ধাৰণা হ'ল অনিৰ্বান পাগল। অশান্ত মেদিনীৰ ধাৰণাৰ লগত একমত হব নোৱাৰিলে। অশান্তৰ মতে অনিৰ্বানৰ কথাবিলাকৰ পাচফালে যথেষ্ট চিন্তা সোমাই আছে আৰু সেইবিলাকক গভীৰ চিন্তাই বুলিব পৰা যায়। কিন্তু শৈলেশে অশান্তৰ কথাত বাধা দি কৈ উঠিল, "স্বীকাৰ কৰিছোঁ, সি যথেষ্ট চিন্তা কৰে।" শৈলেশে মুখৰ ধোঁৱাবিলাক লাহে লাহে এৰি দি কৈ গ'ল, "কিন্তু সেই চিন্তা যথেষ্ট সন্দেহজনক। অনিৰ্বানৰ দৰে এটা চফল ডেকা ল'ৰাই মাত্ৰ দেশৰ কথা ভাবিয়েই ডেকা জীৱনৰ সকলো স্ফূৰ্তি আনন্দ এৰিব, কথাটো ভাবিবলৈ টান লাগে। অনিৰ্বানৰ দৰে এটা শিক্ষিত ল'ৰা, যাৰ সমুখত

ভবিষ্যত আছে, আনন্দ ফূৰ্তিৰ সপোন, জীৱনৰ সোৱাদ, মানে এটা এন্‌জয়েবোল লাইফৰ প্ৰতি মোহ থকাৰ প্ৰচুৰ সম্ভাৱনা আছে। আৰু এনে এটা বয়সত এই সকলোবিলাক এৰি মাত্ৰ দেশোদ্ধাৰ কৰিবলৈকে পগলা হৈ সকলো আনন্দ-ফূৰ্তি, আশা-আকাঙ্ক্ষা বাদ দিব—কথাটো কিছু ভাবিবলগা।"

"ওঁহো, আচলতে এইটো একো ডাঙৰ কথা নহয়। আচল কথা হ'ল মন আৰু তেজ" শৈলেশৰ কথাৰ প্ৰতিবাদ কৰি অশান্তই আৰম্ভ কৰিলে, "এনে বহু লোক আছে, যি নিজৰ দেশৰ কথা ভাবি ভাবি সকলো সুখ-সম্ভোগ বাদ দি পগলা হৈ যাব পাৰে। বুৰঞ্জীত এনেকুৱা উদাহৰণ যথেষ্ট আছে। কথাটো তোৰ অসম্ভৱ যেন লগাৰ প্ৰধান কাৰণ হল বৰ্তমান দেশসেৱাৰ নামত ওলোৱা দেশপ্ৰেমিকবিলাক ইমানেই বেছি ভণ্ড, ঠগ-প্ৰৱঞ্চক যে তেওঁলোকৰ ভণ্ডামিৰ ভিতৰত সঁচা দেশপ্ৰেমিক হেৰাই গৈছে।"

"কিন্তু অনিৰ্বান মূৰ্খ। যিটো পথেৰে সি দেশৰ অৱস্থা সলনি কৰিবলৈ গৈছে সেয়া অসম্ভৱেই নহয়, মূৰ্খামিও।"

"ওঁহো, খুব বেছি মূৰ্খামি বুলি কব নোৱাৰ। আমি সকলোৱে ভালদৰে অনুভৱ কৰিছোঁ আমি অসুখী, দেশৰ বেছিভাগ মানুহেই অনুভৱ কৰিছে যে তেওঁলোক এচাম দুষ্ট বুদ্ধিৰে পূৰ্ণ মানুহৰ দ্বাৰা শোষিত। এই শোষণৰপৰা প্ৰত্যেকেই মুক্তি বিচাৰে। অনুভৱ কৰিছে এই মুক্তি মাত্ৰ সম্ভৱ বিদ্ৰোহৰ দ্বাৰা। মানুহৰ মনত অথৰিটিৰ বিৰুদ্ধে এটা স্বাভাৱিক বিদ্ৰোহভাৱ সদায়ে আছে। সৰুতে আমি মা-দেউতাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিলোঁ। টকা দিব নোৱাৰ যদি জন্ম দিছিলি কিয় বুলি। কাৰৰ বিৰুদ্ধেও সেই একেই সহজাত বিদ্ৰোহ। শেষত ভগবান—চিফ অথৰিটি অব দা ৱৰ্ল্ড—ভগবানৰ বিৰুদ্ধে বিদ্ৰোহ। তাৰ পিচত আত্মহত্যা। আচল কথা, অথৰিটিৰ বিৰুদ্ধে প্ৰত্যেক মানুহৰ মনৰ গোপন কক্ষত এক বিদ্ৰোহ ভাব শুই থাকে।"

অনিৰ্বানৰ আগমনৰ পিচতেই চম্পালাল হোটেলৰ কেবিনত নতুন নতুন কথাৰ আলোচনা আৰম্ভ হ'ল। কোনোদিন যিবিলাক কথা ভবাৰ কথা এটায়ো চিন্তা কৰা নাছিল সেইবিলাক কথাই ভবা হ'ল, সেই কথাই আলোচনা কৰা হ'ল।

"বিদ্ৰোহ এটাৰ যে প্ৰয়োজন কথাটো সঁচা" বহু সময় মনে মনে থকা বিকুলে মাত লগালে, "কিন্তু এই বিদ্ৰোহৰ ভেটি ধ্বংসই যে হব লাগিব তাৰ কোনো মানে নাই।"

"কিয় ?"

"চা" বিকুলে কৈ গ'ল, "মানুহৰ মনৰ যি কুটিলতা, যি দুষিত চিন্তা, সেয়া জানো ধ্বংসৰেই শেষ হৈ যাব ? সংগ্ৰাম কৰি এখন চৰকাৰ ধ্বংস কৰি দিব পৰা যাব, খুউব বেছি এখন সমাজ ধ্বংস কৰি দিব পৰা যাব। কিন্তু তাৰ পিচতেই যি নতুন সমাজব্যৱস্থা গঢ়ি উঠিব সেইখন নতুন সমাজ যে এখন লোভ-মোহ-দুৰ্নীতিৰে পূৰ্ণ মানুহৰ লীলাভূমি নহব তাৰ কি নিশ্চয়তা আছে ?" চিগাৰেট এটা জ্বলাই লৈ বিকুলে কৈ গ'ল, "ধ্বংসই সব নহয়। ধ্বংসৰ ওপৰতো যিটো বস্তু সেয়া সৃষ্টি। প্ৰথম কথা আমি কিমান সৎ, কিমান সচেতন, কিমান পবিত্ৰ। আৰু বিপ্লৱৰ প্ৰয়োজন মাত্ৰ এইটো কথাৰ ওপৰতহে। আমাৰ দুষিত চিন্তাক প্ৰথমে ধ্বংস কৰাৰ প্ৰয়োজন। আৰু এই ধ্বংস সম্ভৱ মাত্ৰ নতুন সুস্থ চিন্তাৰ সৃষ্টিৰেহে। এটা বিপ্লৱৰ প্ৰয়োজন—সেই বিপ্লৱ কোনো ৰাজনৈতিক বিপ্লৱ নহয়, কোনো চৰকাৰৰ বিৰুদ্ধে নহয়, কোনো সমাজ ব্যৱস্থাৰ বিৰুদ্ধে নহয়, সেই বিপ্লৱ হব লাগিব আমাৰ চিন্তাৰ বিৰুদ্ধে।"

বিকুলৰ কথাবিলাকে অশান্তইঁতৰ চিন্তাত আকৌ কিছু খেলিমেলি লগালে। কথাবিলাক আকৌ ভাবিলে। আকৌ আলোচনা কৰিলে। পাঁচোটাৰ বাবে এইটোৱেই যেন আটাইতকৈ গুৰুত্বপূৰ্ণ আলোচনা।

অশান্তইঁত গুণ্ডা। মদ, জুৱা, মাৰপিটেই যেন জীৱন। সেয়াই যেন জীৱনৰ আচল সত্য। ইয়াৰ বাহিৰেও যে অন্য কিবা ভবা-চিন্তা কৰিবলগীয়া বিষয় থাকিব পাৰে এটায়ো কোনোদিন ভবা নাছিল। ভবাৰ প্ৰয়োজন বোধ কৰা নাছিল। কিন্তু সব খেলিমেলি লগাই দিলে অনিৰ্বানে। অনিৰ্বানেই যেন সিহঁতৰ ভাব-চিন্তাৰ এক অন্ধকাৰ গহ্বৰত এক নতুন পোহৰ পেলালে। আটাইকেইটাই অনুভৱ কৰিলে, মদ, জুৱা, মাৰপিটৰ বাহিৰেও অন্য এখন জগত আছে। আৰু এই অনুভৱৰ লগে লগে আটাইকেইটাই এটা সঁচাকৈ অনুভৱ কৰিলে অনিৰ্বানে সিহঁতৰ মনত যি নতুন চিন্তা সুমুৱাই দিলে, সেই চিন্তা যিমানেই সাংঘাতিক নহওক, যিমানেই মহান নহওক লাগে, সেইবিলাক চিন্তা আচলতে অশান্তইঁতৰ বাবে নহয়। অশান্তইঁতৰ বাবে এইবিলাক আচহুৱা, বিৰক্তিজনক, নীৰস আৰু অৰ্থকাৰী। অশান্তইঁতে অনুভৱ কৰিলে, এইবিলাক বিষয়ত তৰ্ক কৰা যায়, চিন্তা কৰা যায়, সমগ্ৰ দেশৰ সহস্ৰজনৰ মঙ্গলৰ খাতিৰত সকলো আনন্দ স্ফূৰ্তি বাদ দিয়াৰ দৰে চৰম ত্যাগো কৰা যায়, কিন্তু ইয়াৰ দৰে মূৰ্খামি আন একো নহব।

চম্পালাল হোটেলৰ পাঁচ নং কেবিনত বহি নানা ধৰণৰ আলোচনাৰ পিচত অশান্তইত এটা সিদ্ধান্তত উপনীত হ'ল—অনিৰ্বানক সিহঁতৰ কাষৰপৰা আঁতৰাব লাগিব। আটাইকেইটাই স্বীকাৰ কৰিলে অনিৰ্বানে সিহঁতক এক নতুন চিন্তাৰ লগত পৰিচয় কৰাই দিলে। যথেষ্ট ভাল কথা শিকালে। কিন্তু এইবিলাক ভাল কথাৰ বাবে অন্ততঃ সিহঁত নহয়।

অশান্তইত দৃঢ়প্ৰতিজ্ঞ হ'ল, ইতিমধ্যে সিহঁতৰ গাত পৰা অনিৰ্বানৰ প্ৰভাৱ সম্পূৰ্ণ আঁতৰাই পেলাব। প্ৰয়োজন হলে অনিৰ্বানৰ সঙ্গ সম্পূৰ্ণৰূপে এৰি পেলাব।

প্ৰথম অৱস্থাত কিছু অসুবিধা হ'ল। অনিৰ্বানক বুজাব লগা হ'ল। চিঞৰি চিঞৰি অশান্তই কব লগা হ'ল, "প্ৰত্যেক মানুহৰ ভাব-চিন্তা বেলেগ বেলেগ অনিৰ্বান! যিদৰে তুমি দেশৰ কথা ভাবি, বিপ্লৱৰ কথা ভাবি সকলো ত্যাগ কৰিব পাৰিছা, সেইদৰেই মদ, জুৱা, বেশ্যা, মাৰপিট আদিৰ বাবে আমিও সকলো ত্যাগ কৰিব পাৰিম।"

"কিন্তু তোমালোকতো এইখন সমাজৰে ডেকা। এইখন দেশতো তোমালোকৰ। হৰিদাসৰ বাবেতো তোমালোকৰো চকুপানী ওলাইছিল।" অনিৰ্বানে চেপাকণ্ঠে কৈ উঠিল।

"সেইবোৰ আমি নেজানো। চাফা কথা—আমি বিপ্লৱ-চিপ্লৱ এইবোৰ ফাণ্টু কথাত নালাগো। মদপানী খাই যি আছো তেনে হৈ থকাই বিচাৰো।"

"কিন্তু জানা, মদে বিবেক শূণ্য কৰে, মানসিক শাৰীৰিক অশান্তি বঢ়ায়, জুৱাই লোভী কৰে, সন্দেহবাদী কৰে। আৰু চফল ডেকা হৈ তোমালোকে এইখিনিৰ মুক্ত নহৈ……"

"ৰবা ৰবা অনিৰ্বান" মেদিনীয়ে বাধা দি কৈ উঠিল, "তুমি কেতিয়াবা মদ খাইছা?"

"নাই খোৱা।"

"জুৱা খেলিছা?"

"নাই খেলা।"

"বেশ্যাৰ ওচৰলৈ গৈছা?"

"নাই যোৱা।"

"তেনেহলে কৰিলা কিটো? তুমি জীবনক দেখাই নাই। আৰু পাগলৰ দৰে বিপ্লৱ কৰিবলৈ যোৱা?"

"মেদিনী! তোমালোকে মোৰ কথা বুজা নাই কিয়?"

"বুজি লাভ নহব।"

"কিন্তু যি মহৎ কামৰ বাবে…"

"কাণ্টু কাম বুলি কোৱা…"

"নহয় নহয় বকিম, তোমালোকে মদ এৰিবই লাগিব, জুৱা…"

"তুমি আকৌ ইহঁৰালা অনিৰ্বান। কাৰো কথা শুনাৰ অভ্যাস আমাৰ নাই…"

"শুনা হলে ইক্ৰামকাইৰ কথাই শুনিলোঁহেঁতেন।"

"জানা অনিৰ্বান, মোৰ দেউতা মৰাৰ দুঘণ্টাৰ পিচত চাল্লা দুই বটল খাই দিলোঁ।…"

"মদ খাই জুৱা খেলি তোমালোকে এই ডেকা শক্তিক…"

"বাদ দিয়া তোমাৰ লেক্‌চাৰ, বিপ্লৱ কৰি দেশ উদ্ধাৰ কৰাত আমি নাই।"

"ভীৰু কাপুৰুষ তোমালোক" উত্তেজিত কণ্ঠে অনিৰ্বানে কৈ উঠিল।

"এইখন নগৰত আমাক সবেই সাহসী বুলিয়েই কয়…"

"তোমালোকে আত্মহত্যা কৰা উচিত…" চেপাকণ্ঠে অনিৰ্বানে চিঞৰি উঠিল।

"চোৱা অনিৰ্বান…" বহু সময় একান্তমনে চিগাৰ হুপি থকা অশান্তই গম্ভীৰ স্বৰেৰে মাত লগালে, "তোমাক পৰিষ্কাৰকৈ কৈ দিওঁ তোমাক আমাৰ ভাল লাগিছিল। তুমি আমাতকৈ বহু বেছি ভাল, বহু ওপৰত। তুমি ভাল কথা ভবা-চিন্তা কৰা, সঁচা অৰ্থত তুমি দেশক ভাল পোৱা, অজস্ৰজনৰ দুখত দুখী হব পাৰা, অজস্ৰজনৰ কান্দোনক নিজৰ কান্দোন বুলি ভাবিব পাৰা, আনৰ সুখৰ কথা ভাবি নিজৰ সকলো সুখ-শান্তিৰ কথা পাহৰি যাব পাৰা, অথচ আমি তোমাৰ সম্পূৰ্ণ ওলোটা। আমি গুণ্ডা। আমাৰ লোভ, কাম, ক্ৰোধ সকলো আছে। এইবোৰ দমন কৰাৰ শক্তি আমাৰ নাই। আমি আনন্দ বিচাৰোঁ, জীৱনৰ চৰম আনন্দ বিচাৰোঁ। ইয়াৰ বাবেই মা-দেউতা সকলোৰে শাসন এদিন অতিক্ৰম কৰিলোঁ। আৰু আজি এটা স্বকীয়া জীৱন পাইছোঁ যি জীৱনৰ মাজেৰে মাথো বিচাৰিছোঁ জীৱনৰ চৰম আনন্দ, চৰম স্ফূৰ্তি।" সকৰে কাহ এটা মাৰি অশান্তই কৈ গ'ল, "জানা অনিৰ্বান, যি কামৰ বাবে তুমি আমাৰ সহায় বিচাৰিছা, নিঃসন্দেহে সেয়া মহৎ কাম। অজস্ৰজনৰ দুখত তুমি কান্দিব পাৰিছা, আনৰ দুখক তুমি বৰণ কৰি লব পাৰিছা এইটো সাধাৰণ কথা নহয়।

কিন্তু আটাইতকৈ ডাঙৰ কথা হ'ল, এইবিলাক কামৰ বাবে আমি সম্পূর্ণ অযোগ্য। স্বার্থত্যাগৰ বাবে আমাৰ জন্ম নহয়। সকলো সুখ-শান্তি ত্যাগ কৰি অজস্রজনৰ বাবে নিজক বলি দিবৰ বাবে আমাৰ জন্ম নহয়। সেইখিনি কৰিব পৰা হলে সুখী হলোঁহেঁতেন। কিন্তু নোৱাৰোঁ।" চিগাৰেটত এটা দীঘলীয়া হোপা মাৰি অশান্তই কৈ গ'ল, "হৰিদাসে আমাৰ অন্তৰত কন্তেকৰ বাবে আঘাত দিব পাৰিলেও এতিয়া বহুত নিষ্ঠুৰ কাম নিজহাতে কৰিব পাৰিম। হৰিদাসৰ দৰে মানুহৰ বাবে এতিয়া আৰু দুখ নেলাগে। আচল কথা, আনৰ বাবে কান্দিব পৰা, আনৰ দুখত দুখী হোৱা নাইবা আনৰ বাবে কৰিবলৈ যি সাহসৰ প্রয়োজন সেই সাহস আমাৰ নাই। জানা অনির্বান" অনির্বানৰ চকুত চকু থৈ অশান্তই কৈ উঠিল, "আমাৰ মা-দেউতাক আমি যিখিনি যন্ত্রণা দি আহিছোঁ, সেইখিনিৰ বর্ণনা শুনিলেও তোমাৰ ঘিণ লাগিব। মা-দেউতাৰ বহু চকুপানী উলিয়াই আহি আজি আমি এইখিনি অৱস্থা পাইছোহি। কিন্তু বিশ্বাস কৰা," ফিচ্‌ফিচকৈ অশান্তই কৈ গ'ল, "মা-দেউতাৰ চকুপানী দেখি দুখ লাগিব পৰা অনুভূতিকণো আমাৰ নাছিল।" শেষৰ বাক্যটো কওঁতে অশান্তৰ কণ্ঠস্বৰ যথেষ্ট করুণ শুনাইছিল, সামান্য কঁপি উঠিছিল। এটা হুমুনিয়াহ কাঢ়ি অশান্তই আকৌ কৈ গ'ল, "আমাৰ দৰে একোটাইত জঘন্য ল'ৰা ঘপকৈ সম্পূর্ণ সলনি হৈ যোৱাটো সহজ কথা নহয়। বিশ্বাস কৰা, মাজে মাজে সলনি হৈ যোৱাৰ ইচ্ছা আমাৰো হয়, অথচ সলনি হব নোৱাৰোঁ। গল্প-উপন্যাসত এইবিলাক সম্ভৱ হব পাৰে। কিন্তু সৰুৰেপৰা এটাৰ পিচত এটাকৈ অপকর্ম কৰি অহা কেইটামান গুণ্ডাই তৎক্ষণাতে লোভ-মোহ-কাম-ক্রোধ মুক্ত হৈ দেৱতা হৈ যোৱাটো বাস্তৱ জীৱনত অসম্ভৱ।" অনির্বানৰ বাউসিত সোঁহাতখন থৈ কৈ গ'ল, "তুমি যোৱা অনির্বান, তোমাক অনুৰোধ কৰিছোঁ আমাৰ কাষৰপৰা তুমি আঁতৰি যোৱা..."

"তোমাৰ কথাবিলাকত যথেষ্ট যুক্তি আছে," অনির্বানে আৰম্ভ কৰিলে, "কিন্তু সকলো কথা সদায়ে যুক্তিৰে বিচাৰ কৰা নাযায়। আফ্‌টাৰ অল তুমি মানুহ। মন, বিবেক, চিন্তা কৰা শক্তি এই আটাইবিলাকেৰে তুমি মানুহ তুমি ইচ্ছা কৰিলে কি কৰিব নোৱাৰা ?"

"আহ! তুমি নুবুজা কিয়? ইচ্ছা ইচ্ছা ইচ্ছা" বিৰক্তিৰে অশান্তই কৈ উঠিল, "বিশ্বাস কৰা, ইচ্ছা বহুত কৰিলোঁ, কিন্তু ভাগৰি পৰিছোঁ।"

"নহয় নহয়, তোমালোকে চেষ্টা কৰিব লাগিব ..."

"ক্ষমা কৰিবা…"

"ক্ষমাৰ কথা নহয়…তোমালোকে নিজক সংযত কৰিবই লাগিব তোমালোক ডেকা…"

"তাৰ মানে তুমি আমাৰ মৃত্যু বিচাৰা ?"

"মৃত্যু ? কি কৈছা এইবিলাক ?"

"মৃত্যু নহয় কি ? মাৰপিট, গুণ্ডামি এৰি দিয়াৰ পিচত আমাক কোনে পাত্তা দিব ? কোনে ভয় কৰিব ? আমি সৰবে ওচৰত তল হৈ থাকিম, আমাক কোনে সন্মান কৰিব ?"

"কিন্তু মাৰপিট নকৰাকৈয়ো জানো মানুহে সন্মান পোৱা নাই ?"

"কিন্তু এইখন নগৰত আমাৰ যি সন্মান সেই সন্মান কাৰ আছে ? সেই সন্মান আমি কেতিয়াও হেৰুৱাব নিবিচাৰোঁ…"

"নহয় নহয় বকিম…"

"হয় হয়, তুমি আঁতৰি যোৱা।"

"নহয় বিকুল, শৈলেশ…তোমালোকক হাতযোৰ কৰিছোঁ…"

"ব'ল অশান্ত" অশান্তলৈ চাই বকিমে কৈ উঠিল, "এতিয়াই দুই বটল খাই দিওঁগৈ।"

"নহয় নহয়, তোমালোক যাব নোৱাৰা বকিম"…অনিৰ্বানে হাত দুখন মেলি আগচি ধৰিলে।

"বাট এৰি দিয়া অনিৰ্বান" কৰ্কশ স্বৰেৰে অশান্তই কৈ উঠিল। অশান্তৰ মুখত ফুটি উঠিল এক অবৰ্ণনীয় নিষ্ঠুৰতা।

"আঁতৰি যোৱা অনিৰ্বান…" বিকুলে গৰ্জি উঠিল।

"নোৱাৰা যাব তোমালোক…"

"কি ?" মেদিনীয়ে হুঙ্কাৰ তুলিলে।

আৰু সেই মুহূৰ্ত্ততে অশান্তই অনিৰ্বানৰ মুখত এটা ঘোচা বহুৱাই দিলে। অনিৰ্বান মাটিত বাগৰি পৰিল।

"ব'ল" নিৰ্বিকাৰভাৱে মেদিনীহঁতলৈ চাই অশান্তই কৈ উঠিল। মাটিত পৰি যোৱা অনিৰ্বানলৈ নোচোৱাকৈ অশান্তহঁত হোটেলৰপৰা ওলাই গ'ল।

॥ এঘাৰ ॥

অনির্বান।

এটা গলগ্ৰহ। এটা পাগল। এটা কমিউনিষ্ট। এটা টেৰৰিষ্ট। একুৰা জুই। পাঁচোটাই বিভিন্ন ধৰণেৰে অনির্বানৰ কথা ভাবিলে।

মাত্ৰ এটা নামেই অশান্তইতৰ মনত বিভিন্ন সময়ত বিভিন্নভাৱে ক্ৰিয়া কৰিলে। অনির্বানে যেন এটা অদৃশ্য শক্তিৰ সহায়ত অশান্তইতক কিছু দুৰ্বল কৰি পেলাইছে—অশান্তইঁতে অনুভৱ কৰিলে। অনুভৱ কৰিলে সিহঁতৰ সাহস, উদ্যমত যেন ক্ষীণ বাধাৰ সৃষ্টি কৰিছে।

হোটেল ইণ্ডিয়ালৈ সোমাই যাওঁতেও আটাইকেইটাৰে মন অনির্বানৰ কথাই আচ্ছন্ন কৰি ৰাখিছিল।

ৰাতিৰ আন্ধাৰৰ বুকুত নগৰখন যেতিয়া শুই পৰে, তমুজা হোটেলৰ দৰে ৰাতিৰ মায়াত প্ৰাণ পাই উঠা এইখন নগৰৰ আনখন হোটেল—হোটেল ইণ্ডিয়া। ৰহস্যময়ী নাৰীৰ দৰে ৰহস্যময় এইখন হোটেলৰপৰা বিচ্ছুৰিত হৈ পৰা নিয়ন লাইটৰ শীতল পোহৰ আৰু বিচেপচনিষ্ট কাউণ্টাৰৰ কাষতে থকা প্ৰকাণ্ড ৰেডিঅ'গ্ৰামটোৰ ইংৰাজী সংগীতৰ মূৰ্ছনাই পৰিবেশ চঞ্চল কৰি তোলে।

ওপৰমহলাৰ লাউঞ্জত অশান্তইঁত বহাৰ সময়ত বেৰৰ ওৱাল ক্লকটোত ৰাতি এঘাৰ বজাৰ সংকেত দিলে।

ওৱেটাৰ আহিল। পানীয় আনিলে। চৌদা আহিল, লেমন কৰ্ডিয়েল আহিল, মাংস আহিল, ফ্ৰাইড ৰাইচ আহিল।

চামুচেৰে ফ্ৰাইড ৰাইচ মুখত সুমুৱাই গিলাচৰ পানীয়ত আটাইকেইটাই শোহা মাৰিলে। প্লেটত চামুচৰ খুন্দা লাগি হোৱা টুং টাং শব্দৰ বাহিৰে অন্য শব্দ নাই। কথা পতাৰ ইচ্ছা যেন আটাইকেইটাই হেৰুৱাই পেলাইছিল।

একেবাহে মগজুৰ গহ্বৰত যেন এটা নামেই তোলপাৰ লগাই আছিল—সেয়া অনিৰ্বান।

আৰু ঠিক সেই সময়তে কাষৰ কোনোবা কোঠা এটাৰপৰা অহা ছোৱালীৰ চেপা চিঞৰ এটা আটাইকিটাৰে কাণত পৰিলহি। এক মুহূৰ্তৰ বাবে ইটোৱে সিটোৰ মুখলৈ চালে। চেলাউৰি থুপ খালে। মুহূৰ্ততে বহাৰপৰা উঠি চিঞৰটো অহাৰ ফালে দৌৰি গ'ল।

সাত নম্বৰ কোঠাটোৰ সমুখ পাওঁতেই আকৌ এটা চেপা চিঞৰ শুনি অশান্তইত বৈ গ'ল। সাত নম্বৰ কোঠাটোৰ দুৱাৰৰ ওচৰলৈ গ'ল। ভিতৰত ফুচ্‌ফুচনি। অশান্তই দুৱাৰত সজোৰে টোকৰ মাৰিলে।

"কোন?" ভিতৰৰপৰা কৰ্কশ কণ্ঠস্বৰ ভাঁহি আহিল। মাত শুনি অশান্তই বুজিলে সেয়া বিখ্যাত জুৱাৰী মইনুদ্দিনৰ মাত। অশান্তই গম্ভীৰ স্বৰে কলে, "মই অশান্ত, দুৱাৰ খোল।"

ভিতৰত ক্ষন্তেক ফিচ্‌ফিচকৈ কথা-বতৰা হ'ল। তাৰ পিচত দুৱাৰখন সামান্য ফাঁক কৰি মইনুদ্দিনে বাহিৰলৈ চাই অশান্তক লাহেকৈ কলে, "আহ।" অশান্তইত সোমাই গ'ল।

কোঠাটোত মইনুদ্দিন আৰু হোটেলৰ মালিক বীৰেন্দ্ৰ সিংহ। মজিয়াত উলঙ্গপ্ৰায় দুজনী গাভৰু।

অশান্তইতৰ উপস্থিতিত মইনুদ্দিন বা বীৰেন্দ্ৰ সিংহই বিৰক্তি পালে যদিও ভয় নেখালে। দুয়ো ভালদৰে জানে এইবোৰ কামত অশান্তইতৰ আপত্তি নাই। মাত্ৰ ভাগ পালেই হৈ যায়।

দুৱাৰৰ খিলটো লগাই মইনুদ্দিনে অশান্তলৈ চাই হাঁহি এটা মাৰি কৈ উঠিল, "সাংঘাতিক ছোৱালী ভাই, গাত হাতেই দিব নোৱাৰি।"

"ক'ৰ ছোৱালী?" গম্ভীৰ স্বৰেৰে অশান্তই সুধিলে।

"বহুত দূৰৰ গাৱঁৰ।" বীৰেন্দ্ৰ সিংহই মাত লগালে, "আজি উভতি যোৱাৰ কথা আছিল। কায়দা কৰি ৰাখিলোঁ। চিনেমা দেখুৱালোঁ।"

"ওঁ।"

"আপোনালোকক পোৱা হলে আগতেই খবৰ দিলোহেঁতেন" অশান্তক ভালৰি লগাবলৈ যে কথাটো কলে আটাইকিটাই বুজিলে।

বীৰেন্দ্ৰ সিংহৰ বাক্যটো শেষ হোৱাৰ লগে লগে এজনী ছোৱালীয়ে অকস্মাৎ অশান্তৰ ভৰি দুটাত সাৱটি ধৰি কৈ উঠিল, "আমাক ৰক্ষা কৰক

ককাইদেউ, ৰক্ষা কৰক। বদমাচি কৰি আমাক আনি অত্যাচাৰ কৰিছে—" কথাখিনি কৈ ছোৱালীজনীয়ে হুকহুকৈ কান্দি দিলে। অশান্তই লৰালৰিকৈ কিছু পাচুৱাই আহিল। ছোৱালীজনীলৈ নোচোৱাকৈ গম্ভীৰ স্বৰেৰে কলে, "বিছনাত বহাগৈ। নেকান্দিবা।"

ছোৱালী দুজনী উঠিল। গাৰ কাপোৰ-কানি ঠিকঠাক কৰি বিছনাত বহিল।

অশান্ত মইনুদ্দিনৰ সমুখলৈ আহিল। এক মুহূৰ্ত মইনুদ্দিনৰ চকুলৈ চালে। তাৰ পিচত মইনুদ্দিনক অবাক কৰি মুখত এটা ঘোচা বহুৱাই দিলে। মইনুদ্দিন মাটিত বাগৰি পৰাৰ লগে লগে বীৰেন্দ্ৰ সিংহৰ কাষত বৈ থকা ৰকিমে এটা ঘোচা বীৰেন্দ্ৰ সিংহৰ মুখত বহুৱাই দিলে। বীৰেন্দ্ৰ সিংহ মজিয়াত বাগৰি পৰিল।

ছোৱালী দুজনীয়ে পৰম বিস্ময়েৰে ঘটনাটো চাই থাকিল। মইনুদ্দিন আৰু বীৰেন্দ্ৰ সিংহক মেদিনী আৰু ৰকিমে চোচোৱাই বাহিৰলৈ উলিয়ালে। অশান্তই ছোৱালী দুজনীলৈ চাই গম্ভীৰভাৱে কলে, "তোমালোকে ভয় নকৰিবা ভন্টী। ভিতৰৰপৰা খিল্ লগাই শুই থাকা। কালিলৈ পুৱা ঘৰলৈ যাবলৈ হোটেলৰ মেনেজাৰে সকলো ব্যৱস্থা কৰি দিব। ভয় নকৰিবা, এইবিলাক কথা কোনেও গম নেপায়।" তাৰ পিচত ছোৱালী দুজনীক একো কোৱাৰ সুযোগ নিদি অশান্ত কোঠাৰপৰা ওলাই আহিল। কোঠাৰ দুৱাৰখন বাহিৰৰপৰা জপাই দিলে। আটাইকেইটা মেনেজাৰৰ ওচৰলৈ আহিল। পুৱা ছোৱালী দুজনী যাতে ঘৰলৈ যোৱাৰ সকলো ব্যৱস্থা কৰি দিয়ে, কৈ গ'ল। অশান্তইতে জানে, মেনেজাৰে অশান্তৰ প্ৰত্যেকটো বাক্য মানিব।

বাটত আহি থাকোঁতে অশান্তই আকৌ ভাবিলে, ছোৱালী দুজনীৰ আগত কথা কওঁতে কিয় ইমান কষ্ট হৈছিল, ভন্টী বুলি কওঁতে কিয় বুকুখন কোঁচ খাই যোৱা যেন লাগিছিল। ইয়াৰ কাৰণ অশান্তই বিচাৰি নেপালে। অথচ আটাইকিটাই সমানে অনুভৱ কৰিলে সিহঁতৰ দুৱাৰত মৃত্যুৱে যেন টোকৰ মাৰিছে। সেই টোকৰৰ ক্ষীণ আৱাজত যেন আটাইকিটা আতংকিত হৈ উঠিল।

বৈচিত্ৰ্যময় মানুহৰ জীৱন। কেতিয়া কোন মুহূৰ্তত কেনেদৰে কাৰ জীৱনে কি গতি লয় কোনেও গম নেপায়। কোনোদিন নভৱা, কোনোদিন কল্পনা নকৰা একোটাইত অবিশ্বাস্য ঘটনা কোনো দুৰ্বল মুহূৰ্তত মানুহৰ জীৱনলৈ

আহি পৰে আৰু একো ভুবুৱাকৈয়ে, অলপো ভাবিবৰ বা বুজিবৰ অৱকাশ নোপোৱাকৈয়ে মানুহৰ জীৱন এক সম্পূৰ্ণ নতুন গতিত গুচি যায়। তাৰ বাবে আচলতে কোনো সাজু নাথাকে। একোটাইত ভুৰ্ঘটনাৰ দৰেই এই আকস্মিক মুহূৰ্তবোৰ আহে আৰু একোটাইত দুৰ্ঘটনাৰ দৰেই জীৱনে এক নতুন দিশত গুচি যায়। দুৰ্ঘটনাৰ পিচত কৰিবলগীয়া একো নথকাৰ দৰেই জীৱনলৈ অহা এই নতুন সংঘাতৰ বাবে কৰিবলগীয়া একো নাথাকে।

সংসাৰ ৰঙ্গমঞ্চত যেন এই সকলোবিলাক ঘটনা-দুৰ্ঘটনাৰ অভিনয় নিতৌ হৈ আছে। একোজন অদৃশ্য পৰিচালকে যেন হাতত স্ক্রিপ্ট্ বুক্ লৈ নিৰ্দেশ দি গৈছে, এনে কৰা, এনে নকৰিবা; সেইফালে যোৱা, এইফালে চোৱা। অদৃশ্য পৰিচালকৰ নিৰ্দেশতেই যেন সকলোৱে হাঁহিছে, প্ৰয়োজনত কান্দিছে। ইমান সময়ত অমুকজনে হাঁহিব, অমুকজনে কান্দিব লাগিব, এইবিলাক যেন সেই অদৃশ্য পৰিচালকে নিৰ্দেশ দি গৈছে। অভিনয় কৰা বিলাকে মাত্ৰ কৰি গৈছে। নিজৰ ভাব-চিন্তা, ইচ্ছা-অনিচ্ছা সকলোবিলাক আঁতৰাই মাত্ৰ অভিনয় কৰি গৈছে। তাৰ বাহিৰে যেন কৰিবলগা একো নাই।

হৰিদাস মাৰৰ ঘৰৰপৰা তলমূৰ কৰি ওলাই অহা, 'হোটেল ইণ্ডিয়া'ৰ ছোৱালী দুজনীৰ কাষৰপৰা আঁতৰি অহা নাইবা অনিৰ্বানৰ হাতত মাৰ খোৱাৰ পিচতো তাৰ প্ৰতি দুৰ্বলতা জন্মা—এইবিলাক কথা অশান্তইতৰ জীৱনত যে কেতিয়াবা হব কোনোদিন এটায়ো কল্পনা কৰা নাছিল। অথচ এটায়ো অলপো চিন্তা কৰাৰ অৱকাশ নোপোৱাকৈয়ে হৰিদাসৰ দুখত দুখী হৈছিল, হোটেল ইণ্ডিয়াৰ ছোৱালী দুজনীক নিজেই আশা নকৰা ধৰণৰ ব্যৱহাৰ কৰিছিল আৰু অনিৰ্বানৰ প্ৰতি দুৰ্বল হৈছিল। এক অন্তঃপ্ৰবাহিত শক্তিয়ে যেন অশান্তইতৰ নিষ্ঠুৰ মনৰ ওপৰত লাহে লাহে প্ৰভাৱ বিস্তাৰ কৰি গ'ল। আৰু আটাইকেইটাই অনুভৱ কৰিলে এই শক্তিৰ পাচফালে আছে অনিৰ্বান।

অনিৰ্বান!

অনিৰ্বানৰ নামটো মনলৈ অহাৰ লগে লগে আটাইকেইটা উত্তেজিত হৈ পৰে। অনিৰ্বান নামটো মনলৈ অহাৰ লগে লগে যেন এক আচৰিত শক্তিৰ প্ৰভাৱত আটাইকেইটা দুৰ্বল হৈ পৰে।

তমুজা হোটেলৰ আওহতীয়া কোঠা এটাত বহি সমুখত মদৰ বটল লৈ আটাইকেইটাই অনুভৱ কৰিলে মদ খাবলৈও যেন উৎসাহ নাইকিয়া হৈ গৈছে।

স্ফূৰ্তি কৰিবলৈ যেন মন নোযোৱা হ'ল। হাঁহিবিলাক যেন খোলোচা নহয়। এক অসহনীয় মানসিক যন্ত্ৰণা।

"বাৰ" অশান্তই ৰকিমলৈ চাই লাহেকৈ কলে।

ৰকিমে গিলাচকেইটাত বটলৰ পানীয় বাকি প'ল।

আৰু যি মুহূৰ্ততে গিলাচবিলাক প্ৰত্যেকটোৱে দাঙি ওঁঠত লগাইছিল, সেই মুহূৰ্ততে কোঠাৰ দুৱাৰ খুলি সোমাই অহা অনিৰ্বানলৈ চাই আটাইকেইটা বৈ প'ল।

"তুমি ?" খং আৰু বিৰক্তিৰে অশান্তই চেপা কণ্ঠে গৰ্জি উঠিল।

"কি লাগে ইয়াত ?" বিকুলে কৰ্কশ মাতেৰে সুধিলে।

"তোমালোকৰ ওচৰলৈ আহিছোঁ।" বাক্যটো কৈ অনিৰ্বান আগবাঢ়ি আহিল।

"কিয় ?"

"তোমালোকে মদ নেখাবা⋯"

"কি ?" ৰকিমে গৰ্জি উঠিল।

"তোমালোকক অনুৰোধ কৰিছোঁ, তোমালোকে মদ নেখাবা।"

"আমি যিয়েই নকৰোঁ তুমি ভাবিবলৈ কোন ?"

"বন্ধু। বন্ধু হিচাপেই তোমালোকৰ ওচৰলৈ আহিছোঁ।"

"যোৱা তুমি। আমাৰ কোনো বন্ধু নাই"⋯অশান্তই প্ৰায় চিঞৰি কলে।

"কিন্তু তোমালোকক আমাৰ প্ৰয়োজন⋯"

"চুপ থাকা," ৰকিমে গৰ্জি উঠিল, "ওলাই যোৱা, ওলাই যোৱা⋯"

"যাম। কিন্তু তোমালোকে আজি মদ খাব নোৱাৰা। সংযম কৰা।"

"গুলী মাৰা তোমাৰ সংযম। ওলাই যোৱা।" বাক্যটো কৈ মেদিনীয়ে হাতৰ গিলাচৰ পানীয়কণ মুখত ঢালি দিলে।

"নেখাবা"—অনিৰ্বানে চিঞৰি উঠিল।

অশান্তই গিলাচটো ওঁঠত লগালে। লগে লগে অনিৰ্বানে অশান্তৰ হাতৰ গিলাচটো কাঢ়ি চুকলৈ দলিয়াই দিলে। টেবুলৰ বটলটো আনখন হাতেৰে চুকলৈ দলিয়াই দিলে।

খণ্ডত আটাইকেইটা জ্বলি উঠিল। মুখবিলাক খণ্ডত বিকৃত হ'ল। গাৰ জোৰেৰে মেদিনীয়ে অনিৰ্বানৰ মুখত এটা ঘোচা মাৰিলে। মেদিনীৰ ঘোচাৰ ভৰ সহ্য কৰিব নোৱাৰি অস্ফুট উচ্চাৰণ কৰি অনিৰ্বান মেজত ঢলি পৰিল।

লগে লগে কলাবত ধৰি অনিৰ্বানক থিয় কৰাই বকিমে এটা ঘোচা মুখত বহুৱালে। অনিৰ্বান বিকুলৰ গাত ঢলি পৰিল। বিকুলে লগে লগে এটা ঘোচা মাৰিলে। মাটিত পৰি নেযাওঁতেই শৈলেশে ধৰি আৰু এটা ঘোচা মুখত বহুৱাই দিলে। অনিৰ্বান মাটিত বাগৰি পৰিল। অশান্তই সোঁহাতেৰে কলাবত ধৰি অনিৰ্বানক থিয় কৰাই শেষ ঘোচাটো মৰাৰ সময়ত অনিৰ্বানৰ মুখখন চিনিব নোৱাৰা হৈছিল।

সমগ্ৰ মুখমণ্ডল তেজেৰে ৰঙা হৈ গ'ল। নাকটো চেপেটা হৈ গ'ল। দাঁত সৰিল। গাল আৰু কপালৰ কেইবা অংশ ফাটি গ'ল।

অজ্ঞান হৈ অনিৰ্বান মজিয়াত ঢলি পৰিল।

কোঠাটোৰপৰা অশান্তইঁত ওলাই আহিল।

নিজৰ মনকে প্ৰত্যেকটোৱে সান্ত্বনা দিলে, সিইঁত গুণ্ডা। মাৰপিট কৰোঁতে চিন্তা কৰিলে, সংকোচ কৰিলে সিইঁতৰ পতন হব। সিইঁত পাঁচটাই পাঁচটাৰ আপোন। তাৰ বাহিৰে সিইঁতৰ কোনো আপোন নাই। কোনো আত্মীয় নাই। কোনো বন্ধু নাই। সব শত্ৰু। অনিৰ্বান শত্ৰু। মাক-দেউতাক শত্ৰু। সমাজ শত্ৰু। সমগ্ৰ পৃথিবী শত্ৰু। শত্ৰুৰ বিৰুদ্ধে সদায় নিষ্ঠুৰ হোৱা উচিত। নহলেই পতন।

সিইঁত আগবাঢ়ি যাব।

অথচ বৈ গৈছিল। আগবঢ়াৰ প্ৰবল চেষ্টাৰ পিচতো যেন এক অদৃশ্য শক্তিয়ে বাধা দিলে। অশান্ত, বিকুল, মেদিনী, শৈলেশ, বকিম নিষ্ঠুৰ গুণ্ডা হৈয়ে বৈ গ'ল। আৰু যি মুহূৰ্ততে বৈ গৈছিল সেই মুহূৰ্ততে যেন আটাইকেইটাৰে জীৱনৰ মৃত্যু হ'ল।

তমুজা হোটেলত অনিৰ্বানক অজ্ঞান কৰি অশান্তইঁত ওলাই অহাৰ পিচত হোটেলৰ মানুহে অনিৰ্বানক হস্পিটাললৈ লৈ গৈছিল। হস্পিটাললৈ নিয়াৰ দুঘণ্টাৰ পিচত অনিৰ্বানৰ জ্ঞান আহিছিল। অনিৰ্বানৰ নাক ফাটি গৈছিল। ওপৰ পাৰিৰ দুটা দাঁত সৰিল। গাল আৰু কপালৰ কেইবা অংশও ফাটি গ'ল। বাওঁ চকুৰ তল অংশ ফুলিছিল।

পিচদিনা গধূলি চম্পালাল হোটেলৰ পাঁচ নং কেবিনত বহি অশান্তইঁতে অনিৰ্বানৰ বিষয়ে সকলো খবৰ ললে। অনিৰ্বানৰ জখমৰ সকলো বৰ্ণনা পোৱাৰ পিচত শৈলেশে কলে, "যাবি নেকি এবাৰ ?"

"মানে ?"

"অনিৰ্বানৰ ওচৰলৈ..."

"কিয় যাব ?" অশান্তই গৰ্জি উঠিল, "তাক পাহৰি যোৱাৰ চেষ্টা কৰ। জীৱনততো বহুতক মাৰিছ, মাৰি কাৰোবাৰ খবৰ লবলৈ গৈছ ?"

"প্ৰয়োজন হলে তাক আকৌ মাৰিম।" ৰকিমে কৈ উঠিল।

"অৱস্থাভেদে নিষ্ঠুৰ নহলে আমাৰ পতনৰ সম্ভাৱনা আছে" বিকুলে কলে।

"বৈ, গনিৰ তালৈ বহুদিন যোৱা নাই, তালৈকে যাওঁ" অশান্তই কৈ উঠিল। অশান্তৰ কথাৰ দ্বাৰা আটাইকেইটাই পৰিষ্কাৰকৈ বুজিলে, মুখেৰে কলেও অনিৰ্বানৰ কথাই যদি কাৰোবাৰ মনত বেছি খেলিমেলিৰ সৃষ্টি কৰিছে সেয়া অশান্তৰ মনত। আটাইকেইটাই ভালদৰে জানে অনিৰ্বানক আটাইতকৈ বেছি ভাল পাইছিল অশান্তই। আটাইকেইটাই বুজিলে গনিৰ ঘৰৰ জুৱাৰ আড্ডাত বহি যেন অশান্তই অনিৰ্বানৰ কথা পাহৰাৰ চেষ্টা কৰিব।

নগৰখনৰ মূল চাৰিআলিটোৰ সোঁকাষেৰে সোমাই যোৱা গলিটোৱেই নগৰখনৰ এটা কুখ্যাত গলি। গধূলিৰ লগে লগে এইটো গলিয়ে ৰূপ সলায়। ভদ্ৰলোকৰ আহযাহ বন্ধ হৈ যায়।

গলিটোৰ প্ৰধান জুৱাৰ আড্ডা গনিৰ ঘৰত অশান্তইঁত সোমাল।

হাতত তাচপাত লৈ বহি গ'ল।

চাৰি অনা বৰ্ড, চাৰি অনা ব্লাইণ্ড, পাঁচ টকা হিট।

খেলা লাহে লাহে জমি উঠিল। ভঙা পইচাৰ ঝনঝননি বাঢ়ি আহিল। আৰু যি সময়ত কেইবা দানো ব্লাইণ্ড দি পাত তিনিটা হাতলৈ তুলি অশান্তই দ্বিতীয় পাতটোৰ চুক এটা উলিয়াই চোৱাৰ চেষ্টা কৰিছিল সেই সময়তেই ৰকিমৰ চেপা গৰ্জনত পাতৰপৰা চকু তুলি দুৱাৰলৈ চালে।

কোঠাটোৰ দুৱাৰখন সামান্য ফাঁক কৰি সোমাই আহিছে অনিৰ্বান।

"কিয় আহিছা ?" অশান্তই গৰ্জি উঠিল।

"তোমালোকক ইয়াৰপৰা নিবলৈ..."

"কি কৈছা ?" মেদিনীয়ে প্ৰায় চিঞৰি উঠিল।

"তোমালোকে তাচ বাদ দিয়া। হাতযোৰ কৰিছোঁ, তোমালোকে তাচ বাদ দিয়া।" দুৰ্বল কণ্ঠেৰে অনিৰ্বানে কৈ উঠিল। সেই দুৰ্বল কণ্ঠস্বৰৰ পাচফালে যেন লুকাই আছিল এক সবল পৌৰুষত্ব।

"ওলাই যোৱা তুমি" ৰকিমে চিঞৰি উঠিল।

"প্ৰথমে তোমালোকে তাচ পেলাই দিয়া।"

"অনির্বান" গোটেই অকলটো কঁপি উঠা গৰ্জনেৰে অশান্তই গৰ্জি উঠিল।

"পেলাই দিয়া, তাচ পেলাই দিয়া" কথাখিনি কৈ অনির্বানে অশান্তৰ হাতৰ তাচখিনি থাপ মাৰি দলিয়াই দিলে।

সেই মুহূর্ততে থং আক্রোশত আটাইকেইটা যেন দপকৈ জ্বলি উঠিল। একে জাপেই আটাইকেইটা বহাৰপৰা উঠি অনির্বানৰ সন্মুখত থিয় হ'ল। জেপৰপৰা এখন প্রকাণ্ড ছুৰী উলিয়াই লৈ ৰকিমে অনির্বানৰ গাত মাৰিবলৈ সাজু হ'ল। লগে লগে মেদিনী, বিকুল, শৈলেশ আৰু অশান্তই ঘোচা দাঙি ললে। আৰু অনির্বানক আক্রমণ কৰিবলৈ গৈ একেলগে আটাইকেইটা বৈ গ'ল।

আটাইকেইটাৰে পাঁচযোৰা খঙত জ্বলি উঠা চকু নিবদ্ধ হ'ল অনির্বানৰ মুখত।

সমগ্র মুখমণ্ডলত বেণ্ডেজ। সোঁ চকুৰ এটা অংশ ফুলি ক'লা পৰি গৈছে। তল ওঁঠখন ফাটি ওলমি গৈছে।

সেইখন মুখত ঘোচা মাৰিবলৈ বা ছুৰী বহুৱাবলৈ এটাৰো সাহস নহ'ল।

ঘোচা মাৰিবলৈ দাঙি লোৱা হাত একেলগে নমাই আনিলে।

ৰকিমে ছুৰীখন জপাই জেপত থলে।

"কি হ'ল? বৈ গ'লা যে? মাৰা—মই বাধা নিদিওঁ। মই একো আপত্তি নকৰোঁ। মাত্র জুৱা নেখেলিবা। মোৰ অনুৰোধ ৰাখা।" দুৰ্বল কণ্ঠেৰে কথাখিনি কৈ অনির্বানে আটাইকেইটাৰ মুখলৈ চালে।

আটাইকেইটাই তলমূৰ কৰিলে।

জীৱনত প্রথমবাৰৰ বাবে উঠাই লোৱা হাত নমাই আনিলে। মেলি লোৱা ছুৰী জপাই থলে।

অনির্বানলৈ নোচোৱাকৈ আটাইকেইটা কোঠাটোৰ-পৰা ওলাই আহিল।

অশান্ত, মেদিনী, বিকুল, শৈলেশ আৰু ৰকিম নামৰ বিখ্যাত গুণ্ডা পাঁচটা অন্ধকাৰত মিলি গ'ল।

অন্ধকাৰত মিলি যোৱা অশান্তহঁতলৈ থৰ লাগি চাই থকা অনির্বানৰ মুখত এটা সন্তুষ্টিৰ হাঁহি বিৰিঙি উঠিল।

॥ বাৰ ॥

ইক্ৰাম দোকানীয়ে মোৰ চকুলৈ চাই এটা হাঁহি মাৰিলে। হাঁহিটোৰ লগে লগে ইক্ৰাম দোকানীৰ মুখৰ ভাঁজবিলাক কিছু সালসলনি হ'ল। তাৰ পিচত আকৌ আৰম্ভ কৰিলে, "এয়া মাত্ৰ আৰম্ভণীহে। ইয়াৰ পিচত আৰু বহুত আছে।"

বহুদিনৰ আগতেই হৈ যোৱা এইখন নাটকৰ দৃশ্যপট এখন এখনকৈ মোৰ বিস্ময়ভৰা চকুৰ সমুখত দাঙি ধৰিছিল। বিস্ময়ভৰা চাৱনিৰে চাই গৈছিলোঁ। অশান্তইতৰ সেই বিস্ময়ভৰা জীৱনৰ জটিল গতি।

মোৰ চকুৰ ওপৰত চকু থৈ ইক্ৰামকায়ে কৈ গৈছিল, "জানা বকুল, মাত্ৰ মানুহৰ বাবেই সম্ভৱ বিশ্বাসঘাতকতা কৰা, মানুহৰ বাবেই সম্ভৱ প্ৰিয়জনকো তিলতিলকৈ মৃত্যুযন্ত্ৰণা দি হত্যা কৰা আৰু মানুহৰ বাবেই সম্ভৱ ভালপোৱা ইজনে সিজনৰ বাবে মৃত্যুকো সাৱটি লোৱাৰ দৰে উদাৰ হোৱা।

"অশান্তইঁত মানুহ আছিল" ইক্ৰামকায়ে কৈ গৈছিল, "মাক-দেউতাকৰ চকুপানী সহজভাৱে উপেক্ষা কৰিব পাৰিছিল, নাৰীৰ সতীত্বক লৈ পশুৰ দৰে জুৱা খেলিব পাৰিছিল, হেলাৰঙে আনৰ বুকুত ছুৰী বহুৱাই দিব পাৰিছিল, অনিৰ্বানৰ দৰে বন্ধুৰ মুখৰ আকৃতি সলনি কৰি দিব পাৰিছিল আৰু সেই অনিৰ্বানৰ বাবেই এদিন সকলো ত্যাগ কৰিব পাৰিছিল।" কথাখিনিৰ শেষৰ ফালে ইক্ৰাম দোকানীৰ কণ্ঠস্বৰ ক্ৰমে ক্ষীণ হৈ এটা সময়ত বন্ধ হৈ গৈছিল।

বহু সময় মৌন হৈ বহি থকাৰ পিচত ইক্ৰামকায়ে অশান্তইতৰ কাহিনী আকৌ আৰম্ভ কৰিলে।

গনিৰ ঘৰৰপৰা ওলাই গৈ অশান্তইঁত নগৰখনৰ পশ্চিমৰ সোণাৰীজানৰ দলং পালেগৈ। গনিৰ ঘৰৰপৰা প্ৰায় এমাইল দূৰৰ সোণাৰীজানৰ দলংখনত আটাইকেইটা বহালৈকে এটায়ো এষাৰ কথা নেপাতিলে। নীৰৱে চিগাৰেট

হুপি হুপি প্ৰত্যেকটোৱে এটা কথাই অনুভৱ কৰিছিল—সিহঁত বৰ ক্লান্ত, কথা পতাৰ শক্তি যেন হেৰুৱাই পেলাইছে। অনিৰ্বান নামটোৱে যেন প্ৰত্যেকটোৰ মগজুত বাৰে বাৰে ঠেকা খাইছে—এক ৰহস্যময় ৰূপত অনিৰ্বান যেন সিহঁতৰ বাবে বেছি দুৰ্বোধ্য হৈ অহিছে। এই দুৰ্বোধ্যতাই যেন লাহে লাহে প্ৰত্যেকটোৰে হৃদয়, মন ক্লান্ত কৰি পেলাইছে, দুৰ্বল কৰি পেলাইছে, অৱশ কৰি আনিছে।

"আমি অনিৰ্বানৰ ওচৰলৈ যাব লাগিব" অসহনীয় নীৰৱতা ভঙ্গ কৰি অশান্তই মাত লগালে। বিকুলহঁত মৌন হৈ ৰ'ল। এইটো কথা অশান্তই কব বুলি প্ৰত্যেকটোৱে অনুমান কৰিছিল।

"অনিৰ্বানৰ কথামতেই আমি মদ-জুৱা-মাৰপিট বাদ দিব লাগিব" আকৌ মেদিনীহঁত মৌন হৈ থাকিল। মদ, জুৱা বাদ দিয়াৰ দৰে এটা প্ৰস্তাৱতো আপত্তি কৰাৰ শক্তি যেন সিহঁতে হেৰুৱাই পেলাইছে।

মৌনতা ভঙ্গ কৰি আকৌ অশান্তই কলে, "আমি বিপ্লৱ কৰিম···"

"কিন্তু···" বকিমে কিবা এষাৰ কবলৈ গৈ বৈ গ'ল।

"বুজিছোঁ তই কি কব বিচাৰিছ" সমুখৰ এন্ধাৰলৈ চাই অশান্তই কৈ গ'ল, "কিন্তু যিটো অনিৰ্বানক আমি লগ পাইছোঁ, যিটো অনিৰ্বানৰ ওচৰত আমি প্ৰথমবাৰৰ বাবে মূৰ দাঙিব নোৱাৰিলোঁ, সেইটো অনিৰ্বানৰ বিপক্ষে কোনো কথাতে আপত্তি কৰিবলগীয়া একো থাকিব নোৱাৰে। আমাৰ বাবে প্ৰত্যেকটো কাম কষ্টকৰ হব, তথাপি আমি কৰিবই লাগিব। মাত্ৰ অনিৰ্বানৰ সন্মানৰ খাতিৰত। মদ, জুৱা, মাৰপিট এৰিম, বিপ্লৱ কৰিম—মাত্ৰ অনিৰ্বানৰ সন্মানৰ খাতিৰত। ইয়াৰ বাবে আমি যদি সকলোৱে ওচৰত নাপাত্তা হৈ যাওঁ, আনৰ তল হৈ যাওঁ আপত্তি নাই। আনে নুবুজিলেও অন্ততঃ আমি বুজিম আমি সন্মান পাব পৰা জনক প্ৰকৃত সন্মান দিব জানো। আটাইতকৈ ডাঙৰ কথা, গোটেই নগৰখনে আমাক গুণ্ডা বুলি যিটো সন্মান দিয়ে সেই সন্মানতকৈ আমি অনিৰ্বানক দিয়া সন্মান বহু বেছি ডাঙৰ বুলি নিজে ভালদৰে অনুভৱ কৰিব পাৰিছোঁ। আৰু এই অনুভৱৰ পিচত আমি নগৰখনৰপৰা পাই অহা সন্মানৰ মোহ ত্যাগ কৰিব নোৱাৰিলে নিজকে ফাকি দিয়া হব। এতিয়া আৰু নিজকে ফাকি দি থাকি অলপো শান্তি নেপাম।"

বহু সময়ত খুব কম কথাৰেই বহু কথা পতা হৈ যায়। বহু কথা পাতি বহু সময় নানা আলোচনাত কটাই এদিন অশান্তইঁতে যি এক গতিত সোমাই

পৰিছিল, তাতকৈ বহু বেছি কম কথাৰেই বহু বেছি কম সময়ৰ ভিতৰতেই সেই গতি এৰি অন্য এক গতিত নিজকে এৰি দিলে।

"বল যাওঁ, এবাৰ বাজিল" ঘড়ীলৈ চাই অশান্তই বেলিঙৰপৰা নামিল। আটাইকেইটাই গম্ভীৰমুখে চম্পালাল হোটেললৈ উভতিল। আৰু বঙাজান দলং পাৰ হৈ নগৰখনৰ এলেকাত সোমোৱাৰ লগে লগেই পাইছিল সেই সাংঘাতিক খবৰটো।

আটাইকেইটা থৰ হৈ গ'ল।

এজনে আনজনৰ মুখলৈ চালে।

চেলাউৰি থুপ খালে।

সৰ্বশৰীৰতে এক শিহৰণ জাগিল।

অনিৰ্বানৰ মৃত্যু হ'ল ?

"নাই নাই···হব নোৱাৰে, হব নোৱাৰে ···" ভয়াৰ্ত কণ্ঠে অশান্তই চিঞৰি উঠিল।

অশান্তইতে আগতে বহু মৃত্যু দেখিছে। চকুৰ আগতে মেদিনীৰ দেউতাকৰ মৃত্যু হৈছে, বিকুলৰ মাক-দেউতাকৰ মৃত্যু হৈছে, শৈলেশৰ মাকৰ মৃত্যু হৈছে, বকিমৰ দেউতাকৰ মৃত্যু হৈছে।

এইবিলাক মৃত্যুতো আগতেও দেখা হৈছে। এইবিলাক মৃত্যুৱে বেছি একো কৰিব পৰা নাছিল। মনত সামান্য চঞ্চল বতাহৰ সৃষ্টি কৰিছিল। কিন্তু অনিৰ্বানৰ মৃত্যুৰ সংবাদে যেন আটাইকেইটাৰে মনত এক মুহূৰ্ততে বতাহ নহয়, অন্তৰ্দ্বন্দ্বৰ এক প্ৰবল ধুমুহাৰ সৃষ্টি কৰিলে।

"নহয় নহয়···হব নোৱাৰে···" একেলগে পাঁচোটাই অস্ফুট স্বৰেৰে কৈ উঠিল। একেলগে উন্মাদৰ দৰে পাঁচোটা হস্পিটালৰ মুখলৈ দৌৰি গ'ল।

হস্পিটালৰ বাৰাণ্ডাত এজুম মানুহৰ মাজত বগা কাপোৰেৰে ঢাকি থোৱা অনিৰ্বানৰ শটো!

অশান্তইত থৰ হৈ গ'ল। ইটোৱে সিটোৰ চকুলৈ চাই চকুৰেই যেন প্ৰশ্ন কৰিলে, "এইটো কেনেকৈ সম্ভৱ?"

শটোৰ কাষৰপৰা আঁতৰি আহি জুম বান্ধি থকা মানুহক সুধিলে ঘটনাটো কি? ঘটনাটো জানিবলৈ বেছি সময় নেলাগিল।

গলিৰ ঘৰটোৰপৰা অশান্তইত ওলাই যোৱাৰ পিচত অনিৰ্বান গলিটোৰেদি ঘৰলৈ আগবাঢ়িছিল। কিছুদূৰ যোৱাৰ পিচত এটা আকস্মিক ঘটনাৰ

সন্মুখীন হবলগা হ'ল। নগৰখনৰ কুখ্যাত দাগী আচামী য়াকুব, চন্দ্রনাথ আৰু নন্দীয়ে এজনী ছোৱালী বাস্তাৰপৰা টানি নিছে। ছোৱালীজনীয়ে হাত-ভৰি জোকাৰি যিমানেই য়াকুবহঁতৰ হাতৰপৰা নিজক ৰচোৱাৰ চেষ্টা কৰিছে সিমানেই জোৰেৰে য়াকুবহঁতে ছোৱালীজনীক সাৰটি ধৰি টানি নিয়াৰ চেষ্টা চলাইছে। সমুখৰ এই আকস্মিক দৃশ্যটো দেখি মুখৰ বেগেত্ত আনিব কথা সম্পূর্ণ পাহৰি গৈ য়াকুবহঁতৰ ওপৰত অনির্বান জপিয়াই পৰিল। ঘুচিয়া-ঘুচি দবৰা-দবৰি। আৰু তাৰ পিচতেই সেই সাংঘাতিক ঘটনাটো। এডাল শকত লোহা য়াকুবে অনির্বানৰ মূৰত বহৰাই দিলে। বিকট আর্তনাদ কৰি অনির্বান মাটিত ঢলি পৰিল।

ইতিমধ্যে এটা হুলস্থুলৰ সৃষ্টি হৈছিল। য়াকুবহঁতে ঘটনাৰ গুৰুত্বলৈ লক্ষ্য কৰি সেই ঠাইৰপৰা আঁতৰ হ'ল। মানুহ গোট খালে। পুলিচ আহিল। এম্বুলেন্স আহিল। কিন্তু হস্পিটালত বিশেষ চিকিৎসা কৰিবলৈ নৌপাওঁতেই অনির্বানৰ চকু চিৰদিনৰ বাবে মুদ খাই গৈছিল। মৃত্যুৰ আগমুহূর্তত অনির্বানে যিকেইটা শব্দ উচ্চাৰণ কৰিছিল সেইকেইটা শব্দৰে যে অশান্তক বুজাইছিল কাষৰ মানুহবিলাকে বুজিছিল।

ঘটনাটো শুনাৰ পিচত অশান্তহঁত অনির্বানৰ শটোৰ কাষত থিয় হ'ল। পাঁচোটাৰ দৃষ্টি কিছু সময়ৰ বাবে অনির্বানৰ শটোৰ ওপৰত নিবদ্ধ হ'ল।

অনির্বান!

হুমাই নোযোৱা একুৰা জুই।

হুমাই যোৱা অনির্বানৰ সমুখত থিয় হৈ প্রত্যেকটোৰে অন্তৰত এক অন্তর্দ্বন্দ্বৰ প্রবল ধুমুহাৰ সৃষ্টি হ'ল। এক অবর্ণনীয় হাঁহাকাৰ। প্রত্যেকটোৰে অন্তৰাত্মাই যেন আর্তনাদ কৰি উঠিল, 'হব নোৱাৰে, হব নোৱাৰে, অনির্বান মৃত্যু হব নোৱাৰে। একুৰা জুই আকৌ জ্বলাই তুলিব লাগিব।'

অশান্তহঁত বাহিৰলৈ ওলাই আহিল। দৌৰি দৌৰি ঘটনাস্থলী পালেগৈ। পাঁচোটাই চিঞৰি উঠিল—য়াকুব। সেই চিঞৰত গলিটো যেন কঁপি উঠিল। সকলোৱে বুজিলে কবৰৰ ভিতৰত সোমায়ো য়াকুবহঁতে ৰক্ষা নেপাব।

ইতিমধ্যে য়াকুবহঁতক পুলিচে বিচাৰি ফুৰিছিল। অশান্তহঁত অহা খবৰ পাই য়াকুবহঁতৰ অন্তৰাত্মা কঁপি উঠিল। বুজিছিল অশান্তহঁতৰ হাতৰপৰা ৰক্ষা কৰাৰ শক্তি ভগবানৰো নাই। য়াকুবহঁত এন্ধাৰে এন্ধাৰে ৰভাজানৰ ফাললৈ গ'ল। জান পাৰ হৈ মৰিশালিখনত সোমাল।

য়াকুবহঁতৰ সন্ধান পাবলৈ অশান্তহঁতৰ সময় নেলাগিল।

পাঁচোটা মৰিশালিলৈ দৌৰি গ'ল। ঘন গছ-লতাৰে ভৰা মৰিশালিৰ অন্ধকাৰৰ মাজে মাজে অশান্তহঁত দৌৰি গ'ল। দৌৰি জঁপিয়াই য়াকুবহঁতক বিচাৰি ফুৰোঁতে অশান্তহঁত কাহিল হৈ পৰিছিল। দৌৰি দৌৰি অশান্তহঁতে ফোপাইছিল। এন্ধাৰত দৌৰি যাওঁতে শৈলেশৰ ভৰিৰ এখেথলা এটুকুৰা আমনাই ফালি পেলালে, গছৰ মুঢ়াত লাগি মেদিনীৰ বাওঁভৰিৰ বুঢ়া আঙুলিটোৰ নখ এৰাই গ'ল, অশান্তৰ ভৰি এটা গাঁতত সোমাই মোচোকা খালে, লতা কাঁইটে বিন্ধি আটাইকেইটাৰে গাৰ একো অংশ ফালি দিলে। তেজেৰে বাঙলী হৈ গ'ল। বৰচোৰাতৰ পাতে ডাকি গা দমলাদমল কৰিলে। তথাপি এটায়ো সেইবিলাকলৈ চিন্তা নকৰিলে। যেন গাৰপৰা হাত এখন বা ভৰি এটা এৰাই গলেও ভৱাৰ সময় নাই। প্ৰথম য়াকুবহঁত—তাৰ পিচত অন্য চিন্তা।

মৰিশালিখনত য়াকুবহঁত থকাৰ উমান নেপাই আটাইকেইটাই বিকটভাৱে চিঞৰি উঠিল,—"য়াকুব! ওলাই আহ, নহলে পিচত জান মাৰি দিম।"

অশান্তহঁতৰ চিঞৰে মৰিশালিখনৰ সিমূৰে থকা য়াকুবহঁতৰ সৰ্বশৰীৰ আকৌ কঁপাই তুলিলে। এক মুহূৰ্ত নবৈ য়াকুবহঁত মৰিশালিখনৰ সিপাৰৰ পথাৰখনৰ ফালে দৌৰি গ'ল। পথাৰখনৰ দক্ষিণে মূল আলি, পশ্চিমে ৰঙাজান। য়াকুবহঁতে ঠিক কৰিলে সিহঁতে ৰঙাজান পাৰ হৈ মথাউৰিয়েদি সিকাষৰ গাওঁখনত সোমাবগৈ।

হাবি ভাঙি ভাঙি এটা সময়ত অশান্তহঁতে মৰিশালিৰ শেষ সীমা পালেহি। ভাগবত আটাইকেইটাই একোটাইত হুমুনিয়া কাঢ়িলে। আৰু সেই মুহূৰ্ততে জোনৰ পোহৰত অশান্তহঁতে স্পষ্ট দেখিলে তিনিটা মানুহ পথাৰৰ মাজেৰে আগলৈ দৌৰিছে।

য়াকুবহঁত! অশান্তহঁতৰ চকুবিলাক দপকৈ জ্বলি উঠিল। ক্ষন্তেকতে যেন গাৰ ভাগৰ, ভৰিৰ কটাছিঙাৰ বিষ সকলো নাইকিয়া হৈ গ'ল। হিংস্ৰ হায়েনাৰ দৰে পাঁচোটাৰে মুখকেইখন বিকৃত হৈ পৰিল। বতাহ কঁপি উঠাকৈ চিঞৰি উঠিল—'য়াকুব!'

অশান্তহঁতৰ চিঞৰে যেন য়াকুব, চন্দ্ৰনাথ আৰু নন্দীৰ বুকুত ধুমুহাৰ সৃষ্টি কৰিলে। সমগ্ৰ মুখমণ্ডল আতঙ্কত ঘামি উঠিল, ভৰি কঁপিল, বুকু ঢপঢপালে।

পথাৰৰ মাটি বোকা আছিল, য়াকুবহঁত আগবাঢ়ি যোৱাৰ ফালে ক্ৰমে

বোকা বেছি—প্ৰায় পিতনিৰ দৰে। সমুখলৈ চাই প্ৰাণপণে দৌৰি যাওঁতে য়াকুবহঁতে লক্ষ্য কৰিলে, সিহঁত দৌৰিব নোৱাৰা হৈ আহিছে। এটা সময়ত লক্ষ্য কৰিলে সিহঁত বোকাত সোমাই গৈছে। ৰৈ গ'ল। পাচলৈ চাই দেখিলে, পাঁচোটা দৈত্যৰ দৰে অশান্তহঁত দৌৰি আগবাঢ়ি আহিছে।

য়াকুবহঁতে হাতৰ ছুৰী উলিয়াই ললে। ক্ষণ গণি বল সেই আসন্ন মুহূৰ্তলৈ।

এটা সময়ত সেই ভয়ংকৰ মুহূৰ্তটো আহিল।

প্ৰায় দহফুট দূৰৰপৰা ৰকিমে য়াকুবলৈ লক্ষ্য কৰি জাপ মাৰিলে। উৰি অহাৰ দৰে ৰকিম্ য়াকুবৰ গাত পৰিলহি। হাতৰ প্ৰকাণ্ড ছুৰীখন য়াকুবৰ বুকুৰেদি সোমাই বোকা ছুলেগৈ।

আকাশ কঁপি উঠা য়াকুবৰ আৰ্তনাদত আটাইকেইটা উচপ খাই উঠিল।

তাৰ পিচত অশান্তহঁত নন্দী আৰু চন্দ্ৰনাথৰ ওপৰত জপিয়াই পৰিল। অশান্ত আৰু মেদিনীয়ে চন্দ্ৰনাথ আৰু নন্দীৰ ডিঙি চেপি ধৰিলে। বিকুলে নন্দীৰ বাওঁহাতখন পাক মাৰি ভাঙি পেলালে, শৈলেশে চন্দ্ৰনাথৰ কাণ এখন কাটি মুখত কটিয়াই দিলে, অশান্তই বাওঁহাতেৰে চন্দ্ৰনাথৰ নাকটোত ধৰি সোঁহাতৰ ছুৰীখনেৰে নাকটোত ৰেপ এটা মাৰোতেই গম পালে চন্দ্ৰনাথে এখন প্ৰকাণ্ড ছুৰী অশান্তৰ সোঁ কৰঙনত সুমুৱাই দিছে। লগে লগে অশান্তই চন্দ্ৰনাথৰ মুখত ঘোচা এটা বহুৱাই অজ্ঞান কৰি পেলাই দিলে। সেই মুহূৰ্ততে দূৰত শুনা গ'ল পুলিচৰ হুইচেলৰ শব্দ।

'পুলিচ!' ৰকিমে অস্ফুট স্বৰে কৈ উঠিল। সেই মুহূৰ্ততে যেন আটাইকেইটাই অনুভৱ কৰিলে দুটা মিনিটৰ ভিতৰত সিহঁতে যিখিনি কৰিলে সমগ্ৰ জীৱনতে সিহঁতে সিমানখিনি কৰা নাই। দুটা মিনিটৰ ভিতৰতে এটা হত্যা। দুটা চিৰদিনৰ বাবে ঘূণীয়া।

অশান্তহঁতৰ গালৈ হুচ আহিল। গাৰ উত্তেজনা কমি আহি মনত ভিৰ কৰিলে এক অজান শংকাই।

"ৰৈ আমি পলাওঁ..." বাক্যটো কৈ মেদিনীয়ে গাৰ চোলাটো ফালি অশান্তৰ কৰঙনটোত টানি টানি বান্ধি দিলে। তাৰ পিচত আটাইকেইটা জানৰ ফালে দৌৰি গ'ল।

দৌৰি যাওঁতে অশান্তৰ কৰঙনৰ বিষ ক্ৰমে বাঢ়ি আহিল। অসহ্য যন্ত্ৰণাত ভৰিটো লৰাব নোৱাৰা হ'ল। মেদিনীহঁত অশান্তৰ বাবে ৰওঁতে চেপাকণ্ঠে কৈ উঠিল, "তহঁত যা, মই পৈ আছোঁ।"

মেদিনীহঁতে জানৰ পানীত নামি জান পাৰ হ'ল, আৰু সেই সময়তে দেখা গ'ল মেদিনীহঁতৰ ওচৰতে মথাউৰিত এখন পুলিচ ভান ৰৈছেহি। ভানৰ পুলিচে মেদিনীহঁতক বেড়ি ধৰিলে।

মেদিনীহঁতক পুলিচে বেড়ি ধৰাৰ সময়ত অশান্তই চুচৰি চুচৰি জানৰ পানীত নামিছিলগৈ। সমুখত পুলিচ, পাচলৈ চাই দেখিলে দৌৰি আহি থকা অন্য এটা পুলিচৰ দল। কোনোফালেই গৈ লাভ নাই; অশান্তই লাহেকৈ পানীলৈ নামি সোঁতত নিজকে ভঁহাই দিলে।

জানৰ সোঁতত ভাঁহি গৈ অশান্ত ওচৰৰে ৰঙাজান দলঙৰ খুটাত লাগি লাহে লাহে দলঙৰ তলৰ খোপটোত সোমালগৈ। তাৰপৰা লক্ষ্য কৰি দেখিলে মেদিনীহঁতক তোলা ভানখন গলগৈ। এটা পুলিচৰ দলে সেই ডোখৰতে কিছু সময় আহযাহ কৰিলে। তাৰ পিচত আৰু এখন পুলিচ ভান আহিল, এম্বুলেন্স আহিল। এটা সময়ত য়াকুবৰ শটো আৰু চন্দ্ৰনাথ আৰু নন্দীক এম্বুলেন্সত তুলিলে।

এটা সময়ত পুলিচসহ গাড়ীকেইখন গুচি যোৱাৰ পিচত ঠাইডোখৰ নিজান পৰিল। অশান্তই ঘড়ীলৈ চালে—তিনি বাজি পোন্ধৰ মিনিট। চাৰে তিনি বজাত অশান্ত দলঙৰ তলৰপৰা চুচৰি চুচৰি ওলাই আহিল। চাৰিওফালে এবাৰ চাই উত্তৰলৈ আগবাঢ়িল। ৰাতিপুৱাৰ আগে আগে নিৰাপদ ঠাইত সোমাবগৈ লাগিব।

কিছুদূৰ গৈ মথাউৰিৰপৰা উত্তৰলৈ নামি যোৱা সৰু আলিটোৰে অশান্ত আগবাঢ়িল। এইটো আলি নগৰখনৰ একেবাৰে উত্তৰ সীমাৰ। এইটো অঞ্চল কিছু আওহতীয়া। অশান্তহঁতৰ আহ-যাহ নাই। আলিটোৰ দুয়োকাষে থকা মানুহৰ ভিতৰত কোনো চিনাকি মানুহ থাকিব পাৰে নেকি ভাবি ভাবি আগবাঢ়িলে। অকস্মাৎ অশান্ত ৰৈ গ'ল। কৰঙনৰ বিষটো তীব্ৰৰপৰা তীব্ৰতৰ হৈ আহিছে। সৰ্বশৰীৰ যেন এক অবৰ্ণনীয় যন্ত্ৰণাই চেপি আনিছে। মূৰটো ঘূৰোৱা যেন লাগিল। লৰালৰিকৈ অশান্তই কাষৰ সৰু ঘৰটোলৈ সোমাই গ'ল। দুৱাৰত টোকৰ মাৰিলে। টোকৰ মৰাৰ লগে লগে গাটো অৱশ হৈ আহিল, মূৰঘূৰণি বেচি হ'ল। অশান্ত অজ্ঞান হৈ দুৱাৰমুখত ঢলি পৰিল।

॥ তেৰ ॥

"আচলতে সেইদিনাই অশান্তইতৰ মৃত্যু হৈছিল" বাক্যটো কৈ ইক্ৰামকায়ে এটা হুমুনিয়াহ কাঢ়িলে। মই ইক্ৰামকাইৰ মুখলৈ চালোঁ। জীৱনত বহু যুদ্ধ কৰি শেষ বয়সত যেন ক্ষন্তেক জিৰণি।

ইক্ৰামকাইৰ গাঁতত সোমোৱা চকুযোৰ সজল হৈ আহিছে। শুকান গাল দুখনেদি দুধাৰ চকুলো বাগৰি পৰিছে। হাতৰ তলুৱাৰে গালৰ পানীখিনি মচি উদাস দৃষ্টিৰে কিছু সময় সমুখৰ এন্ধাৰলৈ চাই থাকিল।

"অনিৰ্বানৰ মৃত্যুৰ লগে লগেই যেন অশান্তইতৰো মৃত্যু হ'ল। সঁচাকৈয়েতো অশান্তইতৰ মৃত্যু হৈছিল। অশান্তইত সম্পূৰ্ণৰূপে সলনি হৈ গৈছিল। আটাইকেইটাই যেন জীৱনৰ অন্য এক দিশলৈ আগবাঢ়ি গৈছিল। অনিৰ্বানে অশান্তইতক নতুন জন্ম দি গ'ল।" লাহে লাহে ইক্ৰামকায়ে কৈ গৈছিল।

"বিশ্বাস কৰা বকুল" মোৰ হাত এখনত ধৰি ইক্ৰামকায়ে কৈছিল, "অনিৰ্বান দেৱতা আছিল, কিন্তু অশান্তইতে বুজি নেপালে। আৰু যিদিনা বুজিছিল সেইদিনা বহু পলম হৈ গৈছিল।" বাক্যটো কওঁতে ইক্ৰামকাইৰ কণ্ঠস্বৰ সামান্য কঁপি উঠিছিল।

এইবিলাক আচলতে আজিৰপৰা বহুদিনৰ আগৰ কথা। এতিয়াৰ মানুহে প্ৰায় পাহৰি গ'ল অশান্তইতৰ সেই কাহিনী।, দুদিনমান ইমুখৰপৰা সিমুখলৈ বাগৰিল অশান্তইতৰ গল্প। এদিন এই গল্প পুৰণি হৈ গ'ল। এসময়ত অশান্ত, মেদিনী···আদি ইত্যাদি বুলি ৰূপকথা হ'ল। এদিন নগৰখনৰ অন্য এজাক ডেকাই অশান্তইতৰ দৰে গুণ্ডাৰ আখ্যা ললে। মদ, জুৱা, মাৰপিটৰ মাজেৰে জীৱনৰ চৰম আনন্দ বিচাৰি গ'ল। তাৰ পিচত অন্য এজাক। এই নতুনৰ হুলস্থুলৰ মাজত অশান্তইত এদিন হেৰাই গ'ল।

হেৰাই নগ'ল চম্পালালৰ মনৰপৰা। মামণিৰ আৰু হয়তো শকুন্তলাৰ। আৰু যিজনৰ মনৰ মণিকোঠাত অশান্তইত সদায়ে জীৱন্ত হৈ আছিল— সেইজন ইক্ৰাম দোকানী।

বৃদ্ধ ইক্ৰামকাইৰ লগত পৰিচয় হোৱাৰ সুযোগ পাইছিলোঁ। এদিন আত্মীয়তা গঢ়ি উঠিছিল। এদিন আকস্মিকভাৱে অশান্তইতৰ কথা কৈছিল। তাৰ পিচত অশান্তইতৰ বিস্ময়ভৰা জীৱনৰ প্ৰত্যেকখন ছবি মোৰ চকুৰ সমুখত দাঙি ধৰিছিল। খুটিনাটি মাৰি প্ৰত্যেকটো কথা বুজাই গৈছিল।

ইক্ৰামকাইৰ কাষত বহি জীৱনৰ বৈচিত্ৰ্য দেখি শিয়ঁৰি উঠিছিলো।

এইবাৰ ব'লক অশান্তইতৰ কাষলৈ।

য়াকুবক হত্যা কৰাৰ দিনা মেদিনীইঁতক পুলিচে লৈ যোৱাৰ পিচত বহুদিনলৈকে অশান্তক পুলিচে বিচাৰিলে। কোনেও গম নেপালে অশান্ত কলৈ গ'ল। ইতিমধ্যে মেদিনীইঁতৰ বিচাৰ হ'ল। বিচাৰকৰ সমুখত ৰকিমে পৰিষ্কাৰকৈ কলে য়াকুবক সি নিজ হাতে হত্যা কৰিছে। য়াকুবৰ গাত তাৰ হাতৰ ছুৰীৰ বাহিৰে আন কাৰো ছুৰীৰ এটা আঘাতো পৰা নাই। ৰকিমৰ বিশ বছৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ হ'ল, মেদিনী, বিকুল আৰু শৈলেশৰ সাত বছৰকৈ।

বিচাৰৰ ৰায় শুনাৰ পিচত মামণিৰ ঘৰত পলাই থকা অশান্তই এটা দীঘল হুমুনিয়াহ কাঢ়িলে। কিছু সময় চকু দুটা মুদি কিবা ভাবিলে। মামণিলৈ নোচোৱাকৈ লাহে লাহে কলে, "মই যাব লাগিব···।"

"কলৈ যাবা ?"

"থানালৈ···" অশান্তই লাহে লাহে কৈ গ'ল, "ৰকিমৰ বিশ বছৰ জেল, বিকুলইঁতৰ সাত বছৰ। এনে অৱস্থাত মই লুকাই থাকি লাভ নাই···"

"কিন্তু···"

"কোনো কিন্তু নাই মামণি। ধৰা এদিন পৰিমেই যেতিয়া নিজে ধৰা দিয়াই ভাল। প্ৰকৃততে মই সেইদিনাই ধৰা দিব লাগিছিল, পলালোঁ মাত্ৰ এই কৰণৰ আঘাতৰ বাবে।"

অশান্তই এবাৰ মামণিৰ মুখলৈ চালে। মামণিৰ চকুযোৰ সজল হৈ আহিছে। অশান্তই চকুহাল মুদি দিলে।

এইবিলাক অশান্তই কোনোদিন কল্পনা কৰা নাছিল, অথচ হৈ গ'ল। য়াকুবক হত্যা কৰাৰ ৰাতি কৰণৰ আঘাতটো লৈ অশান্ত পলাই আহি যিঘৰ মানুহৰ দুৱাৰমুখত বেহুচ হৈ পৰি গৈছিল সেইটো ঘৰ আছিল মামণিৰ।

দুৱাৰত টোকৰ মৰাৰ শব্দত মামণিয়ে সাৰ পাইছিল। মাকক জগাই

বাহিৰলৈ চাই অজ্ঞান হৈ পৰি থকা অশান্তক চোচোৰাই ভিতৰলৈ নি নিজৰ বিছনাখনত শুৱাই দিছিল। মুখত পানী ছটিয়াই দিলে। বিচি দিলে। এটা সময়ত অশান্তই চকু মেলিলে।

"এই গিলাচ খাই দিয়ক।" এগিলাচ গৰম গাখীৰ মামণিয়ে আগবঢ়াই দিলে। অশান্তই ক্ষন্তেক মামণিৰ মুখলৈ চাই ছোৱালীজনী কোন হব, পাৰে চিন্তা কৰি চালে। মনত নপৰিল। গিলাচটো লৈ গাখীৰখিনি শেষ কৰি বিস্ময়ভৰা চাৱনিৰে আকৌ মামণিৰ চকুলৈ চাই থাকিল।

"মোক চিনি পোৱা নাই?" মামণিয়ে সুধিলে।

"ধৰিব পৰা নাই"···সৰুকৈ অশান্তই কলে।

"মই মামণি ··সেই যে···"

মা-ম-ণি! অস্ফুট স্বৰেৰে অশান্তই কৈ উঠিল। চকু দুটা আৰু বহলকৈ মেলি মামণিৰ মুখলৈ চাই ৰল।

মামণি। বহুদিনৰ আগতেই টাইপ স্কুলত লগ পোৱা সেই মামণি! অশান্তই মামণিৰ মুখৰপৰা চকুহাল নমাই আনিলে। অনুভৱ কৰিলে কিহবাই যেন বুকুখন খোচ মাৰি ধৰিছে। তাৰ পিচত গাৰুত মূৰ গুজি পৰি ৰ'ল। চকু দুটা মুদি দিলে। কৰঙনৰ ক্ষত অংশৰপৰা বহু পৰিমাণে তেজ ওলোৱাত গোটেই গাটো দুৰ্বল হৈ গৈছিল। এটা সময়ত অশান্তৰ গভীৰ টোপনি আহিল।

পিচত অশান্তই গম পাইছিল, অশান্ত শুই পৰাৰ পিচত ৰাতিপুৱালৈকে মামণিয়ে অশান্তৰ শুশ্ৰূষা কৰিলে। কৰঙনৰ বান্ধটো খুলি কুহুমীয়া পানীৰে ক্ষত অংশ ধুলে। ডেটল লগাই বেণ্ডেজ কৰি দিলে। অশান্তৰ গাৰ কাপোৰ-কানিবিলাক কৌশলেৰে খুলি ৰাতিয়েই ধুই দিলে।

দুপৰীয়া সময়ত অশান্তই সাৰ পালে। মামণি আৰু মাকে কৰঙনৰ বিষৰ বিষয়ে দুটা ·এটা কথা সুধিলে। তাৰ পিচত মামণিয়ে এগিলাচ গৰম গাখীৰ দি গ'ল।

গাখীৰ গিলাচত শোহা মাৰি থাকোঁতে অশান্তৰ মনত একেৰাহে যিটো কথাই তোলপাৰ লগাইছিল সেয়া মামণিৰ ব্যৱহাৰ। এদিন যিজনী ছোৱালীৰ ওপৰত অশান্তইতে পশুৰ দৰে অত্যাচাৰ কৰিছিল, ভণ্ড, বেশ্যা বুলি অপমান কৰিছিল সেইজনী ছোৱালীয়েই অশান্তক আশ্ৰয় দিছে! টোপনি খতি কৰি শুশ্ৰূষা কৰিছে! সকলোবিলাক দুৰ্বোধ্য লাগি গ'ল অশান্তৰ।

এটা সময়ত মামণিয়ে গা-গা ধুই কাঁহী এখনত কিছু গাখীৰ-ভাত লৈ বিছনাৰ কাষৰ সৰু টেবুলখনত থলেহি।

"খাওক।"

ক্ষন্তেক মামণিৰ মুখলৈ চাই বাধ্য শিশুৰ দৰে অশান্তই খাই গ'ল। কাষৰ চকীখনত মামণি বহিল।

"তুমি আৰু তোমাৰ মা অকলে থাকা?" মুখৰ ভাতগৰাহ গিলি অশান্তই সুধিলে।

"ওঁ।"

কিছু সময় মৌনতা।

নীৰৱতা ভঙ্গ কৰি আকৌ অশান্তই সুধিলে সিহঁতৰ ঘটনাটোৰ বিষয়ে তাই কিবা জানে নেকি? মামণিয়ে যে ইতিমধ্যে সকলো গম পাইছে আৰু অশান্তক যে পুলিচে বিচাৰি ফুৰিছে, কলে। অশান্তই কথা নবঢ়াই মনে মনে খোৰাত মন দিলে।

আবেলি সময়ত অশান্তৰ বেণ্ডেজটো নতুনকৈ বান্ধি দিলে।

"এটা কথা সোধো?" সৰুকৈ কাহ এটা মাৰি অশান্তই সুধিলে।

"কি?" মামণিয়ে অশান্তৰ মুখলৈ চালে।

"তুমি..." কিবা কবলৈ গৈয়ো অশান্ত বৈ গ'ল। কিছু সময় মামণিৰ চকুলৈ চাই থাকি লাহে লাহে কলে, "তুমি মোক কিয় শুশ্ৰূষা কৰিলা?"

"মানে?"

"মানে আৰু কি?" এঢোক সেপ গিলি অশান্তই কৈ গ'ল, "মোৰ দৰে এটা বেয়া মানুহক, যি অৱস্থাত মই কিমান জঘন্য তুমি নিজেই ভালদৰে জনাৰ পিচতো মোক ইমান শুশ্ৰূষা কৰিছা কেনেকৈ?" অশান্তৰ কথাখিনিৰ পাচফালে লুকাই থকা আক্ষেপ মামণিয়ে বুজাত কষ্ট নহল।

মামণিয়ে লগে লগে একো উত্তৰ নিদিলে। মুখত এটা মৃদু হাঁহি ফুটি উঠিল। হাঁহিটো লাহে লাহে সমগ্ৰ মুখমণ্ডলতে বিৰিঙি উঠিল। তাৰ পিচত লাহে লাহে হাঁহিৰ বিৰিঙনি ম্লান হৈ আহিল।

"আপোনাক যিখিনি শুশ্ৰূষা কৰিছোঁ অশান্ত নামৰ বেয়া মানুহটো বুলি নহয়, কৰিছোঁ বিপদত পৰা অসহায় হিচাপে।" মামণিয়ে কৈ গ'ল, "প্ৰথম যেতিয়া দুৱাৰদলিত আপুনি অজ্ঞান হৈ পৰি থকা দেখিছিলোঁ, ভাবিছিলোঁ আপুনি মদ খাই বেহুচ হৈছে। মোৰ ঘিণ লাগিছিল। লগে লগে দুৱাৰখন

বন্ধ কৰি দিবলৈ ওলাইছিলোঁ। বৈ গৈছিলোঁ আপোনাৰ আঘাতটো দেখি। আপোনাৰ আঘাতটো দেখাৰ মুহূৰ্তত আপুনি মোৰ বাবে হৈছিল মই সদায়ে ঘৃণা কৰি অহা অশান্তৰ পৰিবৰ্তে এজন অসহায় লোক।" সৰুকৈ কাহ এটা মাৰি মামণিয়ে কৈ গ'ল, "আনৰ দুখ-বেদনাক লাঘৱ কৰিবলৈ বা অসহায়ক সহায় কৰিবলৈ যাব পৰা সাহস মোৰ আছে। সেইবাবেই আপোনাক মোৰ নিজৰ বিছনাত শুৱাই টোপনি খতি কৰি গোটেই ৰাতি শুশ্ৰূষা কৰিলোঁ।"

"কিন্তু যিজনী ছোৱালীক মই ইমান নিষ্ঠুৰভাৱে অপমান কৰিলোঁ..."

"সেইবাবে মই আপোনাক ঘিণ কৰোঁ।"

"ঘিণ কৰা?"

"ওঁ, ঘিণ কৰোঁ আপুনি নিষ্ঠুৰ বুলি, জঘন্য বুলি। এইফালৰপৰা আপোনাক আশ্ৰয় দিয়াও উচিত নাছিল। অথচ দিছোঁ। মই ভালদৰে জানো মানুহৰ জঘন্যতাৰ পাচফালে অন্য এজন মানুহ শুই থাকে। সেই শুই থকা পবিত্ৰতাক অপমান কৰাৰ বা ঘিণ কৰাৰ অধিকাৰ কাৰো নাই।" অশান্তই মামণিৰ চকুলৈ চালে।

"এদিন মই বাধ্যত পৰি মোৰ সতীত্বক বেচিব লগা হৈছিল। কিয় বেচিব লগা হ'ল আপোনালোকৰ দৰে ডেকাবিলাকে ভাবি চোৱাৰ সাহস নাছিল, তাৰ পৰিবৰ্তে লৈছিল মোৰ অসহায়তাৰ সুযোগ। এতিয়া আপোনাৰ এই অসহায়তাৰ সুযোগ মই লব পাৰোঁ, কিন্তু নলওঁ। কিয়নো মই নীচ নহওঁ। অসহায়তাৰ সুযোগ লোৱাতকৈ কাপুৰুষ কোনো নাই।"

মৌন হৈ মামণিৰ কথাবিলাক শুনি যাওঁতে অশান্তই অনুভৱ কৰিলে, মামণিৰ প্ৰত্যেকটো বাক্যই যেন তাৰ বুকুত একোডাল চোকা কাড়ে বিন্ধাদি বিন্ধিছে।

সম্পূৰ্ণ পাঁচটা দিন বিছনাত পৰি থকাৰ পিচত ষষ্ঠদিনা অশান্ত বিছনাত বহিল। কৰঙনৰ ক্ষত অংশলৈ কিছু সময় চাই ৰল। ঘাডোখৰ প্ৰায় শুকাই আহিছে। বিষ কমিছে।

এই পাঁচটা দিনৰ ভিতৰতে আৰু বহু কিবাকিবি হৈ গ'ল। যিখিনি মামণি বা অশান্ত এটায়ো কোনোদিন কল্পনা কৰা নাছিল। কব নোৱাৰাকৈয়ে অশান্ত আৰু মামণি ইটোৱে সিটোৰ কাষলৈ চাপি আহিছিল, ইটোৱে সিটোৰ হৃদয়ৰ গোপন কক্ষত ভুমুকি মাৰিছিল। অশান্তৰ হৃদয়ৰ অন্ধ এখন দুৱাৰ মামণিয়ে যেন মুকলি কৰি দিলে। আৰু এদিন অশান্তৰ অলক্ষিতে সেই

দুৱাৰৰ ফাঁকেৰে মামণি যেন অশান্তৰ হৃদয়ৰ অন্ধকাৰ কক্ষত সোমাই সেই অন্ধকাৰ ৰাজ্যলৈ এক নতুন জ্যোতি কঢ়িয়াই আনিলে।

এই পাঁচটা দিনৰ ভিতৰতে অশান্ত আৰু মামণিৰ মাজৰ সম্বোধন আপুনিৰ পৰা তুমিলৈ, মামণিৰপৰা মাত্র 'মণি'লৈ গ'ল। প্ৰথম মদ খাবলৈ শিকাৰ-পৰা অনিৰ্বানৰ মৃত্যুলৈকে অশান্তইতে কৰা সকলো কথাই মামণিৰ আগত নিঃসংকোচে কৈ গ'ল অশান্তই। কৈ যাওঁতে অশান্তৰ চকুযোৰ সজল হৈছিল, দুগালেদি দুধাৰ পানী বাগৰি আহিছিল। মামণিয়ে বুজিছিল অশান্তৰ এই চকুপানীৰ লগে লগেই যেন মনৰ ভিতৰত থুপ খাই থকা সকলো কালিমা ওলাই গৈছে।

মামণিয়ে অফিচত কাম কৰে। টাইপিষ্ট। পুৱা দহ বজাত ওলাই যায়, চাৰি বজাত ঘৰ সোমায়হি। অফিচলৈ যোৱাৰ আগতে আকৌ অশান্তক সাৱধান কৰি যায় যাতে সি বাহিৰৰ কোঠালৈকো নোলায়। অশান্তৰ ওপৰত চকু ৰাখিবলৈ মাকৰ আগত কৈ যায়।

অশান্ত বিছনাৰপৰা উঠি এবাৰ খিৰিকীখনৰ কাষলৈ গ'ল। উদাস দৃষ্টিৰে এবাৰ বাহিৰলৈ চালে। এটা হুমুনিয়াহ কাঢ়িলে। বিছনাৰ কাষৰ চকীখনত বহি চকু দুটা মুদি দিলে।

"উঠিব পাৰিলা ?"

"হুঁ ?" অশান্তই চকু দুটা মেলি সমুখলৈ চালে। হাঁহি মুখেৰে সমুখত মামণি। "অ' তুমি আহিলা ?"

"খোজ কাঢ়িছা ?"

"এই দুখোজমান" অশান্তই হাঁহি এটা মাৰি কলে।

"বিষ নাই নহয় ?"

"আছে যদিও সামান্য..."

"বাৰু তুমি বহাঁ। মই চাহ আনো।"

মামণি ভিতৰলৈ গ'ল। কাপোৰ-কানি সলাই চাহ কৰিলে। হাতত দুকাপ চাহ লৈ একাপ চাহ অশান্তলৈ আগবঢ়াই কাষতে বহিল।

"মণি" চাহৰ কাপত শোহা এটা মাৰি অশান্তই কলে।

"কোৱা।"

"জীৱনত বহু কিবাকিবি দেখিলোঁ, এই দেখাৰ মাজেৰে বহুতক বুজিবও শিকিলোঁ। কিন্তু বিশ্বাস কৰা তোমাক হলে অলপো নুবুজিলোঁ।"

"মোক ?" মামণিয়ে খিল্‌খিল্‌কৈ হাঁহি উঠিল, "কিয় মোক সুবুজিলা ? মইতো অতি সাধাৰণ…"

"ওহোঁ নহয় নহয়" মামণিৰ কথাত বাধা দি অশান্তই কৈ উঠিল, "তুমি সাধাৰণ নহয় মণি, তুমি বহুত ওপৰত। তুমি দেৱী মণি!"

"দেৱী ?" শব্দটো শুনি যেন মামণি উচপ খাই উঠিল।

"সঁচা মণি…"

মামণিয়ে আকৌ খিল্‌খিল্‌কৈ হাঁহি উঠিল। লাহে লাহে কলে, "দেৱী শব্দটো শুনিবলৈ বৰ ভাল। কিন্তু এইটো শব্দ য'তে ত'তে ব্যৱহাৰ কৰা উচিত নহয়।"

"কিন্তু তোমাৰ ক্ষেত্ৰত অনুচিত হব নোৱাৰে। মোৰ কাৰণে তুমি যিখিনি কৰিলা সেইখিনি এজনী সামান্য ছোৱালীৰপৰা আশা কৰা নাযায়।"

"নহয় নহয় অশান্ত" হাতৰ কাপ-প্লেটযোৰ কাষৰ টেবুলখনত থৈ মামণিয়ে কলে, "আচল কথা, ভাল কি তুমি চাব নেজানিলা। গোটেই জীৱন তুমি মাত্ৰ বেয়া কামতেই থাকিলা, বেয়া চিন্তাকে কৰিলা, মাত্ৰ বেয়াটোকে চালা। বেয়াৰ বাহিৰেও যে কিবা এটা ভাল থাকিব পাৰে এই কথা তুমি নেভাবিলা, ভাল কিবা এটা চোৱাৰ, ভবাৰ চেষ্টা তুমি কোনোদিন নকৰিলা। আনকি তুমি তোমাৰ মাকো সুবুজিলা। অন্য নাৰীক বুজিবা কেনেকৈ ? এজনী নাৰীয়েই মাতৃ হয়, বায়েক-ভনীয়েক হয়, পত্নী হয়, দেৱী হয়, দানবী হয়, বেশ্যা হয়। দেৱীও দানবী হব পাৰে, পত্নীও বেশ্যা হব পাৰে। আজি তুমি মোক দেৱী বুলি কলেও এদিন মোক বেশ্যা হিচাপেই পাইছিলা। বেশ্যা হিচাপেই ঘৃণাৰ চকুৰে চাইছিলা।"

"কিন্তু সেইদিনা…"

"সেইদিনাৰ কথা বাদ দিয়া, সেইবিলাক কথাৰ পাচফালে বহুত কিবাকিবি সোমাই আছে।"

"মোৰ কৌতূহল জন্মিছে।"

"কৌতূহল দমন কৰা।"

"নহয় মণি, এইটো কৌতূহল ইচ্ছা কৰি দমন কৰা নাযায়। কোৱা মণি, কিয় সেইদিনা তুমি নন্দ চৌধুৰীৰ ওচৰলৈ যাবলগা হ'ল, সেইদিনা কিয় তোমাক তেনে…" বাক্যটো অশান্তই শেষ কৰিব নোৱাৰিলে। এক অবুজ বেদনাই যেন কণ্ঠ চেপি ধৰিলে।

মামণি ক্ষন্তেক মৌন হৈ ৰ'ল। লাহে লাহে কৈ গ'ল, "সেইদিনা তুমিয়েই নহয়, এইখন নগৰৰ বহুতে মোক কলংকিনী বুলি জানিছিল। কিন্তু মোৰ আচল কথা জনাৰ চেষ্টা কোনেও নকৰিলে। নন্দ চৌধুৰীৰ ঘৰত সেইদিনা মোক দেখি তোমালোকে বেশ্যা বুলি ঘৃণাত নাক কোচালা, কিন্তু সেইটো মোৰ দেউতাৰ বয়সৰ মানুহৰ অংকশায়িনী হবলৈ কিয় গলোঁ। তোমালোকৰ দৰে ডেকাই এবাৰৰ বাবেও ভাবি নেচালা। এদিন মোৰ বিয়া নোহোৱাকৈ সন্তান হওঁতে নগৰখনৰ মানুহে নাক কোচালে, আমাক এঘৰীয়া কৰিলে, কিন্তু কিয় মই মোৰ যৌৱনক বেচিবলৈ গলোঁ, ভদ্র সমাজৰ কোনেও খবৰ নললে।"

নগৰখনৰ ক'ত কি হয় এই সকলোবিলাকতে মূৰ সুমুৱাই ফুৰাৰ অভ্যাস অশান্তইতৰ নাই। নন্দ চৌধুৰীৰ ঘৰত মামণিক পাইছিল। বাচ্—তাৰ পিচত কি হ'ল, মামণি কলৈ গ'ল, এইবিলাক খবৰ লোৱাৰ কথা কোনোদিন নেভাবিলে। এটা সময়ত মামণিক পাহৰি গ'ল।

"মোৰ কি হৈ গ'ল এইবিলাক কথা মই কাকো কবলৈ নেযাওঁ" মামণিয়ে অশান্তৰ চকুত চকু থৈ কৈ গ'ল, "কিন্তু সেইবিলাকলৈ মই ভয় নকৰোঁ। নগৰখনৰ যিমানবিলাক মানুহে মোক ঘিণ কৰে সেই সকলোবিলাকক মই বেছি ঘিণ কৰোঁ। সিহঁত ভণ্ড। সব ভণ্ড। মোৰ সন্তান হোৱাৰ পিচত, আমাক এঘৰীয়া কৰাৰ পিচত যিবিলাকে মোৰ নামত নাক কোঁচাইছিল তেনে বহু ভদ্রমানুহ ৰাতিৰ এন্ধাৰত মোৰ যৌৱনৰ সোৱাদ লবলৈ আহিছিল। সিহঁতৰ কিছুমানৰ মুখত মই থুৱাই দিছোঁ, কিছুমানৰ মুখত চেণ্ডেলৰ কোব বহুৱাই মোৰ ঘৰৰপৰা উলিয়াই দিছোঁ।"

এটা দীঘলীয়া হুমুনিয়াহ কাঢ়ি মামণিয়ে কৈ গ'ল, "মই অনাঘ্রাত নহওঁ। নাৰীৰ বাবে আটাইতকৈ মূল্যবান সম্পদকণ মই বহুদিনৰ আগতেই হেৰুৱাইছোঁ। সেইবুলি মই এইখন সমাজলৈ ভয় নকৰোঁ। তাতে সতীত্বৰ ওপৰত মোৰ আস্থাও নাই। এজনী নাৰীৰ বাবে সতীত্বই সকলো নহয়। আচল কথা পবিত্রতা। বহু সতী বুলি খ্যাত নাৰীতকৈ মই নিজকে বহু ওপৰত বুলি ভাবোঁ। মোৰ মনৰ পবিত্রতা আছে। অন্ততঃ মই দুষ্ট চৰিত্রা নহওঁ।" মামণি বহাৰপৰা উঠিল। ভিতৰলৈ গৈ লেম এটা জলাই আনি সৰু টেবুলখনত থৈ মামণি সৰু বেতৰ চকীখনত বহিল।

"আমাৰ ঘৰত মোৰ বাহিৰে অন্য সন্তান নাছিল। সেই বছৰ মই

মেট্রিক দি টাইপ স্কুলত নাম লগাইছিলোঁ।" মামণিয়ে কৈ গ'ল, "আচল কথা, মোৰ দেউতাৰ এটা টান অসুখ হোৱাৰ পিচত বিছনাত পৰি থাকিবলগা হ'ল। ফলত ঘৰখনৰ সম্পূৰ্ণ ভাৰ মোৰ ওপৰত পৰিল। গতিকে মই চাকৰি এটা যোগাৰ কৰি লোৱাৰ বাহিৰে অন্য উপায় নাছিল। চাকৰিৰ কাৰণে প্ৰয়োজন টাইপ জনাৰ। টাইপ স্কুলৰ বয়সস্থ প্ৰিন্সিপাল নন্দ চৌধুৰীৰ ওচৰলৈ গলোঁ। ঘৰৰ সকলো কথা বুজাই কলোঁ। সকলো শুনাৰ পিচত মোক বিনা ফিজে টাইপ শিকাৰ সুবিধা দিলে। ভক্তিত নন্দ চৌধুৰীৰ প্ৰতি মোৰ মূৰ দোঁ খাই আহিল।

"কিন্তু তেওঁৰ আচল ৰূপ বুজাত বেছি পৰ নেলাগিল। এদিন ক্লাছ শেষ হোৱাৰ পিচত নিজৰ কোঠালৈ মোক মাতি নি দেউতাৰ অসুখৰ খবৰ ললে। সেই সময়ত আমাৰ খাবলৈ নাছিল—দেউতাৰ বাবে ঔষধ কিনাৰ প্ৰশ্নই নুঠে। সকলো কথা শুনাৰ পিচত মোৰ গাত হাত থৈ নন্দ চৌধুৰীয়ে কৈছিল, 'ভয় নকৰিবা মামণি, মই আছোঁ। যি সহায় কৰিব লাগে মই কৰিম। তুমি মোৰ ছোৱালীৰ দৰে।' তাৰ পিচত মোৰ হাতত পঞ্চাশটা টকা তুলি দিছিল। 'তুমি মোৰ ছোৱালীৰ দৰে' বুলি কোৱাৰ পিচত সেই টকা লোৱাত চিন্তা কৰিবলগীয়া একো নাছিল বুলিয়েই মই ভাবিলোঁ।" মামণি ক্ষন্তেক ৰ'ল।

"তাৰ পিচত অন্য এদিন নন্দ চৌধুৰীয়ে আকৌ তেখেতৰ কোঠালৈ মাতি নিলে। নিজৰ বিছনাত বহিবলৈ আঙুলিয়াই দি এখন প্লেটত কিছু ফলমূল খাবলৈ দিলে। তাৰ পিচত মোক অবাক কৰি সাৱটি ধৰিলে। প্ৰথম অৱস্থাত মই একো বুজিব নোৱাৰিলোঁ আৰু যেতিয়া বুজিব পাৰিছিলোঁ তেতিয়া বহু পলম হৈ গৈছিল।" মামণি ক্ষন্তেক ৰল। অশান্তই হাত দুখন মুঠি মাৰি ধৰিলে। পেশীবিলাক ফুলি উঠিল।

"মই চিঞৰ-বাখৰ কৰি নন্দ চৌধুৰীৰ আচল ৰূপটো সকলোকে দেখুৱাব পাৰিলোহেঁতেন। কিন্তু মই চিঞৰ-বাখৰ কৰিবলৈ সুযোগ পোৱাৰ আগতেই যিটো বস্তু হেৰুৱালোঁ, চিঞৰ-বাখৰ কৰি সেইটো বস্তু কেতিয়াও ঘূৰাই নেপাম। তাৰ পিচতো চিঞৰবাখৰ কৰা হলে মোৰ লোকচানৰ বাহিৰে লাভ একো নহলহেঁতেন। সমাজত মই মুখ উলিয়াব নোৱাৰা হলোহেঁতেন। দ্বিতীয়তে হেৰুৱালোহেঁতেন টাইপ স্কুলৰ চাৰ্টিফিকেটখন; সেইখনৰ ওপৰতেই আমাৰ ঘৰখনৰ ভাগ্য নিৰ্ভৰ কৰিছিল। আৰু সেইখন লবলৈ আহিয়েইতো নাৰীৰ

বাবে আটাইতকৈ মূল্যবান সম্পদটো হেৰুৱালোঁ। তাৰ উপৰিও আমাৰ ঘৰখনৰ অৱস্থা। দেউতাৰ অসুখ। মোৰ যথেষ্ট টকাৰ প্ৰয়োজন। সেই টকাৰ প্ৰয়োজন নন্দ চৌধুৰীৰ দ্বাৰা পূৰণ কৰাব পাৰিম। নন্দ চৌধুৰীক মোৰ হাতত ৰখাৰ সুন্দৰ অস্ত্ৰ মোৰ যৌৱন।"

"বিশ্বাস কৰা মই দুষ্ট চৰিত্ৰাৰ নহওঁ" মামণিয়ে কৈ গ'ল, "অথচ মই বেশ্যা হলোঁ। অৱশ্যে নন্দ চৌধুৰীয়ে জোৰ কৰি মোৰ কুমাৰীত্ব কাঢ়ি নিনিয়া হলে স্বেচ্ছাৰে তেওঁৰ অংকশায়িনী হবলৈ কেতিয়াও নাযাওঁ। দ্বিতীয়তে সতীত্ব কাঢ়ি নিয়াৰ পিচত সতী হৈ থকাৰ দৰে ভণ্ডামি এৰি মোৰ ঘৰৰ অৱস্থালৈ চাই সুযোগ লোৱাটোকে মই বেছি বুধিয়কৰ কাম বুলি ভাবিলোঁ।" অশান্তই থৰ লাগি মামণিৰ চকুযোৰলৈ চাই কথাবিলাক শুনি গ'ল। মামণিৰ চকুযোৰ সজল হোৱা নাছিল—অশান্তই লক্ষ্য কৰিলে।

"তুমি কব পাৰা" অশান্তৰ চকুত চকু থৈ মামণিয়ে কৈ গ'ল, "টকাৰ বাবেই মই বেশ্যা হবলৈ গলোঁ। টকাই মোৰ বাবে ডাঙৰ হ'ল। তাৰ আগতে মই আত্মহত্যা নকৰিলোঁ কিয়। এইবিলাক কথা ময়ো ভাবিছিলো। আত্মহত্যা কৰাই উচিত আছিল। নকৰিলো মাত্ৰ মা-দেউতাৰ বাবে। মোৰ মৃত্যুৰ পিচত বেমাৰী দেউতাক লৈ মায়ে কি কৰিব? বিশ্বাস কৰা, মা-দেউতাৰ বাবেই সেইদিনা নন্দ চৌধুৰীৰ দৰে এটা পিশাচৰ ওচৰত স্বেচ্ছাৰে নিজকে বিক্ৰী কৰি দিলোঁ।"

কথা কোৱা সুৰটো সলাই মামণিয়ে লাহে লাহে কৈ গ'ল, "সতীত্ব, সমাজ, নৈতিকতা, সংস্কাৰ এইবিলাক শব্দ মই শুনিছোঁ। বৰ শক্তিশালী শব্দ এইবিলাক। এইবিলাক শব্দই একোজনী ছোৱালীৰ জীৱনৰ গতি সলাই দিব পাৰে। সভ্য সমাজত এইবিলাক শব্দৰ যথেষ্ট দাম আছে। কিন্তু মই ভালদৰে জানিছিলোঁ খাবলৈ নেপাই আমি তিল-তিলকৈ মৰি গলেও সমাজ বা মোৰ সতীত্বই মোক এগৰাহ ভাতো নিদিবহি। জানা, এইবিলাক শব্দতকৈ মনৰ পবিত্ৰতাক মই বেছি বিশ্বাস কৰোঁ।" মামণিয়ে এটা হুমুনিয়াহ কাঢ়িলে।

"এদিন মই সন্তানসম্ভৱা হলোঁ। নন্দ চৌধুৰীয়ে টকা খৰচ কৰি গোপনে সন্তান নষ্ট কৰোৱালে। নন্দ চৌধুৰীৰ কথা কোনেও গম নেপালেও গোটেই নগৰখনত মোৰ কলংকৰ কাহিনী বিয়পি পৰিবলৈ বেছি সময় নালাগিল। এদিন বাইজে আমাক এঘৰীয়া কৰিলে। এদিন চৌধুৰীয়ে কিছু সৰহ অংকৰ

টকা গোপনে দি গ'লছি। এদিন মই এটা চাকৰি পালো। এদিন দেউতাৰ মৃত্যু হ'ল।

"মৃত্যুৰ সময়ত দেউতাই কৈ গৈছিল, 'কোনোদিন নিজৰ নীতি নেৰিবি। নৈতিকতা, সমাজ এইবিলাকেই সব নহয়। নৈতিকতাতকৈও উৰ্ধত নিজৰ বিচাৰ। নিজৰ বিচাৰত যিটো সত্য তাৰ ওপৰত একো নাই।' দেউতাৰ কথা মই মানি আহিছোঁ। আগলৈকো মানিম।"

লেমৰ পোহৰে ছুব নোৱাৰা কোঠাটোৰ চুকটোত ওলমি থকা এন্ধাৰখিনিলৈ অশান্তই কিছু সময় চাই ৰ'ল। এটা হুমুনিয়াহ বুকুৰপৰা ওলাই আহিল। অন্ধকাৰ চুকটোৰপৰা দৃষ্টি আঁতৰাই আনি লেমৰ শিখাটোত নিবদ্ধ কৰিলে। তাৰ পিচত মামণিৰ চকুত।

অশান্তই লক্ষ্য কৰিলে, লাহে লাহে মামণিৰ চকুযোৰ সজল হৈ আহিছে। চকুৰ দুয়োকোণত থুপ খোৱা পানীত লেমৰ পোহৰৰ প্ৰতিবিম্ব—যেন দুচকুত দুটা উজ্জ্বল মুকুতা। পোহৰৰ প্ৰতিবিম্ব লাহে লাহে ডাঙৰ হৈ আহিছে। এটা সময়ত সেই প্ৰতিবিম্ব ভাগিছিগি দুগালেদি বাগৰি আহিছে। দুগালত জিলিকি উঠিল মাথো দুডাল তিৰবিৰাই থকা ৰেখা।

"কি ভাবিছা ?" বাহু এটাত সামান্য হেচুকি মামণিয়ে কলে।

"হুঁ ?" থকামকাকৈ সাৰপোৱাৰ দৰে অশান্তই মামণিৰ চকুলৈ চালে।

"অথনিৰেপৰা চকু দুটা মুদি কি ভাবি আছা ?"

"তোমাৰ কথা।"

"মোৰ কথা ? কি ?..."

"ভাবিছোঁ আজি মই যিটো মানুহ, তোমাক সেই টাইপ স্কুলত পোৱাৰ দিনা এইটো মানুহ নহলোঁ। কিয় ?"

"কিয় ?"

অশান্তই একো উত্তৰ নিদিলে। উত্তৰৰ পৰিবৰ্তে বুকুৰপৰা এটা হুমুনিয়াহ ওলাই আহিল। অনুভৱ কৰিলে এক অব্যক্ত যন্ত্ৰণা। আৰু সেই সময়তে বাহিৰত ৰোৱা গাড়ীৰ শব্দত দুয়ো খিৰিকীৰে বাহিৰলৈ চালে।

এখন পুলিচ ভান। অশান্ত একেভাগেই চকীখনত বহি থাকিল।

এজন পুলিচ ইন্সপেক্টৰ সোমাই আহিল। লগত পুলিচ।

অকণো বিচলিত নহৈ অশান্তই ইন্সপেক্টৰৰ ফালে হাত দুখন আগবঢ়াই দিলে।

পুলিচৰ লগত ওলাই যাওঁতে দুৱাৰদলিৰ ওচৰত বৈ অশান্তই ক্ষন্তেক ঘূৰি মামণিলৈ চালে। ক্ষীণ স্বৰেৰে কলে, "যাওঁ।" সেই 'যাওঁ' শব্দটোৰ মাজতেই যেন অশান্ত চলিহা নামৰ দুৰ্দান্ত গুণ্ডাটোৰ মাজত লুকাই থকা অন্য এখন অন্তৰৰ সহস্ৰ কান্দোনে হাঁহাকাৰ কৰি উঠিল।

॥ ঠৈশ্য ॥

তাৰ পিচৰ ইতিহাস সংক্ষিপ্ত।

প্ৰায় ছবছৰৰ পিচত জেলৰপৰা ওলাই আহি মেদিনী, শৈলেশ আৰু বিকুল ইক্ৰাম দোকানীৰ দোকানৰ সমুখত ৰলহি। ইক্ৰাম দোকানীৰ লগত একেলগে একোকাপ চাহ খালে। খা-খবৰ ললে। তাৰ পিচত বিকুলহঁতৰ ঘৰলৈ আগবাঢ়িল। বিকুলহঁতৰ ঘৰটো খালি হৈ আছিল। বিকুলৰ মাক-দেউতাক ঢুকুৱাৰ পিচৰেপৰা মাজে-সময়ে অশান্তহঁতো বিকুলৰ ঘৰতে থাকেহি।

যিখন বিছনাত এদিন বিকুলৰ দেউতাকে চকু মুদিছিল সেই একেখন বিছনাতে আকৌ বিকুল পৰিল।

বিকুলৰ অসুখ। জেলৰ চিকিৎসাই বিশেষ কাম নিদিলে। বিকুল একেবাৰে খীণাই গ'ল।

অসুখ বাবে বিকুলক শুৱাই থৈ মেদিনী আৰু শৈলেশ গধুলি সময়ত বাহিৰলৈ ওলাই আহিল। প্ৰথমে কিছুসময় ইক্ৰামৰ দোকানৰ আগত বৈ কথা পাতিলে। তাৰ পিচত নগৰখনৰ মূল আলিৰে আগবাঢ়িল।

এই ছটা বছৰতেই নগৰখন ইমান সলনি হৈ গ'ল! মেদিনী আৰু শৈলেশ অবাক হৈ গ'ল। ছবছৰৰ আগৰ সেই গধুলিবিলাকৰ লগত যেন এইটো গধুলিৰ কোনো সাদৃশ্য নাই। ক্ষন্তেকতে দুয়োটাৰে বাবে নগৰখনৰ গধুলি অসহ্য লাগিল। জেলৰ ভিতৰত সোমাই থাকোঁতে বাহিৰলৈ ওলাই অহাৰ যি বাসনা জাগিছিল, নগৰখনৰ মূল আলিটোত এপাক ঘূৰিয়েই সেই বাসনা সম্পূৰ্ণৰূপে শেষ হৈ গ'ল। ছটা বছৰৰ আগতে দপদপাই ফুৰা এইখন নগৰৰ সকলোবিলাক একেবাৰে অপৰিচিত হৈ গ'ল। দুয়োৰে ভাব হ'ল, এখন সম্পূৰ্ণ অচিন নগৰলৈ যেন দুয়ো ফুৰিবলৈ আহিছে। অথচ নতুন নগৰ

এখনত সন্ধ্যা ফুৰি যি বোমাঞ্চ অনুভৱ কৰা যায় তাৰ পৰিবৰ্তে দুয়ো অনুভৱ কৰিলে এক অসহ্যকৰ বিৰক্তি।

"জেলতে ভাল আছিল" বিকুলৰ ওচৰলৈ উভতি আহোঁতে নিজকে কোৱাৰ দৰে মেদিনীয়ে কলে।

"সঁচা" অন্যফালে চাই শৈলেশে উত্তৰ দিলে।

দুদিনৰ পিচতে মেদিনী আৰু শৈলেশে অনুভৱ কৰিলে কিবা এটা কাম নকৰিলে উপায় নাই।

"কিন্তু কি কৰিম ? কোনে আমাক চাকৰি দিব ?" মেদিনীয়ে কৈ উঠিল।

"কিবা এটা যেনেতেনে যোগাৰ কৰিবই লাগিব। আমি দুটাই অন্ততঃ কলেজত পঢ়িছিলোঁ। কিবা এটা কাম নিশ্চয় পাম। নহলে খাবি ক'ৰপৰা ? বিকুলৰ বেমাৰৰ বাবেতো টকা লাগিব।"

"এৰা, যেনেতেনে টকাৰ যোগাৰ কৰিবই লাগিব।"

"কিন্তু জুৱা খেলি নহয়।"

"হুঁ ?" শৈলেশৰ কথাটো যেন শুনাই নাই এনে ভাবত মেদিনীয়ে শৈলেশৰ চকুলৈ চালে।

"জুৱা নেখেলোঁ।" শৈলেশে আকৌ কলে।

"এৰা, জুৱা নেখেলোঁ" অনিচ্ছাসত্বেও বাক্যটো কৈ মেদিনীয়ে কলে, "নেখেলোঁ মানে আৰু কি ? অশান্ত আৰু ৰকিমৰ আগততো কৈয়ে আহিছোঁ মদ, জুৱা, বেশ্যা আৰু মাৰপিট—জান গলেও এই চাৰিটাৰ চিন্তা মনলৈ নানো। কিন্তু এটা কথা," শৈলেশৰ চকুত চকু থৈ মেদিনীয়ে সুধিলে, "কি কামনো আমি পাম ?" মেদিনীৰ প্ৰশ্নৰ উত্তৰ একো নিদি শৈলেশে অন্য ফালে চালে। সি জানে, এইটো প্ৰশ্নৰ উত্তৰ সি দিব নোৱাৰে। একেটা প্ৰশ্নকে সি নিজকো বহুবাৰ সুধিছে। উত্তৰ পোৱা নাই।

চৰ্কাৰী চাকৰিৰ আশা বাদ দি তাৰ বাহিৰে থাকিব পৰা কি কি কাম থাকিব পাৰে মেদিনী আৰু শৈলেশে এবাৰ চিন্তা কৰি চালে।

প্ৰথমে শৈলেশ গ'ল বাপুজী বিদ্যাপীঠ নামৰ এইডেড স্কুলখনলৈ। বাপুজী বিদ্যাপীঠৰ হেডমাষ্টৰৰ কোঠাত সোমোৱাৰ পিচত বিনয়েৰে অলপতে ওলোৱা আন্দাৰ গ্ৰেজুৱেট স্কেলৰ শিক্ষকৰ চাকৰিটোৰ কথা সুধিলে। শৈলেশে কথাখিনি কৈ শেষ কৰাৰ পিচত হেডমাষ্টৰ মদন বৰুৱাই চকীখনত পোন হৈ বহি ঘোপাকৈ শৈলেশৰ মুখলৈ কিছু সময় চাই ৰ'ল। তাৰ পিচত

গলগলীয়া মাতেৰে সুধিলে, "তুমি? মানে তুমি গগন শইকীয়াৰ ল'ৰা নাছিলা?"

"হয় ছাৰ" শৈলেশে এঢোক সেপ গিলি ললে।

"তুমি জেললৈ যোৱা নাছিলা?"

"হয় ছাৰ।"

"জেললৈ যোৱাৰ আগতে তুমি মাৰপিট কৰি ফুৰা নাছিলা? মদ খোৱা নাছিলা? জুৱা খেলা নাছিলা?"

"হয় ছাৰ।"

"আৰু এইবাৰ মোৰ স্কুলৰ ফুকলীয়া ল'ৰাবিলাকৰ মূৰ খাবলৈ আহিছা?"

"মানে ছাৰ..."

"মনে মনে থাকা" শৈলেশৰ কথাত বাধা দি মদন বৰুৱাই কৈ উঠিল, "তোমাৰ দৰে এটা গুণ্ডা মহপীক মোৰ স্কুলৰ শিক্ষক কৰি ল'ৰাবিলাককো তোমাৰ দৰে গুণ্ডা কৰিব লাগে?"

"এতিয়া মই সেইবিলাক এৰিলোঁ ছাৰ।"

"এৰিলা?" বিদ্রুপেৰে শৈলেশৰ মুখলৈ চাই মদন বৰুৱাই খেত্‌খেতকৈ হাঁহি উঠিল।

"বিশ্বাস কৰক ছাৰ" শৈলেশে কৈ উঠিল, "মদ, জুৱা, মাৰপিট এইবিলাকৰ লগত মোৰ আৰু কোনো সম্বন্ধ নাই।"

"অ' তুমি ধৰ্মপুত্ৰ যুধিষ্ঠিৰ! পিছে মই জনা নাছিলোঁ। কিন্তু যুধিষ্ঠিৰ হলেও তুমি খুনী আচামী। খুনী আচামীৰ দ্বাৰা শিক্ষকতা নহয়।"

"ছাৰ, মই বৰ বিপদত পৰিহে আহিছোঁ। মই চাকৰি এটা নাপালে খাবলৈ নেপাই মোৰ বন্ধুৰ মৃত্যু হব, বেমাৰত তাৰ মুখত দিবলৈ..."

"মনে মনে থাকা" মদন বৰুৱাই গৰ্জি উঠিল। দুৱাৰখনলৈ আঙুলিয়াই কৰ্কশ স্বৰেৰে কৈ উঠিল, "এইখন দুৱাৰ খোলা আছে, ওলাই যোৱা।"

শৈলেশে ক্ষন্তেক মদন বৰুৱালৈ চাই ৰ'ল। তাৰ পিচত নিঃশব্দে ওলাই আহিল। ওলাই অহাৰ মুহূৰ্তত খুব ইচ্ছা গৈছিল মদন বৰুৱাৰ তপা মূৰটোত টেবুলৰ কলমাৰি এডালেৰে মাৰ এটা মৰাৰ। নেমাৰিলে।

বাপুজী বিদ্যাপীঠৰপৰা ওলাই অহাৰ পিচত অন্য স্কুলত কাম বিচাৰি যোৱাৰ ইচ্ছা শৈলেশে পৰিত্যাগ কৰিলে।

"মিউনিচিপালিটী অফিচত মহৰীৰ চাকৰি ওলাইছে" মেদিনীয়ে শৈলেশক কলে।

"ক'ত গম পালি ?"

"ইক্ৰামকায়ে কৈছে। বৈ চেয়াৰমেনক কৈ চাওঁগৈ। পাই যাব পাৰোঁ।"

এটা সময়ত দুয়োটা গৈ মিউনিচিপালিটীৰ অফিচত হাজিৰ হ'লগৈ।

মিউনিচিপালিটীৰ চেয়াৰমেনৰ কোঠাত সোমোৱাৰ লগে লগে চেয়াৰমেন দেবানন্দ দত্তই চকুৰ চছমাযোৰ খুলি কিছু সময় মেদিনী আৰু শৈলেশৰ ভবিৰ-পৰা মূৰলৈ চালে। দেবানন্দ দত্তৰ ভালদৰে মনত আছে ইলেক্‌চনৰ সময়ত অশান্তইতে কৰা অত্যাচাৰ। মিউনিচিপালিটী ৱাৰ্ড কমিছনাৰৰ ইলেক্‌চনত দেবানন্দ দত্তৰ বিপক্ষে উঠিছিল মাণিক বৰদলৈ। মাণিক বৰদলৈৰপৰা টকা পাই অশান্তইতে দেবানন্দ দত্তৰ বিপক্ষে লাগিছিল। অশান্তইতে দেবানন্দ দত্তৰ হৈ কেনভাছ কৰা মানুহক ধৰি ভয় দেখুৱাইছিল, কেনভাছ কৰা বাদ নিদিলে মাথা ফালি দিব। অৱশেষে ইলেক্‌চনত দেবানন্দ দত্তই জিকিছিল, কিন্তু অশান্তইতক পাহৰা নাছিল। মনৰ মাজত অশান্তইতৰ প্ৰতি এটা আক্ৰোশ জাগি উঠিছিল।

সমুখত মেদিনী আৰু শৈলেশক দেখি দেবানন্দ দত্তই মনতে এটা হাঁহি মাৰিলে।

"অ' তোমালোক" সমগ্ৰ মুখমণ্ডল হাঁহিৰে ওপচাই বিদ্ৰূপৰ সুৰত্ দেবানন্দ দত্তই শব্দকেইটা উচ্চাৰণ কৰিলে।

দেবানন্দ দত্তৰ কথা কোৱাৰ সুৰ দেখি মেদিনী আৰু শৈলেশে বুজিলে, কাম পোৱাৰ আশা নাই।

"বেছ বেছ তোমালোকৰ দৰে ডেকায়ো মহৰী কাম বিচাৰি অহাৰ বাবে বৰ ভাল পালোঁ। বাৰু তোমালোকৰ লগৰ সেই ৰকিমৰ বিশ বছৰ নে কিমান জেল হ'ল নহয় ?"

"হয়" মেদিনীয়ে লাহেকৈ উত্তৰ দিলে।

"অশান্ত বোলাটোৰ একা ?"

"ছয় বছৰ" শৈলেশে উত্তৰ দিলে।

"অ' সি ওলাবলৈ আৰু বেছিদিন নাই। বাৰু আৰু এটা তোমালোকৰ লগত..."

"বিকুল।"

"ওঁ ওঁ বিকুল, এতিয়াহে মনত পৰিছে" চছমাযোৰ চকুত লগাই লৈ দেবানন্দ দত্তই সুধিলে, "তাৰ একা?"

"আমাৰ লগতে ওলাইছে।"

"তাৰ বেমাৰ" শৈলেশে সৰুকৈ কলে।

কথাটো শুনি বৰ আঘাত পোৱাৰ সুৰত দেবানন্দ দত্তই কৈ উঠিল, "এ হয় নেকি?"

"সেইবাবেহে চাকৰি বিচাৰি ফুৰিছোঁ..."

"ইস্ ইস্ বেছ ভাল কৰিছা, বেছ ভাল কৰিছা। বিচাৰা, বিচাৰা, চাকৰি নিশ্চয় পাবা। তোমালোকৰ দৰে সাহসী ডেকাই চাকৰি নেপাই পাব কোনে?" বাক্যটো শেষ কৰি দত্তই এটা মৃদু হাঁহি মাৰিলে।

"ইয়াত?"

"অ' ইয়াত?" চেয়াৰমেন দেবানন্দ দত্তই হোঃ হোঃকৈ আকৌ এটা হাঁহি মাৰিলে। টেবুলৰ পেপাৰৱেটটোৰ ওপৰত আঙুলি বুলাই কলে, "ইয়াত তোমালোকক কাম দিব পৰা নেযাব বুইছা। এইটো বাইজৰ বস্তু, মোৰ অকলশৰীয়া নহয়। ইয়াত ৱাৰ্ড কমিছনাৰ আছে, মানে গোটেই নগৰখনৰ প্ৰতিনিধি। তোমালোকক চাকৰি দিলে ৱাৰ্ড কমিছনাৰবিলাকে মোক সুদাই নেৰিব।"

"কিয়?"

"কিয়নো নগৰখনত সবেই জানে তোমালোক গুণ্ডা, মদপী, জুৱাৰী আৰু খুনী আচামী। এনেকুৱা পৰিচয় লৈ হেঃ হেঃ বুজিছাই নহয়। তাতে আৰু এটা কথা, কোনদিনা তোমালোক আকৌ জেললৈ যোৱা, কোনদিনা আকৌ ক'ত কি কেলেংকাৰীৰ সৃষ্টি কৰা একো ঠিক নাই। গতিকে মই ৰিস্ক্ লওঁ কোন সাহসত?"

"কিন্তু আপোনাক কথা দিছোঁ আমি মাৰপিট, মদ, জুৱা সব এৰিলোঁ।"

"এইবিলাক কথাত কথা দিবলৈ বৰ সহজ বুইছা ডেকা ল'ৰা। হাতত পইচা নেথাকিলে মদ খোৱা, জুৱা খেলা এনেয়েও সম্ভৱ নহয়। পাৰ্টি নেথাকিলে মাৰপিটো কৰা দিগদাৰ। কিন্তু হাতলৈ পইচা আহিলেই বিকুলৰ বেমাৰ ভাল হোৱাৰ পিচত, অশান্ত জেলৰপৰা ওলাই অহাৰ পিচত যেতিয়া চাৰিওটা আকৌ লগ হবা তেতিয়া? কোনোবাই তোমালোকৰ প্ৰতাপত থাকিব পাৰিবনে?"

মেদিনী আৰু শৈলেশে বুজিলে তৰ্ক কৰি লাভ নাই। চাকৰি নিদিয়ে। চেয়াৰমেনৰ কোঠাৰপৰা ডুয়ো ওলাই আহিল। কোঠাৰপৰা ওলাই অহাৰ সময়ত ডুয়োৰে ইচ্ছা গ'ল দেবানন্দ দত্তৰ মঙহাল মুখখনত যেন ঘোচা দুটামান মাৰি আকৌ জেললৈ গুচি যাব। মনৰ ইচ্ছা দমাই ৰাখিলে. বিকুলৰ বাবে। আৰু লগে লগে ডুয়োটাৰে চকুৰ আগত ভাহি উঠিল অশান্তৰ মুখখন।

জেলৰপৰা ওলাই অহাৰ সময়ত কিছু সময়ৰ বাবে অশান্ত, ৰকিম, মেদিনী আৰু শৈলেশ জেলৰ প্ৰকাণ্ড দুৱাৰখনৰ সমুখত বৈছিল। বহু সময় একো কব নোৱাৰা হৈ ইটোৱে সিটোৰ চকুলৈ চালে। আটাইকেইটাই দেখিলে, ৰকিমৰ চকুহাল লাহে লাহে সজল হৈ আহিছে। মুখখন ৰঙা পৰিছে। "তইত যাবি" বুলি কৈ চকুহাল মুদি ৰকিম অশান্তইতৰ কাষৰপৰা আঁতৰি গৈছিল। মেদিনীয়ে লক্ষ্য কৰিছিল চকুহাল মুদি ৰকিমে সিহঁতৰ কাষৰপৰা আঁতৰি যোৱাৰ মুহূৰ্তত ৰকিমৰ ডুয়ো গালেদি দুধাৰি চকুলো বৈ পৰিছিল। সিহঁতে দেখাৰ ভিতৰত সেই দুটোপালেই ৰকিমৰ চকুৰপৰা ওলোৱা প্ৰথম চকুপানী।

ৰকিম আঁতৰি যোৱাৰ কিছু সময়ৰ পিচত অসহনীয় মৌনতা ভংগ কৰি অশান্তই মাত লগালে, "তিনিওটা বিকুলৰ ঘৰতে থাকিবি।" কিছু সময় বৈ আকৌ কৈছিল, "কিবা এটা কাম যেনেতেনে যোগাৰ কৰিবি। কাৰো লগত মাৰপিট কৰাৰ কথা, মদ খোৱা, জুৱা খেলাৰ কথা মুঠেই মনলৈ নানিবি। নহলে অনিৰ্বানৰ আত্মাই শান্তি নেপাব।" অকৌ কিছু সময় কিবা ভাবি কৈছিল, "বিকুলক চাবি। মইতো সোনকালে গৈছোঁৱেই।" তাৰ পিচত অশান্ত আঁতৰি গৈছিল।

জেলৰপৰা ওলাই মেদিনী আৰু শৈলেশে লক্ষ্য কৰিলে, গোটেই নগৰখনৰ মানুহৰ বাবে সিহঁত যেন ইতিকিঙৰ পাত্ৰ। পৰিচিতজনৰ ব্যৱহাৰত মেদিনী আৰু শৈলেশ মাজে মাজে জ্বলি উঠিল। শান্ত হৈ থাকিল মাথো অশান্তৰ কথাকেইটা মনত পেলাই। মেদিনী আৰু শৈলেশে বুজিছিল অশান্তই কোৱা কথাখিনিৰ পাচফালে মাত্ৰ অনিৰ্বানৰ আত্মাৰ শান্তিৰ কথাই নহয়, অন্য কিবাকিবিও সোমাই আছে। সেইবাবেই জেলৰপৰা ওলায়েই মেদিনীহঁতে মনে মনে প্ৰতিজ্ঞা কৰিছিল মৃত্যুকো সাবটি লব, তথাপি অশান্তৰ কথা নেপেলায়। আৰু সেইবাবেই বাপুজী বিদ্যাপীঠ বা মিউনিচিপালিটীৰ চেয়াৰমেন দেবানন্দ দত্তৰ ওচৰৰপৰা আহোঁতে সিহঁত অলপ সময়ৰ বাবেও উত্তেজিত

নহল, চাৰিআলিৰ মাজত আনন্দইঁতে মৰিয়াই দুয়োকে অজ্ঞান কৰি পেলাই দিওঁতেও এটায়ো অকণমানো প্ৰতিবাদ নকৰিলে।

আনন্দইঁতৰ লগত হোৱা ঘটনাটোৰ বাবে অৱশ্যে মেদিনী বা শৈলেশ এটাও সাজু নাছিল। কল্পনাই কৰা নাছিল ঘপ্‌কৰে যে এনে এটা ঘটনাও হৈ যাব পাৰে। এটায়ো ক্ষন্তেক ভবাৰ অৱকাশ নোপোৱাকৈয়ে ঘটনাটো হৈ গৈছিল।

অথচ ঘটনাটো আছিল অতি সামান্য। মেদিনী আৰু শৈলেশ গধূলি সময়ত ইক্ৰামৰ দোকানলৈ আহিছিল। সেই সময়ত ইক্ৰামৰ দোকানৰ সমুখত মেদিনীইঁতকৈ বয়সত সৰু, নতুনকৈ বিখ্যাত হোৱা ল'ৰা কেইটামানে জুম বান্ধি আড্ডা মাৰিছিল। সেইকেইটা ল'ৰাৰ কেইবাটাকো কাণত ধৰাৰ অভিজ্ঞতা মেদিনী বা শৈলেশৰ আছে।

মেদিনী আৰু শৈলেশ ইক্ৰাম দোকানীৰ দোকানৰ পাটচলাৰ তললৈ সোমাওঁতে মেদিনীৰ গাটো আনন্দৰ গাত লাগিল। আনন্দ কিছু হালি গ'ল। লগে লগে আগবাঢ়ি যোৱা মেদিনীৰ কলাৰত পাচফালৰপৰা আনন্দই খাপ মাৰি ধৰি গৰ্জি উঠিল, "এই দেখা নাই ?"

মেদিনী আৰু শৈলেশ দুয়োটা সমানে অবাক হৈ ঘূৰি চালে। দুয়োটাৰ ইচ্ছা গ'ল আনন্দৰ নাকটোত চিনিব নোৱাৰাকৈ এটা ঘোচা মাৰিব। কিন্তু নিজক সংযত কৰিলে। মেদিনীয়ে কোমল স্বৰত কলে, "কিহে আনন্দ, সামান্য গাত গাটো লাগোতেই ইমান দপদপাই উঠিছা যে ? ভালকৈ কৰ নোৱাৰা ?"

"ভালকৈ কবলৈ তুমি কণা নেকি ?"

"গুণ্ডামি দেখুৱাইছা ?"

আনন্দৰ লগৰ অন্য দুটাই লগে লগে কৈ উঠিল। মেদিনীয়ে ল'ৰা দুটাৰ মুখলৈ এবাৰ চালে। তাৰ পিচত লাহে লাহে অথচ কঠোৰ স্বৰেৰে কলে, "গুণ্ডামী দেখুৱা নাই। গুণ্ডামী দেখুৱা হলে ইমান দেৰি তহঁতৰ লগত কথা পাতি নেথাকো। অলপ ভদ্ৰ হবি।"

"কি আমাক ভদ্ৰতা শিকাবলৈ আহিছ চাল্লা জেলখোৱা কয়দী।" আনন্দই চিঞৰি উঠিল।

"চুপ থাক আনন্দ" শৈলেশে গৰ্জি উঠিল। আনন্দইঁতৰ গোটেই জুমটোক অকলে মাটিত পেলাই দিব পৰা আত্মবিশ্বাস থকা শৈলেশে দাঁত কৰচিলে।

"বাদ দে শৈলেশ" বৰ দুৰ্বল মানুহে কোৱাৰ দৰে মেদিনীয়ে শৈলেশলৈ চাই কলে।

"ঐ শৈলেশ, কি লাল চকু দেখাইছ বে? ভয় কৰিছোঁ নেকি?" বুলি এটাই শৈলেশক গটা মাৰি দিলে। শৈলেশ অন্য এটাৰ গাত ঢলি পৰিল। মেদিনীয়ে বাধা দিবলৈ শৈলেশৰ কাষলৈ আগবাঢ়োতেই আনন্দই মেদিনীৰ মুখত ঘোচা বহুৱাই দিলে। শৈলেশ জ্বলি উঠিল। দুয়োখন হাত মুঠি মাৰি ঘোচা দাঙি লওঁতেই মেদিনীয়ে চিঞৰি উঠিল, "শৈলেশ, কাৰো গাত হাত নুতুলিবি।" শৈলেশ বৈ গ'ল। আৰু লগে লগে অন্য এটাই শৈলেশৰ মুখত ঘোচা বহুৱাই দিলে। তাৰ পিচত আনন্দইতৰ গোটেই জুমটো মেদিনী আৰু শৈলেশৰ ওপৰত জপিয়াই পৰিল।

দহ-বাৰটা ল'ৰাই মেদিনী আৰু শৈলেশক ঘুচিয়াই, ভুকুৱাই এটা সময়ত ইক্ৰাম দোকানীৰ দোকানৰ সমুখত অজ্ঞান কৰি মাটিত পেলাই দিলে। এবাৰৰ বাবেও মেদিনী আৰু শৈলেশে প্ৰতিবাদ নকৰিলে। দহ-বাৰটা ল'ৰাৰ ঘোচা-ভুকু সহ্য কৰিব নোৱাৰি মেদিনী আৰু শৈলেশে দুয়ো হাতেৰে মূৰটো ঢাকি আঁঠুকাঢ়ি মাটিত বহি দিছিল। হুকুহুকুকৈ কান্দি পেলাইছিল আৰু কান্দি কান্দি অজ্ঞান হৈ মাটিত লাংখাই পৰি গৈছিল।

মেদিনী আৰু শৈলেশ অজ্ঞান হৈ যোৱাৰ পিচত হুলস্থুল কৰি আনন্দইত আঁতৰি গ'ল। মহা আনন্দ সিহঁতৰ। বিখ্যাত গুণ্ডা দুটাক অজ্ঞান কৰি দিছে। আনন্দই আনন্দত চিঞৰি উঠিল, "চাল্লা ঘোচাৰ কোবত কান্দি দিছে বে!"

ইতিমধ্যে ইক্ৰাম দোকানী দোকানৰপৰা নামি আহিছিল। বাধা দিয়াৰ চেষ্টা কৰি নিজেই খালত সোমাব লগা হৈছিল। খালৰপৰা উঠি আহি মেদিনী আৰু শৈলেশৰ মুখত পানী ছটিয়াই দিলে। মুখৰ তেজবিলাক মচি দিলে। জ্ঞান অহাৰ পিচত অন্য মানুহৰ সহায়ত ৰিক্সাত তুলি হস্পিটাললৈ নিলে।

নগৰখনৰ যিবিলাক মানুহে ঘটনাটো দেখিলে, আনন্দেৰে তেওঁলোকে উপভোগ কৰিলে। বিভিন্নজনে বিভিন্ন মন্তব্য কৰিলে। কোনোৱে কাষৰজনক কলে, "আৰু কিমান গুণ্ডামি কৰিব?"

"ভাল শিক্ষা পাইছে আজি" অন্য এজনে লগৰজনক কলে।

"গুণ্ডাবিলাকৰ শেষ অৱস্থা এনেকুৱা হয়েই" আন এজনে কয়।

"অশান্ত আৰু বিকুল অহাৰ পিচত আনন্দইতক মজা দিব কিন্তু।" লাহেকৈ আন এজনে মন্তব্য কৰে।

আৰু ইক্ৰাম দোকানীয়ে বুজিলে মেদিনী আৰু শৈলেশ মানুহ হ'ল।

মেদিনী আৰু শৈলেশ আকৌ কাম বিচাৰি ঘূৰিল।

"তুমি?"

"আচৰিত হৈছে যে?"

"আচৰিত হোৱা নাই, কিন্তু

"আপোনাক কথা দিছোঁ, আপুনি মোক বিশ্বাস কৰিব পাৰে। মিলৰ কাম মই ভালদৰে চলাম।" মেদিনীয়ে মিলমালিক ধনুকাপ্ৰসাদৰ মুখলৈ চাই কলে।

"তোমাক কাম দিব পৰা হলে ভাল আছিল কিন্তু ক্ষমা কৰিবা, যিটো কামৰ বাবে মই মানুহ বিচাৰিছোঁ সেই কামৰ মানুহ তুমি নহয়।"

"যি কামেই নহওক মই পাৰিম।" গভীৰ আত্মবিশ্বাসেৰে মেদিনীয়ে কলে।

"ওঁহো নোৱাৰিবা। মোৰ বিশ্বাস তুমি নোৱাৰিবা। যিটো কামৰ বাবে মানুহ বিচাৰিছো সেইটো কামৰ বাবে মানুহজন হব লাগিব নম্ৰ। সহজে মানুহক খাতিৰ খোচামত কৰিব পাৰিব লাগিব। প্ৰয়োজনৰ সময়ত সকলোৰে তল হৈ থাকিব পাৰিব লাগিব। গালি পাৰিলেও চুপচাপ শুনিব পৰা হব লাগিব। আৰু মোৰ বিশ্বাস তুমি নোৱাৰিবা।"

"নহয় নহয়, মই পাৰিম।"

"মাৰপিট কৰিব যে পাৰিবা মোৰ বিশ্বাস আছে" হাঁহি মাৰি ধনুকাপ্ৰসাদে কলে, "কিন্তু মই ভালদৰে জানো আনৰ গালি শুনি তুমি কেতিয়াও চুপচাপ বহি থাকিব নোৱাৰা। তাতে তুমি থাকিলে অন্য অসুবিধাও আছে।"

"বিশ্বাস কৰক মই সলনি হৈ গৈছোঁ।"

"মুখেৰে সলনি হৈছোঁ বুলি কোৱাতকৈ সস্তা বেপাৰ এই দুনিয়াত একো নাই।" বাক্যটো কৈ ধনুকাপ্ৰসাদে হোঃ হোঃকৈ হাঁহি উঠিছিল।

মেদিনীয়ে সময় নষ্ট নকৰি ধনুকাপ্ৰসাদৰ ওচৰৰপৰা আঁতৰি আহিল।

"তুমি কাম কৰিবা?" শৈলেশৰ মুখলৈ চাই খাছীয়া মটৰ মেকানিকজনে আচৰিত হৈ সুধিলে।

"হয়" লাহেকৈ শৈলেশে উত্তৰ দিলে।

"তুমিতো একো কাম নাজানা।"

"শিকিম।"

"তুমি বহুত গুণ্ডা আছিলা, মদ খাইছিলা…"

"আৰু সব এৰিছোঁ।"

"পাৰিবা ?" বুঢ়া মেকানিকজনে শৈলেশৰ চকুলৈ চাই গম্ভীৰ স্বৰে সুধিলে।

"পাৰিম।"

"গুড্। কাইলৈৰপৰা কামত আহিবা। কিন্তু লিখি দিব লাগিব বদমাচি কৰিলে, মদ খালে কামৰপৰা খেদি দিম।"

"লিখি দিম।"

খাছীয়া মটৰ মেকানিক প্ৰিছলীৰ কাৰখানাত শৈলেশৰ চাকৰি হৈ গ'ল। ইমান সহজে কাম পাই যাব বুলি শৈলেশে ভবা নাছিল। নগৰখনৰ সবৰে ওচৰত কাম বিচাৰি প্ৰায় অপমানিত হৈ আহি বুঢ়া মটৰ মেকানিক প্ৰিছলীৰ ব্যৱহাৰত অজানিতে শৈলেশৰ চকুহাল চলচলীয়া হৈ পৰিল। প্ৰিছলীয়ে শৈলেশৰ পিঠিত হাত থৈ কৈছিল, "ইয়ং হৈ থাকোঁতে ময়ো বহুত বদমাচি কৰিলোঁ। এইবোৰৰ বাবেই পঢ়া নহ'ল। কিন্তু বাবা মৰাৰ পিচত সব এৰি দিলোঁ।' এইবোৰ সব মিছা। 'তুমিও বহুত বদমাচি কৰিলা। জেলত ভি গলা। মই সব জানো। এতিয়া সব বাদ দিয়া, ভালকে কাম কৰা।" প্ৰিছলীৰ কাৰৰপৰা আঁতৰি আহোঁতে শৈলেশে বুজিছিল আচলতে ভাল মানুহ এতিয়াও শেষ হৈ যোৱা নাই।

"তোমাক কাম দিম" মেদিনীৰ চকুৰ ওপৰত চকু থৈ ৰামেশ্বৰে উত্তাপহীন কণ্ঠেৰে কলে।

"দিব ?" মেদিনীৰ মুখখন উজ্জ্বলি উঠিল। আগ্ৰহেৰে চিনেমা হলৰ মালিক ৰামেশ্বৰৰ মুখলৈ চালে।

"কাম দিম, কিন্তু এটা চৰ্তত।' তুমি গুণ্ডা। আমাক গুণ্ডাৰ প্ৰয়োজন। চিনেমা হলৰ গেটত থাকিব লাগিব। যিবিলাকে চিনেমা হলত গণ্ডগোল লগাই টিকেট নোলোৱাকৈ চিনেমা হলত সোমাব বিচাৰে সিহঁতক ঠাণ্ডা কৰি দিব লাগিব। আৰু মোৰ বিশ্বাস এইটো কাম তুমি পাৰিবা।" কথাখিনি কৈ ৰামেশ্বৰে টেমাৰপৰা এখন খিলিপান মুখত সুমুৱাই দি লাহে লাহে গুৰি দাঁতেৰে চোবাই আকৌ কলে, "ঠিক আছে, কাইলৈৰপৰা তুমি আহিবা। মেনেজাৰক লগ কৰিবাহি।"

ৰামেশ্বৰে স্পষ্ট বুজিছিল মেদিনীৰ আপত্তি কৰিবলগীয়া একো নাই। উচিত কামেই তাক দিয়া হৈছে। মনে মনে ভাবিলে, মেদিনীৰ দৰে পালোৱান অসমীয়া গুণ্ডা এটাক গেটত ৰাখিব পাৰিলে চিনেমা হলত হোৱা গণ্ডগোল বহুত কমি যাব।

ৰামেশ্বৰে মুখৰ পিক্ অকমান পেলাই বৈ থকা মেদিনীক আকৌ কলে, "কি ভাবিছা? এতিয়া তুমি যোৱা, মই মেনেজাৰক কৈ থম।"

"আপোনাৰ ইয়াত মই কাম কৰিব নোৱাৰিম।" ক্ষীণ মাতেৰে মেদিনীয়ে কলে।

"কি?" মেদিনীৰ বাক্যটোৰ অৰ্থ যেন ৰামেশ্বৰে বুজিও নুবুজিলে।

"হয়, মই মাৰপিট কৰিবলগা কাম নকৰোঁ। মাৰপিট এৰি দিছোঁ।"

"মাৰপিট এৰি দিছা?" অবিশ্বাসৰ সুৰত ৰামেশ্বৰে আকৌ সুধিলে।

"হয়" লাহেকৈ মেদিনীয়ে উত্তৰ দিলে।

"ওঁ" ৰামেশ্বৰে ক্ষন্তেক মেদিনীৰ কথাটো আকৌ মনতে ভাবিলে। তাৰ পিচত দক্ষ ব্যৱসায়ীৰ সুৰত কলে, "বেছ ভাল কাম কৰিছা, বেছ ভাল কাম কৰিছা। শুনি বৰ ভাল পালোঁ। কিন্তু বেয়া নাপাবা, তোমাক কাম দিব নোৱাৰিম।"

ৰামেশ্বৰৰ স্পষ্ট প্ৰত্যাখ্যানত মাত মতাৰ ইচ্ছা মেদিনীয়ে নকৰিলে।

বিকুলৰ ওচৰলৈ উভতি আহোঁতে মেদিনীয়ে মনতে ভাবিলে, আচলতে সি কি হবলৈ বিচাৰিছে। মনত পৰিল অনিৰ্বাণে কোৱা কথা এষাৰলৈ— যিজনে ডিজঅনেষ্টিৰ লগত কোনো মুহূৰ্ততে কম্প্ৰমাইজ নকৰিব, এই সংসাৰত আচল সাহসী সিয়েই। সঁচা অৰ্থত পুৰুষ। কিবা এটা নীতি মানি লোৱাৰ পিচত সেই নীতিৰপৰা যিমানেই বিপদত নপৰক লাগে আঁতৰি নহাকৈ যি থাকিব পাৰিব তাতকৈ সুখী কোনো নাই। তাতকৈ সঁচা পুৰুষ কোনো হব নোৱাৰে।

"কেনেকুৱা পাইছ?"

বিছনাত পৰি থকা বিকুলৰ মূৰত হাত থৈ মেদিনী উপচ খাই উঠিল। জুইৰ দৰে তপত কপালখন। অসম্ভৱ জ্বৰ। মেদিনীয়ে লৰালৰিকৈ পানী এঘটি আনি জেপৰ ৰুমালখন পানীত জুবুৰিয়াই কপালত পতি দিলে। গাত আৰু দুখন কাপোৰ জাপি দিলে। ভৰিতলুৱা দুখন মোহাৰি দিলে।

এটা সময়ত শৈলেশ কামৰপৰা আহিল। দৌৰ মাৰি গৈ শৈলেশে ইক্ৰাম দোকানীক মাতি আনিলে। ইক্ৰাম ডাক্তৰৰ ওচৰলৈ গ'ল।

ডাক্তৰ আহিল। ভালদৰে চোৱামেলা কৰাৰ পিচত ঔষধ লিখি দিলে। কোঠাৰ বাহিৰলৈ গৈ ডাক্তৰে কলে, 'টাইফয়ড, ভয়ৰ কাৰণ নাই।'

ইক্ৰাম দোকানীয়ে ডাক্তৰৰ ভিজিট দিলে, ঔষধ আনি দিলে।

তাৰ পিচত সেই বিৰক্তিকৰ অসহনীয় একঘেয়ামী।

শৈলেশ কামলৈ যায়, মেদিনী বিকুলৰ কাষত বহি থাকে।

মাজে মাজে জ্বৰ বেছি হয়, মাজে মাজে কমে।

গধূলি একোবাৰ ইক্ৰাম দোকানী আহে। লগত দুই এবিধ খোৱাবস্তু, বিকুলৰ কাষত ক্ষন্তেক বহে। থৰ লাগি বিকুলৰ মুখলৈ চাই ৰয়। তাৰ পিচত ক্ষন্তেক মেদিনীৰ মুখলৈ চাই উঠি আহে।

বিকুলৰ কাষত বহি মুখখনলৈ চাই থাকোঁতে কেতিয়াবা মেদিনীৰ মন যায় সি যেন কান্দি দিব। বিকুলৰ মুখখন একেবাৰে শুকাই গৈছিল। চকুহাল গাঁতত সোমাই গৈছিল। কথা কওঁতে সেহাই সেহাই কবলগা হৈছিল।

গধূলি বিকুলৰ টোপনি অহাৰ পিচত মেদিনী আৰু শৈলেশে বাহিৰলৈ চকী দুখন উলিয়াই মৌন হৈ বহি থাকে। এটাৰো কথা পাতিবলৈ ইচ্ছা নেযায়। পাতিবলৈ সব কথা যেন শেষ হৈ গ'ল। ঘণ্টাৰ পিচত ঘণ্টা আকাশৰ শেষ বলয়ত দৃষ্টি নিবদ্ধ কৰি মৌন হৈ মাথো বহি থাকে। ইটোৱে সিটোৰ মুখলৈ নোচোৱাকৈয়ে গম পায় দুয়োৰে চকু সজল হৈ আহিছে—দুগালেদি দুধাৰ চকুলো বাগৰি পৰিছে। ইটোৱে সিটোৰ হুমুনিয়াহৰ ক্ষীণ অথচ মৰ্মন্তুদ শব্দত চক খাই উঠে।

কেতিয়াবা আকাশৰ তৰাৰ ওপৰত চকু থৈ এটাই নিজক কোৱাৰ দৰে কয়, "অশান্ত আহিলেই সব ঠিক হৈ যাব।"

কেতিয়াবা বাহিৰৰ শূন্যত ওলমিথকা অন্ধকাৰলৈ চাই কয়, "ইক্ৰামকায়েনো কিমান সহায় কৰিব ?"

এইবিলাক কথা সাধাৰণতে বেছি নেবাঢ়ে। এটাই কোৱাৰ পিচত আনটোৱে উত্তৰ দিবলৈও যেন পাহৰি যায়।

এটা সময়ত কোনোবা এটা বহাৰপৰা উঠি আনটোলৈ নোচোৱাকৈয়ে কয়, 'বৈ।'

দুয়োটা বিকুলৰ কোঠালৈ সোমাব। ক্ষন্তেক দুয়ো বিকুলৰ মুখলৈ

চাই থাকিব। তাৰ পিচত লেমটো কমাই বিকুলৰ কাষৰ বিছনাখনত বাগৰ লব।

শোৱাৰ পিচত বহু সময়লৈ টোপনি নাহে দুয়োটাৰে। দুয়োটাই গম পায় দুয়োটাৰে চকু মেল খাই আছে। অথচ মৌন হৈ পৰি থাকে।

শোৱাৰ ভাও ধৰি পৰি থাকোঁতেই এদিন দুয়োটা একে জাপেই বিকুলৰ বিছনাৰ কাষ পাইছিলহি।

বিকুলে ছটফটাইছে।

গাত হাত দি মেদিনী আৰু শৈলেশ শিঞৰি উঠিল। জ্বৰৰ দবে গাটো তপত হৈছে।

"তই ডাক্তৰৰ ওচৰলৈ যা" মেদিনীৰ মুখলৈ চাই শৈলেশে কৈ উঠিল।

মেদিনী ডাক্তৰৰ ওচৰলৈ দৌৰ মাৰিলে।

ডাঃ প্ৰশান্ত ভৰালীৰ কোৱাৰ্টাৰৰ বাৰাণ্ডাত উঠি মেদিনীয়ে কলিং বেলৰ বুটামত হেঁচা মাৰিলে। কিছু সময়ৰ পিচত বাৰাণ্ডাৰ লাইটটো জ্বলিল। দুৱাৰ খুলি ডাঃ ভৰালীয়ে গৰ্জি উঠিল, "কি লাগে এই ৰাতি এক বজাত?"

"ছাৰ আপোনাক নিব আহিছোঁ। মোৰ বন্ধু এজনৰ বৰ অসুখ।"

"অসুখ হল বুলিয়েই এই ৰাতি এক বজাত অত্যাচাৰ কৰিবা? ডাক্তৰ হলোঁ বুলি যেতিয়াই তেতিয়াই আমনি কৰিবলৈ আমাৰ টোপনি নাই? ভাগৰ নাই? যোৱা এতিয়া, দৰ্কাৰ হলে ৰাতিপুৱা আহিবা।"

"নহয় ছাৰ, জ্বৰ বেছি হৈছে বাবেই—"

"মই গলেই জ্বৰটো চিকুট মাৰি লৈ আহিম নেকি? যোৱা, পুৱা আহিবা।"

"নহয় ছাৰ, আপোনাক হাতযোৰ কৰিছোঁ, এতিয়াই নগলে..."

"হাতযোৰ কৰিবলগীয়া ইয়াত কোনো কথা নাই। মই ৰাতি সাধাৰণতে ক'তো বেমাৰী নাচাওঁ। তাতে এই ঠাণ্ডাত ৰাতি এক বজাত ৰোগী চাবলৈ যোৱা সম্ভৱ নহয়।"

"কিন্তু আপোনাকতো স্ফূৰ্তি কৰিবলৈ নিব বিচৰা নাই" অসহ্য হৈ মেদিনীয়ে কৈ উঠিল।

"কি কৈছা? নগলে জোৰ কৰি নিবা? যোৱা অন্য ডাক্তৰ নিয়াগৈ।" খঙেৰে বাক্যটো কৈ ডাক্তৰ প্ৰশান্ত ভৰালীয়ে মেদিনীৰ মুখৰ আগতে দুৱাৰখন জপাই দিলে। বাৰাণ্ডাৰ লাইটটো নুমাই গ'ল।

বন্ধ দুৱাৰখনলৈ কন্তেক চাই মেদিনীয়ে নিষ্ফল আক্ৰোশত বাবাণ্ডাৰপৰা নামি আহিল। তাৰ পিচত আধামাইল দূৰৰ ডাক্তৰ মুজাহিদ আলিৰ ঘৰলৈ দৌৰি গ'ল। ডাঃ মুজাহিদ আলিক জগাই যেতিয়া মেদিনী বিকুলৰ ওচৰ পাইছিলহি তেতিয়া দুই বাজি গৈছিল।

ইতিমধ্যে বিকুলৰ অৱস্থা শোচনীয় হৈ পৰিছিল।

পৰীক্ষা কৰি ডাঃ মুজাহিদ আলিয়ে কাগজ এখনত ইনজেক্‌চন দুটাৰ নাম লিখি মেদিনীৰ হাতত কাগজখন দি কলে, "বহুত পলম হৈ গ'ল। তথাপি এই দুটা ইনজেক্‌চন আনা, এবাৰ চেষ্টা কৰি চাওঁ।"

হাতত কাগজখন লৈ মেদিনী দৌৰি ওলাই গ'ল। বিকুলৰ ঘৰৰপৰা গৈয়ে প্ৰথমে পোৱা ফাৰ্মাচীখন 'দি আইডিয়েল ড্ৰাগ হাউছ'। আইডিয়েল ড্ৰাগ হাউছৰ দুৱাৰত টকিয়াই মাতিলে। কন্তেক পৰৰ পিচত ভিতৰৰপৰা এজনে খঙেৰে মাত লগালে, "কোন এ ৰাতিখন?"

"মই ঔষধ বিচাৰি আহিছোঁ।"

"ৰাতি আঠটাত দোকান বন্ধ হয় বুলি নেজানা?"

"জানো। কিন্তু ঔষধ এতিয়াহে..."

"সেইবুলি ইমান ৰাতি টোপনিৰপৰা মানুহ জগাই দোকান খোলাবা? যোৱা, অইন ফাৰ্মাচীলৈ, মই উঠিব নোৱাৰোঁ।"

মেদিনীয়ে লৰালৰিকৈ আন এখন ফাৰ্মাচীলৈ দৌৰিলে। বহু চিঞৰ-বাখৰ কৰাৰ পিচত ফাৰ্মাচীৰ ভিতৰত শুই থকা কম্পাউণ্ডাৰজন উঠিল। দুৱাৰখন সামান্য ফাঁক কৰি মেদিনীৰ হাতৰপৰা কাগজখন লৈ চাই সেইখন মেদিনীক দি দুৱাৰখন জপাই দিলে। ভিতৰৰপৰা কলে, "সেইটো ইনজেক্‌চন মাত্ৰ আইডিয়েল ড্ৰাগ হাউছতহে পাবা।" মেদিনী আকৌ আইডিয়েল ড্ৰাগ হাউছ পালেহি। বুজিলে এইবোৰ দুৰ্ভাগ্যৰ চিন।

"আকৌ কোনে টকিয়াইছা?" ভিতৰৰপৰা কম্পাউণ্ডাৰ বিশ্বনাথে গৰ্জি উঠিল।

"মই মেদিনী, ঔষধ এটা..."

"গুলী মাৰা তোমাৰ ঔষধ" মেদিনীৰ কথাত বাধা দি ভিতৰৰপৰা কম্পাউণ্ডাৰ বিশ্বনাথে চিঞৰি উঠিল, "এবাৰ কৈছোঁ নহয় ৰাতি দোকান খুলিব নোৱাৰোঁ বুলি।"

"কিন্তু ঔষধ নহলেই নহয় বাবেহে..."

"যিমানেই যি নহওক এই মাজৰাতিখন মই ঔষধ দিব নোৱাৰোঁ। মালিকক মানা আছে। যোৱা চিঞৰ-বাখৰ নকৰিবা—"

"হেৰা, ঔষধটো তোমাৰ দোকানতহে মাত্র আছে। নহলেই নহয়। এটা মানুহৰ জীৱনৰ বাবে জানিবা অকমান কষ্ট কৰিলাই…" যিমান সম্ভৱ সিমান নিজকে সংযত কৰি কাতৰ স্বৰেৰে মেদিনীয়ে কৈ উঠিল। কিন্তু বোতৰা দুৱাৰ খোলাৰ কোনো লক্ষণেই দেখা নগ'ল মেদিনীয়ে আৰু ধৈর্য্য ধৰি থাকিব নোৱাৰিলে। সিংহৰ দৰে গর্জি চিঞৰি কৈ উঠিল, "মই মেদিনীয়ে কৈছোঁ—জেলৰপৰা ওলাই অহা মেদিনী। এই মুহূর্ততে দুৱাৰ মুখুলিলে তোৰ দোকান জ্বলাই দিম। জ্বলাই দিম।" শেষৰ 'জ্বলাই দিম' বুলি কণ্ঠতে মেদিনীৰ মাতটো ফাটি গৈছিল। সেই চিঞৰত কাষৰ দোকানৰ দুই-এজন মানুহ উঠি বাহিৰলৈ ওলাই আহিছিল। সেই অন্য মানুহবিলাকৰ দুজনমানে কোৱাৰ পিচত বিশ্বনাথে দুৱাৰ খুলিছিল। মেদিনীৰ হাতৰপৰা প্রেছক্রিপছনখন লৈ ইন্‌জেক্‌চনৰ ফাইল দুটা দিছিল আৰু ফাইল দুটা হাতত লৈ টকাৰ পৰিবর্তে হাতৰ ঘড়ীটো বিশ্বনাথৰ মুখলৈ দলিয়াই 'এয়া দাম ল' বুলি দৌৰি মেদিনী ওলাই আহিল।

আৰু দৌৰি দৌৰি মেদিনী যি সময়ত বিকুলৰ ওচৰ পাইছিলহি সেই সময়ত বিকুল ধৰাচোৱাৰ বাহিৰত।

থৰ হৈ বিকুলৰ শটোলৈ চাই ৰৈছিল। অর্থশূন্য চাৱনি। শৈলেশে মেদিনীৰ গাত ঢলি পৰি কান্দিছিল। শৈলেশৰ বাহু দুটাত ধৰি মাটিত বহুৱাই দিছিল। এখন বগা কাপোৰেৰে বিকুলৰ গাটো ঢাকি দিছিল। ইক্রাম দোকানীক আৰু ওচৰৰ অন্য দুজনমান মানুহক মাতি অনা হ'ল।

আৰু এই গোটেইখিনি সময়ত মেদিনীয়ে এবাৰৰ বাবেও নেকান্দিলে। এটা হুমুনিয়াহ নাকাঢ়িলে। এটোপাল চকুপানী সুলিয়ালে। অকণো চঞ্চল নহ'ল। বিহ্বল নহ'ল।

এটা সময়ত বিকুলক শুৱাই থোৱা কোঠাটোলৈ বহুত মানুহৰ সমাগম হৈছিল। মানুহবিলাকে মিলি চাং বনালে, শ দাহ কৰাৰ ব্যৱস্থা কৰিলে আৰু এটা সময়ত শ্মশানলৈ নিলে। অতি সহজভাৱে মেদিনীয়ে মুখাগ্নি কৰিলে।

বিকুলৰ মৃত্যুৰপৰা শ্মশানত জ্বলাই দিয়াৰ পিচলৈকে ইক্রাম দোকানীয়ে একেৰাহে মেদিনীক লক্ষ্য কৰিছিল। মেদিনী কোনো মুহূর্ততে অকণমানো

চঞ্চল নহ'ল, উত্তেজিত নহ'ল, এবাৰৰ বাবেও দুখ প্ৰকাশ নকৰিলে, এটোপাল চকুপানী ছুলিয়ালে, এটা হুমুনিয়াহ নেকাঢ়িলে। মেদিনীৰ আচৰণত ইক্ৰাম দোকানীয়ে ভালদৰে বুজিলে এয়া অন্য একো নহয়, ধুমুহাৰ পূৰ্বাভাস। ইয়াৰ পিচত ধুমুহাৰ সৃষ্টি হব।

কিন্তু ইক্ৰাম দোকানীও অবাক হৈ গৈছিল।

এনেকুৱা কিবা এটা যে হব ইক্ৰাম দোকানীয়েও অনুমান কৰা নাছিল, এটা মুহূৰ্তৰ বাবেও কল্পনা কৰা নাছিল। ইক্ৰাম দোকানী কিয়, সদায় একেলগে থকা, অতি ওচৰৰপৰা মেদিনীক পাই অহা শৈলেশেও কল্পনা কৰা নাছিল যে এনে এটা ভয়ানক কাম মেদিনীয়ে ঘপ্‌কৰে কৰি পেলাব।

অথচ কৰিছিল।

গোটেই নগৰখনৰ মানুহক, ইক্ৰাম দোকানীক, শৈলেশক অবাক কৰি মেদিনীয়ে আত্মহত্যা কৰিছিল।

বিকুলৰ মৃত্যুৰ পিচদিনা গধূলি কোঠালৈ সোমাই শৈলেশ থৰ হৈ গ'ল। থৰ লাগি মেদিনীলৈ চাই থাকিল। ঠিকেই দেখিছে, ডিডিত চিপ লগাই আত্মহত্যা কৰা মেদিনীৰ শটো ওলমি আছে। তথাপি শৈলেশে একো বুজিব নোৱাৰিলে, যেন ওলমি থকা মেদিনীৰ শটো কি একো ধৰিব পৰা নাই। থৰ লাগি মাথো চাই থাকিল। এটা সময়ত চকুহাল শটোৰপৰা লাহে লাহে নমাই আনিলে। শটোৰ ঠিক তলতে পৰি থকা কাগজ তুখনৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিলে। কাগজ তুখনৰ ওচৰলৈ গ'ল। স্বয়ংক্ৰিয়ভাবে কাগজ তুখন হাতলৈ তুলি ললে। পঢ়িলে। এখনত অশান্তৰ নাম। এখনত শৈলেশৰ। নিজৰ নাম লিখা কাগজখন মেলি ললে।

মাত্ৰ এটা বাক্য।

"তই মোক ক্ষমা কৰিবি শৈলেশ।

—তোৰ মেদিনী"

একেটা বাক্যৰ ওপৰতে শৈলেশে কেইবাবাৰো চকু ফুৰালে। যেন বাক্যটোৰ একো অৰ্থ উলিয়াব পৰা নাই। মেদিনীৰ শটোলৈ আকৌ চালে। বাক্যটোত এবাৰ চকু থলে, আকৌ চালে মেদিনীৰ মুখখনলৈ।

ঘপ্‌কৰে যেন শৈলেশে বহুত কিবাকিবি বুজি পাই গ'ল। কাগজ তুখন চেপা মাৰি ধৰি টেটুফালি চিঞৰি উঠিল, "নাই—।" তাৰ পিচত দৌৰি দৌৰি ইক্ৰামৰ দোকান পাইছিলগৈ। ইক্ৰামৰ গালৈ কাগজ তুখন দলি মাৰি চিঞৰি

উঠিল, "নাই, নাই…মেদিনী গ'ল, মেদিনী গ'ল…" তাৰ পিচত হিঃ হিঃকৈ হাঁহি উঠিল। হাঁহি হাঁহি 'মেদিনী গ'ল, মেদিনী গ'ল' বুলি চিঞৰি আকৌ শৈলেশ অহা বাটেৰে দৌৰি গৈছিল।

প্ৰথম মুহূৰ্তত ইক্ৰামে একো নুবুজিলেও চিঠি দুখন চায়েই বুজিবলৈ সময় নেলাগিল যে ইতিমধ্যে মেদিনীয়ে আত্মহত্যা কৰিছে। আৰু সেই মুহূৰ্ততে বুজিছিল শৈলেশ উন্মাদ হৈছে।

॥ পোন্ধৰ ॥

জেলৰ প্ৰকাণ্ড গেটখনৰ বাহিৰলৈ ওলাই অশান্তই এবাৰ চাৰিওফালে চাই ললে। এটা মৃদু হাঁহি মাৰিলে। তাৰ পিচত মনতে ঠিক কৰিলে, প্ৰথমে ইক্ৰামৰ দোকানত সোমাই ইক্ৰামৰ খা-খবৰ লব। তাৰ পিচত মেদিনীহঁতৰ ওচৰলৈ যাব। বিকুলৰ বেমাৰ ইতিমধ্যে চাগে ভাল হৈছে। গা-পা ধুই কিবা অলপ খাই গধূলি আটাইকেইটা ওলাই আহিব। ইক্ৰাম দোকানীৰ দোকানৰ আগত কিছু সময় বৈ নগৰখন চাব। তাৰ পিচত আটাইকেইটাকে লৈ যাব স্নামণিৰ ওচৰলৈ।

অশান্ত এখন ৰিক্সাত উঠিল।

ৰিক্সা ইক্ৰামৰ দোকানৰ সমুখত ৰলহি।

"কি খবৰ ইক্ৰাম কাই?" ৰিক্সাৰপৰা নামি অশান্তই চিঞৰি সুধিলে।

অশান্তক দেখাৰ লগে লগে ইক্ৰামৰ বুকুখন কঁপি উঠিল লৰালৰিকৈ দোকানৰপৰা নামি আহিল। জোৰ কৰি মুখলৈ হাঁহি এটা আনি কলে, "আহিলি অশান্ত, অকমান ৰ। মই পাটচলা জপাই লওঁ।" ইক্ৰামে বুজিলে অশান্তই একো গম পোৱা নাই।

"কি হ'ল দোকান বন্ধ কৰিলা যে?"

"কম বাৰু" লাহেকৈ উত্তৰ দি তলাটো মাৰি অশান্তৰ ওচৰলৈ আহি কলে, "ব'ল।"

"কলৈ?"

"মোৰ ঘৰলৈ"

"নহয়, আগতে মেদিনীহঁতৰ ওচৰৰ…"

"সিইত মোৰ ঘৰতে আছে" অকণো খোকোজা নলগাকৈ ইক্ৰামে কলে।

ছুয়ো বিস্মিত উঠিল।

"মেদিনীইতৰ ভাল ?" বিস্মিত হৈ থাকোঁতে অশান্তই সুধিলে।

"ভালেই।" সহজে ইক্ৰামে উত্তৰ দিলে।

"বিকুলৰ অসুখ ভাল হ'লনে ?"

"হ'ল।"

"সি শকত হৈছে নে ?"

"হৈছে।"

"সিইতে কিবা কাম-চাম কৰিছে নে নাই ?"

"কৰিছে।"

অশান্তই এটা পৰিতৃপ্তিৰ হাঁহি মাৰিলে। ডাঙৰ সমস্যা এটা পাৰ হৈ যোৱাৰ পিচত ওলাই অহা হুমুনিয়াহৰ দৰে এটা হুমুনিয়াহ ওলাই আহিল।

"মেদিনীইতে এইকেইদিন মাৰপিট কৰা নাই নে বাৰু ?"

"নাই কৰা। সিইত দেৱতা হৈ গ'ল।" ইক্ৰামে বাক্যটো কৈ নিজেই কঁপি উঠিল।

অশান্তই আকৌ এটা হাঁহি মাৰিলে। নিজকে কোৱাৰ দৰে কলে, "মদ, জুৱা এৰিলে যেতিয়া আৰু একো নেলাগে। এইবাৰ আমি নতুন জীৱন আৰম্ভ কৰিম।"

অশান্তৰ লগত কথা পাতোঁতে ইক্ৰামে প্ৰাণপণে নিজকে সংযত কৰিব লগা হৈছিল। মাজে মাজে কিহবাই যেন বুকুখন খোচা মাৰি ধৰিছিল। ভয়ে ভয়ে আঁৰচকুৰে অশান্তলৈ চাইছিল। ইক্ৰামে বুজিছিল মেদিনী, বিকুল আৰু শৈলেশৰ আচল খবৰ পোৱাৰ পিচত এইটো ল'ৰাক শান্ত কৰি ৰখাৰ শক্তি পৃথিবীত কাৰো নহব।

এটা সময়ত বিক্সাখন ইক্ৰামৰ ঘৰৰ সমুখত ৰ'লহি। বিক্সাৰপৰা জাপ মাৰি অশান্ত জপনাখনৰ ওচৰলৈ গৈ বৈ গ'ল। ইক্ৰামলৈ ঘূৰি চাই সুধিলে, "ক'তা তোমাৰ ঘৰত দেখোন তলা মৰা আছে। ইইত কলৈ গ'ল ?"

"আছে আছে, অধৈৰ্য্য নহবি।" বাক্যটো কৈ ইক্ৰামে দুৱাৰৰ তলাটো খুলি অশান্তক ভিতৰলৈ মাতিলে।

"বহ।" চকীখনলৈ আঙুলিয়াই দিলে। অশান্ত বহিল। তাৰ পিচত অকণো ভূমিকা নকৰাকৈ ইক্ৰামে সকলো কথা পৰিষ্কাৰকৈ কৈ গ'ল।

মেদিনীয়ে আত্মহত্যা কৰাৰ আগতে অশান্তলৈ দি যোৱা চিঠিখন আগবঢ়াই দিলে। অশান্তই চিঠিখন মেলি পঢ়ি গ'ল—

"মোক ক্ষমা কৰিবি অশান্ত। বিকুলক বচাব নোৱাৰিলোঁ। ঠিক সময়ত ডাক্তৰ আনিব নোৱাৰিলোঁ। ঔষধ আনিব নোৱাৰিলোঁ। ঠিক সময়ত ডাক্তৰ আনিব পৰা হলে, ঔষধ আনিব পৰা হলে হয়তো বিকুলৰ এই অকাল মৃত্যু নহ'লহেঁতেন।

যি সময়ত বিকুলৰ জ্বৰ বেছি হৈছিল সেই সময়ত মই ডাঃ প্ৰশান্ত ভৰালীৰ ওচৰলৈ গলোঁ। ডাঃ ভৰালীয়ে বাতি আৰু ঠাণ্ডাৰ অজুহাত দেখুৱাই নাহিল। বহুত কৈছিলোঁ, খাতিৰো কৰিছিলোঁ। লাভ একো নহ'ল। ডাঃ ভৰালী অহা হলে বিকুলক বচাব পৰা গলহেঁতেন বুলি ভাবোঁ। কিন্তু সি পিশাচ আছিল।

ডাঃ ভৰালীৰ ঘৰৰপৰা গৈ ডাঃ মুজাহিদ আলিক অনাৰ সময়লৈকে বিকুলৰ অৱস্থা কাহিল হৈছিল। আৰু তেতিয়াও এটা আশা কৰিছিলোঁ। ডাঃ আলিয়ে লিখি দিয়া ইনজেকচন দুটা সময়মতে আনি দিয়াব পৰা হলে হয়তো বিকুল বাচি গলহেঁতেন। কিন্তু ইনজেক্‌চনৰ বাবে 'দি আইডিয়েল ড্ৰাগ হাউছ'ৰ বিশ্বনাথৰ লগত যিমান সময় যুঁজ কৰিবলগা হ'ল সেই সময়ত বিকুল ধৰাচোৱাৰ বাহিৰ হৈ গৈছিল।

বিকুলৰ মৃত্যু মই কোনোৰকমেই সহ্য কৰিব পৰা নাছিলোঁ। বিশ্বাস কৰ, মই বাহিৰত নিজকে সংযত কৰি ৰাখিলেও ভিতৰি ভিতৰি পাগল হৈ গৈছিলোঁ। সেই মুহূৰ্ততে ডাঃ ভৰালী আৰু বিশ্বনাথক হত্যা কৰাৰ ইচ্ছা গৈছিল। বাৰে বাৰে যেন মোৰ কাণৰ কাষত কোনোবাই চিঞৰিছিল— ডাঃ ভৰালী আৰু বিশ্বনাথক হত্যা কৰ। সিহঁতৰ বাবেই বিকুলৰ মৃত্যু হ'ল। বাৰে বাৰে অধৈৰ্য্য হৈ পৰিছিলোঁ ডাঃ ভৰালী আৰু বিশ্বনাথক হত্যা কৰাৰ ইচ্ছাত। মাত্ৰ হত্যা নকৰিলোঁ তোৰ বাবে। তোক কথা দিছিলোঁ মৃত্যুক সাৰটি লম, তথাপি কাৰো গাত হাত নিদিওঁ। অথচ ডাঃ ভৰালী আৰু বিশ্বনাথক হত্যা নকৰাকৈ তোৰ কথা মানি জীয়াই থকা মোৰ বাবে সম্ভৱ নাছিল।

মোক ক্ষমা কৰিবি।

তোৰ—মেদিনী।"

চিঠিখন অশান্তই আকৌ এবাৰ পঢ়িলে। ভয়ে ভয়ে ইক্ৰাম দোকানীয়ে অশান্তৰ মুখলৈ চালে। মেদিনীহঁতৰ কথা কৈ যাওঁতে, অশান্তই মেদিনীৰ

চিঠিখন পঢ়ি বাওঁতে ইক্ৰামে প্ৰত্যেক মুহূৰ্ততে ভাবিছিল এই মুহূৰ্তত অশান্তই চিঞৰি উঠিব, হুক্হুকৈ কান্দি উঠিব, পৃথিবীৰ কোনো শক্তিয়ে শান্ত কৰিব নোৱাৰাকৈ অশান্ত অশান্ত হৈ পৰিব। অথচ তাৰ পৰিবৰ্তে বিস্ময়েৰে লক্ষ্য কৰিলে, কন্তেকৰ বাবেও অশান্ত উত্তেজিত হোৱা নাই, এটা শব্দও উচ্চাৰণ কৰা নাই, এটোপাল চকুপানী উলিওৱা নাই, আনকি এটা হুমুনিয়াহো নেকাঢ়িলে। ইক্ৰাম দোকানীৰ ঘপ্‌কৰে মনত পৰি গ'ল মেদিনীৰ মুখখনলৈ। বিকুলৰ মৃত্যুৰ পিচত মেদিনীয়েও কন্দা নাছিল, বিচলিত হোৱা নাছিল, এটা হুমুনিয়াহো কঢ়া নাছিল আৰু শেষত আত্মহত্যা কৰিছিল।

ইক্ৰামে বুজিছিল অশান্তই আত্মহত্যা নকৰে, কৰিলে ধুমুহাৰ সৃষ্টি কৰিব।

"শৈলেশ ক'ত?"

"দুদিনমান মোৰ লগত ৰাখিছিলোঁ।" লাহে লাহে ইক্ৰামে কৈ গ'ল, "কিন্তু বেছি হৈ যোৱাত পগলা ফাটেকলৈ পঠাব লগা হ'ল। ককায়েকইতে এদিন পুলিচ আনি লৈ গ'ল পগলা ফাটেকত। একেৰাহে বোলে শৈলেশে বিকুল, মেদিনী, বঙ্কিম আৰু তোৰ নাম চিঞৰি থাকে। মাজে মাজে অনিৰ্বানৰ নাম ধৰি গালি পাৰে।" কথাখিনি কৈ ইক্ৰামে অশান্তৰ মুখলৈ চালে। গম্ভীৰ মুখখন দেখি একো বুজিব নোৱাৰিলে। অশান্তই কোঠাটোৰ ভিতৰতে কন্তেক অহা-যোৱা কৰিলে। চিগাৰেট এটা জ্বলাই হুপিলে।

"ডাঃ প্ৰশান্ত ভৰালী ক'ত থাকে?"

"ইয়াৰপৰা বদলি হ'ল।"

"কলৈ?"

ইক্ৰামে ঠাইখনৰ নামটো কলে।

"একাপ চাহ খুৱাবা?" অশান্তই কলে।

"তই অকমান বহ, মই আনিছোঁ।" ইক্ৰাম লৰালৰিকৈ ভিতৰলৈ গ'ল।

চাহ লৈ আহি ইক্ৰামে দেখিলে অশান্তই চকীখনত বহি চকু মুদি কিবা ভাবি আছে।

"চাহ খা" ইক্ৰামে লাহেকৈ কলে।

কাপটো হাতলৈ ললে। লাহে লাহে কাপত শোহা মাৰিলে।

"মই অলপ শুম।" চাহৰ খালি কাপটো ইক্ৰামলৈ আগবঢ়াই দি অশান্তই কলে।

ইক্ৰামে বিছনা ঠিক কৰি দিলে।

অশান্ত বিছনাত পৰিল।

অশান্তৰ আচৰণত ইক্ৰাম অবাক হ'ল। সব দুৰ্বোধ্য যেন লাগিল। বুজিলে ধুমুহাৰ পূৰ্বাভাস।

ধুমুহাৰ আভাস পাবলৈ ইক্ৰাম বা নগৰখনৰ মানুহৰ বাবে বেছি সময় লগা নাছিল। গধূলি ইক্ৰামে দোকানত বহি থাকোঁতেই গম পাইছিল 'দি আইডিয়েল ড্ৰাগ হাউছ'ৰ কম্পাউণ্ডাৰ বিশ্বনাথক দোকানৰ ভিতৰতে বুকুত ডেগাৰেৰে তিনিটা খোচ মাৰি অশান্ত পলাইছে।

বিশ্বনাথক হত্যা কৰা খবৰটো নগৰখনত ক্ষন্তেকতে বিয়পি পৰিল। এটা হুলস্থূলৰ সৃষ্টি হ'ল। পুলিচে দৌৰাদৌৰি কৰিলে। সমগ্ৰ নগৰখনত চুককাণ মাৰি অশান্তৰ সন্ধান চলিল।

যিদিনা গধূলি বিশ্বনাথক অশান্তই হত্যা কৰিছিল, ট্ৰেইনেৰে পলাই যোৱা অশান্তই পিচদিনা গধূলি হাজিৰ হৈছিলগৈ ডাঃ প্ৰশান্ত ভৱালীৰ ঘৰৰ সমুখত।

ডাঃ ভৱালী থকা নগৰখন অশান্তৰ বাবে নতুন আছিল যদিও ডাঃ ভৱালীৰ ঘৰ উলিয়াওঁতে অশান্তৰ বেছি সময় নালাগিল। নগৰখনত অশান্ত অপৰিচিত আছিল বাবে কাৰো চকুত নপৰিল।

গধূলিৰ আন্ধাৰ বাঢ়ি অহাৰ লগে লগে অশান্তই ডাঃ ভৱালীৰ ঘৰৰ গেট খুলি ভিতৰ সোমাল। দুৱাৰত মৃদু টোকৰ মাৰিলে। দুৱাৰ খোল খালে। দুৱাৰমুখত ডাঃ ভৱালীৰ পৰিবৰ্তে যাক দেখিলে তেওঁক দেখা পাবলৈ অশান্তই কোনোদিন আশা কৰা নাছিল। অশান্ত থংমং খাই গ'ল।

'শকুন্তলা!' মুখৰ ভিতৰতে অশান্তই কৈ উঠিল। নিজৰ মনৰ ভাব লুকুৱাই গম্ভীৰ স্বৰেৰে শকুন্তলালৈ চাই সুধিলে, "ডাঃ ভৱালী আছে নে নাই?"

"নাই, ওলাই গৈছে।" শকুন্তলাই লাহেকৈ উত্তৰ দিলে।

অশান্তই বুজিলে শকুন্তলাই তাক চিনি পোৱা নাই। মুহূৰ্ততে অশান্তই জেপৰপৰা এখন প্ৰকাণ্ড ছুৰী উলিয়াই শকুন্তলাক কৈ উঠিল, "চিঞৰ-বাখৰ নকৰিবা।"

অশান্তৰ হাতত ছুৰী দেখি শকুন্তলা উচপ খাই উঠিল। চিঞৰিবলৈ গৈয়ো ৰৈ গ'ল। বিস্ফাৰিত চকুৰে অশান্তলৈ চালে।

"ভিতৰলৈ বলা।" অশান্তই কৰ্কশ স্বৰেৰে কলে। শকুন্তলা পাচুৱাই গ'ল। অশান্তই দুৱাৰৰ খিলি ... াই দিলে।

ঘৰত কোন কোন আছে?"

"কাম কৰা ল'বাটো আৰু মই। স্বতঃস্ফূৰ্তভাবে বাক্যটো শকুন্তলাৰ মুখৰপৰা ওলাই আহিল।

"বহঁা" চোফাখনলৈ আঙুলিয়াই অশান্তই কলে।

ভয়ে ভয়ে শকুন্তলা চোফাত বহিল। অশান্তই ভিতৰলৈ যোৱা দুৱাৰখন জপাই খিল্ লগাই দিলে।

"মোক চিনি পাইছা?"

"চিনাকি চিনাকি লাগিছে···কিন্তু···"

"মই অশান্ত। জেলৰপৰা ওলাই আহিছোঁ বাবে ধৰিব পৰা নাই।"

"অশান্ত!" শকুন্তলাই অস্ফুটভাবে কৈ উঠিল। থৰ লাগি অশান্তৰ কক্ষ মুখখনলৈ চালে।

"ওঁ ওঁ, অশান্ত। মনত পৰিছে? সেই গুণ্ডা অশান্ত।" কৰ্কশ মাতেৰে লাহে লাহে অশান্তই কৈ গ'ল, "তোমাৰ দেহাক ঘিণ কৰা অশান্ত।" বাক্যটো কৈ অশান্তই মুখখন বিকৃত কৰি শকুন্তলালৈ চাই বল। লাহে লাহে কলে, "ইতিমধ্যে চাগে কাগজত পাইছা কালি গধূলি এটাক হত্যা কৰিছোঁ। আজি আৰু এটাক কৰিম। তাৰ পিচত জেললৈ যাম। জেললৈ যোৱাৰ আগতে তোমাক পাই ভালেই হ'ল।" অশান্তই শকুন্তলাৰ সমুখৰ চকীখনত বহিল।

"তোমাক এদিন ভাল পাইছিলোঁ। এইটো কথা তোমাক জনোৱা উচিত। তুমি মোৰ জীৱনৰ প্ৰথম নাৰী—যাক মই ভাল পাইছিলোঁ। তোমাৰ বাবেই মোৰ লগৰ ৰকিম, মেদিনীহঁত সম্পূৰ্ণ সলনি হৈ গ'লহেঁতেন। হয়তো তুমি চেষ্টা কৰা হলেই আমাক নতুন জীৱন দিব পাৰিলাহেঁতেন। মা-দেউতাৰ শাসন নমনা জঘন্য ল'ৰা হৈয়ো তোমাৰ ওচৰত দুৰ্বল হৈছিলোঁ। আৰু সেইদিনা তুমি অকমান সাহস কৰি আগবাঢ়ি অহা হলেই আমাৰ জীৱনৰ গতি হয়তো সলনি হৈ গলহেঁতেন। তুমি সেই সাহস দেখুৱাব নোৱাৰিলা। আমাক নতুন জীৱন দিয়াৰ পৰিবৰ্তে হত্যা কৰিলা। মোৰ ভালপোৱাক অপমান কৰিলা।" অশান্তই কথা কৈ যাওঁতে যথেষ্ট উত্তেজিত হৈ পৰিছিল। নিজৰ অৱস্থাৰ কথা গম পাই ক্ষন্তেক বৈ নিজকে সংযত কৰি ললে।

"মাত্ৰ তোমাৰ বাবেই আমি বেছি জঘন্য হৈ গৈছিলোঁ, এই কথা বোধহয় তুমি নাজানা। আমি ধ্বংস হৈ যোৱাৰ পাচফালে মাত্ৰ তুমি আছিলা।" অশান্তই দম সলাই ললে। "অৱশ্যে তুমি এদিন আমাক ধ্বংসৰ পথলৈ ঠেলি দিলা বাবে আজি তোমাৰ ওচৰলৈ অহা নাই। আহিছোঁ তোমাৰ স্বামীৰ

ওচৰলৈ। এদিন তোমাৰ বাবেই আমি ধ্বংস হৈ গলোঁ। আৰু বহুদিনৰ পিচত তোমাৰ স্বামীৰ বাবেই বিকুলৰ মৃত্যু হ'ল, মেদিনীয়ে আত্মহত্যা কৰিলে, শৈলেশ পগলা হ'ল।"

"কি ? মোৰ স্বামীৰ বাবে ?" শকুন্তলাই একো বুজিব নোৱাৰি উচপ খাই উঠিল।

"ওঁ, তোমাৰ স্বামী ডাঃ প্ৰশান্ত ভৰালীৰ বাবে। যিদিনা বিকুলৰ জ্বৰ বেছি হৈছিল সেই ৰাতি মেদিনীয়ে জোৰ কৰিও তোমাৰ স্বামীক নিব নোৱাৰিলে। ঠিক সময়ত ডাক্তৰ নোপোৱাৰ বাবে বিকুলৰ মৃত্যু হ'ল। বিকুলৰ মৃত্যুৰ বাবে সম্পূৰ্ণ দায়ী তোমাৰ স্বামী আৰু কম্পাউণ্ডাৰ বিশ্বনাথ। মোৰ ওচৰত কথা দি অহাৰ বাবে মেদিনীয়ে তোমাৰ স্বামী আৰু বিশ্বনাথক একো কৰিব নোৱাৰিলে। তাৰ পৰিবৰ্তে সি আত্মহত্যা কৰিলে। মেদিনীৰ আত্মহত্যাৰ পিচত শৈলেশ পগলা হল। বাকী আছোঁ মই। মই পাগল হোৱা নাই। অন্ততঃ শোধ নোলোৱাকৈ মই পগলা নহওঁ। ইতিমধ্যে বিশ্বনাথক হত্যা কৰিছোঁ। বাকী আছে তোমাৰ স্বামী। আজি তেওঁকো হত্যা কৰিম। তাৰ পিচত জেল।"

অশান্তৰ কথাবিলাক শুনাৰ পিচত শকুন্তলাৰ মূৰটো ঘূৰাই যোৱা যেন লাগিল। এক সম্ভাব্য আতংকত সৰ্বশৰীৰ কঁপি উঠিল। কঁপা কঁপা মাতেৰে কৈ উঠিল, "নহয় নহয় অশান্ত" বহাৰপৰা উঠি শকুন্তলাই অশান্তৰ ভৰি দুটা সাৱটি ধৰিলে। লৰালৰিকৈ অশান্তই এখোজ পাচুৱাই আহিল। অশান্তৰ ভৰিৰ ওচৰত পৰি শকুন্তলাই কৈ গ'ল, "ক্ষমা কৰা অশান্ত, মোৰ স্বামীক একো নকৰিবা, মাত্ৰ মোৰ মুখলৈ চাই ক্ষমা কৰা অশান্ত।"

"তোমাৰ মুখলৈ চাই ?" হোঃ হোঃকৈ অশান্তই হাঁহি উঠিল। মুখখন বিকৃত কৰি কৈ গ'ল, "তোমাৰ কান্দোনে মোৰ অন্তৰ স্পৰ্শ কৰিব পৰা অবস্থা এটা এতিয়া আৰু মোৰ নাই।"

"কিন্তু মোৰ স্বামীক হত্যা কৰিলেই জানো মেদিনীহঁতক ঘূৰাই পাবা ?"

"নেপাওঁ।" মুখখন কঠিন কৰি দুটা মাতেৰে অশান্তই কৈ গ'ল, "কিন্তু শান্তি পাম। মোৰ বুকুত কিহৰ জুই জ্বলিছে তুমি নুবুজিবা। সেই জুইৰ যন্ত্ৰণা তুমি অনুভৱ কৰিব নোৱাৰা। যেতিয়ালৈকে তোমাৰ স্বামীক হত্যা কৰিব নোৱাৰোঁ তেতিয়ালৈকে সেই জুই নুনুমায়।"

"কিন্তু তোমাৰ শান্তিৰ বাবেই মোৰ জীৱনলৈ চিৰ অশান্তি নমাই

আনিবা? তাতকৈ মোক হত্যা কৰা অশান্ত…" শকুন্তলাৰ কণ্ঠস্বৰত এটা কান্দোনৰ ধ্বনি ফুটি উঠিল।

"মনে মনে থাকা শকুন্তলা। তোমাকো হত্যা কৰিব পাৰোঁ। কিন্তু প্ৰথম বলি তোমাৰ স্বামী…" অশান্তৰ কণ্ঠস্বৰ কোঠাটোত গমগমাই উঠিল।

শকুন্তলা কিছু সময় অশান্তৰ ভৰিৰ ওচৰত পৰি থাকিল। থৰ হৈ ক্ষন্তেক অশান্তৰ মুখলৈ চালে। লাহে লাহে শকুন্তলাৰ মুখৰ ৰং সলনি হৈ আহিল। প্ৰবল আতংকৰ পৰিবৰ্তে চকুৰে-মুখে ফুটি উঠিল অবৰ্ণনীয় ঘৃণা। অশান্তৰ মুখৰপৰা এক মুহূৰ্তৰ বাবেও চকুহাল নাতবোৱাকৈ শকুন্তলা বহাৰপৰা উঠিল। অশান্তই লক্ষ্য কৰিলে শকুন্তলাৰ সজল চকুযোৰ অকস্মাতে দপকৈ জ্বলি উঠিছে। শকুন্তলা দুখোজ পাচলৈ গ'ল। অশান্তৰ চকুত চকু থৈ কৈ উঠিল, "বুজিছোঁ" ক্ষন্তেক আকৌ অশান্তলৈ চাই থাকিল। তাৰ পিচত লাহে লাহে এটা এটা শব্দেৰে কৈ গ'ল, "ঠিক আছে, মোৰ স্বামীক মাৰিবা, তাৰ আগতে অৱশ্যে মোকো মাৰি লব লাগিব।" শকুন্তলাই এটা দীঘলীয়া উশাহ ললে। অশান্তৰ ভৰিৰ ওচৰলৈ চকুযোৰ নমাই আনিলে। ভৰিৰপৰা আকৌ লাহে লাহে ওপৰলৈ শকুন্তলাই চকুযোৰ আগবঢ়াই নি অশান্তৰ চকুত নিবদ্ধ কৰিলে। চেপা কণ্ঠে লাহে লাহে কৈ গ'ল, "তাৰ আগতে এটা কথা শুনি লোৱা। এই মুহূৰ্তৰ আগলৈকে তোমাৰ প্ৰতি মোৰ যি উচ্চ ধাৰণা আছিল সেই ধাৰণা তুমি সলনি কৰি দিলা। ভালেই কৰিলা। তোমাৰ দৰে এটা নীচ, ভীৰু কাপুৰুষক ইমান দিনে যি সন্মানেৰে চাইছিলোঁ। সেয়া যে মোৰ ভুল আছিল সেইটো জনাই দি বৰ ভাল কাৰিলা।"

"শকুন্তলা!" চেপা কণ্ঠে অশান্তই চিঞৰি উঠিল।

অশান্তৰ চেপা কণ্ঠস্বৰে যেন শকুন্তলাক দুগুণে জ্বলাই তুলিলে। আহত সৰ্পিণীৰ দৰে যেন ফণা তুলি উঠিল। তীক্ষ্ণ স্বৰেৰে কৈ গ'ল, "তুমি মোক ভালপোৱাৰ কথা কবলৈ আহিছা? তোমাৰ প্ৰেমক অপমান কৰাৰ কথা কবলৈ আহিছা? লাজ লগা নাই? যিদিনা তুমি মোৰ ওচৰলৈ গৈছিলা সেইদিনা তুমি নিজেই কি আছিলা? মদপী নাছিলা? জুৱাৰী নাছিলা? তোমাৰ দৰে এটা গুণ্ডাৰ ওচৰলৈ যোৱাৰ সাহস কোনজনী ছোৱালীৰ আছিল? তোমাৰ দৰে এটা গুণ্ডাই মোৰ ওচৰত প্ৰেম নিবেদন কৰিবলৈ লাজ লগা নাছিল?"

"মনে মনে থাকা শকুন্তলা…" দুৰ্বল কণ্ঠেৰে অশান্তই চিঞৰি উঠিল।

শকুন্তলাৰ প্ৰত্যেকটো বাক্যই যেন অশান্তৰ অন্তৰৰ এক দুৰ্বল অংশত আঘাত কৰিলে।

"কিয় মনে মনে থাকিম?" সমান উত্তেজনাৰে শকুন্তলাই কৈ গ'ল, "মই সেই সময়ত যথেষ্ট সৰু ছোৱালী আছিলোঁ। বহু কথা বুজি পোৱা নাছিলোঁ। আৰু যিদিনা গ্ৰীণৰুমত তুমি মোক অপমান কৰিছিলা, পিচত যেতিয়া দিগন্ত বৰুৱাই সাজি কোৱা কাহিনীবিলাক শুনিছিলোঁ, সেইদিনা মই যথেষ্ট সলনি হৈছিলোঁ। বিশ্বাস কৰা সেই ঘটনাৰ পিচৰেপৰা তোমাৰ প্ৰতি মোৰ মনত এক সুকীয়া ধাৰণাই গঢ় লৈছিল। সেইদিনা ভালদৰে বুজিছিলোঁ, তুমি মদপী, জুৱাৰী বা গুণ্ডা হলেও অন্ততঃ ভাল পাব জানা, ভালপোৱাৰ প্ৰতিশোধ লব জানা। আৰু সেইদিনাৰেপৰা তোমাৰ ভালপোৱাক শ্ৰদ্ধাৰে সুঁৱৰিছিলোঁ।" একেলগে বহুখিনি কথা কৈ শকুন্তলা ভাগৰি পৰিছিল। দম সলাই আকৌ কৈছিল, "জানা সেইদিনাৰেপৰা আজিলৈকে তোমাক এক সুকীয়া দৃষ্টিৰে চাইছিলোঁ আৰু আজি তুমি মোৰ ভুল ভাঙি দিলা।"

"শকুন্তলা!" অশান্তই আকৌ চেপাকণ্ঠে চিঞৰি উঠিল।

"নিচিঞৰিবা।" এজনী তিৰোতাৰ মনত থাকিব পৰা সকলো বিৰক্তি, ঘৃণা, খং যেন 'নিচিঞৰিবা' শব্দটো কোৱাৰ লগে লগে শকুন্তলাৰ চকুৰে-মুখে ফুটি উঠিল। অশান্তই থৰ লাগি শকুন্তলাৰ মুখলৈ চাই থাকিল। যিটো খং আৰু উত্তেজনাৰে প্ৰথম শকুন্তলাৰ সমুখত থিয় হৈছিল, সেই খং আৰু উত্তেজনা যেন বহু পৰিমাণে কমি গ'ল। শকুন্তলাই কৈ গ'ল, "আচলতে তুমি ভীৰু, কাপুৰুষ। মোৰ স্বামীক কিয় হত্যা কৰিব আহিছা মোৰ বাবে পৰিষ্কাৰ হৈ গৈছে। বিকুল, মেদিনী, শৈলেশৰ কথা সব মিছা। নীচ অজুহাত। আচল উদ্দেশ্য মোৰ ওপৰত প্ৰতিশোধ লোৱা। মোৰ স্বামীক হত্যা কৰি চিৰদিন তোমাক মনত ৰখাকৈ মোৰ ওপৰত প্ৰতিশোধ লবলৈ আহিছা..."

"নহয় নহয়...তুমি" অশান্তই চিঞৰি উঠিল। বাক্যটো সম্পূৰ্ণ কৰিব নোৱাৰি বৈ গ'ল।

শকুন্তলাই চিঞৰি উঠিল; "হয় হয়, তুমি ভীৰু, পুৰুষৰ নামত কলংক। মাৰা, আগতে মোক মাৰি লোৱা..." কথাখিনি কৈ শকুন্তলাই অশান্তৰ ছুৰী লৈ থকা হাতখন দুয়ো হাতেৰে ধৰি ছুৰীখন নিজৰ বুকুত বহুৱাই দিয়াৰ চেষ্টা কৰিলে। অশান্তই জোৰেৰে নিজৰ হাতখন আঁতৰাই আনিলে।

শকুন্তলাই দুয়োখন হাতেৰে মুখ ঢাকি হুকহুকৈ কান্দি মাটিত বহি পৰিল।

অশান্তই অস্বস্তিবোধ কৰিলে। শকুন্তলাই কিছু সময় চাই ৰ'ল।

শকুন্তলাৰ কথাবিলাকে যেন অশান্তক দুৰ্বল কৰি পেলালে। এটা বাক্যৰ প্ৰতিবাদ কৰাৰ শক্তিও হেৰুৱাই পেলালে। বাওঁহাতৰ তলুৱাত সোঁহাতৰ মুঠিটোৰে খুন্দিয়াই খুন্দিয়াই কিছু সময় কোঠাৰ ভিতৰতে অহা-যোৱা কৰিলে। এটা চুকত বহি কান্দি থকা শকুন্তলালৈ থৰ লাগি চাই ৰ'ল। এটা চিগাৰেট হোপাৰ ইচ্ছা গ'ল। ত্ৰেপৰপৰা চিগাৰেট এটা উলিয়াই ঘপ্ ঘপকৈ কেইটামান হোপা মাৰি চিগাৰেটটো পকাত পেলাই গচকি মুমুৰাই দিলে। তাৰ পিচত হুমুনিয়াহৰ দৰে এটা দীঘলীয়া উশাহ এৰি লাহে লাহে কৈ গ'ল, "ঠিক আছে, তোমাৰ স্বামীক ৰেহাই দিলোঁ। বাক।" যুদ্ধ কৰি ...গা ভাগকৰা সৈনিকৰ দৰে শুনাইছিল অশান্তৰ মাতটো। "কিন্তু এদিন তোমাৰ ...মন্ত পৰাৰ বাবেই নাইবা তোমাৰ কান্দোনত মোৰ অন্তৰ গলিল বুলি নেভাৱিবা। ৰেহাই দিলোঁ মাত্ৰ এটা ভয়ৰ কাৰণে।" অশান্তই হাতৰ ছুৰীখন জপাই কৈ গ'ল, "তোমাৰ স্বামীক হত্যা কৰিলে তুমি ধৰি লব পাৰা মই তোমাৰ ওপৰত প্ৰতিশোধ ললোঁ বুলি। আৰু এনেদৰে তুমি ভাৱি ললে মোৰ বাবে ইয়াতকৈ আৰু ডাঙৰ অপমানৰ কথা একো নেথাকিব। এই অপমান মই কেতিয়াও সহ্য কৰিব নোৱাৰিম।" অশান্তই আৰু এটা দীঘলীয়া উশাহ ললে। উশাহটো লাহে লাহে এৰি কৈ গ'ল, "মই নিঃসন্দেহে গুণ্ডা আছিলোঁ, মদপী আছিলোঁ, জুৱাৰী আছিলোঁ। কিন্তু অনিৰ্বান নামৰ মানুহ এজনে মোৰ মাজত শুই থকা অন্য এটা মানুহক জগাই দিছে। মামণি নামৰ এজনী ছোৱালীৰ মাজেৰে মই নিজকে বিচাৰি পাইছোঁ।" কান্দিবলৈ এৰি অশান্তলৈ চাই থকা শকুন্তলাৰ চকুত চকু থৈ শেষ বাক্যটো কলে, "কালিও এটা মানুহক হত্যা কৰিছিলোঁ, কিন্তু তুমি ভবাৰ দৰে মই নীচ নহওঁ।"

অশান্তই হাতৰ ছুৰীখন কোঠাৰ চুকলৈ দলিয়াই দিলে।

দুৱাৰখন খুলি বাহিৰলৈ ওলাই গ'ল।

বিস্ময়ভৰা চাৱনিৰে শকুন্তলাই বাহিৰলৈ ওলাই যোৱা অশান্তলৈ চাই ৰ'ল।

গধূলিৰ পাতল এন্ধাৰত অশান্ত লাহে লাহে হেৰাই গ'ল।